● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

দেওবৰীয়া দৈনিক

# অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

www.dainikagradoot.in

## দিগ্‌দৰ্শন

আমাৰ সকলোবোৰ সপোনেই পূৰণ হ'ব পাৰে যদিহে আমাৰ সেইবোৰ অনুসৰণ কৰাৰ সাহস থাকে।

**ৱাল্ট ডিজনী**
*আমেৰিকান অভিনেতা-উদ্যোগী*



৫ থাইগিৰগুৰী-ফাথীবাৰীলৈ গৈছিলো
১৫ পেৰালিম্পিকত ভাৰতৰ ভাবিনাবেন পেটেলৰ ইতিহাস
৪ আশা-নিৰাশাত পাৰ হৈছে সময়

RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ৩১৯তম সংখ্যা ● গুৱাহাটী ● দেওবাৰ ১২ ভাদ ১৪২৮ ভাস্কৰাব্দ ২৯ আগষ্ট ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Sunday 29 August 2021 মূল্য ঃ ৭.০০ টকা

■ কাৰ পৃষ্ঠপোষকতাত দৰিদ্ৰৰ বাবে আবণ্টিত সুলভ মূল্যৰ চাউল বাংলাদেশলৈ চোৰাং চালান ■ বৰপেটাত উৎখাত গুদাম ঃ সাতশ বেগ জব্দ ■ গড়চুকতো চাউলৰ ট্ৰাক জব্দ

# ভোকাতুৰৰ বাবে আবণ্টিত চাউলৰ বেহা



*বাংলাদেশলৈ প্ৰেৰণৰ বাবে সাজু কৰা চাউল জব্দ বৰপেটাৰ গুদামত।*

অভিযুক্তৰূপে টিকেন দাসৰ নাম উদ্ধাৰৰ পাছতো থমকি ৰোৱা তদন্ত প্ৰক্ৰিয়াত নতুন পাক

**ষ্টাফ ৰিপ'ৰ্টাৰ/বিশেষ সংবাদদাতা**
**গুৱাহাটী/বৰপেটা, ২৮ আগষ্ট ঃ** ক'ভিডসৃষ্ট পৰিৱেশৰ বাবে যি সময়ত দৰিদ্ৰ জনতাই এসাঁজ খাবলৈ হাহাকাৰ কৰিবলগীয়া হৈছে, সেই সময়তে কেন্দ্ৰীয় চৰকাৰে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ জৰিয়তে আবণ্টন দিয়া সুলভ মূল্যৰ চাউল বাংলাদেশলৈ চোৰাংভাৱে সৰবৰাহ কৰা হৈছে। যোৱা ১৩ আগষ্টত মহানগৰীৰ বশিষ্ঠ আৰক্ষীয়ে দুখন ট্ৰাকত কঢ়িয়াই অনা ৫০টন চোৰাং চাউল জব্দ কৰাৰ পাছতে ১০ পৃষ্ঠাত চাওক

---

পহিলা জুলাইৰ পাছত সৰ্বোচ্চ সংক্ৰমণ

## দেশত কৰ'নাই আকৌ মূৰ দাঙি উঠাৰ অশনি সংকেত

■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৮ আগষ্ট ঃ** দেশত পুনৰ কৰ'না ভাইৰাছে মূৰ দাঙি উঠাৰ অশনি সংকেত দেখা গৈছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে বিগত চাৰি দিনত দেশত হোৱা ক'ভিড-১৯ সংক্ৰমণৰ সন্দৰ্ভত দিয়া তালিকাই এনে আশংকা বৃদ্ধি কৰিছে। বিগত প্ৰায় দুমাহৰ পাছত আজি দেশত ১০ পৃষ্ঠাত চাওক

## অৰুণাচলৰ অসমীয়াভাষীক পি আৰ চি প্ৰদানৰ আহ্বান পৰেশ অসমৰ

খাণ্ডুলৈ পত্ৰ আলফাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৮ আগষ্ট ঃ** অৰুণাচল প্ৰদেশত বসবাস কৰি অহা অসমীয়া ভাষী লোকসকলক ৰাজ্যখনৰ স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰ (পি আৰ চি) প্ৰদান কৰিবলৈ মুখ্যমন্ত্ৰী পেমা খাণ্ডুক আহ্বান জনাইছে আলফা (স্বাধীন)ই। সংগঠনটোৰ ১০ পৃষ্ঠাত চাওক

## চৰাবৰী সত্ৰত প্ৰসাদত বিষক্ৰিয়াত শিশুসহ ৬৮জন আক্ৰান্ত

**বিশেষ সংবাদদাতা**
**নলবাৰী, ২৮ আগষ্ট ঃ** নলবাৰী জিলাৰ পশ্চিম প্ৰান্তৰ চৰাবৰী সত্ৰত প্ৰসাদত বিষক্ৰিয়া ঘটি আজি শিশুসহ ৬৮জন লোক আক্ৰান্ত হয়। পেটৰ বিষ, জ্বৰ আদিত আক্ৰান্ত হোৱা এই লোকসকলক ইতিমধ্যে স্বাস্থ্য ১০ পৃষ্ঠাত চাওক

## ডাইনীৰ সন্দেহত বৃদ্ধক আক্ৰমণৰ অভিযোগ

ভূমি সম্পৰ্কীয় সংঘাতৰ পৰিণতি বুলি দাবী একাংশৰ

**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ২৮ আগষ্ট ঃ** ডাইনীৰ সন্দেহত বিশ্বনাথ জিলাৰ বিহালীত এজন বৃদ্ধক দলবদ্ধ আক্ৰমণৰ অভিযোগ উত্থাপিত হৈছে। আক্ৰান্ত বৃদ্ধই ডাইনী কাণ্ড বুলি অভিযোগ ১০ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৪° | ২৪° |
| ডিব্ৰুগড় | ৩৩° | ২৩° |
| দিল্লী | ৩৩° | ২৬° |
| কলকাতা | ৩৩° | ২৮° |
| মুম্বাই | ৩০° | ২৮° |
| চেন্নাই | ৩২° | ২৬° |
| বাংগালুৰু | ২৪° | ২০° |
| শ্বিলং | ২৩° | ১৮° |

২৮ আগষ্ট, ২০২১

## চেঙা তেল



*ফাটি গ'লেও নিজৰ ঢোল নিজেই নবজালে আৰু কোনে বজাব!*

---

মহানগৰীৰ হাতীগাঁও-সিজুবাৰী-নটবমাত তালাচী তদাৰকী শাখাৰ

## ছইবৰৰ ভগ্নীসহ একাধিক ঘনিষ্ঠৰ বাসগৃহত ভূমি ক্ৰয়-বিক্ৰয়ৰ নথি জব্দ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৮ আগষ্ট ঃ** অসম অসামৰিক সেৱাৰ বিষয়া ছইবৰ ৰহমানে সোঁৰে বাঁৰে লুণ্ঠন চলাই গঢ়া সম্পত্তিৰ সন্ধান মুখ্যমন্ত্ৰীৰ তদাৰকী শাখাই অব্যাহত ৰাখিছে। তাৰ অংশৰূপে আজি শাখাৰ এটা



দলে মহানগৰীৰ হাতীগাঁও, নটবমা, সিজুবাৰী আদি অঞ্চলত ছইবৰৰ ভগ্নীৰ লগতে কে'বাজনো বিশেষ ঘনিষ্ঠ লোকৰ বাসগৃহত তালাচী অভিযান চলায়। এনে ঘনিষ্ঠৰ আটাইকেইজনে ভূমি ক্ৰয়-বিক্ৰয়ৰ লগত জড়িত। আজিৰ দুই পৃষ্ঠাত চাওক

## দিল্লীৰ পৰাই কোকেইন যোগান ধৰা বিশাল চৌধুৰীক গ্ৰেপ্তাৰ

২০১৬ত দিল্লীত পঢ়া শেষ কৰি নামি পৰিছিল ড্ৰাগছ সৰবৰাহত



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৮ আগষ্ট ঃ** দীৰ্ঘদিন ধৰি মহানগৰীৰ বহু সম্ভ্ৰান্ত আৰু প্ৰতিষ্ঠিত লোকলৈ দিল্লীৰ পৰা কুৰিয়াৰ ছাৰ্ভিচৰ জৰিয়তে নিষিদ্ধ কোকেইন সৰবৰাহ হৈ অহাৰ তথ্য লাভ কৰিছে অসম আৰক্ষীয়ে। ৰাজ্যৰ বিভিন্ন ১০ পৃষ্ঠাত চাওক

## উপ-নিৰ্বাচনত প্ৰতিটো সমষ্টিতে প্ৰাৰ্থী দিব অজাপই ঃ লুৰীণজ্যোতি

**অগ্ৰদূত বাৰ্তা**
**ডিমৌ, ২৮ আগষ্ট ঃ** 'আগন্তুক উপ-নিৰ্বাচনত অসম জাতীয় পৰিষদে প্ৰতিটো সমষ্টিতে প্ৰাৰ্থী দিব।' এই কথা আজি ঘোষণা কৰিলে লুৰীণজ্যোতি গগৈয়ে। অসম জাতীয় ১০ পৃষ্ঠাত চাওক

■ আদিবাসী জাতীয় দল-সংগঠনৰ হুংকাৰ

## পাঁচ আদিবাসী সশস্ত্ৰ সংগঠনৰে অসম চৰকাৰৰ সম্ভাব্য চুক্তিৰ বিৰোধ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৮ আগষ্ট ঃ** যুদ্ধবিৰতিত থকা পাঁচ আদিবাসী সশস্ত্ৰ সংগঠনৰে অসম চৰকাৰে গোপনে শান্তি চুক্তিত স্বাক্ষৰ কৰিবলৈ যোৱা বুলি অভিযোগ কৰি সদৌ অসম আদিবাসী ছাত্ৰ সন্থা আৰু আদিবাসী জাতীয় মহাসভাকে ধৰি কে'বাটাও দল-সংগঠনে সমালোচনা কৰে। আজি ইয়াত এক সংবাদমেলত আছাৰ সভাপতি ষ্টিফেন লাক্ৰাই কয় যে আদিবাসী সমাজে চৰকাৰৰ এনে গোপন আৰু তথাকথিত শান্তি চুক্তিক দুই পৃষ্ঠাত চাওক

■ চোৰাংচোৱাৰ তথ্যত গভীৰ উদ্বিগ্ন দিল্লী

## ভাৰতত খিলাফত প্ৰতিষ্ঠাই লক্ষ্য কুখ্যাত আই এছ খোৰাছানৰ



■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৮ আগষ্ট ঃ** কাবুল বিমানকোঠৰ আত্মঘাতী বিস্ফোৰণৰ আঁৰত থকা দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী সংগঠন আইছিছ (আই এছ)ৰ দৃষ্টি আছে ভাৰতৰ ওপৰতো। ভাৰততো এই দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী সংগঠনে খিলাফত প্ৰতিষ্ঠা কৰিব বিচাৰে। ভাৰতীয় চোৰাংচোৱা বাহিনীয়ে এই উদ্বেগজনক তথ্য লাভ কৰিছে। আফগানিস্তান সম্পৰ্কে শক্তিশালী তথ্য সমৃদ্ধ এক দুই পৃষ্ঠাত চাওক

আকস্মিকভাৱে সক্ৰিয় হৈছে ডিএনএলএ

## চোৰাংচোৱাৰ ব্যৰ্থতাতে প্ৰাণ দিলে পাঁচজন ট্ৰাকচালকে

২৪ ঘণ্টীয়া চকাবন্ধৰ আহ্বান মটৰ শ্ৰমিক সন্থাৰ

**অগ্ৰদূত বাৰ্তা**
**বকলীয়াঘাট, ২৮ আগষ্ট ঃ** চোৰাংচোৰা বিভাগৰ ব্যৰ্থতাৰ বাবেই ডিমা হাছাওৰ ডিয়ুংমুখত পাঁচজনকৈ নিৰীহ ট্ৰাক চালক আৰু যোগালীয়ে প্ৰাণ হেৰুৱাবলগীয়া দুই পৃষ্ঠাত চাওক

■ ঘোষণা কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালৰ ■ দুধনৈত স্থাপন হ'ব নতুন আয়ুৰ্বেদিক মহাবিদ্যালয় ■ আলোচনাচক্ৰত উপস্থিত মুখ্যমন্ত্ৰী শৰ্মাও

## উত্তৰ-পূৱত স্থাপন হ'ব এশ আয়ুষ চিকিৎসালয়-এহেজাৰ স্বাস্থ্য কেন্দ্ৰ

ঔষধি উদ্ভিদ ক্ষেত্ৰখনৰ অধিক প্ৰসাৰতাৰ বাবে আয়ুষ মন্ত্ৰণালয়ৰ পদক্ষেপ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৮ আগষ্ট ঃ** অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনত পৰম্পৰাগত ঔষধি চিকিৎসা ব্যৱস্থাই দেশৰ চিকিৎসা খণ্ডটোক মহীয়ান কৰি ৰাখিছে। এই খণ্ডটোৰ বিকাশৰ বাবে আয়ুষ মন্ত্ৰণালয়ে বিস্তৃত পদক্ষেপ গ্ৰহণ কৰা বুলি আজি ইয়াত সদৰী ১০ পৃষ্ঠাত চাওক



■ এককভাৱে কংগ্ৰেছ আগবঢ়াৰ কৌশল গ্ৰহণ ■ স্বেচ্ছাই আঁতৰি যাবলৈ ক'লে সভাপতিয়ে

## বিপিএফ-ইউডিএফক মহাজোঁট ত্যাগৰ আহ্বান

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৮ আগষ্ট ঃ** বিধানসভা নিৰ্বাচনৰ পূৰ্বে গঠন কৰা মহাজোঁট ভংগ কৰি নতুন সভাপতি ভূপেন বৰাৰ নেতৃত্বত কংগ্ৰেছে আগন্তুক দিনত এককভাৱে আগবঢ়াৰ যো-জা চলাইছে। ইয়াৰ পৰিপ্ৰেক্ষিততে মহাজোঁটৰ গুৰুত্বপূৰ্ণ অংশীদাৰ দুটা দলক স্বেচ্ছাই আঁতৰি যোৱাৰ আহ্বান জনাইছে সভাপতি বৰাই। বৰাই কয়, 'চলিত পৰিৱেশত বিপিএফ মহাজোঁটৰ পৰা

**দূৰত্ব বাঢ়িছে নতুনকৈ ঘনিষ্ঠ হোৱা ৰাইজৰ দলৰ লগতো**

স্বইচ্ছাই ওলাই যাওক। মহাজোঁট ত্যাগ কৰাৰ বাবে তেওঁলোকৰ এয়াই সোণালী সুযোগ।' আনহাতে, এআইইউডিএফক ইংগিত কৰি তেওঁ কয়, 'কোনো দলে যদি কংগ্ৰেছৰ লগত থকাত তেওঁলোকৰ ক্ষতি হৈছে বুলি ভাবে তেওঁলোকো ওলাই যাওক।' উল্লেখ্য যে বিপিএফে এই পৰ্যন্ত আনুষ্ঠানিকভাৱে মহাজোঁট ত্যাগ কৰা নাই যদিও ঐক্যমঞ্চৰ কে'বাটাও কাৰ্যসূচীত দুই পৃষ্ঠাত চাওক



*গেৰুকামুখৰ জলবিদ্যুৎ প্ৰকল্পৰ বান্ধৰ ওপৰেদি বাগৰিছে পানী, শনিবাৰে।*

■ তদাৰকী চৰকাৰ গঠনৰ তৎপৰতাৰ মাজতে ঘোষণা তালিবানৰ

## আফগান চৰকাৰৰ মুৰব্বী হ'ব আমিৰ সকলো জনগোষ্ঠীৰ প্ৰতিনিধি থাকিব

■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৮ আগষ্ট ঃ** সকলো জনগোষ্ঠীৰ প্ৰতিনিধি সম্পন্ন এখন তদাৰকী চৰকাৰ গঠন কৰিবলৈ তৎপৰ হৈছে তালিবান বাহিনী। কাটাৰৰ ৰাজধানী ডোহাস্থিত তালিবানৰ ৰাজনৈতিক দপ্তৰৰ পৰা এই কথা সদৰী কৰা হৈছে। যোৱা ১৫ আগষ্টত ৰাজধানী কাবুল দখলৰ পাছতে দেশৰ নাম সলনি কৰি 'ইছলামিক এমিৰেটছ অৱ আফগানিস্তান' ১০ পৃষ্ঠাত চাওক



## ভদীয়া বানৰ জটিল ৰূপ, ছিঙিল মথাউৰি বিভিন্ন স্থানত

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৮ আগষ্ট ঃ** ৰাজ্যত ক্ৰমাৎ ভয়ানক ৰূপ ধাৰণৰ ইংগিত দিছে ভদীয়া বানে। বিগত কিছু দিনত ৰাজ্যত বৰষুণৰ মাত্ৰা বৃদ্ধি পোৱাত বানে জটিল ৰূপ ধাৰণৰ আশংকাও ঘনীভূত হৈ পৰিছে। বিশেষকৈ বিগত দুদিনমানত অৰুণাচল প্ৰদেশত নেৰানেপেৰা বৰষুণ অব্যাহত থকাৰ ফলত ব্ৰহ্মপুত্ৰৰ লগতে ১০ পৃষ্ঠাত চাওক

গোলাঘাটত স্বাৱলম্বী হ'বলৈ গৈ অথন্তৰ ■ কাকুতি-মিনতি কৰিও কোনো সঁহাৰি পোৱা নাই

## গাহৰি পালন কৰি শংকৰ সংঘৰ ৰোষত ঃ এবছৰে সমাজচ্যুত পৰিয়াল



**বিশেষ সংবাদদাতা**
**গোলাঘাট, ২৮ আগষ্ট ঃ** তলাবন্ধই জুৰুলা কৰা পৰিস্থিতিত স্বনিৰ্ভৰশীল হ'বলৈ গাহৰি পালনৰ পথ বিচাৰি লৈ এতিয়া চৰম দুৰ্যোগৰ সন্মুখীন হৈছে গোলাঘাটৰ এটা পৰিয়াল। গোলাঘাট জিলাৰ ঢেকীয়াল অঞ্চলৰ নাথগাঁৱৰ ৭৯ বছৰীয়া বিশ্বেশ্বৰ নাথ, তেওঁৰ পুত্ৰ দীনমণি নাথ, বোৱাৰী মৃণালী নাথসহ যৌথ পৰিয়ালটো এটা বছৰে সমাজৰ পৰা বৰ্জিত হৈ থাকিব লগা হৈছে কেৱল গাহৰি পোহাৰ বাবেই। সমাজৰ পৰা এঘৰীয়া হৈ চৰম মানসিক অশান্তিত ভোগা পৰিয়ালটোৱে সাংবাদিকৰ আগত প্ৰকাশ কৰা মতে দীনমণি নাথ আৰু ১০ পৃষ্ঠাত চাওক

NERIM
GROUP OF INSTITUTIONS
NERIM Estd. 1992
Affiliated to Dibrugarh University, Gauhati University & ASTU Approved by NCTE, BCI & AICTE, MoE, Govt. of India
Admissions Open For Session 2021-22
BBA | BCA | B.Com(H)
BA LLB(H) | BSW | LLB(H)
MBA(FT) | MBA(PT) | MCA | MSW
M.Com | LLM | PGDM
PGDCA | MA (Applied Psychology)
M.Sc (Computer Science) | MA (Education)
KEY FEATURES:
• Assured Placement Assistance • Complimentary Laptops to MBA, MCA and PGDM students • Air Conditioned Smart Classrooms and Computing Labs • Free Corporate Suit and Course Pack to all the students • Enriched Library with e-Library facilities • Complimentary Diploma in Computer Applications' (DCA) • Educational Loan Assistance • Wi-Fi enabled campus • Hostel facility for Girls (in campus) & Boys • Health care arrangements and Accidental Medical Assistance.
For details, visit our website www.nerimindia.org or contact Admission Counsellor on
9954190758 / 9954051419 / 9864750000
Prof. (Dr) Sangeeta Tripathi, Director, NERIM Group of Institutions
Jayanagar, Khanapara, Guwahati, Assam, Pin-781022
nerimindia@gmail.com

দেওবৰীয়া দৈনিক
# অগ্ৰদূত
গুৱাহাটী, ২৯ আগষ্ট, ২০২১ দেওবাৰ পৃষ্ঠা তিনি

## বৈধ বি এড ডিগ্ৰীক চৰকাৰে অবৈধ ঘোষণা কৰাত ক্ষোভ



### তামুলীপথাৰত অসম হাইস্কুল শিক্ষক সংস্থাৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**খুমটাই, ২৮ আগষ্ট ঃ** অসম হাইস্কুল শিক্ষক সংস্থাৰ আজি এখন গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভা গোলাঘাট জিলাৰ কমাৰগাঁৱৰ তামুলীপথাৰ শ্ৰীমন্ত শংকৰদেৱ হাইস্কুলত অনুষ্ঠিত হয়। উল্লেখ্য যে অসম হাইস্কুল শিক্ষক সংস্থাৰ সভাপতি ফনীন্দ্ৰ নাথ গোস্বামীৰ সভাপতিত্ব অনুষ্ঠিত সভাত ৰাজ্যখনৰ প্ৰায় ২৮ জিলাৰ শিক্ষক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। ইফালে, সভাত অসম হাইস্কুল শিক্ষক সংস্থাই অসমৰ ৰাজহুৱা খণ্ডৰ মাতৃভাষা মাধ্যমৰ বিদ্যালয়সমূহে দীৰ্ঘদিন ধৰি ভোগ কৰি অহা সমস্যাসমূহ *ছয় পৃষ্ঠাত চাওক*

## বিলাসীপাৰাত পচা চাউল বিতৰণক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতি

**বিশেষ সংবাদদাতা**
**বিলাসীপাৰা, ২৮ আগষ্ট ঃ** বিলাসীপাৰা সংহত শিশু উন্নয়ন প্ৰকল্পৰ অন্তৰ্গত *ছয় পৃষ্ঠাত চাওক*

## কৃষি এৰি পথাৰত পুখুৰী খন্দাই মাছ পুহিব শ শ কৃষকে

# জনবিস্ফোৰণৰ বাবে অবিভক্ত নগাঁও জিলাত হ্ৰাস কৃষিভূমি



*নামনি সোঁৱণশিৰি জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণ কাৰ্য বন্ধ কৰাৰ দাবীত যুৱ-ছাত্ৰ পৰিষদৰ বিক্ষোভ, শনিবাৰে।*

**বিশেষ সংবাদদাতা**
**নগাঁও, ২৮ আগষ্ট ঃ** অবিভক্ত নগাঁও জিলাখন কৃষিপ্ৰধান জিলা। কিন্তু অতি উদ্বেগজনকভাৱে এই কৃষি প্ৰধান জিলাখনত কৃষিভূমি আৰু কৃষকৰ সংখ্যা হ্ৰাস পাবলৈ ধৰা পৰিলক্ষিত হৈছে। বিভিন্ন কাৰণত অবিভক্ত নগাঁও জিলাত কৃষিভূমি হ্ৰাস পাইছে। ইয়াৰ অন্যতম প্ৰধান কাৰণ হৈছে ব্যাপক জনবিস্ফোৰণ। ব্যাপক জনবিস্ফোৰণৰ ফলত আৱাসিক অঞ্চল সম্প্ৰসাৰিত হৈছে। যাৰ ফলত কৃষিভূমিসমূহতেই গঢ়ি উঠিছে আৱাসিক অঞ্চল। তদুপৰি অবিভক্ত নগাঁও জিলাত কৃষিভূমিৰ শ শ হেক্টৰ ভূমিত গঢ়ি উঠিছে চিমেণ্ট কাৰখানা, শতাধিক ইটাভাটা, হোটেল, ধাবা, ৰেষ্টুৰেণ্ট, পেট্ৰ'ল পাম্প আৰু অন্যান্য ব্যৱসায়িক প্ৰতিষ্ঠান। ইয়াৰ উপৰি জিলাখনৰ কৃষিভূমিত একাংশ কৃষকে অত্যধিক মাত্ৰাত ৰাসায়নিক সাৰ প্ৰয়োগ কৰা হেতুকে পূৰ্বৰ তুলনাত *ছয় পৃষ্ঠাত চাওক*

## সোঁতৰ বিপৰীতে



## বৰভাগত ডিঙি কটা অৱস্থাত মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**
**বৰভাগ, ২৮ আগষ্ট ঃ** নলবাৰী জিলাৰ বৰভাগৰ কৰিয়াত আজি পুৱা এজন লোকৰ ডিঙি কটা মৃতদেহ উদ্ধাৰ হয়। মৃত লোকজন হৈছে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী ৰামচৰণ দাস। নিজগৃহৰ পাছফালেই লোকজনৰ মৃতদেহটো উদ্ধাৰ হয়। এই ঘটনাই আজি সমগ্ৰ অঞ্চলতে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। উল্লেখ্য যে মৃতদেহৰ কাষতে এখন দা আৰু এযোৰ চেণ্ডেল উদ্ধাৰ হয়। এই ঘটনা হত্যা নে আত্মহত্যা এতিয়াও পোহৰলৈ অহা নাই। পৰিয়ালৰ সূত্ৰই জনোৱা মতে, মৃত লোকজন বিগত কিছুদিন ধৰি মানসিকভাৱে অসুস্থ হৈ আছিল। ঘটনাৰ খবৰ লাভ কৰি কমাৰকুছি আৰক্ষী চকীৰ আৰক্ষীৰ দল এটাই আহি ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নলবাৰীৰ ছহিদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। সম্প্ৰতি কমাৰকুছি আৰক্ষীয়ে ঘটনাৰ সন্দৰ্ভত অনুসন্ধান অব্যাহত ৰাখিছে। অৱশ্যে এই বিষয়ত কোনো কথা আৰক্ষীয়ে এতিয়াও সদৰী কৰা নাই।

## চামগুৰিৰ কাঠপাৰা গাঁও পঞ্চায়তত চতুৰ্দশ বিত্তীয় আয়োগৰ আঁচনিত অনিয়ম

**অগ্ৰদূত বাৰ্তা**
**চামগুৰি, ২৮ আগষ্ট ঃ** পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আঁচনিৰ ধন জালিয়াতিৰে সৰকাই নোদোকা হোৱা চামগুৰি বিধানসভা সমষ্টিৰ লাওখোৱা উন্নয়ন খণ্ডৰ পঞ্চায়ত সচিব চাহাবুদ্দিন নামৰ লোকজনৰ ইটোৰ পাছত সিটো কেলেংকাৰি উন্মোচিত হৈছে। একেজন পঞ্চায়ত সচিবে কে'বাটাও পঞ্চায়তৰ দায়িত্ব গ্ৰহণ কৰি থকাৰ সুযোগ গ্ৰহণ কৰি অদৃশ্য হাতৰ আশীৰ্বাদত লাখ লাখ টকাৰ কেলেংকাৰি সংঘটিত কৰা বুলি ইতিমধ্যে বিভাগটোতে চৰ্চা হৈছে। লাওখোৱা উন্নয়ন খণ্ডৰ অধীনস্থ কাৰৈমাৰী গাঁও পঞ্চায়তত এমজি এনৰেগা আঁচনিৰ কাম চতুৰ্দশ বিত্তীয় আয়োগৰ ধনেৰে কাম কৰা বুলি কাগজে-পত্ৰই দেখুৱাই কাম নকৰাকৈ থকাৰ পাছত এনে কেলেংকাৰি সংঘটিত হৈছে কাঠপাৰা গাঁও পঞ্চায়তত। এই কেলেংকাৰিৰ বিষয়টো ইতিমধ্যে আৰক্ষী থানা পাইছেগৈ। এজাহাৰত পঞ্চায়ত সচিব চাহাবুদ্দিনৰ নাম উল্লেখ কৰাৰ *ছয় পৃষ্ঠাত চাওক*

## মৃতদেহৰ মূৰ এখন ভৰি নথকাত ৰহস্যৰ সৃষ্টি

# ডবকাৰ বুঢ়িগংগা নৈত বনৰীয়া হাতী পোৱালিৰ মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**
**যমুনামুখ, ২৮ আগষ্ট ঃ** হোজাই জিলাৰ দক্ষিণ নগাঁও বন সংমণ্ডলৰ অধীনস্থ যমুনা উপত্যকা বনাঞ্চলিক বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত বুঢ়িগংগা নৈত কালি বিয়লি ভাগত এটা বনৰীয়া হাতী পোৱালিৰ



মৃতদেহ উদ্ধাৰ হয়। তথ্য অনুসৰি ডবকা সংৰক্ষিত বনাঞ্চলৰ মাজেৰে বৈ যোৱা বুঢ়িগংগা নৈত এটা হাতীৰ পোৱালিৰ মৃতদেহ উৰঁলি যোৱা অৱস্থাত উটি অহা প্ৰত্যক্ষ কৰে খৰি লুৰিবলৈ যোৱা স্থানীয় একাংশ লোকে। লগে লগে তেওঁলোকে বন বিভাগক খবৰ দিয়ে। এই ঘটনাৰ খবৰ পোৱা মাত্ৰকে হোজাই বন সংমণ্ডল বিষয়া গুণদ্বীপ দাস, ডবকা আঞ্চলিক বন বিষয়া জিৰচং তেৰাং, বন সুৰক্ষা বাহিনী, হোজাইৰ আঞ্চলিক বন বিষয়া শ্বামিম আখতাৰ, স্থানীয় পশু চিকিৎসক ডাঃ ভাৰত ভূষণ বৰা ঘটনাস্থলীত উপস্থিত হৈ নৈৰ পানীৰ যুঁৱলিৰ শিলত লাগি থকা অৱস্থাত হাতী পোৱালিটোৰ মৃতদেহ প্ৰত্যক্ষ কৰে। ডবকা পাহাৰৰ *ছয় পৃষ্ঠাত চাওক*

## যুদ্ধবিৰত থকা এনডিএফবি সদস্যক আৰক্ষী-সেনা বাহিনীত নিযুক্তিৰ প্ৰস্তুতি ঃ প্ৰমোদ

**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ২৮ আগষ্ট ঃ** কে'বাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচী লৈ আজি বাগ্‌সা জিলাত উপস্থিত হয় বিটিআৰৰ মুৰব্বী প্ৰমোদ বড়ো।



'পৰিৱৰ্তন অভিযান'ৰ কাৰ্যসূচীৰে জিলাখনৰ কে'বাটাও দৰিদ্ৰ পৰিয়ালৰ ঘৰত উপস্থিত হৈ দুখ-দুৰ্গতিৰ বুজ লোৱাৰ লগতে কে'বাগৰাকী ৰোগীক সাক্ষাৎ কৰে বড়োৱে। ইয়াৰ পাছতেই জিলাখনৰ শালবাৰীৰ শিমলাৰ ককলাবাৰী চাপাগুৰি মহাবিদ্যালয়ত বিটিআৰ চৰকাৰৰ উদ্যোগত তথা ককলাবাৰী চাপাগুৰি আঞ্চলিক এবছুৰ সহযোগত যুৱক-যুৱতীসকলৰ বাবে সেনাবাহিনীত ভৰ্তিৰ বাবে সাক্ষাৎকাৰত উত্তীৰ্ণ হোৱাৰ লক্ষ্যৰে এমাহজোৱা এটি প্ৰাক প্ৰশিক্ষণ শিবিৰ মুকলি কৰে বড়োৱে। কাৰ্যসূচীত যুদ্ধবিৰতিত থকা এনডিএফবি সদস্যসকলক সংস্থাপিত কৰাৰ উদ্দেশ্যে *ছয় পৃষ্ঠাত চাওক*

## বৰহোলাৰ ইউৰিয়া সাৰৰ বিপণীত ভিৰ ঃ কৃষকৰ হাহাকাৰ

**বিশেষ সংবাদদাতা**
**নগাবাট, ২৮ আগষ্ট ঃ** বৰহোলাত ইউৰিয়া সাৰক লৈ সৃষ্টি হোৱা সমস্যাৰ অন্ত পৰা নাই। ইউৰিয়া বিচাৰি আজিও ৰাইজে হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি কৰে। উল্লেখ্য যে এক ৰহস্যজনক কাৰণত অঞ্চলটোত বিগত কিছুদিনৰ পৰা ইউৰিয়াৰ তীব্ৰ নাটনিয়ে দেখা দিছে। নষ্ট হ'বলৈ ধৰা খেতি পথাৰত ছটিয়াবলৈ ইউৰিয়া বিচাৰি হাবাথুৰি খাইছে কৃষক ৰাইজে। সেয়ে ইউৰিয়া উপলব্ধ হোৱাৰ খবৰ লাভ *ছয় পৃষ্ঠাত চাওক*

## চৰকাৰী আঁচনিৰ ধনৰ অপব্যৱহাৰ-অনিয়মৰ বিৰুদ্ধে জিলা আৰক্ষী অধীক্ষকক গোচৰ

**অগ্ৰদূত বাৰ্তা**
**আগমনী, ২৮ আগষ্ট ঃ** ধুবুৰী জিলাৰ ডেপডেপি গাঁও পঞ্চায়তৰ সভানেত্ৰীয়ে চৰকাৰী আঁচনিৰ ধনৰ অপব্যৱহাৰ আৰু অপচয় কৰা বুলি অভিযোগ উঠিছে। অভিযোগৰ পাছত জিলা পৰিষদৰ কাৰ্যবাহী বিষয়াই চৰজমিন তদন্ত কৰাৰ পাছতে অভিযোগত লিপ্তসকলে অভিযোগকাৰীৰ ঘৰত চলি থকা অন্নপ্ৰসন্ন অনুষ্ঠানত আক্ৰমণ কৰা বুলি অভিযোগ কৰে। স্মৰ্তব্য যে ডেবত্তৰ হাছদহ পঞ্চম খণ্ড গাঁৱৰ নিৰূপমা ৰায়ে ডেবডেবি গাঁও পঞ্চায়তৰ সভানেত্ৰীয়ে নিজৰ স্বামীৰ পৰামৰ্শৰ ভিত্তিত চৰকাৰী ধনৰ অপচয় আৰু অপব্যৱহাৰ কৰা বুলি জিলা উপায়ুক্তক *ছয় পৃষ্ঠাত চাওক*


অসম চৰকাৰ

## ক'ভিড-১৯ ভেকছিন, এতিয়া কামৰূপ মহানগৰ জিলাত আপোনাৰ ভোটগ্ৰহণ কেন্দ্ৰত উপলব্ধ।

স্বাস্থ্যসেৱা সঞ্চালকালয় (পৰিয়াল কল্যাণ), অসম
ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসম

সম্পূৰ্ণ সুৰক্ষাৰ বাবে ক'ভিড টীকা গ্ৰহণ কৰক। ক'ভিড টীকাকৰণ এতিয়া আপোনাৰ ভোটগ্ৰহণ কেন্দ্ৰত প্ৰদান কৰা হ'ব। সকলো ব্যক্তিক অনতিপলমে টীকা গ্ৰহণ কৰিবলৈ অনুৰোধ জনোৱা হ'ল, বিশেষকৈ যিসকলে এতিয়াও তেওঁলোকৰ প্ৰথম পালি টীকা গ্ৰহণ কৰিবলৈ বাকী আছে। আপোনাৰ দ্বিতীয় পালি সময়মতে গ্ৰহণ কৰিবলৈ মনত ৰাখিব।
আপোনাৰ নিকটতম স্বাস্থ্য কেন্দ্ৰসমূহতো ক'ভিড টীকা গ্ৰহণ কৰিব পাৰিব।







### ২৯ আগষ্টৰ বাবে প্ৰস্তুত কৰা কেন্দ্ৰসমূহ

### কামৰূপ মহানগৰ জিলা

1. GMCH
2. MMCH
3. Khanapara SD
4. Pandu FRU
5. West Ghy SD
6. Garigaon SD
7. Adingiri UPHC
8. Garhpandu UPHC
9. Gotanagar UPHC
10. Pandunath UPHC
11. Govt. Ayurvedic College And Hospital
12. Pandu College
13. Capital SD
14. Hengrabari MU
15. Dhirenpara FRU
16. Odalbakra Lalganesh Kalimandir
17. Serabhati Aryavidyapeeth College
18. Lalganesh Durga Mandir
19. East Ghy SD
20. Khetri CHC
21. Sonapur BPHC

**NGO:**

1. Raised Mahavir Sthal
2. Marwari Sammelan, Assam Maheswari Bhawan
3. JCI Haryana Bhawan
4. Terapanth Bhawan
5. Raised HI Poddar Complex, Narengi
6. Raised Betkuchi High School
7. JCI Kamrup Elite, Shree Automobiles, Paltanbazar
8. MYM Guwahati And West Ghy Club (Durga Mandir, Bharalumukh)
9. Lalmati Gurdwara
10. Vihangam Yoga, Sadguru Sadafal Deo Vihangam Yoga Sansthan, Opp. PWD Office, Fatasil Ambari
11. Refinery Community Hall
12. GOLD-ATHCC
13. Kalyan Bhawan
14. New Fatasil Town High School
15. Bhetapara Durga Mandir

**Polling Station CVC**

**Dispur LAC**

Chandrapur Circle

1. Bonda High School
2. Panikhaiti LP School
3. Chandrapur High School
4. Panbari High School

Sonapur Circle

5. Khetri High School
6. Durung LP School
7. Sonapur HS School
8. Malibagan LP School
9. Bhogpur LP School
10. Khaloibari LP School
11. Dharbam LP School
12. Maloibari High School
13. 3 No Ouzari LP School
14. Karchia LP School
15. Bishnu Jyoti Hindi High School
16. Sonali LP School
17. Gyan jyoti High School
18. Bejeni LP School
19. Jorabat LP School
20. Hahara MV School

Dispur Circle

21. Kenduguri LP School, Narengi
22. Lalmati Hindi High School
23. No 2 Mathgharia LP School
24. Bapuji LP School, Carbon Gate
25. Anandaram Baruah LP School, Borbari
26. Sarumotoria LP School
27. Hatigaon High School
28. Notboma Hemata Barua High School
29. Dakhin Beltola High School, Beltola College Road
30. Beltola High School
31. Jyotikuchi LP School

**East Guwahati LAC**

Guwahati Circle

32. PWD Office Fancy Bazar.
33. Udayachal LP School
34. Uzan Bazar Girls ME School
35. Rupnagar JR Basic School
36. Director of Soil Conservation
37. Hatigarh LP School
38. Kharghuli Shishu LP School
39. Narakasur High School
40. Lalsingh Academy HS School
41. Rupnagar Bidyapith High School
42. Bandemataram Hindi LP School

**West Guwahati LAC**

Azara Circle

43. Garigaon Balak LP School
44. Jalukbari Girls High School
45. Betkuchi LP School
46. Natun Fatasil Town High School
47. Dhirenpara LP School
48. Pachim Boragaon LP School
49. Pub Boragaon LP School
50. Ganeshpara LP School
51. South Point School
52. Blue Mount School, Kalapahar
53. Katahbari Nijarapar LP School
54. Lachitgar High School

**Jalukbari LAC**

55. Bidya Mandir Higher Secondary School
56. Balabhadra Ojha High School
57. Gyan Bikash School, Katahbari

জনসংযোগ/ডি/৪৮৯৯/২১

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, দেওবাৰ ১২ ভাদ ১৪২৮ ভাস্কৰাব্দ ২৯ আগষ্ট ২০২১



## গুৰুত্বপূৰ্ণ জাননী



অসমৰ জলাশয় সংৰক্ষণ তথা সুৰক্ষাৰ বাবে কেন্দ্ৰীয় চৰকাৰে শেহতীয়াকৈ লোৱা সিদ্ধান্তই গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাব বুলি আশা কৰা হৈছে। যোৱা ২৬ আগষ্টত কেন্দ্ৰীয় চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰণালয়ে এক জাননীযোগে অসমৰ দীপৰ বিলৰ জৈৱ পৰিৱেশ সংবেদনশীল স্পৰ্শকাতৰ অঞ্চল (ইক' ছেন্‌ছিটিভ জ'ন)ৰ সীমা বৃদ্ধিৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে। কেন্দ্ৰীয় চৰকাৰে দীপৰ বিলৰ জৈৱ পৰিৱেশৰ গুৰুত্বক স্বীকৃতি প্ৰদান কৰি দেশৰ এখন বৃহৎ জলাশয় হিচাপে ইয়াৰ সংৰক্ষণ আৰু সুৰক্ষা ব্যৱস্থা গঢ়ি তোলাৰ সিদ্ধান্ত লৈছে। উল্লেখ্য যে ভাৰতৰ ৪৬ খন ৰামছাৰ ছাইটছ অথবা ৰামছাৰ জলাশয় অঞ্চলৰ ভিতৰত অসমৰ দীপৰ বিল অন্তৰ্ভুক্ত হৈ আছে। স্মৰ্তব্য যে ইউনেস্ক'ৰ ইৰানৰ আন্তঃৰাষ্ট্ৰীয় ৰামছাৰ সন্মিলনত জলাশয় সংৰক্ষণৰ উদ্দেশ্যে এক চুক্তি স্বাক্ষৰিত হৈছিল ১৯৭১ত, যি চুক্তি ১৯৭৯ৰ পৰা কাৰ্যকৰী কৰা হৈছে। ৰামছাৰ জলাশয় অঞ্চল হিচাপে সেইবিলাক জলাশয়ক বুজায়, যিবিলাক আন্তঃৰাষ্ট্ৰীয়ভাৱে গুৰুত্বপূৰ্ণ। বিশেষকৈ জৈৱ-বৈচিত্ৰ্যৰ বাবে আন্তঃৰাষ্ট্ৰীয় গুৰুত্ব থকা এনে জলাশয়বিলাক 'ৰামছাৰ ছাইটছ' হিচাপে চিহ্নিত হৈ আহিছে। গুৱাহাটীৰ দীপৰ বিল জলাশয় অঞ্চল এক বৃহৎ জৈৱ-বৈচিত্ৰ্য তথা জৈৱ পৰিৱেশ অঞ্চল হিচাপে স্বীকৃত হৈ আহিছে। কেন্দ্ৰীয় বন, পৰিৱেশ তথা জলবায়ু পৰিৱৰ্তন মন্ত্ৰণালয়ে প্ৰকাশ কৰা জাননীত দীপৰ বিলৰ ইক'ছেনছিটিভ জ'নৰ সীমা বৃদ্ধিৰ সিদ্ধান্তৰ ফলত এই জলাশয়ৰ সীমা গ্ৰীষ্মকালত ৩০ বৰ্গকিলোমিটাৰ আৰু শীতকালত ১০ বৰ্গকিলোমিটাৰ হ'বগৈ। বৰ্তমান দীপৰ বিল ২৯৪ মিটাৰৰ পৰা ১৬.৩১ কিলোমিটাৰলৈকে বিস্তৃত। কেন্দ্ৰীয় মন্ত্ৰণালয়ৰ মতে দীপৰ বিল অঞ্চল জৈৱ-বৈচিত্ৰ্যৰে সমৃদ্ধ হৈ আছে আৰু সেয়ে ইয়াক সংৰক্ষণ কৰা আৰু সুৰক্ষিত ৰখাৰ প্ৰয়োজন। উল্লেখ্য যে এই জৈৱ-বৈচিত্ৰ্য অঞ্চলতেই বৰ্তমান ঔদ্যোগিক কাৰ্যকলাপ, বেদখল আৰু মানুহৰ বসতি স্থাপন আদিয়ে ইয়াৰ প্ৰতি ভাবুকি আনিছে। দীপৰ বিলৰ দক্ষিণ-পশ্চিম অঞ্চলত ব্যাপক হাৰত মানুহৰ বসতি স্থাপন হৈছে আৰু তথাকথিত উন্নয়নমূলক কাৰ্যকলাপ চলি আছে। ঔদ্যোগিক আৰু মহানগৰৰ বৰ্জিত পদাৰ্থ পেলোৱাৰ ফলত অঞ্চলটোৰ জৈৱ বৈচিত্ৰ্য তথা জৈৱ পৰিৱেশ অসুৰক্ষিত হৈছে। কেন্দ্ৰীয় চৰকাৰে দীপৰ বিলত অব্যাহত থকা এনে ধৰণৰ ক্ষতিকাৰক কাৰ্যকলাপ বন্ধ কৰিব বিচাৰিছে। সেয়ে দীপৰ বিলৰ জৈৱ-বৈচিত্ৰ্য তথা জৈৱ পৰিৱেশৰ সংৰক্ষণ আৰু সুৰক্ষাৰ বাবেই ইয়াৰ ইক'ছেনছিটিভ জ'নৰ পৰিসীমা বৃদ্ধি কৰিব লাগিব। দীপৰ বিলৰ জৈৱ পৰিৱেশ স্পৰ্শকাতৰ অঞ্চলটোৰ পৰিসীমা বহলোৱাৰ ফলত মানুহৰ বসতি স্থাপন, বিভিন্ন ঔদ্যোগিক কাৰ্যকলাপ বেআইনী হৈ পৰিব আৰু এনে ক্ষতিকাৰক কাৰ্যকলাপ চৰকাৰে আইন অনুসৰি বন্ধ কৰিব পাৰিব। স্মৰ্তব্য যে যোৱা ২০০২তেই কেন্দ্ৰীয় চৰকাৰে দীপৰ বিলক ৰামছাৰ ছাইট হিচাপে ঘোষণা কৰিছিল। অসমৰ এই বৃহৎ জলাশয় দীপৰ বিল অঞ্চল ২১৯টা প্ৰজাতিৰ চৰাই আৰু ৭০ প্ৰজাতিৰ পৰিভ্ৰমী পক্ষীৰ আশ্ৰয় স্থল। ইয়াৰে এটা অঞ্চল গড়ভঙা আৰু ৰাণী সংৰক্ষিত বনাঞ্চলত অন্তৰ্ভুক্ত হৈ আছে, যি অঞ্চল হাতীৰ বাসস্থান হিচাপে পৰিচিত; কিন্তু মানুহৰ বেদখল আৰু বসতি স্থাপন, ঔদ্যোগিক প্ৰতিষ্ঠান স্থাপন, আৱৰ্জনা পেলোৱা আদি কাৰ্যকলাপে দীপৰ বিলৰ পৰিসীমা সংকুচিত কৰিছে। উল্লেখ যে মুঠ ছহেজাৰ হেক্টৰ অঞ্চলটোৰ ৩৫ শতাংশ বেদখলৰ কবলত পৰিছে। স্থানীয় ৰাইজ, বিভিন্ন প্ৰকৃতিপ্ৰেমী সংগঠন, ছাত্ৰ-যুৱকৰ সংগঠন তথা সংবাদ মাধ্যমে দীপৰ বিলত হোৱা বেদখলৰ বিৰুদ্ধে প্ৰতিবাদ কৰাৰ পাছতো চৰকাৰে ইয়াক বেদখলমুক্ত কৰিব পৰা নাই। ফলত দীপৰ বিল অঞ্চলৰ ৩৫ শতাংশ বেদখলকাৰীৰ কবলত পৰিল। সেয়ে কেন্দ্ৰীয় চৰকাৰে দীপৰ বিলৰ সংৰক্ষণ আৰু ইয়াক সুৰক্ষিত ৰখাৰ উদ্দেশ্যে উপৰোক্ত জাননী জাৰি কৰি দীপৰ বিলৰ ইক'ছেনছিটিভ জ'নৰ পৰিসীমা বৃদ্ধিৰ পদক্ষেপ গ্ৰহণ কৰিছে। এতিয়া দীপৰ বিলৰ বৰ্দ্ধিত পৰিসীমাৰ অন্তৰ্গত অঞ্চলত মানুহৰ বেদখল, ঔদ্যোগিক কাৰ্যকলাপ আদি বেআইনী হ'ব আৰু এনে ক্ষতিকাৰক কাৰ্যকলাপ চৰকাৰ-প্ৰশাসনে তথা বন বিভাগে বন্ধ কৰিব পাৰিব।

উল্লেখ্য যে অসমখন এটা সময়ত পুখুৰী, খাল-ডোং-বিল আদি জলাশয়ৰে ভৰি আছিল; কিন্তু ইয়াৰ বেছিভাগেই কালৰ বুকুত হেৰাই গ'ল। ব্যাপক বেদখল, কৃষিকৰ্ম, ঔদ্যোগিক প্ৰতিষ্ঠান স্থাপন আদি কাৰ্যকলাপৰ ফলত অসমৰ খাল-বিল-পুখুৰী আদি জলাশয় অঞ্চলবিলাক পোত গ'ল, শুকাই গ'ল, হেৰাই গ'ল। পৰিৱেশ, জৈৱ-বৈচিত্ৰ্য আৰু প্ৰাকৃতিক সম্পদ ৰক্ষা কৰাত অসমৰ মানুহ আৰু অসম চৰকাৰ, প্ৰশাসন সফল নহ'ল। জৈৱ পৰিৱেশ, জৈৱ-বৈচিত্ৰ্যৰ মূল্য তথা গুৰুত্ব চৰকাৰ আৰু ৰাইজে বুজিব নোৱৰাটো অতি দুৰ্ভাগ্যজনক। অৱশ্যে আজিও অসমত ৬৯০টা পুখুৰী আৰু বিল অৰ্থাৎ জলাশয় আছে। এই জলাশয়বিলাকে ১৫,৪৯৪ হেক্টৰ অঞ্চল আৱৰি ৰাখিছে। এই খাল-বিল-পুখুৰীসমূহৰ ভিতৰত কিছুমান ঐতিহাসিকভাৱেও গুৰুত্বপূৰ্ণ। ৰুদ্ৰসাগৰ, জয়সাগৰ, শিল সাঁকো, চলাবিল, শিলপুখুৰী, যোৰপুখুৰী, নাগকটা পুখুৰী প্ৰমুখ্যে বহু জলাশয়ৰ অস্তিত্ব আজিও সগৌৰৱে জিলিকি আছে। আনহাতে, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানকে ধৰি বিভিন্ন সংৰক্ষিত বনাঞ্চল তথা ৰাষ্ট্ৰীয় উদ্যানত যথেষ্ট সংখ্যক পুখুৰী, বিল আদি জলাশয় আছে। ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানত মাগুৰি মতাপুং বিলৰ দৰে বহুতো জলাশয় শ শ প্ৰজাতিৰ পক্ষী আৰু বিভিন্ন বন্যপ্ৰাণীৰ জীৱন ৰক্ষক তথা আশ্ৰয় স্থল। মুঠ ৯.৬ বৰ্গকিলোমিটাৰৰ মাগুৰি মতাপুং বিলত শ শ প্ৰজাতিৰ চৰাই আৰু পৰিভ্ৰমী পক্ষীয়ে আশ্ৰয় লোৱা দেখা যায়; কিন্তু এই জৈৱ-বৈচিত্ৰ্য তথা জৈৱ পৰিৱেশ সমৃদ্ধ অঞ্চলটো বিভিন্ন ঔদ্যোগিক কাৰ্যকলাপৰ বাবে ভাবুকিৰ সন্মুখীন হৈছে। অসমবাসীয়ে এই কথা পাহৰি যোৱা উচিত নহ'ব যে ৰাজ্যখনৰ খাল-বিল-পুখুৰী আদি জলাশয় সমূহক লৈ প্ৰকৃততে জৈৱ-বৈচিত্ৰ্য আৰু জৈৱ পৰিৱেশ সৃষ্টি হৈছে। জলাশয়সমূহ ধ্বংস হ'লে জৈৱ-বৈচিত্ৰ্য তথা জৈৱ পৰিৱেশো ধ্বংস হ'ব। এনে ঘটনাই জলবায়ু পৰিৱৰ্তন অনাত অৰিহণা যোগাব। ভয়ংকৰ প্ৰাকৃতিক দুৰ্যোগ, খৰাং বতৰ, শস্য বিনষ্টকাৰী কীট-পতংগৰ প্ৰাদুৰ্ভাৱে দেখা দিব। কৃষিভিত্তিক অসমত নানান সংকটে দেখা দিব।

# আশা-নিৰাশাত পাৰ হৈছে সময়

**শত্ৰুক অৱজ্ঞা কৰা আৰু ইতিহাসৰ পৰা শিক্ষা নোলোৱা বাবেই আমেৰিকাৰ এই পৰাজয়**



## আত্মজিজ্ঞাসা

কানাডাৰ পৰা **মুস্তাফিজুৰ ৰহমান**

হাণচঞ্চল পৃথিৱীক স্থবিৰ কৰা প্ৰাণনাশী কৰ'নাই যোৱা ডেৰ বছৰ ধৰি স্তব্ধ কৰি দিছে পৃথিৱীৰ গতি-প্ৰকৃতিৰ ধাৰা। বিশ্বায়নৰ অপ্ৰতিৰোধ্য শক্তিক নিজৰ সবাতোকৈ ডাঙৰ হাতিয়াৰ কৰি মৃতপ্ৰায় কৰি দিছে অগ্ৰগতিৰ সমস্ত ক্ৰিয়াশীল সম্ভাৱনাক। ওফৰি পৰিছে আগুৱাই যোৱাৰ প্ৰত্যয়। জীৱন বচাবলৈ অৱৰুদ্ধ মানুহ। এক এক ঠাইত এক এক নিয়মত চলিছে জীৱন মেৰামতিৰ কাম। আধা মেৰামতি কৰা কাঠামো আকৌ ভাঙিছে। জীয়াই থকাৰ উপায় আৰু প্ৰচলিত ধ্যান-ধাৰণা আকৌ মুখামুখি হৈছে কেতিয়াবা চিৰদ্বান্দ্বিক সম্পৰ্কলৈ। বিজ্ঞান আৰু জ্ঞানে কাম কৰি গৈছে নিৰলস। আশা-নিৰাশাত পাৰ হৈছে সময়। বাঢ়িছে পৃথিৱীৰ বয়স। ৰৈ থকা নাই ৰাজনীতিৰ স্বাৰ্থবাদী বৃক্ষৰোপণ। অৰ্থনীতিৰ পুঁজিবাদী সম্প্ৰসাৰণ। মানৱীয় বোধৰ অধঃপতন শাখা-প্ৰশাখা বিস্তাৰ কৰি হৈছে সৰ্বগ্ৰাসী। সলনি হৈ গৈছে জীৱন-যাপনৰ ধৰণ। কেৱল শৰীৰ নহয়, কৰ'নাত সংক্ৰমিত হৈছে আমাৰ চিৰপৰিচিত চলন-ফুৰণ আৰু চিৰ চিনাকি আচৰণ। আমাৰ সংস্কৃতি বৈ গৈছে ভিন্ন প্ৰৱাহত। অলপ অলপকৈ সলনি হৈ গৈছে আমাৰ সংস্কৃতিৰ নিজস্ব ধাৰা, যাক কেন্দ্ৰ কৰি আমাৰ জীৱন মৰণ।

কৰ'নাই যে আমাৰ অৰ্থনৈতিক, ৰাজনৈতিক কিম্বা সামাজিক জীৱনত কুপ্ৰভাৱ বিস্তাৰ কৰিছে সেয়াই নহয়, লাহে লাহে সলনি কৰি দিছে আমাৰ সংস্কৃতিৰ সৰু-ডাঙৰ নানা বৈশিষ্ট্যক। সামগ্ৰিকভাৱে বৰ্তমানে আমি জীয়াই থকাটোকেই প্ৰাধান্য দি যি কাঠামোত আমাৰ জীৱন-যাপনক খাপ খুৱাব বিচাৰিছো সি কিন্তু আমাক বচাই ভৱিষ্যতে পৰিচিত জীৱনক উভতাই নিদিব।

কৰ'না পৃথিৱীৰ পৰা কেতিয়া বিদায় মাগিব সেয়া কোনেও নাজানে। কৰ'না শেষ হোৱা পৰ্যন্ত কিমান আক্ৰান্ত হ'ব, কিমান মানুহে মৃত্যুবৰণ কৰিব, সেয়াও লুকাই আছে ভৱিষ্যতৰ গৰ্ভত।

### দুই

পৃথিৱী ধীৰে ধীৰে বিলীন হোৱাৰ পথত বুলি বিজ্ঞানীয়ে সতৰ্কবাণী উচ্চাৰিত কৰিছে। স্ৰষ্টাই ধৰিত্ৰীক যি ৰূপ-সৌন্দৰ্যৰে বিন্যস্ত কৰিছে, বিপথগামী মানুহে সেয়া তচনচ কৰি দিছে। মানুহে তাৰ হাতেৰে যি অৰ্জন কৰে, তাৰ ফল তাকেই ভোগ কৰিব লগা হয়। সেই ফলেই আজি বিশ্বক বিপৰ্যয়ৰ পথলৈ লৈ গৈছে। মানুহৰ অপকৰ্মৰ বাবে বিশ্বৰ জলবায়ু সবাতোকৈ বেছি পৰিৱৰ্তিত হৈছে। মানৱ জাতিক ভয়াৱহ বিপৰ্যয়ৰ পিনে লৈ গৈছে। পৃথিৱীৰ উষ্ণতা যেনেকৈ বাঢ়িছে, তাত চূড়ান্ত বিপদৰ খুব ওচৰা-ওচৰি উপনীত হৈছে মানৱ সভ্যতা। প্ৰাচীন সভ্যতা, মধ্যযুগীয় সভ্যতা, কোনো সভ্যতাই আজি আৰু নাই। আজিৰ সভ্যতা সন্ধিক্ষণত আহি উপনীত হৈছে। মাত্ৰ সাম্প্ৰতিক কালত মানুহে জানিব পাৰিছে জলবায়ু সংক্ৰান্ত দুঃসংবাদ; যি কেইখনমান উন্নত দেশৰ অৰ্থনৈতিক স্বাৰ্থ সংৰক্ষণৰ বাবে ঘটিবলৈ গৈছে। বিশ্বক মুহূৰ্তৰ ভিতৰত ধ্বংস কৰাৰ সকলো আয়োজন প্ৰস্তুত কৰি ৰাখিছে, পৃথিৱীৰ কেইখনমান পৰাশক্তি। ৰাজনৈতিক স্বাৰ্থ, বিশ্ব কৰ্তৃত্ব দখলৰ বাবে অস্ত্ৰ প্ৰতিযোগিতাৰ বাবে সিহঁতৰ হাতত আছে হেজাৰ হেজাৰ পাৰমাণৱিক বোমা, যাৰ মাত্ৰ কেইটামানে বিশ্বক মুহূৰ্তৰ ভিতৰত ধ্বংস কৰি দিব পাৰে।

২০১৭ত প্ৰকাশিত এক প্ৰতিবেদনত কোৱা হৈছে পৃথিৱীৰ নখন দেশত আছে পাৰমাণৱিক বোমা। ৰাছিয়াৰ হাতত আছে সবাতোকৈ বেছি। ষ্টকহোম আন্তৰ্জাতিক শান্তি গৱেষণা ইনষ্টিটিউটৰ তথ্য অনুসৰি ৰাছিয়াৰ হাতত আছে সাত হেজাৰ পাৰমাণৱিক বোমা। আমেৰিকাৰ হাতত আছে ৬,৮০০, ফ্ৰান্সৰ হাতত আছে তিনিশ, চীনৰ হাতত আছে ২৭০, ব্ৰিটেইনৰ হাতত আছে ২১৫, ভাৰতৰ হাতত আছে ১৩০, পাকিস্তানৰ হাতত আছে ১২০। ইজৰাইলে নিজৰ দেশৰ পৰমাণু কৰ্মসূচী গোপনে ৰাখিছে যদিও ধাৰণা কৰা হৈছে ইজৰাইলৰ হাতত আছে ৮০ আৰু উত্তৰ কোৰিয়াৰ হাতত আছে ১০ৰ পৰা ২০।

বৃহৎ পৰাশক্তিবোৰে পাৰমাণৱিক কৰ্মসূচীৰ বাবে বছৰৰ পাছত বছৰ, হেজাৰ হেজাৰ কোটি ডলাৰ ব্যয় কৰে; অথচ বিশ্বৰ দাৰিদ্ৰক্লিষ্ট মানুহৰ বাবে তেনে কোনো সাহায্য সহযোগিতা নকৰে। সিহঁতৰ বিবেক আচলতে কেৱল অস্ত্ৰ প্ৰতিযোগিতাৰ মাজত বন্দী হৈ আছে।

### তিনি

পৰাশক্তি আমেৰিকাক তালিবানে কাৰ্যতঃ মাটিত নমালে। যেনেকৈ বিংশ শতাব্দীত পৰম বিক্ৰমশালী ছোভিয়েট ইউনিয়নক নমাইছিল।

প্ৰশ্ন উঠিছে আমেৰিকা তথা পেন্টাগণে আফগানিস্তানৰ ইতিহাস বা সমাজ ব্যৱস্থা সম্বন্ধে ধাৰণা আৰু পূৰ্বজ্ঞান লৈ তাত অভিযানত নামিছিল নে কেৱল গাৰ জোৰ দেখুৱাবলৈ গৈ তালিবানৰ ৰণকৌশলৰ সন্মুখত পৰাজিত হৈছে? য'ত নিজৰ দেশৰ সামাজিক ব্যৱস্থা, ইতিহাস আৰু ভূমি বিন্যাস সম্বন্ধে তালিবানে পুংখানুপুংখভাৱে জ্ঞাত, তাত আমেৰিকাৰ বাহিনী আছিল প্ৰায় অন্ধকাৰত। তালিবানৰ ৰণকৌশল সম্বন্ধে আমেৰিকা যে সম্পূৰ্ণ অন্ধকাৰত আছিল সেয়া পৰিষ্কাৰ। শত্ৰুক অৱজ্ঞা কৰা আৰু ইতিহাসৰ পৰা শিক্ষা নোলোৱা বাবেই আমেৰিকাৰ এই পৰাজয়।

ব্যক্তিগত অভিজ্ঞতাৰ আলোকত গৱেষণাধৰ্মী গ্ৰন্থ এখন ৰচনা কৰিছিল ফৰাচী জেনেৰেল জে পি ফেৰিয়াৰে। লেখকে গ্ৰন্থখনত আফগানিস্তানৰ সমাজ ব্যৱস্থা, বিদেশীৰ প্ৰতি তেওঁলোকৰ ঘৃণা, যুদ্ধবাজ সংস্কৃতি, অত্যন্ত ৰক্ষণশীল সমাজ ব্যৱস্থা, গৰ্ব, বহু উপজাতি আৰু

**সকলো সম্ভৱৰ দেশ অসম। সৰ্বানন্দৰ তিনিদিনীয়া আশীৰ্বাদ যাত্ৰা। দিল্লীৰ পৰা গুৱাহাটীলৈ আহিল সৰ্বানন্দ। আদৰিবলৈ মুখ্যমন্ত্ৰীকে ধৰি মন্ত্ৰী-বিধায়ক। কৰ'নাৰ নীতি-নিয়ম ভংগ কৰি অজস্ৰ ৰাইজ। যেন বিশ্বজয় কৰি আহিছে**

গোত্ৰভিত্তিক সমাজ, জাতি আৰু তেওঁলোকৰ বৈশিষ্ট্যৰ কথা লিখি ব্ৰিটিছ ঔপনিৱেশিক শক্তিক সাৱধান কৰিছিল। আফগানিস্তানক লৈ এখন বিশ্বখ্যাত গ্ৰন্থ 'দ্য পাঠানছ-৫৫০ বিচি-এডি ১৯৫৭'। ১৯৫৮ত প্ৰকাশিত গ্ৰন্থখনৰ লেখক ছাৰ ওলেফ ক্যাৰোৰ। তেওঁ জীৱনৰ আধাতকৈ বেছি সময় উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশত কটাইছিল। তেওঁ আছিল সেই প্ৰদেশৰ অন্তিমজন ব্ৰিটিছ গভৰ্ণৰ। তেওঁ পুংখানুপুংখভাৱে পাখতুনসহ আন গোষ্ঠীৰ সামাজিক আৰু চাৰিত্ৰিক বৈশিষ্ট্যৰ বৰ্ণনা দিছে। আন এখন উল্লেখযোগ্য গ্ৰন্থ ২০১৩ত প্ৰকাশিত ইতিহাসবিদ উইলিয়াম ডালৰিম্পল ৰচিত 'ৰিটাৰ্ণ অৱ এ কিং ঃ দ্য বেটেল ফৰ আফগানিস্তান'। গ্ৰন্থখনত আফগানসকলৰ ৰাষ্ট্ৰ গঠনৰ ইতিহাস আৰু উপজাতি গোষ্ঠীৰ সামাজিক চাৰিত্ৰিক বৈশিষ্ট্য ফুটি উঠিছে।

আফগানিস্তান ১৭৪৭ৰ আগতে কোনো একক ৰাষ্ট্ৰ নাছিল। শত শত গোত্ৰত বিভক্ত আছিল। আজিও তেনেকৈয়ে আছে। পাখতুনবোৰৰ মাজত ৬০টা প্ৰধান উপজাতি আৰু চাৰিশ গোষ্ঠী আছে। আমেৰিকাই অতীতৰ পৰা শিক্ষা নল'লেও তালিবানে ২০০১ৰ বিপৰ্যয়ৰ পৰা শিক্ষা লৈছে। বিধ্বস্ত তালিবান ২০০৫ত পুনৰ্গঠিত হ'বলৈ আৰম্ভ কৰিছিল আৰু এবছৰৰ ভিতৰতে দখলদাৰ বাহিনীৰ বিৰুদ্ধে বিভিন্ন ক্ষেত্ৰৰ যুদ্ধ আৰম্ভ কৰিছিল। ২০১৭ৰ ভিতৰত প্ৰায় ৬০ শতাংশ আফগান ভূখণ্ডত নিজৰ আধিপত্য প্ৰতিষ্ঠা কৰিছিল। সামাজিক দুৰৱস্থা আৰু চৰকাৰৰ দুৰ্নীতি আৰু অপশাসনৰ পূৰ্ণ সুযোগ লৈ তালিবানে পৰাস্ত কৰিলে ক্ষমতাশালী আমেৰিকাক।

### চাৰি

প্ৰাচীন ভাৰতত জ্ঞান আৰু বিজ্ঞানত এসময়ত সবাতোকৈ আগবাঢ়ি আছিল হিন্দু সভ্যতা। এই গতি ৰুদ্ধৰ কাৰণ ধৰ্মান্ধতা। চতুৰ্দশ শতাব্দী পৰ্যন্ত মুছলিম মনীষীসকল জ্ঞান-বিজ্ঞান চৰ্চাত অগ্ৰসৰ আছিল। তাৰো গতি ৰুদ্ধ হোৱাৰ কাৰণ ধৰ্মান্ধতা।

ছোভিয়েট ইউনিয়নৰ পতনৰ পাছত পাশ্চাত্যৰ সাম্ৰাজ্যবাদীয়ে কমিউনিজম বিৰোধিতাৰ লগতে ইছলাম বিৰোধিতাৰ কৌশল গ্ৰহণ কৰিছিল; কাৰণ সিহঁতৰ এক শত্ৰুৰ প্ৰয়োজন আছিল সামৰিক শিল্প আৰু অস্ত্ৰ ব্যৱসায়ৰ বাবে আৰু মুছলিম অধ্যুষিত তেল সমৃদ্ধ দেশবোৰ দখল কৰিবৰ বাবে। সাম্ৰাজ্যবাদৰ স্বাৰ্থত সিহঁতৰ পক্ষত ওকালতি কৰিবলৈ আৰম্ভ কৰিছিল তথাকথিত কিছু পণ্ডিতে। হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক ছেমুৱেল হাণ্টিংটনে লিখিছিল বৃহৎ এখন গ্ৰন্থ The clash of civilization and Remaking of world. কিতাপখনে জনপ্ৰিয়তা লাভ কৰিছিল যদিও আচলতে এখন তৃতীয় শ্ৰেণীৰ গ্ৰন্থ। মুছলিম বিদ্বেষী হাণ্টিংটনে বিশ্বৰ মানৱ জাতিক নটা সভ্যতাত ভাগ কৰিছে। এই শ্ৰেণীকৰণত কোনো বৈজ্ঞানিক বিশ্লেষণ নাই। নাই কোনো তাত্ত্বিক গভীৰতা। ধৰ্ম সংস্কৃতি নৃতাত্ত্বিক উৎস আৰু ভৌগোলিক অৱস্থানৰ ভিত্তিত হাণ্টিংটনে এক জোৰা-তাপলি মৰা তত্ব প্ৰণয়ন কৰিছে। তেওঁ লিখিছে যে ইছলাম হৈছে সবাতোকৈ বৰ্বৰ ধৰ্ম। অসহিষ্ণু আৰু অনুন্নত। সবাতোকৈ উন্নত যি পাশ্চাত্য সভ্যতা সেয়া ইছলামী সভ্যতাৰ দ্বাৰা আক্ৰান্ত হ'ব পাৰে। হাণ্টিংটনৰ উদ্দেশ্য ইছলাম আৰু মুছলিম বিদ্বেষী মনোভাৱ সৃষ্টি কৰি সাম্ৰাজ্যবাদক সহায় কৰা। হাণ্টিংটনৰ পাছত সাম্ৰাজ্যবাদৰ পক্ষে ইহুদী মাৰ্কিন বুদ্ধিজীৱী নৰমেন পোধোৰেজে লিখিছে— How to win world war four. এই চতুৰ্থ বিশ্বযুদ্ধ হ'ব ইছলামৰ বিৰুদ্ধে সভ্য জগতৰ যুদ্ধ। শীতল যুদ্ধক নৰমেনে তৃতীয় বিশ্বযুদ্ধ বুলি অভিহিত কৰিছে।

### পাঁচ

আমি আমাৰ দৃষ্টিশক্তিৰে ঠিক যিমানখিনি দেখা পাওঁ আমাৰ দৃষ্টিভংগীৰ ক্ষেত্ৰত কিমানখিনি ইতিবাচক প্ৰভাৱ পেলায়, তাকে লৈ বিতৰ্ক হ'ব পাৰে; কিন্তু এই কথা নিঃসন্দেহে ক'ব পাৰি যে অন্তৰ্দৃষ্টিৰ স'তে সংযুক্ত যি দৃষ্টিভংগী সেয়াই প্ৰকৃত দৃষ্টিভংগী। এই সহজ সত্যটো ধাৰণ কৰিলে যি সহজ কথাটি সকলোৰে আগত উন্মোচিত হয়, সেয়া হ'ল শাৰীৰিক প্ৰতিবন্ধকতা নহয়, আমাৰ অন্তৰ্দৃষ্টিৰ প্ৰতিবন্ধকতাই আচলতে সবাতোকৈ ডাঙৰ প্ৰতিবন্ধকতা, যাৰ পৰা মুক্ত নহয় শাৰীৰিকভাৱে সুস্থ আমি বহুতেই।

সকলো সম্ভৱৰ দেশ অসম। সৰ্বানন্দৰ তিনিদিনীয়া আশীৰ্বাদ যাত্ৰা। দিল্লীৰ পৰা গুৱাহাটীলৈ আহিল সৰ্বানন্দ। আদৰিবলৈ মুখ্যমন্ত্ৰীকে ধৰি মন্ত্ৰী-বিধায়ক। কৰ'নাৰ নীতি-নিয়ম ভংগ কৰি অজস্ৰ ৰাইজ। যেন বিশ্বজয় কৰি আহিছে।

চৰকাৰৰ এশটা দিন পাৰ হ'ল। হিমন্ত বিশ্বৰ গুণগান। চৰকাৰৰ গুণগান। অজস্ৰ লেখা। অজস্ৰ ছবি। বাতৰি কাকতৰ পাতে পাতে। মই ড° হিমন্ত বিশ্ব শৰ্মাক চেল্যুট দিলোহেঁতেন যদি তেওঁ কাগজ কল দুটা পুনৰ জীৱিত কৰাৰ কথা ঘোষণা কৰিলেহেঁতেন। মোৰ বাবে একো নাই স্বপ্ন আছে শূন্য!

পৰেশ বৰুৱাৰ বয়স বাঢ়িছে। দেহত ৰোগে বাঁহ লৈছে। এনে অৱস্থাত পৰেশ বৰুৱাই মূলসুঁতিলৈ আহিবলৈ নিশ্চয় সুযোগ বিচাৰি আছে। মোৰ একান্ত বিশ্বাস বিচক্ষণ ড° হিমন্ত বিশ্ব শৰ্মাই পৰেশ বৰুৱাক সেই সুযোগ উলিয়াই দি মূলসুঁতিলৈ আনিবলৈ সক্ষম হ'ব।

ফোন ঃ ০০১৪০৩২৭০১৮১৭

# মোৰ তামোল খোৱা বন্ধুবোৰ

## ৰিজু হাজৰিকা

**সদানন্দ**, কন্দৰ্প, অশ্বিনী, বানেশ্বৰ আৰু মই তামোল খোৱাত এটা নাম আছে। সদানন্দই মাটিত পোতা তামোল যেতিয়া পেটটো পচি ঘোলা হয়, সেই তামোল খাবলৈ বৰ ভাল পায়। তেওঁ প্ৰথমতে নিজে তামোলখন শুঙি চাই, তাৰ পাছত মোলৈ এখন আগবঢ়াই দি কয়— চোৱাচোন গুদা কি ধুনীয়া গন্ধ। গুদাটো মৰমৰ মাত, গুদা মানে সৰু। ময়ো শুঙি চাই মুখত সুমুৱাই দিওঁ। তাৰ পাছত তেওঁ এখিলা পাণত চূণ লগাই, অলপ ক'লা চাধা দি মোলৈ আগুৱাই দিয়ে। মই গোটেইখিনি মোহাৰি লৈ মুখত সুমুৱাই দি কওঁ—আৰু অলপমান ধপাত দিয়া। তেওঁ নখেৰে অলপমান খুমট মাৰি দিয়ে। মোক কয়— পটকৈ গিলি নিদিবা, মুখত লৈ পাগুলি থাকিবা, পিকখিনি পেলাই আহিবা— তেতিয়াহে তামোল খোৱাৰ জুতি।

মই এখন পলিথিনৰ সৰু বেগত তামোল, পাণ কাটি, এটা প্লাষ্টিকৰ টেমাত চূণ, চাধা, জৰ্দাৰ পেকেট এটা ভৰাই লৈ ফুৰো। থানেশ্বৰেও মোৰ পৰা তামোল খায়, কিন্তু তেওঁ হাতত বা পকেটত তামোলৰ টোপোলা লৈ নুফুৰে। দোকানত পাঁচখনমান তামোল কিনে। দোকানীয়ে চূণ, চাধা, পাণ আদি এখন কাগজত মেৰিয়াই দিয়ে। তেওঁ সেইখিনি হাতৰ টিপতে লৈ থাকে। কোনোবাই খুজিলে তাৰে এখন তামোল দিয়ে। সেইখন তামোলৰে মোৰ পাঁচখন হয়। সেই কাৰণে তেওঁ মোৰ তামোল খাই জুতি নাপায়। তেওঁক মই তামোলখন হাতত দিলে হাঁহি হাঁহি কয়— ভাই তোমাৰ তামোলখন আমাৰ যে মৃতকৰ শ্ৰাদ্ধত দিয়ে দহখন তামোল, তাতকৈও সৰু, মোৰ দাঁততে নালাগে। ইয়াতকৈ ঘৰচিৰিকাৰ ঠোঁটটোও ডাঙৰ। গতিকে মই তেওঁক দুখন তামোল দিওঁ। তথাপিতো তেওঁৰ আপত্তি, ভাই তোমাৰ তামোল দুখন কিয় দহখন দিলেও মোৰ দাঁতে, জিভাই গমকে নাপায়। মই উপায় নাপাই আৰু এখন তামোল তেওঁক দিওঁ। সেইখন তামোল দিওঁতে মই অলপ কায়দা কৰো। প্ৰথমতে চূণ-চাদাখিনি দিওঁ তাৰ পাছত পাণ খিলা দিওঁ আৰু শেষত তামোল টুকুৰা দিওঁ। তেওঁ কয়— কিনো কৰেহে ভাই। মই কওঁ শুনা, ভোজত প্ৰথমতে নিমখ, জলকীয়া আৰু নেমু এটুকুৰা দিয়ে। প্ৰথমতে যদি মাছ-মাংসৰ বাটি দিয়ে, মানুহে ৰাক্ষসৰ দৰে খাই পেলাব। ময়ো প্ৰথমতে যদি তোমাক তামোলখন দিওঁ তুমি লগে লগে গিলি দিবা। সেই কাৰণে মই এই পদ্ধতি অৱলম্বন কৰিছো। থানেশ্বৰে ঢেক-ঢেককৈ হাঁহে। তাৰ পাছত তেওঁ আৰু এখন ডাঙৰ তামোল কিনি আনি মুখত সুমুৱাই দিহে মনত শান্তি পায়।



এইবাৰ আহিল মোৰ তামোল খোৱা লগ কন্দৰ্প। এওঁ আৰু তামোল খোৱাত এখোপ চৰা। তেওঁ একফাল তামোল এপাত পাণ মুখত ভৰাই লৈ দুই চোবা মাৰিয়েই গিলি দিয়ে। কেতিয়াবা মোৰ তামোলৰ টোপোলাটো হাতৰ পৰা থপিয়াই নি পাঁচ-ছয়খনমান তামোল মুখত সুমুৱাই লৈ গিলি দিয়ে। ইয়াৰ পাছত তেওঁৰ জিভাত, ওঁঠত ঘা হ'ল। ভাত-চাহো খাব নোৱাৰা হ'ল। গৃহস্থই নি এখন নাৰ্ছিংহোমত থ'লে। খবৰটো শুনি মই এদিন নাৰ্ছিংহোমলৈ খবৰ ল'বলৈ গ'লো। তেওঁ মোক দেখি হাত দুখন কপালত থৈ নমস্কাৰ এটা দিলে। কথা ক'বও নোৱাৰে, আনকি হাঁহিবও নোৱাৰে। চকু পানী নিগৰি আহি ওঁঠৰ ওচৰ পোৱাত হাতেৰে মচি দিলে। মোৰ বৰ দুখ লাগিল। কি স'তে বুজাম বন্ধু, তোমাৰ কৃষ্ণচূড়া ফুলৰ দৰে লাল পৰি থকা ওঁঠ, পচা বৰালি মাছৰ দৰে শেঁতা পৰি গৈছে। হাতেৰে ইংগিত দি বুজালো, তামোল নাখাবা। ভাল হ'লে খাবা। তেৰোঁ নমস্কাৰেৰে, আঙুলিৰে ইংগিত দি বুজালে তামোল আৰু নাখাওঁ দাদা। আৰু এদিন আহিব দাদা। ময়ো আহিম বুলি ইংগিত দিলো। কিমান দুখ লাগিছিল— বুজাবলৈ ভাষা নাই। বাটে বাটে ভূপেন হাজৰিকা ছাৰৰ গানটো গুণ-গুণাই আহিলো— 'মানুহে মানুহৰ বাবে যদিহে অকণো নাভাবে, ভাবিব কোনেনো কোৱা সমনীয়া....।'

ঘূৰি আহি থানেশ্বৰক খবৰটো দিলো। তেৰোঁ বৰ দুখ কৰি ক'লে— 'কৃষ্ণ কৃষ্ণ, আমাৰ তামোল খোৱা লগ এটা কমিল....। কৃষ্ণই তেওঁক সোনকালে ভাল কৰি দিব।'

এইবাৰ লগ পালো তামোল খোৱা বন্ধু অশ্বিনীক। এওঁ তামোল খোৱাত সাংঘাতিক। কোনো অনুষ্ঠানে যদি তামোল খোৱা প্ৰতিযোগিতা পাতে অশ্বিনী ফাৰ্ষ্ট হ'বই হ'ব। তেওঁ দিনে পাঁচ গণ্ডা তামোল আৰু দুমুঠি পাণ খায়। তেওঁ হিচাপ দিয়া মতে দিনটোত নব্বৈখন মান তামোল খায়। ৰাতিপুৱা চাহ কাপ খায়েই তামোলত ধৰে নিশা বাৰটা মানলৈ। তেওঁ লেখা মানুহ। বহুত কিতাপ লিখিছে— গল্প, উপন্যাস, পাঠ্যপুথি, সহায়িকা পুথি আদি অসংখ্য লেখিছে। তেওঁ এজন ঘৰুৱা শিক্ষকো। গাধা ছাত্ৰ-ছাত্ৰীকো তেওঁ মেট্ৰিকত ফাৰ্ষ্ট ডিভিজন পোৱাই দিবই। তেৰোঁ মোৰ তামোলখনত সন্তুষ্ট নহয়— দাদা আপোনাৰ এইখন তামোলেৰে একোৰেই নহয়, মোৰ দাঁত আৰু জিভাই গমকে নাপায় মই যে তামোল খাইছো। ঘৰচিৰিকাৰ ঠোঁটৰ লগতো তুলনা কৰিব নোৱাৰি। মই তেতিয়া মোৰ তিনিখন তামোল উলিয়াই দিওঁ। তেওঁ তাতো সন্তুষ্ট নহয়। নিজৰ তামোল আৰু এখন সুমুৱাই দিয়ে।

বৰ্তমানে মোৰ তামোল খোৱা বন্ধুসকল প্ৰায়ে আঁতৰি গ'ল। সদানন্দ ঢুকাল, থানেশ্বৰ কোৰ্টৰ উকীল, কন্দৰ্প ঘৰৰ পৰা নোলায়েই, অশ্বিনী কিতাপ লেখাত ব্যস্ত। এতিয়া কেইগৰাকীমান মহিলা মোৰ তামোল খোৱা লগ। মই তামোলৰ টোপোলাটো উলিয়ালেই হাত পাতে— খুৱা হ'ব নেকি? মই সকলোকে একোখন তামোল দিওঁ। তেওঁলোকৰ আপত্তি নাই, আনন্দমনে খায়। মুঠতে মোৰ মন এতিয়া অনবৰত বিষাদিত হৈ থাকে এই তামোল খোৱা বন্ধুবোৰক লগ নাপায়। ক'ত পাম এনে বন্ধু!

# হৰে ভকত মৰে খঁকত

## মনোজ কুমাৰ ভট্টাচাৰ্য

— হেৰা, আজি ডাঙৰ কাম এটা হৈ গ'ল দিয়া। তেৰাৰ কৃপাত সকলোখিনি অতি সুন্দৰভাৱে সমাধা হৈ গ'ল।

— কি ডাঙৰ কাম হোৱাৰ কথা আপুনি ক'লে মই কিন্তু বুজা নাই।

— কি কোৱাহে তুমি? নামঘৰটোত থাপনাখন প্ৰতিষ্ঠা কৰা কামটো যে সুকলমে হৈ গ'ল তাকেই কৈছো।

— আপোনাৰো যে কথা আৰু! সেইটোনো কি ডাঙৰ কাম হ'ল? আসনখন দোকানৰ পৰা আনে কিনি আনিছে, আনে স্থাপন কৰি দিছে, তাত আপোনাৰ কৃতিত্ব ক'ত?

— নহয়হে? বহুদিনৰ পৰা মনতে পুহি ৰখা আশা এটা যে আজি সিজিল সেইটোহে ক'ব খুজিছো। এতিয়াহে মনটো পাতলিছে বুজিছা? সকলো তেৰাৰে কৃপা।

— কি তেৰা তেৰা কৰি থাকেহে আপুনি? ইয়াত কোনোবাই আপোনাক কৃপা কৰিবলগীয়া কি আছেহে? আপুনি কুঁৰা খান্দি পানীয়েই পালেনে জুৰা খেলি 'মানি'য়েই পালে কওকচোন মোক?

— সকলো কামতে তেৰাৰ সুদৃষ্টি লাগে বুজিছা? নহ'লে কামত আউল লাগে। চোৱাচোন আমাৰ কামখিনি একো বাধা-বিঘিনি নোহোৱাকৈ কিমান সুকলমে হৈ গ'ল।

— আপুনি এটা আলমিৰা বা এখন চালপীৰা আনি ঘৰত থ'লে। তাতো কাৰোবাৰ কিবা কৃপাৰ প্ৰয়োজন আছেনে? খোজে প্ৰতি যদি আনৰ কৃপাতেই চলি থাকে, তেনেহ'লে আপোনাৰ নিজৰ বুলিবলৈ কি থাকিল কওকচোন মোক?

— আমি হ'লো একোটা ক্ষুদ্ৰ জীৱ। তেৰাৰ নিৰ্দেশতে আমি চালিত হৈ আছো। তেৰাৰ কৃপা নহ'লে আমি খাওঁ বুলিও একো খাব নোৱাৰো আৰু যাওঁ বুলিও ক'লৈকো যাব নোৱাৰো বুজিছা?

— তাৰমানে তেৰাৰ কৃপা নহ'লে প্ৰেছাৰ কুকাৰতো ভাত নিসিজে আৰু বতাহতো শুকান পাত নসৰে। হয়নে? এইবিলাক ভণ্ডামি এৰক। আপুনিও ভকত হ'বলৈ গৈ আছে নেকি?

— ধেৎ, কি যে কোৱা তুমি?

— তেনেহ'লে আপোনাৰ কথাবোৰ নিস্পৃহ যেন লাগিছে কিয়? কৰ্ম আগত, ধৰ্ম পাছত। কথাষাৰ মনত ৰাখিব।

— হ'ব দিয়া। পিছে ৰ'বাচোন, ভকতসকলক ভালদৰে আপ্যায়ন কৰা হৈছেনে?

— সেইটো আৰু সুধিব লাগেনে? জানো নহয় মই? ভালদৰে খুৱাই-বুৱাই মাহ-প্ৰসাদ, দান-দক্ষিণা দি পঠাইছো।

— কি খুৱালানো? মই বাহিৰত ব্যস্ত হৈ থাকিলো নহয়।

— অহাৰ লগে লগে চাহ, বিস্কুট, কাজু বৰফি। তাৰ পাছত লুচি-ঘুগুনি, পায়স আৰু শেষত চাগু, দৈ, মিঠাই।

— ঠিকে আছে দিয়া। ভকত সন্তুষ্ট হ'লে গৃহস্থৰ মংগল হয়। হৰেশ্বৰ আমাৰ ৰাজহুৱা নামঘৰৰ প্ৰধান ভকত। শাস্ত্ৰ বৰ সুন্দৰকৈ সুৰ লগাই পঢ়িব জানে।

— পিছে, এটা কথা নহয়?



— কি ?

— ভীমৰ গদাটো দাঙিবলৈ হ'লে ভীমৰ শক্তিখিনি আহৰণ কৰিব নালাগিব জানো?

— কিয় নালাগিব? লাগিব। পিছে গদাৰ কথা হঠাতে উলিয়ালা যে!

— গদাটো হৈছে যথেষ্ট গধুৰ। সেইদৰে শাস্ত্ৰও হৈছে তত্বগধুৰ। গতিকে শাস্ত্ৰৰ সাৰমৰ্ম বুজিবলৈ শিক্ষা আৰু জ্ঞানৰ প্ৰয়োজন নিশ্চয় আছে।

— তুমি ঠিকেই কৈছা। হৰেশ্বৰ কিন্তু এই ক্ষেত্ৰত অভিজ্ঞ দেই। নীতি-নিয়মো সকলো জানে।

— শাস্ত্ৰ সদায় পণ্ডিত লোকৰ পৰাহে শ্ৰৱণ কৰিব লাগে। তেতিয়াহে শুদ্ধ ব্যাখ্যা হোৱাটো সম্ভৱ। নহ'লে শব্দাৰ্থৰ বিভ্ৰাট ঘটাটো নিশ্চিত।

— সেইটোতো হয়েই। পিছে হৰেশ্বৰ বাপৰ শাস্ত্ৰৰ ভাঙনিয়ে পাঠক-পাঠিকাক মন্ত্ৰমুগ্ধ কৰি ৰাখিব পাৰে। তেওঁ যে উচ্চ শিক্ষিত, লগতে বৰ সাত্ত্বিকো।

— উচ্চ শিক্ষিত মানে তেওঁ উচ্চ বিদ্যালয়ত সপ্তম শ্ৰেণীলৈকে পঢ়ি শিক্ষা সমাপ্ত কৰা। আমাৰ বিদ্যালয়তে পঢ়িছিল। জানো নহয় মই।

— কি কোৱাহে? তেওঁ এম এ পাছ কৰা বুলিহে আমি জানো। তেওঁ ইমান ডাঙৰ ফাঁকি দিবনে?

— মানুহজন সৎ। তেওঁ হয়তো এম, ই পাছ কৰা বুলি কৈছে আৰু আপোনালোকে এম এ পাছ বুলি শুনিছে। হয়নে?

— হ'ব পাৰে। তোমাৰ ধাৰণাটোৱেই শুদ্ধ যেন লাগিছে। পিছে তেওঁৰ ঘৰ তোমালোকৰ ওচৰতে নেকি?

— দুই কিলোমিটাৰমান আঁতৰত। মোক চিনি নাপায়। তেওঁক কিন্তু আমাৰ অঞ্চলৰ সকলোৱে চিনি পায়।

— হয় নেকি? তাৰমানে তেওঁ সৰবৰহী।

— সৰবৰহী হয় নে নহয় নাজানো; কিন্তু তেওঁ যে সৰ্বগ্ৰাহী সেইটো ঠিক, য'ত যি মিলে চব গিলে।

— হয় নেকি?

— আমাৰ তাত ল'ৰাবোৰে তেওঁক জোকায়—
হৰে ভকত মৰে খঁকত
শাস্ত্ৰৰ কৰে ভুল ব্যাখ্যা
সমাজত পালে বাপ আখ্যা
শকত-আবত হৰে ভকত।
এতিয়া গম পালেনে তেওঁৰ মহিমা কি?

— হা?

ফোন ঃ ৯১০১৭৭৪৮৬৮

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ২৯ আগষ্ট দেওবাৰ, ২০২১ পৃষ্ঠা ৫

# থাইগিৰগুৰী-ফাথৌবাৰীলৈ গৈছিলো

**এনে অজস্ৰ অঞ্চল আছে যিবোৰে আজিও নিজৰ অস্তিত্ব অক্ষুন্ন ৰাখি আহিছে; কিন্তু এনে অজস্ৰ অঞ্চল আছে যিবোৰ অন্যভাষীলোকৰ মুখত উচ্চাৰণৰ তাৰতম্য ঘটি অন্য ৰূপ গ্ৰহণ কৰিছে আৰু আন কিছুমানে অনুদিত হৈ অন্য ৰূপ লৈছে**

অৱলোকন
ড° দীননাথ বসুমতাৰী





**থাইগিৰগুৰী,** ফাথৌবাৰী নামটো শুনি বহুতে হয়তো ঠাই দুডোখৰ ক'ত হ'ব পাৰে বুলি ভাৱিব পাৰে যিহেতু ইয়াৰ অৰ্থ সকলোৱে বুজি নাপাব। কিন্তু যিকোনো এজন বড়োভাষীলোকে ঠাই দুডোখৰ ক'ত সেয়া সঠিককৈ ক'ব নোৱাৰিলেও সহজেই ক'ব পাৰিব ই বড়ো গাওঁ কিম্বা অঞ্চল। কাৰণ দুয়োটাই সম্পূৰ্ণ বড়ো নাম। অসমৰ চাৰিওফালে, চুকে-কোণে এনে অজস্ৰ গাওঁ বা ঠাই, অঞ্চল আছে যিবোৰে আজিও নিজৰ অস্তিত্ব অক্ষুন্ন ৰাখি আহিছে। কিন্তু এনে অজস্ৰ গাঁও কিম্বা ঠাই, অঞ্চল আছে যিবোৰ অন্যভাষীলোকৰ মুখত উচ্চাৰণৰ তাৰতম্য ঘটি সামান্য ইফাল সিফাল হৈ অন্য ৰূপ গ্ৰহণ কৰিছে আৰু আন কিছুমানে অনুদিত হৈ অন্য ৰূপ লৈছে। ফলত পূৰ্বৰ নামত বিচাৰিলে আজিৰ সময়ত সেইবোৰ ঠাই বিচাৰি পোৱা নাযায়। পৰৱৰ্তীকালত অন্যভাষী মাটিৰ মণ্ডলে নিজভাষাৰে অনুবাদ কৰি কিম্বা নিজে কৰা উচ্চাৰণৰ ওপৰত নিৰ্ভৰ কৰি জৰীপৰ সময়ত সেইবোৰ ঠাই, গাঁও বা অঞ্চলৰ নামাকৰণ কৰে। থাইগিৰগুৰী, ফাথৌবাৰী গাঁও দুখনো তেনেদৰেই পিছলৈ অনুদিত হৈ সম্প্ৰতি ই ঔগুৰী আৰু পাটাবাৰী নামেৰেহে জনা যায়। এই নামবোৰৰ লগত থকা পূৰ্বৰ ইতিহাসক এনেদৰে নাইকিয়া কৰি অহা বাবেই আজি আমি অসমৰ প্ৰকৃত ইতিহাস নিৰ্ণয় কৰিবলৈ যাওতে বাৰেপতি উজুটি খাবলগীয়া হৈছো। প্ৰকৃততে সেইবোৰ অটব্য হাবি-জংঘলেৰে ভৰা, দিনতে এন্ধাৰ হৈ পৰা অৰ্থাৎ ভৰ দুপৰীয়া বাদে পুৱা আৰু আবেলি বেলিৰ পোহৰ নোপোৱা অঞ্চলত মাথোঁ কেইজনমান বড়ো যুৱকে কেনেকৈ প্ৰকাণ্ড থাইগিৰ (ঔটেঙা) গছৰ তলত আশ্ৰয় গ্ৰহণ কৰি তেজক পানী কৰি, কপালৰ ঘাম মাটিত পেলাই, দিনক ৰাতি ৰাতিক দিন কৰি, সাপ-হাতী- বাঘৰ ভয়কো নেওচি ম'হৰ কামোৰ, জোকৰ কামোৰ খাই ৰ'দে-বৰষুণে হাবি-বন কাটি বসতি স্থাপন কৰিছিল। সাধুকথা যেন লগা সেইবোৰ কাহিনী এতিয়াও তাৰ স্থানীয় বয়সস্থলোকৰ মুখে মুখে শুনিবলৈ পোৱা যায়।

২০২০বৰ্ষ। বড়ো সাহিত্য সভাই প্ৰতি বছৰে ১৬ নৱেম্বৰৰ দিনটো সভাৰ প্ৰতিষ্ঠা দিৱস হিচাপে ১৯৫৩ৰ পৰাই সমগ্ৰ অসম তথা অসমৰ বাহিৰতো উদ্‌যাপন কৰি আহিছে। বড়োসকলৰ বাবে এই দিনটো এটা বিশেষ দিন, ঐতিহাসিক দিন। এই দিনটোতে ১৯৫২ত আজিৰ চিৰাং জিলাৰ বাসুগাঁওস্থিত ৰনচাইধামত বড়ো সাহিত্য সভাৰ জন্ম হয়। এই উপলক্ষে চিৰাং জিলা বড়ো সাহিত্য সভাৰ অন্তৰ্গত থাইগিৰগুৰী (ঔগুৰী) শাখাই ফাথৌবাৰিত (পাটাবাৰী) অনুষ্ঠিত কৰিবলৈ লোৱা সভালৈ আমন্ত্ৰিত অতিথি হিচাপে মই উপস্থিত হৈছিলো। পূৰ্বতেও অৰ্থাৎ সেই একেটা বছৰৰে ১৪ জানুৱাৰীত চিৰাং জিলা বড়ো সাহিত্য সভাই আয়োজন কৰা জিলা অধিৱেশনৰ লগত সম্পৰ্ক ৰাখি অনুষ্ঠিত আলোচনা চক্ৰৰ মুখ্য আলোচক হিচাপে অংশগ্ৰহণ কৰিছিলো। এইবেলি দ্বিতীয়বাৰৰ বাবে যাবলৈ ওলাইছো থাইগিৰগুৰী শাখা কমিটীৰ আহ্বানক্ৰমে। এইবাৰ অৱশ্যে মূল থাইগিৰগুৰী নহয়, থাইগিৰগুৰীৰ পৰা সামান্য আৰু উত্তৰে প্ৰায় ভূটান পৰ্বতৰ পাদঞ্চলত অৱস্থিত ফাথৌবাৰীত, (বঙাইগাওঁ চহৰৰ পৰা উত্তৰে ৪০/৪৫ কিঃমিঃ)। সম্প্ৰতি এই দুয়োটা ঠাইক ক্ৰমে ঔগুৰী আৰু পাটাকাটা বুলিহে জনা যায়। অৱশ্যে এতিয়াও আগৰ বুঢ়া-বুঢ়ীৰ মুখত থাইগিৰগুৰী আৰু ফাথৌবাৰী নামটোকে সততে শুনিবলৈ পোৱা যায়। একেদৰে ওচৰৰে থাইজৌবাৰীক আমটেকা, নাংগীল বায়নায় > নাঙল ভাঙা, দংগ' গীলাউ> দীঘল দঙা, নাংদৰ বাৰী> পলাশগুৰী, হাস্ৰাওবাৰী, খৗইলামৗইলা> কয়লাময়লা ইত্যাদি।

থাইগিৰগুৰীৰ নাম পূৰ্বতে মানুহৰ মুখে মুখে একাধিকবাৰ শুনি আহিছিলো যদিও তালৈ যোৱা নাছিলো কিম্বা যোৱাৰ সুযোগ পোৱা নাছিলো। মই বঙাইগাওঁ চহৰৰ যিডোখৰ ঠাইত থাকো তাৰ নিচেই কাষতে, প্ৰায় গাত লগাকৈয়ে অৱসৰপ্ৰাপ্ত শিক্ষক নিৰঞ্জন মেধিৰ ঘৰ। তেওঁৰ মুখত প্ৰায়ে থাইগিৰগুৰী অঞ্চলৰ বাট পথ, জনবসতি, কৃষি, আইনদীৰ বানপানীত প্ৰতিবছৰে যমৰ যাতনা ভুগিবলগীয়া হৈ অহা ৰাইজৰ দুৰ্দশা, গৰাখহনীয়াৰ ফলত গৃহহাৰা হৈ গহপুৰ, ধেমাজি, চিমেন চাপৰি, মিংমাং, ৰেংমা তথা অৰুনাচলৰ পাদঞ্চলত খেতিৰ মাটি বিচাৰি অৰুণাচল এক্সপ্ৰেছ ৰেলেৰে দলে দলে ঢাপলি মেলাৰ কাহিনী সাধুকথাৰ দৰে শুনি আহিছিলো।

পিটিচিএ, এবছু, বিএলটিৰ আন্দোলনৰ সুদীৰ্ঘ সময়ছোৱাত তেওঁ অৰ্থাৎ নিৰঞ্জন মেধিয়ে থাইগিৰগুৰী এম.ই স্কুলত বহু ঘাত-প্ৰতিঘাতৰ মাজেৰে শিক্ষকতা কৰি আহিছিল। তেতিয়া বাটপথ বুলিবলৈ একো নাই। বাৰিষা থাইগিৰগুৰী, ফাথৌবাৰী, হাংমা বজাৰ আদি বিস্তীৰ্ণ অঞ্চল আইনদী আৰু তাৰ উপনদী নাংগীলবায়নায়, লাংখাৰ অথবা খ্ৰাং খ্ৰাং, হুৰহুৰা নৈৰ পানীয়ে চাৰিওফালে অঞ্চলবাসী ৰাইজক ঘেৰি ধৰে। ক'বলৈ গ'লে মাজুলীৰ দৰে ইও এটা প্ৰকাণ্ড দ্বীপ। বাৰিষা সমগ্ৰ অঞ্চল জলমগ্ন হৈ পৰে। চাৰিওফালে অকল পানী আৰু পানী। আকাশত পানী, তলত পানী। বিচ্ছিন্ন হৈ পৰে ইখন গাঁৱৰ লগত সিখন গাঁৱৰ যোগাযোগ। খোৱাৰ বাবে দাইল, চাউল, নিমখ, তেল, বেমাৰৰ বাবে ঔষধ পাতিৰ অভাৱত মানুহৰ অৱস্থা শোচনীয় হৈ পৰে। এনেকি খোৱাৰ বাবে এটুপি বিশুদ্ধ পানীও পাবলৈ নাইকিয়া হৈ পৰে। বাৰিষাৰ পানী খাই ৰাইজ ডায়েৰিয়াত ভুগি মৃত্যুক সাৱটি ল'বলগীয়া হয়। সন্ধিয়া নামিলেই সমগ্ৰ অঞ্চল এন্ধাৰত ডুব যায়। বিজুলী বাতিৰ খুটি আছে, কিন্তু যোগাযোগ বিচ্ছিন্ন হৈ তাঁৰ কেইডালে অসহায় ভাৱে অস্তিত্ব প্ৰমাণ কৰাৰ বাদে ৰাইজৰ একো কাম কৰিব নোৱাৰে। খৰালি যেতিয়া নদীৰ পানী শুকায় তেতিয়া ৰাইজে মিলি নাংগীল বায়নায় আৰু হুৰহুৰা নৈৰ ওপৰত বাঁহৰ সাঁকো সাজি যাতায়াতৰ ব্যৱস্থা কৰি লয়। বহুবোৰ শাখানদী ৰাইজে একোকাল পানীত নামিয়ে পাৰ হ'বলগীয়া হয়। বঙাইগাঁৱৰ পৰা চাপাগুৰি, ৰৌমাৰী হৈ যোৱা পথটোও ভাঙি-চিঙি বিচ্ছিন্ন হৈ পৰে। খৰালি ৰাইজে মিলি বাঁহৰ সাঁকো সাজি ল'লেও সি বৰ বেছি তিনিটা মাহহে টিকি থাকিব পাৰে। সামান্য বৰষুণতে পাহাৰীয়া নদীৰ প্ৰৱল সোঁতে উটুৱাই লৈ যায়। মৰণত শৰণ দি নাওঁৰে পাৰ হোৱাৰ বাদে আন একো উপায় নাথাকে।

আইনদী, নাংগীল বায়নায় আৰু লাংখাৰ অথবা হুৰহুৰা নদীয়ে বিস্তীৰ্ণ অঞ্চলৰ মাজেৰে একা-বেঁকা হৈ বৈ আহি যিডোখৰ ঠাইত পুনৰ মিলিত হৈছে সেই ঠাইডোখৰ বাৰিষা সাগৰসদৃশ হৈ ইপাৰ সিপাৰ নেদেখা হৈ পৰে। দুখৰ মাজতো সেয়া এক অপূৰ্ব দৃশ্য। সৰু ডাঙৰ বিভিন্নৰঙী মাছৰোকা চৰায়ে পানীৰ ওপৰত উৰি থপিয়াই মাছ ধৰা দৃশ্য অতি মনোৰম। জাকে জাকে পানীকাউৰীয়ে নদীৰ বুকুত নিৰ্ভয়ে মাছ বিচাৰি বিচৰণ কৰি ফুৰে। প্ৰকৃতিৰ এইবোৰ দৃশ্য দেখি যেনেকৈ মন আনন্দেৰে ভৰি পৰে তাৰ ঠিক বিপৰীতে বিভিন্নজনৰ ভাঙি অহা ঘৰৰ চাউনি, টিনপাত, চকি, মেজ আদি আচবাবপত্ৰৰ লগতে প্ৰকাণ্ড প্ৰকাণ্ড গছ উটি-ভাহি যোৱা দেখি মন বিষাদত ভাঙি পৰে। এফালে আনন্দ আৰু আনফালে বিষাদ।।

মেধিয়ে সেই অঞ্চলৰ স্থানীয় জনজাতি ৰাইজৰ নিস্বাৰ্থ মৰম চেনেহৰ কথা আজিও সোঁৱৰে। পিছলৈ বিভিন্ন কাৰণত তাৰ পৰা ৰৌমাৰী এম.ই স্কুললৈ বদলি হৈ আহে। চাকৰিৰ পৰা অৱসৰ লোৱা তেওঁৰ আজি প্ৰায় দহটা বছৰেই হ'ল। এতিয়াও সেই অঞ্চলৰ বহু মানুহে বঙাইগাঁও চহৰলৈ কিবা কামত আহিলে তেওঁৰ ঘৰলৈ এবাৰ হ'লেও যায়। অতি আপোনজনৰ দৰে সুখৰ দুখৰ মনৰ কথা পাতে। পাৰ কৰি অহা দিনবোৰৰ কথা ৰোমন্থন কৰে।

থাইগিৰগুৰীলৈ যোৱাৰ বাবে দুটা ৰাস্তা আছে, এটা ৰাষ্ট্ৰীয় ঘাই পথৰ পৰা চামথাইবাৰী হৈ বেংতল অথবা ভূটানলৈ যোৱা পথেৰে আৰু আনটো চাপাগুৰী চ'কৰ পৰা ৰৌমাৰী হৈ হাগ্ৰামা দলং অতিক্ৰম কৰি ভূটানলৈ যোৱা পথেৰে। প্ৰথমবাৰ যাওতে বেংতল পথেৰে গৈছিলো যিটো পথ বেছি দীঘলীয়া আৰু কষ্টকৰ আছিল। দ্বিতীয়বাৰ যাওতে ৰৌমাৰী হৈ গৈছিলো যিটো পথ পূৰ্বতকৈ চুটি আৰু কম কষ্টদায়ক। বেংতল পথেৰে যাওতে দুটা বাঁহেৰে সজোৱা দীঘল দলঙেৰে আইনদীৰ পানীৰ ওপৰেদি গাড়ী চলাই পাৰ হোৱাৰ উপৰি দুটামান ঠাইত তৰাং পানীৰ ওপৰেদি পাৰ হ'বলগীয়া হৈছিলো। পাৰ হৈ নদীৰ পাৰে পাৰে বালি আৰু পাথৰৰ ওপৰে ওপৰে কমেও সাত/আঠ কিলোমিটাৰ যোৱাৰ পিছত পুনৰ গাঁও পোৱাৰ পূৰ্বে বিস্তীৰ্ণ অঞ্চল অতিক্ৰম কৰিবলগীয়া হয়। কোনোদিন নোযোৱা পথ বুলি কিন্তু মই এবাৰো বিচলিত হোৱা নাছিলো। মনৰ ভিতৰত এটা সাহস আছিল, নিজৰে ঠাই, মানুহবোৰ আটায়ে নিজৰ, তেনেস্থলত কালৈ ভয় কৰিব লাগে? বাটত যি দুই এজনক সুধি গৈছিলো তেওঁলোকৰ বেছিভাগেই আছিল মোৰ পৰিচিত আৰু স্কুল-কলেজৰ ছাত্ৰ।

সেইদৰে ৰৌমাৰী পথেৰে গ'লেও হাগ্ৰামা দলং (দীঘলে প্ৰায় ১২০০ মিটাৰোধিক, য'ত বৰ্তমান দৈজিং উৎসৱ পালন কৰা হয়) পাৰ হৈ অলপ দূৰ গৈয়ে আমটেকা হৈ ভূটানলৈ যোৱা মুল পথৰ পৰা বাওঁফালে ফালৰি কাটি কলিয়াগাঁও হৈ নাংগীল বায়নায় নদীৰ ওপৰত সজা বাঁহেৰে সজোৱা দলঙৰ ওপৰেদি পাৰ হ'বলগীয়া হয়। তাৰ পিছত অকল বালি। বালিৰ ওপৰে ওপৰে বহুদূৰ যোৱাৰ পিছতহে বেচৰবাৰী গাঁও পোৱা যায়। তাৰ পিছত অক্সিগুৰী পাৰ হৈ থাইগিৰগুৰী। মই যেতিয়া গৈ পাও তেতিয়া ঘড়ীত দুপৰীয়া ১২টা বাজিছিল। আবেলি এক বজাৰ পৰা মুকলি সভা। বড়ো সাহিত্য সভাৰ শাখা কমিটীৰ সভাপতিৰ ঘৰত খোৱা লোৱাৰ ব্যৱস্থা কৰা হৈছে। বড়োৰ ঘৰ তাতে আলহীও বড়ো। গতিকে খাদ্যৰ তালিকাত কি কি থাকিব পাৰে সেয়া সহজেই অনুমেয়। অন্‌লা (পিঠাগুৰিৰে বনোৱা বড়োসকলৰ একপ্ৰকাৰ অতি প্ৰিয় আঞ্জা)ত দেশী কুকুৰাৰ জুইত সেকা মঙহ, মেস্কাটেঙাত সৰু কেচা মাছ, গাহৰি আৰু মাছৰ পিটিকা। ভাত পানী খাই বৈ যেতিয়া হাংমা বজাৰৰ কাষত থকা মুকলি পথাৰত সজাই লোৱা সভাথলীত উপস্থিত হও তেতিয়া মই ভাৱিব পৰা নাছিলো এই ভূটান পৰ্বতৰ পাদঞ্চলত আৰু যোগাযোগৰ ফালৰ পৰা অত্যন্ত পিছপৰা এনেকুৱা ঠাইতো যে ইমান কষ্টৰ মাজেৰে ইমান সংখ্যক লোক বসবাস কৰি আছে। বাহিৰৰ পৰা চালে সেয়া অনুমান কৰিব নোৱাৰি। এয়া অকল বড়োসকলৰ কথা। বড়োভিন্ন আন বহুত লোক যেনে নেপালী, চাওতাল, মুছলমান আৰু কিছুসংখ্যক ৰাজবংশী, ক্ষেত্ৰীয়, ৰাভা আদি লোকো তাত আছে। অৱশ্যে অধিকাংশ লোকেই বড়ো। আজিকালি চহৰ অঞ্চলত অনুষ্ঠিত সভা-সমিতিবোৰত তথাকথিত কৰ্মব্যস্ততাৰ অজুহাতত জনসমাগম ক্ৰমাৎ হ্ৰাস পাই অহাৰ বিপৰীতে এনেকুৱা আওহতীয়া অঞ্চলত প্ৰায় তিনি-চাৰি হেজাৰ লোকৰ উপস্থিতি ভাবিবলগীয়া কথা। মুখ আৰু সাজপাৰ দেখিলেই গম পোৱা যায় তেওঁলোকৰ শ্ৰমনিৰ্ভৰ জীৱন-জীৱিকা আৰু অৰ্থনৈতিক অৱস্থাৰ কথা। তাৰ মাজতো নিজৰ জাতিৰ প্ৰতি, ভাষা-সংস্কৃতিৰ প্ৰতি তেওঁলোকৰ মনৰ ভিতৰত কিমান টান, কিমান অকৃত্ৰিম শ্ৰদ্ধা, ভক্তি তাক এনে জন - সমাগমে প্ৰমাণ কৰে। অথচ বহলে ৯/১০ কিলোমিটাৰ আৰু দীঘলে প্ৰায় ৬০ কিলোমিটাৰ এই সমগ্ৰ অঞ্চলত একমাত্ৰ আমগুৰী আৰু ঔগুৰীত বাদে ক'তো এখনো উচ্চ মাধ্যমিক বিদ্যালয় পাবলৈ নাই। হাংমা বজাৰত এখন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আছে, কিন্তু সেয়াও প্ৰায়ে বন্ধ থাকে। নাথাকে কোনো ডাক্তৰ। কম্পাউণ্ডাৰ, নাৰ্ছে কাম চলাই থাকে। ঔষধৰ কথা নকলোৱেই বা! আমটেকাত সম্প্ৰতি নতুনকৈ এখন মহাবিদ্যালয় স্থাপনৰ কাম চলি আছে। অৱশ্যে পূৰ্বৰ বিটিচি চৰকাৰৰ দিনতে ইয়াৰ প্ৰাৰম্ভিক কাম আৰম্ভ হৈছিল। সমগ্ৰ অঞ্চলত অৰ্থাৎ হাংমা বজাৰৰ আশে-পাশে ৪০ খনৰো অধিক বিভিন্ন ভাষা-ভাষী জাতি-জনগোষ্ঠী আৰু ধৰ্মাৱলম্বী লোকৰ গাঁও আছে।

পিছে সেই বিস্তীৰ্ণ মাজুলীসদৃশ দ্বীপৰ মাজত আৱদ্ধ হৈ বছৰৰ পিছত বছৰ ভোগ কৰি অহা দুৰ্যোগ বোৰ কেতিয়াবা হ'বনে শেষ? ৰাস্তা-ঘাট, বাট-পথৰ আশা আগলৈ তেওঁলোকে কৰিব পাৰেনে? পাবনে চৰকাৰৰ বিদ্যুৎ যোগান আৰ্চনিৰ সুযোগ সুবিধাবোৰ? পাবনে বাৰিষা পিয়াহৰ এটুপি নিৰ্মল পানী? তেওঁলোকৰ এইবোৰ প্ৰশ্নৰ উত্তৰ কোনে দিব? নতুন চৰকাৰখনে পূৰ্বৰ চকাৰৰ গাত সমস্ত দোষ জাপি দি ৰাজনীতি কৰি নাথাকি এই লোকসকলৰ বাবে এবাৰ ভাবিব চাবনে? সভাৰ অন্তত তেওঁলোকে বাৰে বাৰে এইবোৰ প্ৰশ্নকে মোৰ সন্মুখত দাঙি ধৰিছিল। অনুৰোধ কৰিছিল, ছাৰ, পাৰিলে এবাৰ আমাৰ এইবোৰ অৱস্থাৰ কথাও লিখিব। এখনৰ পিছত আন এখন চৰকাৰ আহে, চৰকাৰৰ পৰিৱৰ্তন হয়, কিন্তু আমাৰ অৱস্থাৰ কোনো পৰিৱৰ্তন নহয়। আধুনিক প্ৰযুক্তি বিদ্যাৰ দ্ৰুত উন্নতিৰ দিনতো বাৰিষা আহিলেই বহিঃজগতৰ লগত আজিও সম্পূৰ্ণ বিচ্ছিন্ন হৈ নদীৰ মাজত দুই-তিনিমাহ আৱদ্ধ হৈ থাকে। চিকিৎসাৰ অভাৱত সামান্য ৰোগতো অকাল মৃত্যুক সাৱটি ল'বলগীয়া হয়। বহুসময়ত ৰোগীৰ জীৱন বচাবলৈ আই নদীৰ প্ৰৱল সোঁত নাৱেৰে পাৰ হ'বলৈ গৈও বহুতে প্ৰাণ হেৰুৱাবলগীয়া হৈছে।

ফোন-৯৪৩৫০২১৮৭৭

জাতীয় অভিধান-জাতীয় ইতিহাসৰ যৌথমঞ্চ

# ওম প্ৰকাশ বস্নেতৰ 'অসমৰ গোৰ্খা'
# গোৰ্খা জনগোষ্ঠীগত ইতিহাস অসমৰ ইতিহাসৰ অপৰিহাৰ্য অংগ

দ° দেৱব্ৰত শৰ্মা

যোৰহাটৰ জাতীয় অভিধান পথত অৱস্থিত জাতীয় ভৱনত **অসমীয়া জাতীয় অভিধান**ৰ সমান্তৰালভাৱে **জাতীয় ইতিহাস**ৰ কামো চলিব লাগিছে। জাতীয় ইতিহাস বোলোঁতে আমি স্পষ্ট কৰি দিছোঁ যে অসমৰ সকলো জনগোষ্ঠীৰ ইতিহাস ইয়াৰ অন্তৰ্ভুক্ত হ'ব লাগিব। গোৰ্খা-নেপালীসকল অসমৰ অন্যতম প্ৰধান জনগোষ্ঠী, যাৰ তেজ-ঘাম-চকুলোৰে অসমৰ মাটি জীপাল। এতেকে তেওঁলোকৰ কথাতো জাতীয় ইতিহাসত থাকিবই লাগিব। সেই দৃষ্টিকোণৰ পৰাই আমি আজি বিশিষ্ট লেখত ওম প্ৰকাশ বস্নেতৰ অসমৰ গোৰ্খা নামৰ প্ৰায় 350 পৃষ্ঠাৰ সুবৃহৎ গ্ৰন্থখন আলোচনা কৰিব খুজিছোঁ।

প্ৰথমেই লেখক পৰিচিতি।

“লেখকৰ জন্ম শোণিতপুৰ জিলাৰ বৰছলাত, 1971 চনৰ 1 ফেব্ৰুৱাৰীত। ইংৰাজী বিষয়ৰ স্নাতকোত্তৰ ওম প্ৰকাশ বস্নেত পেছাত এগৰাকী ব্যৱসায়ী। বিভিন্ন বাতৰি কাকত-আলোচনীত নিয়মিত লেখা-মেলা কৰি থকা বস্নেতৰ প্ৰকাশিত কাব্য গ্ৰন্থ দুখন- 'বৰ পীপল' আৰু 'অপ্ৰত্যাশিত'। সম্পাদিত গ্ৰন্থ দুখন- 'গোৰ্খা পাইলো-1' (গোৰ্খা কবিতা সংকলন) আৰু 'খচ দৰ্পণ'। 'অসমৰ গোৰ্খা' তেওঁৰ দীৰ্ঘদিন ধৰি অসমত বসবাস কৰা গোৰ্খাসকলৰ ইতিহাসআৰু সংস্কৃতি বিষয়ক গৱেষণামূলক প্ৰবন্ধৰ সংকলন। অসমৰ বৌদ্ধিক সমাজত গোৰ্খাসকল প্ৰব্ৰজনকাৰী জনগোষ্ঠী হিচাপে প্ৰচলিত ধ্যান-ধাৰণাক যুক্তি আৰু পৰ্যাপ্ত তথ্যৰে নস্যাৎ কৰি এই গ্ৰন্থখনত লেখকে বস্নেতে গোৰ্খাসকল যে অসমৰ জনগাঁথনিৰ সৈতে পূৰ্বৰে পৰা সংযুক্ত হৈ আছে তাক প্ৰতিপন্ন কৰিছে। নিঃসন্দেহে এই গ্ৰন্থখনে এটা নতুন চিন্তাৰ বাট মুকলি কৰিব।”

হোমেন বৰগোহাঞি আৰু অজিত কুমাৰ ভূঞাই আগকথা লিখা কিতাপখনৰ বিষয়বস্তুবোৰ এনেধৰণৰ ঃ

**“অসমৰ খিলঞ্জীয়া গোৰ্খা; স্বাধীনতা সংগ্ৰামত গোৰ্খাসকলৰ ভূমিকা; সুগৌলীৰ সন্ধিৰ পূৰ্বে গোৰ্খা ৰাজ্য আৰু ভাৰতৰ লগত সম্পৰ্ক; সুগৌলী সন্ধি আৰু ভাৰতীয় গোৰ্খা; ভাৰতবৰ্ষত গোৰ্খা জাতিৰ পৰিচয় ভ্ৰম; বীৰ গোৰ্খা সৈনিক আৰু অসমৰ ভৌগোলিক একীকৰণ; ১৯৫০ চনৰ ভাৰত-নেপাল শান্তি মৈত্ৰী চুক্তি; অসমত ডম্বৰ সিং গুৰুং আৰু গোৰ্খা লীগ; অসম গোৰ্খা সন্মিলন; কেইজনমান গোৰ্খা অসমীয়া; গোৰ্খা ভাষা; ভাৰতীয় গোৰ্খা আৰু গোৰ্খা শব্দৰ উৎপত্তি; গোৰ্খা-অসমীয়া সমন্বয়ৰ সেতু; অসম আন্দোলন, অসম চুক্তি আৰু অসমৰ গোৰ্খা; অসমেলী গোৰ্খাৰ ৰাজনৈতিক যাত্ৰা; তীজ পৰ্ব আৰু গোৰ্খা সম্প্ৰদায়; তিহাৰ উৎসৱ আৰু গোৰ্খা সম্প্ৰদায়; গোৰ্খাৰ দঁশৈই উৎসৱ; গোৰ্খা বিবাহ; মাৰাথন পদযাত্ৰাৰ ২২ কিলোমিটাৰ ২০৬; গোৰ্খা অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত জি এ চি ডি চিৰ ভূমিকা; গোৰ্খাসকলৰ 'গোঠ-ধূপ' বা 'গৈঁড়া' পূজা; গোৰ্খাসকলৰ চণ্ডাৰী পূজা; গোৰ্খা জনজীৱনত ধামীযঝাক্ৰী আৰু বোক্সী ডাইনী; গোৰ্খা যোগী আৰু ফেৰীদিয়া প্ৰথা; গোৰ্খা নে নেপালী ঃ এক বিশ্লেষণ; গ্ৰেজিং-গ্ৰেজিয়াৰ্ছ আৰু বেল্ট-ব্লক; খচ জাতিৰ চমু ইতিহাস; গোৰ্খা লোক-সংস্কৃতি; অসমত গোৰ্খাৰ ছাত্ৰ সংগঠন; অসমৰ গোৰ্খা আৰু গোৰ্খালেণ্ড আন্দোলন।”**

বহু অজ্ঞাত, স্বল্পজ্ঞাত তথ্যৰ বিপুল সমাহাৰ ঘটা কিতাপখনৰ সংকীৰ্ণ অসমীয়া উগ্ৰজাতীয়তাবাদৰ 'খিলঞ্জীয়া' তত্বক প্ৰত্যাহ্বান জনাই কোৱা হৈছে যে গোৰ্খাসকল পূৰ্বৰ প্ৰাকজ্যোতিষপুৰ-কামৰূপৰ দিনৰ পৰাই বৰ্তমান অসমৰ আন বাসিন্দাসকলৰ সৈতে একেই ভূ-ৰাজনৈতিক-সাংস্কৃতিক পৰিমণ্ডলৰ বাসিন্দা। 1757 চনৰ পলাচী যুদ্ধৰ পাচত গঠিত সন্ন্যাসী সেনাত গোৰ্খা নেপালীসকলো জড়িত আছিল আৰু তেওঁলোকে বৃতিচবিৰোধী সন্ন্যাসী বিদ্ৰোহৰ জৰিয়তে দেশৰ মুক্তিৰ বাবে জীৱন জলাঞ্জলি দিছিল।

“...গোৰ্খাৰে গঠিত সন্যাসী সেনাই ব্ৰিটিছসকলৰ ওপৰত হনা মোক্ষম আঘাতৰ বিষয়ে কতিটিজ ভেদালাংকাৰৰ মতে বংকিম চন্দ্ৰ চট্টোপাধ্যায়ৰ উপন্যাস 'আনন্দমঠ' আৰু 'দেৱীধূৰাণী'তো এই কথাৰ উল্লেখ পোৱা যায়। বীৰ শ্যামসিং বস্নেতে সেই সন্যাসী লৈ 1776 চনত দিনাজপুৰ, ৰংপুৰ আৰু ৰাজসাহিলৈকে গৈছিল আৰু 1782 চনত ৰংপুৰৰ পৰা ঘূৰি আহি ডুৰ্বৰ্ছত উপস্থিত হয়।...”

অসমত মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ আক্ৰমণ দমাবলৈও বৃতিচে গোৰ্খা সৈন্য পঠিওৱাৰ উল্লেখ পোৱা যায়। সেয়া প্ৰায় 215û20 Âবছৰ আগৰ কথা। বৃতিচবিৰোধী গোৰ্খাচহিদসকলৰ ভিতৰত মণিপুৰৰ নিৰঞ্জন সিং ছেত্ৰী, আজাদ হিন্দ ফৌজৰ মেজৰ দুৰ্গা মল্ল, দলবাহাদুৰ থাপাৰ কথা কিতাপখনত অসমৰ গোৰ্খা স্বাধীনতা সংগ্ৰামীসকলৰো বিতং উল্লেখ আছে। যেনে ঃ

“...1942 চনৰ 20 ছেপ্টেম্বৰৰ দিনা ঢেকীয়াজুলি থানাত ত্ৰিৰংগা পতাকা উত্তোলন কৰিবলৈ গৈ 13 জনকে লোক শ্বহীদ হৈছিল।...

...সমদলত পুলিচৰ গুলীত আহতকেইজনৰ ভিতৰত গোৰ্খা সম্প্ৰদায়ৰ লোকো বহুত আছিল। তেওঁলোক হ'ল- জীত বাহাদুৰ, খড়কা ছেত্ৰী, নিবাং চুব্বা, তিলবাহাদুৰ চুব্বা, ধন বাহাদুৰ চুব্বা আদি। প্ৰজাপতি ৰিজাল, গংগা উপাধ্যায়, বীৰ বাহাদুৰ, শ্বেৰ বাহাদুৰ সুতাৰ আদি নেতৃস্থানীয় গোৰ্খা লোকে এই আন্দোলনত আগভাগ লৈছিল। ঢেকীয়াজুলিৰ ৰমেশ চন্দ্ৰ বৰাই তেখেতৰ 'স্বাধীনতা আন্দোলন আৰু ঢেকীয়াজুলি' নামে গ্ৰন্থখনত লিখিছে- '1935 চনত কংগ্ৰেছত যোগদান কৰা তেলিয়াগাঁও অঞ্চলৰ নেপালী সম্প্ৰদায়ৰ দেশপ্ৰেমিক প্ৰজাপতি ৰিজালে '42 চনৰ 20 ছপ্টেম্বৰৰ দিনা শোভাযাত্ৰাত অংশগ্ৰহণ কৰিছিল। পুলিচে তেওঁৰ নামত গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰাত তেওঁ আত্মগোপন কৰি পুলিচৰ হাতৰ পৰা সাৰে। স্বাধীনতাৰ পাছত সমাজহিতৈষী এইগৰাকী লোকে অঞ্চলটোৰ উন্নয়নত নিজকে জড়িত কৰি নিজা নাম স্মৰণীয় কৰি থৈ গৈছে।...”

এইখিনিতে লেখকে ভাৰতৰ কমিউনিস্ত আন্দোলনৰ এজন মহান নেতা ৰতনলাল ব্ৰাহ্মণৰ কথা এনেকৈ উল্লেখ কৰিছে ঃ

“1943 চনৰ আৰম্ভণিতে জাপানে ব্ৰিটিছৰ হাতৰ পৰা ব্ৰহ্মদেশ কাটি লোৱাৰ ফলত ভাৰতত অভূতপূৰ্ব খাদ্য সংকটে দেখা দিছে। ধনী মালিকসকলে খাদ্যবস্তুৰ কৃত্ৰিম নাটনি কৰি পৰিস্থিতি আৰু অধিক অৱনতি হোৱাত ৰতনলাল ব্ৰাহ্মণে অন্য 70 জন মান সাহসী মানুহৰ সংঘ লৈ নিজ নিজ তেজেৰে স্বাক্ষৰিত প'ষ্টাৰ আঁৰি সিংহ গৰ্জনেৰে 'ধনী মহাজন হুঁচিয়াৰ, উচিত দামত বস্তু বিক্ৰী কৰা, নহ'লে গুদাম ভাঙিম' আদি শ্ল'গানেৰে পৰিস্থিতি উত্তাল কৰি তোলে। তেওঁৰ নেতৃত্বত মহাজনসকলৰ গুদামৰ তলা ভাঙি খাদ্য বস্তু উলিয়াই বিনা পইচাত ক্ষুধাতুৰ জনতাক বিতৰণ কৰিব ধৰাত ভয় খাই মহাজনসকলে উচিত দামত বস্তু বিক্ৰী আৰম্ভ কৰিলে। যি সময়ত অকল বেংগলত অনাহাৰত 50 লাখ মানুহৰ প্ৰাণ হানি হৈছিল, দাৰ্জিলিং জিলাত ৰতনলালৰ বাবে খাদ্যৰ অভাৱত কোনো লোকৰ প্ৰাণহানি হোৱা নাছিল। এই সাম্যবাদী আৰ্দৰ্শত কাম কৰা ৰতনলালেই আছিল ভাৰতীয় গোৰ্খাসকলৰ প্ৰথম কমিউনিষ্ট আৰু দাৰ্জিলিং জিলাৰ দলৰ প্ৰতিষ্ঠাপক সভাপতি। তেওঁ আছিল দুখীয়া দৰদী অটল চৰিত্ৰ সম্পন্ন পুৰুষ। ৰতনলালে 1945 চনত বাগানৰ সকলো মালিকৰ বিৰুদ্ধাচৰণ আঁতৰাই 'দাৰ্জিলিং জিলা চাহ কামান মজদুৰ ইউনিয়ন' গঠন কৰি 1946 চনত নিৰ্বাচনত চৰকাৰ আৰু বাগানৰ চাহাববোৰৰ বিৰোধ মষিমূৰ কৰি বংগৰ বিধানসভালৈ নিৰ্বাচিত হয় আৰু 1971 চনত সাংসদৰূপে দিল্লীৰ সংসদত নেপালী ভাষাত বক্তব্য আৰু শপত গ্ৰহণ কৰি নেপালী ভাষা আন্দোলনক ৰাষ্ট্ৰীয় পৰ্যায়লৈ লৈ যোৱাত শক্তিশালী পদক্ষেপ লৈছিল।...”

এইখিনিতে উল্লেখযোগ্য যে বাঁও আন্দোলনৰ ভিতৰৰ পৰাই ওলাই অহা এটা মতামত অনুসৰি ৰতনলাল ব্ৰাহ্মণ যদি নেপালী নহৈ বঙালী হ'লহেঁতেন আৰু জ্যোতি বসু যদি বিলাতফেৰৎ বেৰিস্তাৰ নহ'লহেঁতেন। তেনেহ'লে ভাৰতৰ বাঁও আন্দোলনত ৰতনলাল ব্ৰাহ্মণ অসমৰ আদিবাসী চাহমজদুৰসকলক সংগঠিত কৰিবলৈ অসমৰ ডিব্ৰুগড়লৈকে আহিছিল।

আজাদ হিন্দ ফৌজৰ গোৰ্খা সৈনিকসকলৰ বিষয়ে লেখকে এনেকৈ লিখিছে ঃ

“...'আজাদ হিন্দ ফৌজ'ৰ দিল্লী চলো অভিযানত গোৰ্খা সশস্ত্ৰ যোদ্ধাৰ সংখ্যা 15,000 ওচৰা-ওচৰি আছিল। 1944-45 চনৰ নেতাজীৰ অধিনায়কত্বত আন্দামান, মণিপুৰ আৰু নাগালেণ্ডৰ পিনে অগ্ৰসৰ হৈ থকা এটি সংকটপূৰ্ণ মুহূৰ্তত বুকুত গ্ৰেনেড আৰু বোমা বান্ধি গছৰ ডাল-পাতেৰে শৰীৰ ঢাকি শত্ৰু টেংকাৰবোৰ আহি থকা ৰাস্তাত বাগৰি পৰি আত্ম বলিদানেৰে চেংক ধ্বংস কৰি দেশপ্ৰেমৰ উজ্বল উদাহৰণ দাঙি ধৰা গোৰ্খা কিশোৰী সাৱিত্ৰী (12) আৰু ইন্দ্ৰাণী (13] ৰ কথা দেশে নিশ্চয়কৈ পাহৰিব নোৱাৰে। এই ঘটনা নেতাজীয়ে প্ৰত্যক্ষ কৰি উঠি কৈছিল- 'ধন্য গোৰ্খা তনয়া, তোমালোকৰ হাতত নিশ্চয় দেশে ত্বৰিৎ স্বতন্ত্ৰতা লাভ কৰিব আৰু সুৰক্ষিত থাকিব।...”

কিতাপখনৰ এক উল্লেখযোগ্য দিশ হৈছে জালিয়ানৱালাবাগৰ গণহত্যাত বৃতিচৰ নিৰ্দেশক্ৰমে গোৰ্খাসকল জড়িত হ'ব লগা হোৱাৰ বাবে আত্মসমালোচনা ঃ

“...ভাৰতৰ স্বাধীনতা আন্দোলনত অসম তথা ভাৰতৰ গোৰ্খাসকলে লোৱা ভূমিকা সঁচাকৈয়ে অতি গুৰুত্বপূৰ্ণ। কিন্তু এই সকলোবোৰৰ সত্বেও 1919 চনৰ জালিয়ানৱালাবাগ হত্যাকাণ্ডই গোৰ্খাসকলৰ স্বপ্নভংগ কৰে। কাৰণ মদমত্ত জেনেৰেল ডায়াৰৰ কঠোৰ নিৰ্দেশত (পিছপিনে মেচিনগানসহ বিলাতী অফিচাৰ থাকি) নিৰক্ষৰ গোৰ্খা চিপাহীৰ একাংশই এই হত্যাকাণ্ড সংঘটিত কৰিছিল। গোৰ্খা সৈন্য মকৰলৰ বাবে কৰা পৱিত্ৰ চুক্তি এই ঘটনাই ভংগ কৰিছিল, কাৰণ চুক্তিত লিখা আছিল- 'India is allowed tp enlist Gorkha in Nepal for her Army on the condition that the Gorkhas would never be used against Nepal and that they would not be complled to fire on unarmed Hindus.'...”

জালিয়ানৱালাবাগ, চান্দপুৰ আদিত বৃতিচৰ হুকুমত গণহত্যাত চামিল হ'ব লগা হোৱাৰ বাবে এনে আত্মসমালোচনাই আমাৰ ভৱিষ্যৎ মহামিলনৰ চোতাল চিকুনাব, তাত সন্দেহ নাই।

অসমত সৰ্বভাৰতীয় গোৰ্খা লীগৰ নেতা ডম্বৰ সিং গুৰুঙৰ ভ্ৰমণ আৰু তেওঁৰ দ্বাৰা অসমৰ গোৰ্খাসকলৰ জাগৰণৰ কাহিনীও ইয়াত বিবৃত হৈছে। মন কৰিবলগীয়া যে এক আপুৰুগীয়া তথ্যসূত্ৰ হিচাপে ডম্বৰ সিং গুৰুঙৰ অসম ভ্ৰমণ কাহিনী তেখেতৰ দিনলিপিৰ পৰাই ইয়াত তুলি দিয়া হৈছে।

“...অসমত বাস কৰা গোৰ্খাসকলৰ সমস্যাৰ বিষয়ে বুজ ল'বলৈ 1943 চনত ডম্বৰ সিং গুৰুঙে শিৱ কুমাৰ ৰাই আৰু অৰি বাহাদুৰ গুৰুঙক অসমলৈ পঠোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। 1944 চনত এওঁলোক দুয়ো আহি তেজপুৰত উপস্থিত হয়। তেজপুৰত ৰামজী গ্যাৱলী, বিৰ্খ বাহাদুৰ খড়কা ছেত্ৰী, ধৰ্মানন্দ উপাধ্যায়, দধিৰাম উপাধ্যায়, নৰপতি উপাধ্যায়, প্ৰসাদ সিং চুব্বা আদিৰ সৈতে লগ কৰি বঙালী ভৱনত সভা আয়োজনেৰে 1944 চনতে অসমত প্ৰথম গোৰ্খা লীগৰ শাখা তেজপুৰতে খোলা হয়।...”

আমি ডম্বৰ সিং গুৰুঙৰ অসম আগমন আৰু তাৰ প্ৰভাৱক সমসাময়িক আদিবাসী নেতা জয়পাল সিং মুণ্ডাৰ অসম আগমন আৰু তাৰ প্ৰভাৱৰ লগত তুলনা কৰিছোঁ।

ছবিলাল উপাধ্যায়, বিষ্ণুলাল উপাধ্যায়, ভক্তবাহাদুৰ ছেত্ৰী, চন্দ্ৰমোহন ছেত্ৰী, প্ৰসাদ সিং চুব্বা, অন্নপূৰ্ণা দেৱী, ভোগমায়া দেৱী, হৰ্কমায়া দেৱী, কৌশল্যা দেৱী, জানকি দেৱী আৰু প্ৰেমলতা দেৱীৰ দৰে অগ্ৰণী গোৰ্খা পুৰুষ মহিলাৰ বিষয়েও যথেষ্ট তথ্য ইয়াত দাঙি ধৰা হৈছে; আছে প্ৰভুৰাম কাৰ্কী বিষয়েও।

চকুৱা বা খচ ভাষাÛ চিঞ্জালি ভাষাÛ গোৰ্খাÛগোৰ্খালি ভাষাÛ পৰ্বতে ভাষাÛ নেপালী ভাষা আদি নামেৰে জনাজাত ভাষাটোৰ বিষয়েও ইয়াত আলোচনা আছে। ভাৰতীয় গোৰ্খা আৰু শব্দৰ ঐতিহাসিক বিকাশৰ কথা থকা কিতাপখনত অসম আন্দোলনত জড়িত থকাৰ পাচতো গোৰ্খা নেপালীসকল নিপীড়িত, অপমানিত হোৱাৰ কথাও আছে ঃ

“...আমিও নিজকে অসমীয়া বুলিয়েই গৌৰৱ কৰোঁ। অসমীয়া মাধ্যমতেই আমি শিক্ষা লৈছোঁ, অসমীয়া সভ্যতা-সংস্কৃতিতেই আমি ডাঙৰ দীঘল হৈছোঁ, অসমীয়া সাহিত্য সংগীতেই চৰ্চা কৰোঁ, মুঠতে অসমৰ জলবায়ু, পানী আহাৰে অসমীয়া পৰিৱেশতেই আমাৰ জীৱন লালিত-পালিত, এতেকে অসমীয়া নেপালী সকলো অসমৰেই অংগ। অসমৰ সংকটেই আমাৰো সংকট- অসমৰ নিৰাপত্তা আৰু সুখ-শান্তিয়েই আমাৰো নিৰাপত্তা আৰু সুখ-শান্তি-কিন্তু দুই-চাৰিজন অসমীয়া বুদ্ধিজীৱীৰ বাহিৰে বাকী অসমীয়া মানুহে কাৰ্যক্ষেত্ৰত আমাক কেতিয়াও অসমীয়া বুলি স্বীকৃতি দিয়া নাই বুলি আমি ভাবোঁ। -জাতীয়তাবাদী দলে আমাক সদায় বহিৰাগত বুলিয়েই ভাবে।...

...বৰ্তমানে বিদেশী খেদা আন্দোলনত জাতীয়তাবাদী দলে অসমীয়া নেপালী মানুহৰ ক্ষেত্ৰত যি ভূমিকা ল'লে তাত আমি মৰ্মান্তিক আঘাত পাইছোঁ। অসমীয়া সমাজৰ লগত থকা আমাৰ চিৰকলীয়া সম্প্ৰীতি জাতীয়তবাদী দলে চুৰমাৰ কৰাত আমি কিংকৰ্তব্যবিমূঢ় হৈছোঁ। কাৰ চক্ৰান্তত, কিহৰ আশাত তেওঁলোকে এই ভাই-ককাইৰ ভিতৰত বিদ্বেষৰ বিহপুলি ৰুলে অসমৰ গোৰ্খাসকলে এতিয়ালৈকে একো বুজিব নোৱাৰিলোঁ।...”

গোৰ্খাসকলৰ ৰাজনৈতিক, সাংস্কৃতিক, শৈক্ষিক, সাহিত্যিক ভূমিকাৰ বিষয়েও বিপুল সমলেৰে ভৰপুৰ কিতাপখনৰ পৰা আমি উপকৃত হৈছোঁ। পাঠকো হতাশ নহ'ব- এয়ো আশা আৰু আশ্বাসহু (কিতাপখনৰ প্ৰকাশক ঃ **আঁকবাঁক**)

*লেখক **অসমীয়া জাতীয় অভিধান** তথা **জাতীয় ইতিহাস**ৰ মুখ্য সম্পাদক; ফোন ঃ- 9435351255*

# দ্বিপদী মনু জগতৰ বিকাশ বৃত্তান্ত

ড° অতুল চন্দ্ৰ শৰ্মা





প্ৰাচীন মিছৰীয়, গ্ৰীক, ৰোমান, চীন আনকি ভাৰতীয় সভ্যতাত জ্ঞান-বিজ্ঞান দাৰ্শনিক ভিত্তিত পৰ্যালোচনা আৰম্ভ কৰা হৈছিল যদিও তথ্যহীন বাবে তাৰ পৰা বিশেষ তত্ত্ব-সিদ্ধান্ত, বিশেষকৈ জৈৱিক বিভাগত পোৱা হোৱা নাছিল। দৰ্শন, জ্যোতিৰ্বিদ্যা, স্বাস্থ্য আৰু সমাজ বিজ্ঞানৰ আনুমানিক মতবাদত বাহিৰে অনুসন্ধান কৰাৰ অৱকাশ নাছিল; কিন্তু অগ্ৰগামী ছেপীয়ান প্ৰজাতিয়ে কৃষি-শিল্পোদ্যোগ গঠনত ব্যৱহাৰ কৰা সমাজ বিভাজন পদ্ধতি অনুকৰণ কৰাই নহয়, প্ৰায়ভাগেই সমাজ বিভাজনক শক্তিশালী কৰি তুলিছিল। একচ্ছত্ৰী ৰজা-মহাৰজা আৰু সম্ৰাটৰ আধিপত্য অক্ষুণ্ণ ৰাখিবলৈ অভিজাত প্ৰশাসক, যুঁজাৰু, সৰ্বসাধাৰণ নাগৰিক আৰু পালি-প্ৰহৰীক দাস হিচাপে ব্যৱহাৰ কৰিছিল। বুৰঞ্জীবিদৰ মতে বৰ্ণ-ধৰ্ম-লিংগ বিভেদত উচ্চ জাত শ্ৰেণীয়ে, নিম্নজাত তথা দাস শ্ৰেণীক বহুলভাৱে ব্যৱহাৰ কৰিছিল। বিশেষকৈ, মিছৰীয়, গ্ৰীক আৰু ৰোমান সাম্ৰাজ্যত আফ্ৰিকাৰ কৃষ্ণাংগ সমাজৰ দাসত্ব এক ক'লা ইতিহাস। অসাধাৰণ হৈ নুঠিলে, নাৰী সমাজো নিম্নস্তৰ সমাজকো গণ্য কৰা হৈছিল। (আধুনিক যুগৰ আৰম্ভলৈ, পশ্চিমীয়া সভ্যতাত অকল শ্বেতাংগ পুৰুষ সমাজকহে ন্যায্য অধিকৰ্তা বুলি গণ্য কৰা হৈছিল। আজিৰ 'বগা-পুৰুষ' প্ৰাধান্যতাবাদৰ গুৰিসূত্ৰও একেই!)

প্ৰায় দুহেজাৰ বছৰ আগেয়ে আৰম্ভ হোৱা নব্যযুগীয়া কালত যুদ্ধ-বিগ্ৰহ আৰু আভিজাত্যৰ প্ৰকোপত মানৱ সমাজ নিৰ্বলী আৰু অলস হৈ পৰিছিল। একপ্ৰকাৰ মৃতপ্ৰায় গভীৰ নিদ্ৰামগ্ন। সেই সুবিধাতে, ধৰ্মবিশ্বাসে মানুহৰ অজ্ঞতা আৰু অন্ধবিশ্বাসৰ মাজত সহজে খোপনি ল'ব পাৰিছিল। লগতে ৰাজকীয় আৰু সামাজিক ক্ষমতাৰ পোষকতা গঢ়ি উঠা ধৰ্মবিশ্বাসৰ আঁৰিয়া-আঁৰিত অগণন আন্তৰ্জাতিক যুদ্ধ-বিগ্ৰহ চলি গৈ আছিল আৰু আছে। এছিয়া, আফ্ৰিকা আৰু ইউৰোপত শ শ, হেজাৰ-বিজাৰ মানুহৰ মৃত্যু ঘটিছিল। মৃতকৰ প্ৰায়ভাগ আছিল খেতিয়ক-শ্ৰমিক। উত্থান-পতনৰ কাহিনী। সভ্যতা, ধৰ্মবিশ্বাস আৰু ক্ষমতা বিস্তাৰৰ কৃত্ৰিম যোজনা। ন্যায়, সহনশীলতা, সহবাসী মানৱতাৰ সলনি একাম 'হমো ছেপীয়ান'ৰ উত্তৰ প্ৰজাতিয়ে অজ্ঞতা আৰু অন্ধবিশ্বাসত মতলীয়া হৈ তথাকথিত ঐশ্বৰিক অৱতাৰ, দূত বা প্ৰতিনিধিৰ নামত কৰা নৰহত্যাৰ অলিখিত ইতিহাস ঃ সম্ভৱতঃ আজিও তাৰ প্ৰেতাত্মা যুদ্ধৰত হৈ চলি আছে।

কেতিয়াবা হঠাতে যুগৰ পৰিৱৰ্তন ঘটে। পশ্চিমীয়া বুদ্ধিজীৱীয়ে কয় যে তথাকথিত ইউৰোপীয় পুনৰ্জাগৰণ বিপ্লৱে যুগান্তৰ সৃষ্টি কৰিছিল। ইউভেল নোৱা হাৰাৰীৰ 'ছেপীয়ান' গ্ৰন্থত সেই মতবাদ যে সম্পূৰ্ণ সঁচা নহয়, তাক প্ৰকাৰান্তে প্ৰমাণ কৰিছে।

প্ৰায় ডেৰ কি দুহেজাৰ বছৰ ধৰি সামাজিক বিভাজন, ধৰ্মবিশ্বাস, আধিপত্য বিস্তাৰ, প্ৰাধান্যতা ক্ষমতা অৰ্জন আৰু কৃত্ৰিম সভ্যতা সৃষ্টিৰ অজুহাতত মানৱতাক জৰ্জৰিত কৰা কাৰ্যকলাপে মানুহৰ বিকাশ শক্তিক নিৰাশ আৰু নিষ্ক্ৰিয় কৰি তুলিছিল; কিন্তু সমাজত যেতিয়া গ্লানিৰ সৃষ্টি হয়, তেতিয়া ক্ৰমবিকাশৰ ৰীতি-নীতিত মানৱতা পুনঃ পুঃ জাগৰিত হৈ উঠে। প্ৰায় পাঁচশ বছৰ আগেয়ে উদ্ভৱ হোৱা জ্ঞান-বিজ্ঞানৰ আলোড়ন আৰু প্ৰায় দুশ বছৰ আগেয়ে সি গঢ়ি তোলা ঔদ্যোগিক বিপ্লৱে ১৫ হেজাৰ বছৰ আগেয়ে সংঘটিত কৃষি বিপ্লৱৰ অনুকৰণত আমাৰ যুগীয়া মানৱতাক আজিলৈ বিকশিত কৰিছে। এৰা, তাৰে একাংশ আছিল ইউৰোপীয় পুনৰ্জাগৰণ পৰ্ব।

ৰজা-মহাৰজা বা সম্ৰাটৰ ৰাজত্ব আৰম্ভ হোৱাৰ আগেয়ে ইউৰোপত চিৰস্থায়ী বাসিন্দা হৈ পৰা হমো-ছেপীয়ান প্ৰজাতি অংশই আদিতে 'হাম্মুৰাবী'ৰ সূত্ৰ অনুসৰি সামাজিক বিভাগ তিনিটা স্তৰত ভাগ কৰি লৈছিল ঃ ক্ষমতাৰ নেতৃত্বত উচ্চ শ্ৰেণী, কামত সৰ্বসাধাৰণ জনগণ আৰু সেৱা কাৰ্যত নিম্ন দাস শ্ৰেণী। পৌৰাণিক ইজিপ্ত, গ্ৰীক আৰু ৰোমান সভ্যতাৰ পতনৰ পাছত নাগৰিক অধিকাৰৰ স্থিতি কেৱল ইউৰোপীয় বগা পুৰুষৰ বাবে আছুতীয়াকৈ সংৰক্ষণ কৰা হৈছিল। নাৰী, কৃষ্ণকায় আৰু আদিম জনজাতিক দাসৰ খাপত ৰাখিছিল। তেনে কৃত্ৰিম বিভাজনত ইউৰোপীয় জাতিসমূহৰ বেছিভাগেই পাছলৈ য'তে যি নকৰক প্ৰায় সকলো ক্ষেত্ৰৰ প্ৰাধান্যতাত শ্বেতাংগ পুৰুষ প্ৰধান মালিকীস্বত্ব গঢ়ি লৈছিল। সেই বৈষম্য আজিও পৃথিৱীৰ বিভিন্ন অংশৰ, বিশেষকৈ আমেৰিকা, ইউৰোপ, উত্তৰ এছিয়া আৰু অষ্ট্ৰেলিয়াৰ অশিক্ষিত/অজ্ঞ সমাজত পুৰামাত্ৰেই বিদ্যমান।

লগতে, ক্ৰমশঃ বাঢ়ি গৈ থকা জাতীয়তাবাদ, আঞ্চলিকতাবাদ আৰু



চিনাকি ভূভাগত আঁকি গৈ থকা মানচিত্ৰৰ পৰিৱৰ্তন ক্ৰমবিকাশৰ অংশ হৈ উঠিছিল। নতুনকৈ শক্তিশালী হৈ গঢ়ি উঠা আইবেৰীয়া উপদ্বীপৰ পৰ্তুগাল আৰু স্পেইনৰ (পাছলৈ ইটালী, ইংলণ্ড আৰু ডাৎসলেণ্ড সহযোগ কৰিছিল) সাম্ৰাজ্যবাদী শক্তিয়ে এক সময় সলনি কৰা অভিযান সূচনা কৰে। ৰাজকীয় পোষকতাত সমুদ্ৰ ভ্ৰমণৰ বাবে মানৱচালিত নৌকা, দিশ-নিৰ্ণায়ক কম্পাছ যন্ত্ৰ আৰু দূৰবীক্ষণ যন্ত্ৰ আৱিষ্কাৰ কৰা হৈছিল। ফলত, কে'বা হেজাৰ বছৰ ধৰি মানুহৰ ক্ৰমবিকাশৰ প্ৰৱাহত গঢ়ি উঠা সমাজৰ বিভাজন, ধৰ্মৰ নামত প্ৰসাৰিত অন্যায়-অবিচাৰ আৰু যুদ্ধ-বিগ্ৰহে মানুহৰ চিন্তা শক্তিক মন্থৰ কৰা অলসতা যেন আকৌ সজাগ হৈ উঠিছিল। প্ৰায় পাঁচশ বছৰ আগেয়ে মানুহৰ বৌদ্ধিকতাত এক নতুন জাগৰণ আৰম্ভ কৰা হৈছিল। বহুতো হেজাৰ বছৰ আগেয়ে বিচ্ছিন্ন হৈ পৃথিৱীত সিঁচৰতি হৈ পৰা ছেপীয়ান প্ৰজাতি পুনৰ্মিলন আদি পৰ্ব।

ইতিহাসত কোৱাৰ দৰে চীনৰ হিউৱেনচাং, ইটালীৰ মাৰ্কোপলোৰ দৰে স্থল পৰিভ্ৰমী পৰিব্ৰাজকে কেৱল একোটা বাটৰ কাহিনী লিখিছিল; কিন্তু পৃথিৱীখন তেনেই অচিনাকি হৈ আছিল। উল্লিখিত আৱিষ্কাৰ আৰু ৰাজকীয় পোষকতাত ১৪৯২ত খ্ৰীষ্টোফাৰ কলম্বাছ, ১৪৯৭ত ভাস্কো-ডা-গামা আৰু ১৫১৯ত ফাৰ্ডিনেণ্ড মেগালানে যেতিয়া মহাসাগৰৰ ইপাৰ-সিপাৰলৈ জল ভ্ৰমণ কৰিছিল, তেতিয়া এক নতুন যুগ আৰম্ভ হৈছিল। ১৭৬৪ত ব্ৰিটিছ কেপ্টেইন জেমছ্ কুকে আটলান্টিক, ভাৰত আৰু প্ৰশান্ত মহাসগাৰৰ ওপৰেদি গৈ অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডক ব্ৰিটিছ কলনিৰ লগত সংযোজিত কৰিছিল। পৃথিৱীৰ মানচিত্ৰত সাগৰ-মহাসাগৰসমূহৰ অৱস্থিতি অংকন কৰা হৈছিল। আগতে বৰ্ণনা কৰা চাৰ্লছ ডাৰউইনৰ বিখ্যাত সমুদ্ৰ যাত্ৰা সেই যাত্ৰাসমূহৰ ভিতৰত আটাইতকৈ মূল্যৱান অভিযান। (লগতে মনত ৰখা উচিত যে তেনেকুৱা যাত্ৰাই তেতিয়াৰ পৰা কুৰি শতিকালৈ প্ৰচলিত ঔপনিৱেশিকতা নিৰ্মাণ কৰি তুলিছিল)। সিয়ো, পৰোক্ষভাৱে ছেপীয়ান প্ৰজাতিৰ ক্ৰমবিকাশৰ অংশ।

১৫০০ত পৃথিৱীত জনসংখ্যা আছিল খুব বেছি ২০-৩০ কোটি। আজিৰ পৃথিৱীত মানুহৰ সংখ্যা ৭৫০ কোটিৰো অধিক। ১৫০০ত উৎপাদিত সামগ্ৰীৰ মূল্য আছিল প্ৰায় ২৫ হেজাৰ কোটি ডলাৰ; আজিৰ উৎপাদন ক্ষমতা ৬০ লাখ কোটি ডলাৰৰ অধিক। ১৫০০ত সৰ্বসাধাৰণ জনগণৰ ঘৰ-বাৰী আছিল কাঠ, বাঁহ, বোকা-বালি, খেৰ-ইকৰাৰে নিৰ্মিত (ৰাজসিক নিৰ্মাণত শিল-পাথৰৰ ব্যৱহাৰ)। তেতিয়া বাট-পথ-যাতায়াত আছিল ধূলি-বালি-বোকাময়— পদব্ৰজীৰ বাবে। সূৰ্যৰ পোহৰত বাহিৰে কেৱল চাকি বা মমবাতি। গধূলি মানেই অন্ধকাৰ।



অহা মাহৰ পৰা বাহনৰ মূল্য আৰু অধিক বৃদ্ধি হোৱাৰহে আশংকা আছে। বিশেষকৈ দক্ষিণ-পূব এছিয়াত কৰ'না ভাইৰাছৰ সংক্ৰমণ ভয়াবহ হাৰত বৃদ্ধি হোৱাৰ বাবে বজাৰত সম্প্ৰতি গাড়ী নিৰ্মাণৰ বাবে প্ৰয়োজনীয় যন্ত্ৰাংশ আৰু কম্পিউটাৰ চিপৰ অভাৱ হৈছে। যাৰ ফলত বিশ্বৰ বহুতো নামী-দামী, শীৰ্ষস্থানীয় গাড়ী নিৰ্মাতা সংস্থাৰ কাৰখানাৰ কাম-কাজ স্থবিৰ হৈ পৰিছে।

# বিশ্বব্যাপী গাড়ীৰ যন্ত্ৰাংশৰ আকাল

## কাৰখানা বন্ধ হৈ পৰিছে টয়োটা, জেনেৰেল মটৰ্ছ, ফ'ৰ্ড, টেছলাৰ ■

## বাহনৰ মূল্য আৰু অধিক বৃদ্ধিৰ আশংকা

**বিশেষজ্ঞসকলে** বিশ্বৰ গাড়ীৰ বজাৰখনৰ পূৰ্বৰ গতিময়তা তৃতীয় ত্ৰিমাসিক শেষ নৌহওঁতেই ঘূৰি আহিব বুলি দাবী কৰিছিল যদিও আজি পৰ্যন্ত গাড়ীৰ উৎপাদন স্বাভাৱিকলৈ ঘূৰি অহাতো নায়েই, অহা মাহৰ পৰা বাহনৰ মূল্য আৰু অধিক বৃদ্ধি হোৱাৰহে আশংকা আছে। বিশেষকৈ দক্ষিণ-পূব এছিয়াত কৰ'না ভাইৰাছৰ সংক্ৰমণ ভয়াবহ হাৰত বৃদ্ধি হোৱাৰ বাবে বজাৰত সম্প্ৰতি গাড়ী নিৰ্মাণৰ বাবে প্ৰয়োজনীয় যন্ত্ৰাংশ আৰু কম্পিউটাৰ চিপৰ অভাৱ হৈছে। যাৰ ফলত বিশ্বৰ বহুতো নামী-দামী, শীৰ্ষস্থানীয় গাড়ী নিৰ্মাতা সংস্থাৰ কাৰখানাৰ কাম-কাজ স্থবিৰ হৈ পৰিছে। শেহতীয়াকৈ জাপানৰ প্ৰসিদ্ধ গাড়ী কোম্পানী টয়োটাও কাৰখানা বন্ধ হোৱা কোম্পানীৰ তালিকাত অন্তৰ্ভুক্ত হৈছে। যোগান প্ৰণালীৰ ওপৰত ক'ভিডৰ প্ৰভাৱৰ বাবে কোম্পানীটোৱে অহা ছেপ্টেম্বৰত দেশখনত কৰ'নাৰ আগলৈকে সুস্থিৰভাৱে চলি থকা ১৪টাকৈ গাড়ী নিৰ্মাণ কাৰখানাৰ কাম-কাজ অনিৰ্দিষ্ট কাললৈ বন্ধ কৰাৰ বাবে সাজু হৈছে। ফলস্বৰূপে সংস্থাটোৰ মুঠ গাড়ীৰ উৎপাদন প্ৰায় ৪০ শতাংশ হ্ৰাস পাব বুলি অনুমান কৰা হৈছে। টয়োটাই পৃথিৱীৰ আন কিছুমান ঠাইতো ইতিমধ্যেই কাৰখানা বন্ধ কৰি দিছে। টয়োটাৰ এই সিদ্ধান্তৰ ফলত সমগ্ৰ উত্তৰ আমেৰিকাৰ গাড়ী উৎপাদন ৪০ৰ পৰা ৬০ শতাংশ হ্ৰাস পাব পাৰে বুলি আশংকা কৰিছে বিশ্লেষকসকলে। ইফালে ফক্সৱেগন নামৰ কোম্পানীটোৱেও সম্প্ৰতি খুব শীঘ্ৰেই গাড়ীৰ উৎপাদন হ্ৰাস কৰাৰ সংকেত দিছে। মালয়েছিয়াকে ধৰি এছিয়াৰ বিভিন্ন স্থানত ক'ভিড-১৯ৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পোৱাৰ বাবে গুৰুত্বপূৰ্ণ ছেমি কণ্ডাক্টৰ বা অৰ্ধ পৰিবাহী নিৰ্মাণ কাৰখানাসমূহ বন্ধ হৈ পৰিছে। এনে পৰিস্থিতিত চলিত বৰ্ষৰ তৃতীয় ত্ৰিমাসিকত চিপৰ যোগান যথেষ্ট হ্ৰাস পাব বুলি অনুমান কৰিয়েই



উৎপাদন হ্ৰাস কৰাৰ সিদ্ধান্ত লৈছে ফক্সৱেগনে। একেদৰে জেনেৰেল মটৰ্ছ, ফ'ৰ্ড আৰু ফিয়েট ক্ৰিছলাৰেও কাৰখানাৰ কাম-কাজ সাময়িকভাৱে স্থগিত ৰখাৰ পৰিকল্পনা কৰিছে। আনকি বৈদ্যুতিক গাড়ী নিৰ্মাতা টেছলা আৰু নিকোলাই যন্ত্ৰাংশৰ অভাৱৰ বাবে উৎপাদন বৃদ্ধি কৰিব পৰা নাই। মুখ্যতঃ চিপৰ অভাৱৰ বাবে কোম্পানীসমূহৰ উৎপাদন ব্যাহত হৈ আছে। গাড়ী কোম্পানীবোৰে চলিত বছৰৰ শেষভাগলৈ চিপৰ অভাৱ কমিব বুলি আশা কৰিছে যদিও কৰ'নাৰ ডেল্টা ভেৰিয়েণ্টৰ দ্ৰুত সংক্ৰমণে সেই সম্ভাৱনাও ম্লান কৰি পেলাইছে।

দৰাচলতে, যোৱা ২০২০ৰ আৰম্ভণিতে যেতিয়া সমগ্ৰ বিশ্বজুৰি তলাবন্ধ আৰম্ভ হৈছিল, তেতিয়াই গাড়ী কোম্পানীসমূহে যন্ত্ৰাংশৰ ক্ৰয় হ্ৰাস কৰিছিল। কৰ'নাৰ প্ৰভাৱত বিশ্বৰ বৃহৎ বজাৰসমূহতো গভীৰ অৰ্থনৈতিক মন্দাৱস্থাৰ বাবে গাড়ীৰ চাহিদা হ্ৰাস পাব বুলি ভাবি কোম্পানীসমূহে উৎপাদন বৃদ্ধিত গুৰুত্ব দিয়া নাছিল। কিন্তু তলাবন্ধ খোলাৰ লগে লগে হঠাতে গাড়ীৰ চাহিদা বাঢ়িছিল আৰু যোগান পৰ্যাপ্ত নথকা কোম্পানীসমূহ মূলতঃ ক্ষতিগ্ৰস্ত হৈছিল। কিয়নো ইতিমধ্যে যন্ত্ৰাংশ যোগানকৰ্তাসকলে কম্পিউটাৰ, ভিডিঅ' গেম আৰু অন্যান্য ইলেক্ট্ৰনিক কোম্পানীৰ স'তে চিপ যোগান ধৰাৰ চুক্তি কৰি পেলাইছিল যি অদ্যাপি অব্যাহত আছে। এনে পৰিস্থিতিত যন্ত্ৰাংশৰ যোগান স্বাভাৱিক নোহোৱা পৰ্যন্ত নতুন আৰু পুৰণি গাড়ীৰ মূল্য অধিক বৃদ্ধি পাব বুলি অনুমান কৰিছে বিশেষজ্ঞ মহলে।



ভাৰতৰ প্ৰতিঘৰ মানুহে লাভ কৰিব প্ৰিপেইড স্মাৰ্ট ইলেকট্ৰিচিটি মিটাৰ। কেন্দ্ৰীয় চৰকাৰে আগন্তুক ২০২৩ৰ ভিতৰত দেশৰ গৰিষ্ঠ সংখ্যক বিদ্যুৎ উপভোক্তাৰ ঘৰত প্ৰিপেইড স্মাৰ্ট ইলেকট্ৰিচিটি মিটাৰ স্থাপন কৰাৰ বাবে সাজু হৈছে, যাৰ ফলত সমগ্ৰ দেশৰ ল'ড শ্বেডিঙৰ সমস্যাৰ পৰা প্ৰায় মুক্ত হ'ব পাৰিব।

# ২০২৫ৰ ভিতৰত লোড শ্বেডিঙৰ পৰা মুক্তি পাব সমগ্ৰ দেশবাসীয়ে!

## ঘৰে ঘৰে স্থাপন কৰা হ'ব প্ৰিপেইড স্মাৰ্ট ইলেকট্ৰিচিটি মিটাৰ

**আৰু** মাত্ৰ কেইটা বছৰৰ অপেক্ষা। খুব শীঘ্ৰেই দেশবাসীয়ে মুক্তি পাব লোড শ্বেডিঙৰ পৰা। ভাৰতৰ প্ৰতিঘৰ মানুহে লাভ কৰিব প্ৰিপেইড স্মাৰ্ট ইলেকট্ৰিচিটি মিটাৰ। কেন্দ্ৰীয় চৰকাৰে আগন্তুক ২০২৩ৰ ভিতৰত দেশৰ গৰিষ্ঠ সংখ্যক বিদ্যুৎ উপভোক্তাৰ ঘৰত প্ৰিপেইড স্মাৰ্ট ইলেকট্ৰিচিটি মিটাৰ স্থাপন কৰাৰ বাবে সাজু হৈছে, যাৰ ফলত সমগ্ৰ দেশৰ ল'ড শ্বেডিঙৰ সমস্যাৰ পৰা প্ৰায় মুক্ত হ'ব পাৰিব। কেন্দ্ৰীয় চৰকাৰে জনাইছে যে ২০২৩ৰ ভিতৰত বিদ্যুৎ সংকট থকা ১৫ শতাংশ চহৰাঞ্চলত প্ৰিপেইড স্মাৰ্ট বিদ্যুৎ মিটাৰ স্থাপন কৰা হ'ব। ইয়াৰ উপৰি উক্ত সময়ৰ ভিতৰতে ২৫ শতাংশ লোড শ্বেডিঙৰ সমস্যা থকা এলেকাবোৰতো স্মাৰ্ট মিটাৰ স্থাপন কৰা হ'ব। উল্লেখ্য যে অহা ২০২৫ৰ ভিতৰত সমগ্ৰ দেশতে এনে স্মাৰ্ট মিটাৰ স্থাপনৰ লক্ষ্য কেন্দ্ৰৰ। কেন্দ্ৰীয় চৰকাৰে হঠাতে এনে সিদ্ধান্ত ল'বলগীয়া হোৱাৰ মূল কাৰণটো হ'ল বিদ্যুৎ বিতৰণ কোম্পানীসমূহৰ ঘাটি সংকোচন কৰা। সমগ্ৰ দেশতে বিদ্যুৎ বিতৰণ কৰা কোম্পানীবোৰে বছৰ বছৰ ধৰি লোকচানৰ সন্মুখীন হৈছে। বিদ্যুৎ পৰিবহণ, বিলিং, লাইচেঞ্চ আদি বিষয়ত কোম্পানীবোৰে এতিয়ালৈকে বৃহৎ লোকচানৰ সন্মুখীন হৈছে। ইয়াৰ উপৰি, উক্ত কোম্পানীসমূহে গ্ৰাহকৰ পৰা প্ৰাপ্ত ধনৰ পৰিমাণতো এক বিশৃংখলতাৰ সন্মুখীন হৈ আহিছে। চৰকাৰে এনে পৰিস্থিতিত উপায়ান্তৰ হৈ প্ৰিপেইড স্মাৰ্ট ইলেকট্ৰিচিটি মিটাৰ স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰিপেইড স্মাট মিটাৰ স্থাপনৰ এই প্ৰকল্প ইতিমধ্যেই আৰম্ভ হৈছে দেশৰ কেতবোৰ ৰাজ্যত। কেন্দ্ৰই ইতিমধ্যে প্ৰকল্পটোৰ বাবে ১.৫ লাখ কোটি টকা ব্যয় কৰিছে। তদুপৰি, যোৱা জুনত বিদ্যুৎ বিতৰণ কোম্পানীসমূহৰ সংস্কাৰ আঁচনিৰ ওপৰত আধাৰিত কৰি কেন্দ্ৰীয় চৰকাৰে ৩.০৩ লাখ কোটি টকাৰ ডিচকম আঁচনিও ঘোষণা কৰিছে। উল্লেখ্য যে প্ৰিপেইড স্মাৰ্ট মিটাৰৰ উক্ত প্ৰকল্পটো এই ডিচকম আঁচনিৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি, এতিয়ালৈ সমগ্ৰ দেশতে প্ৰায় ২০ লাখ স্মাৰ্ট মিটাৰ স্থাপন কৰা হৈছে। শক্তি দক্ষতা সেৱা লিমিটেড বা ইইএছএছএল-এ ইতিমধ্যে সমগ্ৰ দেশৰ বিভিন্ন ৰাজ্যত ১৫.৭ লাখ স্মাৰ্ট মিটাৰ স্থাপন কৰিছে। এই ৰাজ্যবোৰৰ ভিতৰত আছে অন্ধ্ৰ প্ৰদেশ, হাৰিয়ানা, দিল্লী, বিহাৰ, ৰাজস্থান, ইত্যাদি।

# বন্ধ হৈ যাব পাৰে আপোনাৰ জমা একাউণ্টটো !

## গ্ৰাহকক সকীয়নি এছবিআইৰ




## আধাৰ-পেন সংযোগ

**আপোনাৰো** আছে নেকি এছবিআইত কোনো জমা একাউণ্ট? যদিহে আছে তেন্তে আপোনাৰ বাবে গুৰুত্বপূৰ্ণ খবৰ এইটো। আপোনাৰ জমা একাউণ্টটোৰ স'তে যদি আধাৰ আৰু পেন কাৰ্ড সংযুক্ত কৰা নাই তেন্তে অচিৰেই বন্ধ হৈ যাব পাৰে একাউণ্টটো। ফলত সঞ্চয়, ফিক্সড্ ডিপ'জিটৰ পৰা বিত্তীয় লেনদেনলৈকে সকলোবোৰ বেংকিং সেৱা প্ৰভাৱিত হ'ব পাৰে। ভাৰতীয় ষ্টেট বেংক বা এছবিআয়ে দীৰ্ঘদিন ধৰি গ্ৰাহকসকলক বেংকিং সেৱা সঠিকভাৱে লাভ কৰাৰ বাবে আধাৰ-পেন সংযোগ কৰিবলৈ নিৰ্দেশ দি আহিছে। ইতিমধ্যে বেংক কৰ্তৃপক্ষৰ পৰা আধাৰ-পেন সংযোগৰ বাবে এক নিৰ্দিষ্ট সময়সীমা দিয়া হৈছে। বেংকটোৰ দ্বাৰা নিৰ্ধাৰিত নিয়ম মতে, অহা ৩০ ছেপ্টেম্বৰৰ ভিতৰত আধাৰ-পেন সংযোগ কৰাটো বাধ্যতামূলক হ'ব সকলো উপভোক্তাৰ বাবে। অন্যথা একাধিক লেনদেন বন্ধ হ'ব পাৰে আৰু লগতে বেংকৰ ওচৰত জমাকাৰীৰ একাউণ্টৰ কোনো নিৰ্দিষ্ট চিহ্নও নোহোৱা হৈ যাব পাৰে। এছবিআই কৰ্তৃপক্ষই শেহতীয়াকৈ তেওঁলোকৰ অফিচিয়েল টুইটাৰ হেণ্ডলত আধাৰ-পেন সংযোগ সম্পৰ্কীয় এক গুৰুত্বপূৰ্ণ পোষ্ট কৰিছে। গ্ৰাহকসকলক আধাৰ-পেন সংযোগত আগ্ৰহী কৰি তুলিবলৈ আয়কৰ ৱেবছাইটৰ লিংকো প্ৰদান কৰা হৈছে। উল্লেখ্য যে ১৯৬১ৰ আয়কৰ আইনৰ ধাৰা ১৩৯ (এ.এ)ৰ অধীনত যদি ভাৰতৰ এজন নাগৰিকৰ আধাৰ কাৰ্ড আৰু পেন কাৰ্ড থাকে, ব্যক্তিজনে তেওঁৰ আধাৰ নম্বৰ আয়কৰ বিভাগক জনাব লাগিব। আধাৰ বৰ্তমান এক অতি গুৰুত্বপূৰ্ণ নথি। বিভিন্ন চৰকাৰী তথা ব্যক্তিগত কাম-কাজত প্ৰয়োজন হয় আধাৰ কাৰ্ড। সমান্তৰালভাৱে বেংকৰ কামৰ বাবে জৰুৰী পেন কাৰ্ডো। পেন কাৰ্ড অবিহনে বেংক একাউণ্ট খুলিব নোৱাৰি। তাৰ উপৰি মোটা অংকৰ লেনদেনৰ বাবেও পেনকাৰ্ড গুৰুত্বপূৰ্ণ। বৰ্তমান সময়ত আধাৰৰ স'তে পেন সংযোগ কৰাটো এই কাৰণেও জৰুৰী কিয়নো এই কাম নকৰিলে পেন কাৰ্ড নিষ্ক্ৰিয় হৈ পৰিব পাৰে।

### আধাৰ-পেন কেনেদৰে লিংক কৰিব ?

- ◆ প্ৰথমে আপুনি আয়কৰ বিভাগৰ ই-ফাইলিং পৰ্টেললৈ যাব লাগিব।
- ◆ তাৰ পাছত স্ক্ৰীণৰ বাওঁফালে থকা লিংক আধাৰ অপছনত ক্লিক কৰক। যদি পুনঃ নিৰ্দেশিত হয়, আপুনি আপোনাৰ পেন নম্বৰ, আধাৰ নম্বৰ আৰু নাম জমা কৰিব লাগিব।
- ◆ এতিয়া আপুনি কেপচা ক'ড ইনষ্টল কৰিব লাগিব।
- ◆ তাৰ পাছত লিংক আধাৰ বিকল্পত ক্লিক কৰিলে পেন-আধাৰ লিংক পদ্ধতি সম্পূৰ্ণ হ'ব।

# ই-শ্ৰম ঃ অসংগঠিত ক্ষেত্ৰৰ কৰ্মচাৰীৰ বাবে বিশেষ প'ৰ্টেল

## পঞ্জীয়নকাৰীলৈ দুই লাখ টকাৰ দুৰ্ঘটনা বীমা




**অসংগঠিত** খণ্ডত কাম কৰাসকলৰ নাম-ঠিকনাৰ পৰা আৰম্ভ কৰি বিভিন্ন তথ্য মজুত কৰি ৰখাৰ উদ্দেশ্যে শেহতীয়াকৈ কেন্দ্ৰীয় শ্ৰম আৰু নিযুক্তি মন্ত্ৰী ভূপেন্দ্ৰ যাদৱে ই-শ্ৰম নামেৰে এক বিশেষ প'ৰ্টেল মুকলি কৰিছে। নিৰ্মাণ প্ৰকল্পৰ শ্ৰমিক, প্ৰব্ৰজনকাৰী শ্ৰমিক, পদপথৰ বিক্ৰেতা, গৃহ সহায়িকাকে ধৰি খণ্ডটোৰ ৩৮ কোটি কৰ্মচাৰীৰ তথ্য এই প'ৰ্টেলত পৰ্যায়ক্ৰমে পঞ্জীয়ন কৰা হ'ব। এই ই-শ্ৰম প'ৰ্টেলত নাম থকা প্ৰতিজনৰ বাবে মোদী চৰকাৰে দুই লাখ টকাৰ দুৰ্ঘটনা বীমা মঞ্জুৰ কৰিছে।

চৰকাৰী সূত্ৰত প্ৰকাশ পাইছে যে, ই-শ্ৰম প'ৰ্টেলত পঞ্জীয়ন কৰা যিকোনো ব্যক্তিয়ে দুৰ্ঘটনাত আক্ৰান্ত হ'লে বীমাৰ সুবিধা লাভ কৰিব। এনে ব্যক্তিৰ দুৰ্ঘটনাত মৃত্যু ঘটিলে বা সম্পূৰ্ণৰূপে অক্ষম হৈ পৰিলে দুই লাখ টকাৰ আৰু আংশিকভাৱে অক্ষম হ'লে এক লাখ টকাৰ বীমা প্ৰদান কৰা হ'ব। ৰাষ্ট্ৰীয় টোল ফ্ৰী নম্বৰ ১৪৪৩৪ত ফোন কৰি ইচ্ছুক ব্যক্তিয়ে পঞ্জীয়ন সম্পৰ্কে প্ৰয়োজনীয় অনুসন্ধান প্ৰাপ্ত কৰিব পাৰিব। পঞ্জীয়নৰ পাছত এনে ব্যক্তিক কেন্দ্ৰৰ তৰফৰ পৰা দিয়া হ'ব ই-শ্ৰম কাৰ্ড। আধাৰ নম্বৰ আৰু বেংক একাউণ্টৰ তথ্যও ই-শ্ৰমত নথিভুক্ত কৰিব লাগিব শ্ৰমিকসকলে। লগতে তেওঁ কোনটো সামাজিক শ্ৰেণীৰ অন্তৰ্গত, তেওঁৰ জন্মৰ তাৰিখ, বাসস্থান আদিৰ বিষয়েও সম্পূৰ্ণ শুদ্ধ তথ্য জমা দিব লাগিব প'ৰ্টেলত।

উল্লেখ্য যে ই-শ্ৰম প'ৰ্টেলৰ নামভৰ্তি প্ৰক্ৰিয়া ইতিমধ্যেই আৰম্ভ হৈছে। চৰকাৰে দাবী কৰা মতে, প'ৰ্টেলটোৱে ৰাজ্য আৰু কেন্দ্ৰৰ বিভিন্ন সমাজ কল্যাণ আঁচনিৰ লাভালাভ অসংগঠিত খণ্ডৰ শ্ৰমিকৰ দুৱাৰমুখলৈ লৈ যোৱাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিব।




# পৰিপক্কতাৰ পূৰ্বেই সমৰ্পণ কৰিব বিচাৰিছে নেকি এল আই চিৰ কোনো পলিচী ?

**এইবোৰ দিশলৈ মন কৰক...**

প্ৰায়ে দেখা যায় যে গ্ৰাহকসকলে বিশেষ একো বুজি নোপোৱাকৈ এলআইচিৰ পলিচী ক্ৰয় কৰে। কিন্তু পাছত যেতিয়া তেওঁলোকে উপলব্ধি কৰে যে সেই পলিচীখন তেওঁলোকৰ বাবে উপযুক্ত বা লাভজনক নহয়, তেতিয়া পলিচীৰ ম্যাদ পূৰ্ণ নৌহওঁতেই বা পলিচীখন পৰিপক্ক হোৱাৰ আগতেই 'ছাৰেণ্ডাৰ' অৰ্থাৎ সমৰ্পণ কৰিব বিচাৰে। অৱশ্যে, পলিচী হোল্ডাৰসকলে বীমা আঁচনি এখন সময়ৰ পূৰ্বেই সমৰ্পণ কৰিব বিচৰাৰ আন বিভিন্ন কাৰণো থাকিব পাৰে। কাৰণ যিয়েই নহওক কিয়, আঁচনি এখন সমৰ্পণ কৰাৰ আগতে কেতবোৰ নিয়ম জনাটো অতি গুৰুত্বপূৰ্ণ।

**জীৱন বীমা নিগমে গ্ৰাহকসকলক তেওঁলোকৰ আঁচনি সমৰ্পণ কৰাৰ সহজ সুযোগ প্ৰদান কৰে যদিও তাৰ পূৰ্বে কি কি দিশত গুৰুত্ব দিব লাগে জানো আহকচোন...**

পৰিপক্কতাৰ আগতে সমৰ্পণ কৰিলে আঁচনিৰ মূল্য হ্ৰাস হয়। যদিহে পলিচী হ'ল্ডাৰসকলে একেৰাহে তিনি বছৰলৈকে প্ৰিমিয়াম পৰিশোধ কৰে তেতিয়াহে নিয়মীয়া আঁচনিত আঁচনি সমৰ্পণৰ মূল্য গণনা কৰিব পাৰি। তিনি বছৰৰ আগতে সমৰ্পণ কৰিলে কোনো মূল্য লাভ কৰিব পৰা নাযাব।

আঁচনি সমৰ্পণ দুই ধৰণে কৰিব পাৰি—

**১। গেৰাণ্টীযুক্ত সমৰ্পণ মূল্য (জিএছভি) ঃ** এই নিয়ম অনুসৰি, পলিচী হ'ল্ডাৰসকলে তিনি বছৰ সম্পূৰ্ণ হোৱাৰ পাছতহে তেওঁলোকৰ আঁচনি সমৰ্পণ কৰিব পাৰে। তিনি বছৰৰ পাছত সমৰ্পণ কৰিলে প্ৰথম বছৰত পৰিশোধ কৰা প্ৰিমিয়াম আৰু এক্সিডেণ্টেল বেনিফিটৰনবীবে দিয়া প্ৰিমিয়ামৰ বাদে ছাৰেণ্ডাৰ ভেল্যু বা সমৰ্পণ মূল্যৰ প্ৰিমিয়ামৰ ৩০ শতাংশ ঘূৰাই দিয়া হ'ব। এই গণনা অনুসৰি, যিমান পলমকৈ আঁচনিখন সমৰ্পণ কৰিব, মূল্য সিমানে বেছিকৈ পাব।

**২। বিশেষ আত্মসমৰ্পণ মূল্য ঃ** ইয়াত (মুঠ বীমাৰ ধন (কিমান প্ৰিমিয়াম পৰিশোধ কৰা হৈছে) + মুঠ বোনাচ, আত্মসমৰ্পণ মূল্য কাৰক— এই সূত্ৰত বিশেষ আত্মসমৰ্পণ মূল্য গণনা কৰা হয়।

একক প্ৰিমিয়াম আঁচনিৰ ক্ষেত্ৰত, আঁচনিখন দ্বিতীয় বৰ্ষতে আত্মসমৰ্পণ কৰিব পাৰি। আপোনাৰ আঁচনিখনৰ ম্যাদ ১০ বছৰৰ বাবে হ'লে দুবছৰতে আত্মসমৰ্পণ কৰিব পাৰি। যদি ১০ বছৰতকৈ অধিক হয়, আঁচনিখন তিনি বছৰতহে সমৰ্পণ কৰিব পাৰি।

# মোটা অংকৰ চেকৰ বাবে বাধ্যতামূলক হ'ব প'জিটিভ পে ছিষ্টেম

## পহিলা ছেপ্টেম্বৰৰ পৰা চেক জাৰি কৰাৰ নতুন নিয়ম

**দেশৰ** বিভিন্ন চৰকাৰী তথা বেচৰকাৰী বেংকে সম্প্ৰতি ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নিৰ্দেশ মানি প্ৰৱৰ্তন কৰিছে 'প'জিটিভ পে ছিষ্টেম' নামেৰে এক বিশেষ প্ৰণালী। এই প্ৰণালী প্ৰৱৰ্তনৰ ফলত বেংকৰ গ্ৰাহকসকলে অদূৰ ভৱিষ্যতে ৫০ হেজাৰ টকা বা ততোধিক টকাৰ চেক জাৰি কৰাত সমস্যাৰ সন্মুখীন হ'ব লগা হ'ব পাৰে। অৱশ্যে, বেংকভেদে এই পৰিমাণ কম- বেছি হ'ব পাৰে। উদাহৰণ স্বৰূপে, অহা পহিলা ছেপ্টেম্বৰৰ পৰা 'প'জিটিভ পে ছিষ্টেম'ৰ বাবে পাঁচ লাখতকৈ অধিক টকাৰ চেক বাধ্যতামূলকভাৱে ব্যৱহাৰ কৰিব লাগিব এক্সিছ বেংকৰ গ্ৰাহকে। আনহাতে, ভাৰতীয় ষ্টেট বেংক, কোটাক মহিন্দ্ৰা বেংকৰ দৰে আন কে'বাটাও বেংকে ৫০ হেজাৰ টকাৰ অধিক মূল্যৰ চেকৰ বাবে এই প্ৰণালী ইতিমধ্যেই প্ৰৱৰ্তন কৰিছে। অৱশ্যে বৰ্তমানলৈ ইয়াক গ্ৰাহকৰ বাবে বিকল্প প্ৰণালী হিচাপে ৰখা হৈছে। কিছুমান বেংকে মোটা অংকৰ চেক দেখিলেই সংশ্লিষ্ট একাউণ্টৰ গ্ৰাহকক ফোন কৰি বিৱৰণ পৰীক্ষা কৰি আছে। গ্ৰাহকে যদিহে বেংকৰ পৰা অহা ফোনকল গ্ৰহণ নকৰে, চেক বাতিল হোৱাৰ সম্ভাৱনাও থাকিব পূৰামাত্ৰাই। এই নিয়মে একাধিক গ্ৰাহক, বিশেষকৈ জ্যেষ্ঠ নাগৰিকৰ বাবে সমস্যাৰ সৃষ্টি কৰিব।

এক্সিছ বেংকৰ দৰে কে'বাটাও বেংকত ইতিমধ্যে এই প'জিটিভ পে ছিষ্টেম প্ৰৱৰ্তন কৰা হৈছে। এক্সিছ বেংক কৰ্তৃপক্ষই গ্ৰাহকসকললৈ এছএমএছ প্ৰেৰণ কৰি কৈছে যে যদি অহা পহিলা ছেপ্টেম্বৰৰ পৰা পাঁচ লাখ টকাৰ অধিক মূল্যৰ চেক জাৰি কৰা হয় তেন্তে প'জিটিভ পে ছিষ্টেম বাধ্যতামূলকভাৱে ব্যৱহাৰ কৰিব লাগিব। এই প্ৰক্ৰিয়াত ইণ্টাৰনেট বেংকিং বা ম'বাইল বেংকিঙৰ জৰিয়তে বেংকক অৱগত কৰিব লাগিব চেক জাৰিৰ তাৰিখ, ছটা সংখ্যাৰ চেক নম্বৰ, ধনৰ পৰিমাণ, কাৰ নামত চেকখন জাৰি কৰা হৈছে ইত্যাদি তথ্য। যদি এইসমূহ তথ্য বেংকৰ ওচৰত নাথাকে, সংশ্লিষ্ট বেংকে মোটা অংকৰ চেকবোৰ খাৰিজ কৰি দিব। যাৰ ফলত চেক প্ৰদানকাৰী আৰু চেক প্ৰাপকৰ সমস্যা বৃদ্ধি হ'ব। অৱশ্যে, ইণ্টাৰনেট বা ম'বাইল বেংকিং ব্যৱহাৰ নকৰাকৈ কোনোবাই যদি বেংকৰ শাখালৈ নগৈ এইসমূহ তথ্য জমা দিব খোজে তেন্তে সেই পথো মুকলি ৰাখিছে বেংকে। পিছে কৰ'না কালত বাহিৰলৈ যোৱাৰ প্ৰাসংগিকতা আৰু সুৰক্ষা সম্পৰ্কে প্ৰশ্ন ৰৈ গৈছে। উল্লেখ্য যে এই নিয়মে একাধিক গ্ৰাহকৰ বাবে সমস্যাৰ সৃষ্টি কৰিব বুলি ধাৰণা কৰিছে বিশ্লেষক মহলে। বিশেষকৈ জ্যেষ্ঠ নাগৰিকসকল, যিসকলে জমাৰ বাবে নেট/ম'বাইল বেংকিঙৰ সুবিধা লাভ কৰা নাই বা ইলেক্ট্ৰনিক লেনদেন প্ৰক্ৰিয়াক সুবিধাজনক বুলি নধৰে তেওঁলোকৰ বাবে সমস্যা হ'ব।

স্মৰ্তব্য, ভাৰতীয় ৰিজাৰ্ভ বেংকে বেংকসমূহক চেক জালিয়াতি বন্ধ কৰাৰ উদ্দেশ্যে এই বছৰৰ পহিলা জানুৱাৰীতে উক্ত প'জিটিভ পে ষ্টিছেম আৰম্ভ কৰিবলৈ নিৰ্দেশ দিছিল। বেছিভাগ বেংকে ইতিমধ্যে ই-মেইল আৰু এছএমএছৰ জৰিয়তে গ্ৰাহকসকলক নতুন প্ৰক্ৰিয়াটোৰ বিষয়ে অৱগত কৰিছে।



## দৈনিক ৫০ টকাকৈ ৰাহি কৰি অৱসৰৰ সময়লৈ ৩৪ লাখ টকা লাভ কৰক

# অৱসৰ মুখী বিনিয়োগ আঁচনি ঃ নিউ পেঞ্চন ছিষ্টেম

**বিনিয়োগ** কৰি ভাল ৰিটাৰ্ণ লাভ কৰিবলৈ প্ৰাথমিক মূলধনৰ প্ৰয়োজন। কিন্তু তাতোকৈ অধিক গুৰুত্বপূৰ্ণ হ'ল টকা ক'ত বিনিয়োগ কৰিব লাগে তাক জনাটো, যাতে ই আপোনাক ভাল লাভ দিব পাৰে। যদি আপুনি বিপদাশংকা মুক্ত হৈ টকা উপাৰ্জন কৰিব বিচাৰে, বৰ্তমান সময়ত আপোনাৰ ওচৰত বহুতো বিনিয়োগৰ বিকল্প আছে। এনে বিভিন্ন বিকল্পৰ ভিতৰত এটা হৈছে নিউ পেঞ্চন ছিষ্টেম বা চমুকৈ এনপিএছ। এই আঁচনিত বিনিয়োগ কৰি আপুনি আপোনাৰ অৱসৰৰ পাছৰ বিত্তীয় দিশটো সম্পূৰ্ণ সুৰক্ষিত কৰিব পাৰে। আনকি আপুনি এনপিএছত বিনিয়োগৰ বাবে প্ৰতিদিনে ৫০ টকাকৈ ৰাহি কৰিলেও, অৱসৰৰ সময়লৈ ৩৪ লাখ টকা লাভ কৰিব পাৰিব। এই আঁচনিত বিনিয়োগ কৰাটো একেবাৰেই সহজ আৰু কম বিপদাশংকাযুক্ত। অৱশ্যে এনপিএছ হৈছে এক মাৰ্কেট লিংকড্ বা বজাৰ সংযুক্ত বিনিয়োগ। শ্বেয়াৰ বজাৰৰ উঠা-নমাৰ স'তে এনপিএছৰ লাভালাভৰ তাৰতম্য ঘটিব পাৰে।

এনপিএছ হৈছে এক অৱসৰ মুখী বিনিয়োগ বিকল্প। এই আঁচনিৰ অধীনত, বিনিয়োগকাৰীৰ ধন দুটা স্থানত বিনিয়োগ কৰা হয়— ইকুইটি অৰ্থাৎ শ্বেয়াৰ বজাৰ আৰু ঋণ অৰ্থাৎ চৰকাৰী বণ্ড আৰু কৰ্প'ৰেট বণ্ড। আপুনি এনপিএছ একাউণ্ট এটা খোলাৰ সময়ত নিজেই সিদ্ধান্ত ল'ব পাৰে যে ইকুইটিলৈ কিমান টকা যাব। আঁচনিখনৰ নিয়ম মতে, সাধাৰণতে ৭৫ শতাংশলৈকে ধন ইকুইটিলৈ যাব পাৰে।

এনপিএছত আপুনি পিপিএফ বা ইপিএফতকৈ অলপ বেছি ৰিটাৰ্ণ পাব বুলি আশা কৰিব পাৰে। ধৰি লওক, এই মুহূৰ্তত আপোনাৰ বয়স ২৫ বছৰ। যদি আপুনি এনপিএছৰ বাবে দৈনিক ৫০ টকাকৈ ৰাহি কৰি মাহে ১৫০০ টকাকৈ বিনিয়োগ কৰে, আপোনাৰ বয়স ৬০ বছৰ হোৱাৰ পাছত অৰ্থাৎ অৱসৰ গ্ৰহণৰ সময়লৈ মুঠ ৩৫ বছৰ একেৰাহে বিনিয়োগ কৰিব পাৰিব। আপুনি যদি ক'মেও ১০ শতাংশ হাৰত ৰিটাৰ্ণ লাভ কৰে অৱসৰৰ সময়ত আপোনাৰ মুঠ পেঞ্চন সম্পদ হ'ব ৩৪ লাখ টকা।

**এনপিএছত বিনিয়োগ**

বিনিয়োগকাৰীৰ বয়স ২৫ বছৰ ।
প্ৰতি মাহে বিনিয়োগ ১৫০০ টকা।
বিনিয়োগৰ ম্যাদ ৩৫ বছৰ।
আনুমানিক ৰিটাৰ্ণ ১০ শতাংশ
মুঠ বিনিয়োগ ৬.৩০ লাখ টকা।
মুঠ সুত লাভ কৰিব ২৭.৯ লাখ টকা।
পেঞ্চন সম্পদ ৩৪.১৯ লাখ টকা।
মুঠ কৰ ৰাহি কৰিব ১.৮৯ লাখ টকা।

কিমান পেঞ্চন উপলব্ধ হ'ব এই আঁচনিত?

এনপিএছৰ নিয়ম অনুসৰি, জমা হোনা আটাইখিনি ধনৰাশি বিনিয়োগকাৰীজনে এবাৰতে একেলগে উলিয়াব নোৱাৰে। প্ৰথমতে ইয়াৰ মাত্ৰ ৬০ শতাংশহে উলিয়াব পৰা যায়। বাকী ৪০ শতাংশ বিনিয়োগকাৰীজনে এনুইটি আঁচনিত ৰাখিব লাগিব, যিয়ে পৰৱৰ্তী সময়ত প্ৰতি মাহে নিৰ্দিষ্ট পৰিমাণৰ পেঞ্চন প্ৰদান কৰিব। ধৰি লওক, আপুনি এনুইটিত ৪০ শতাংশ টকা ৰাখিছে। গতিকে আপুনি মুঠ ২০.৫১ লাখ টকা উলিয়াব পাৰিব আৰু আঠ শতাংশ সুতৰ হাৰত প্ৰতি মাহে ন হেজাৰ টকাকৈ পেঞ্চন লাভ কৰিব। অৱশ্যে, বিনিয়োগকাৰীৰ বয়সৰ ওপৰতো পেঞ্চনৰ পৰিমাণ নিৰ্ভৰ কৰে। যদি আপুনি সোনকালে বিনিয়োগ কৰা আৰম্ভ কৰে তেন্তে আপোনাৰ পেঞ্চন কৰ্পছো ডাঙৰ হ'ব। সমান্তৰালভাৱে পেঞ্চনৰ পৰিমাণ নিৰ্ভৰ কৰিব আপুনি মাহিলি কিমান পৰিমাণৰ বিনিয়োগ কৰিছে আৰু কিমান ৰিটাৰ্ণ লাভ কৰিছে তাৰ ওপৰতো।





# আমিনগাঁও ইমামী প্ৰতিষ্ঠানত শ্ৰমিকৰ উত্তাল প্ৰতিবাদ



## শ্ৰমিক ইউনিয়নৰ বিৰুদ্ধে ষড়যন্ত্ৰৰ অভিযোগ শ্ৰমিকৰ

**অগ্ৰদূত বাৰ্তা**
**উত্তৰ গুৱাহাটী, ২৮ আগষ্ট ঃ** প্ৰায় পাঁচ শতাধিক শ্ৰমিকৰে চলাই অহা ইমামী প্ৰতিষ্ঠানৰ উত্তৰ গুৱাহাটী ইউনিটটো হঠাৎ বন্ধ কৰি কেজুৱেল কৰ্মচাৰীৰ ছাটাইক লৈ আজি উত্তপ্ত হৈ পৰে উদ্যোগটোৰ চৌহদ। কে'বাশতাধিক শ্ৰমিকৰ প্ৰতিবাদত মুখৰ হৈ পৰে প্ৰতিষ্ঠানটোৰ চৌহদ। বহুৰাষ্ট্ৰীয় প্ৰসাধন উদ্যোগ প্ৰতিষ্ঠানটোৰ উত্তৰ গুৱাহাটীৰ আমিনগাঁওস্থিত ইউনিটটো হঠাৎ কৰ্তৃপক্ষই বন্ধ কৰি দিয়াত শ্ৰমিকসকলে ধুৱলি-কুঁৱলি দেখিছে। ক'ভিডৰ বাবে হোৱা তলাবন্ধৰ মাজতে ইউনিটটো এইদৰে বন্ধ কৰাত কৰ্তৃপক্ষৰ বিৰুদ্ধে মুখৰ হৈ পৰে শ্ৰমিকসকল। ইপিনে, উদ্যোগ কৰ্তৃপক্ষৰ স'তে কামৰূপ জিলা চিটুৰ উত্তৰ গুৱাহাটীৰ আমিনগাঁও শ্ৰমিক সমন্বয়ৰক্ষীৰ সমিতিয়ে উদ্যোগ কৰ্তৃপক্ষৰ স'তে গোপন মিতিৰালি কৰা বুলি অভিযোগ কৰিছে শ্ৰমিকসকলে। মোটা অংকৰ ধনৰ বিনিময়ত ঠিকাদাৰৰ অধীনস্থ কৰ্মচাৰীক উদ্যোগৰ অধীনস্থ কৰাৰ অভিযোগ উঠিছে চিটুৰ কামৰূপ জিলা শ্ৰমিক ইউনিয়নৰ সম্পাদক মজ্জাফৰ আলী আৰু বিশ্বনাথ বিশ্বাসৰ বিৰুদ্ধে। তথ্য মতে উত্তৰ গুৱাহাটীৰ ইউনিটটো শীঘ্ৰে বন্ধ কৰি স্থায়ী কৰ্মীসকলক আমিনগাঁৱত মকৰল কৰিব। ইমামী প্ৰতিষ্ঠানৰ মালিকৰ প্ৰলোভনত শ্ৰমিক সন্থাই শ্ৰমিক বিৰোধী নীতি লোৱা বুলিও কৰ্মৰত শ্ৰমিকসকলে প্ৰতিবাদমুখৰ হৈ পৰে। ইফালে, এই প্ৰতিবাদ কৰাৰ বাবে শ্ৰমিকসকলক শ্ৰমিক ইউনিয়নৰ কৰ্মকৰ্তাই আৱদ্ধ কৰি দুৰ্ব্যৱহাৰ কৰাৰ অভিযোগ উঠিছে।

# বাতৰি সংগ্ৰহত যোৱা সাংবাদিকক চোকা অস্ত্ৰ দেখুৱালে মেঘালয়ৰ সমৰ্থকে



# সীমা বিবাদক কেন্দ্ৰ কৰি বকোৰ সীমান্তত চেপা উত্তেজনা

**অগ্ৰদূত বাৰ্তা**
**বকো, ২৮ আগষ্ট ঃ** চুবুৰীয়া ৰাজ্যসমূহৰ সীমান্তত সীমা সমস্যাই উত্তাল পৰিৱেশৰ সৃষ্টি কৰি অহাৰ সময়তে সম্প্ৰতি পুনৰ অসম-মেঘালয়ৰ বকোত উত্তেজনাৰ সৃষ্টি হৈছে। কামৰূপ জিলাৰ বকোত অসম চৰকাৰক বুঢ়া আঙুলি দেখুৱাই চুবুৰীয়া ৰাজ্য মেঘালয়ে পথ নিৰ্মাণ কৰিছে। উল্লেখ্য যে অসম-মেঘালয় সীমান্তৱৰ্তী বকো সীমান্তত প্ৰাকৃতিক ৰম্যভূমিৰ মাজত থকা গামেৰীমূৰাৰ মালাং হৌহুৱা জলপ্ৰপাতটোলৈ যোৱা একমাত্ৰ পথটোৰ পকীকৰণৰ কাম আৰম্ভ কৰিছে মেঘালয়ে। আজি এই সন্দৰ্ভত বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা বকোৰ সাংবাদিকৰ দল এটাক মেঘালয়ৰ সমৰ্থকে চোকা অস্ত্ৰ দেখুৱাই সেই স্থান ত্যাগ কৰিবলৈ নিৰ্দেশ দিয়ে। এই ঘটনাৰ খন্তেক পাছতে ঘটনাস্থলীত মেঘালয় আৰক্ষী উপস্থিত হয়। আনহাতে, মেঘালয়ৰ সমৰ্থকৰ ওপৰত সন্দেহ ওপজাত সেই স্থান ত্যাগ কৰি অনাকাংখিত বিপদৰ পৰা ৰক্ষা পৰে সাংবাদিকৰ দলটোৱে। উল্লেখ্য যে অসম-মেঘালয় সীমান্তৰ বকোৰ সীমান্ত পৰ্যটন সম্পদ আৰু বনজ সম্পদৰে ভৰপূৰ। তাৰ বাবে চুবুৰীয়া ৰাজ্য মেঘালয়ৰ বকোৰ সীমান্ত অঞ্চলত শেন চকু পৰি আহিছে। বকোৰ সীমান্ত অঞ্চল লাম্পি, গামেৰীমুৰা, হাহিমত ভূমি আগ্ৰাসন চলাই মেঘালয়ে বিভিন্ন আঁচনি ৰূপায়ণ কৰি আহিছে। আনকি, ৰাজ্য চৰকাৰৰ অলক্ষিতে মেঘালয়ে যোৱা চাৰি-পাঁচ আগষ্টত বকোৰ সীমান্ত অঞ্চলত ৰঙা চীন অংকন কৰি ড্ৰ'ণ উৰুৱাই মেঘালয়ৰ সীমা নিৰ্ধাৰণ কৰিছে। ইয়াৰ পাছতে বকোৰ সীমান্তত উত্তেজনাময় পৰিস্থিতি সৃষ্টি হোৱাত দুই ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে বৈঠকত মিলিত হয়। তাতে দুই ৰাজ্যৰ মন্ত্ৰীক লৈ তিনিখনকৈ সমিতি গঠন কৰি বকোৰ সীমান্ত অঞ্চলত জৰীপ চলাই থকাৰ মাজতে মেঘালয়ে বকোৰ হাহিমত বৈদ্যুতিক পৰিবাহী খুঁটাত মেঘালয়ৰ নামাকৰণ কৰিছে।

# নগৰবেৰা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক হত্যাৰ ষড়যন্ত্ৰ ডকাইতৰ

## আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা ডকাইতৰ বিস্ফোৰক স্বীকাৰোক্তি

**আলোপতি, ২৮ আগষ্ট ঃ** ডকাইতিৰ ক্ষেত্ৰত সৃষ্টি কৰি অহা বাধা আঁতৰ কৰিবলৈ এজন আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক হত্যাৰ ষড়যন্ত্ৰ কৰাৰ ঘটনা পোহৰলৈ অহাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে কামৰূপ জিলাৰ নগৰবেৰাত। নগৰবেৰা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বিষ্ণু বসুমতাৰীক হত্যাৰ ষড়যন্ত্ৰ ৰচনা কৰা বুলি আজি ধৃত এজন ডকাইতে এই চাঞ্চল্যকৰ স্বীকাৰোক্তি দিছে। তথ্যমতে, যোৱা ১০ জুলাইৰ নিশা নগৰবেৰাৰ সৰুডোবাৰ ৰঞ্জিত দাসৰ ঘৰত সংঘটিত হৈছিল চাঞ্চল্যকৰ ডকাইতিৰ কাণ্ড।

এই ঘটনাত জড়িত থকাৰ অভিযোগত আজি আৰক্ষীয়ে বিশেষ সূত্ৰৰ পম খেদি কল্যাণপুৰৰ পৰা শ্বাহজাহান আলী (৩০) নামৰ ডকাইতজনক গ্ৰেপ্তাৰ কৰে। ধৃত ডকাইতজনে আজি আৰক্ষীৰ আগত দিয়া স্বীকাৰোক্তিৰ অনুসৰি কিছুদিন পূৰ্বে নগৰবেৰা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াজনক এটা ডকাইতৰ দলে হত্যাৰ পৰিকল্পনা কৰিছিল। ইয়াৰ নেতৃত্ব লৈছিল আনোৱাৰ হুছেইন নামৰ ডকাইতজনে। উল্লেখ্য যে ৰঞ্জিত দাসৰ ঘৰত সংঘটিত ডকাইতি কাণ্ডত জড়িত থকাৰ অভিযোগত ইতিমধ্যে শ্বৰিফুদ্দিন আৰু আশ্ৰাফ আলীক গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰিছে আৰক্ষীয়ে।

# সোণাৰিত দুজনৰ আত্মহনন

**অগ্ৰদূত বাৰ্তা**
**সোণাৰি, ২৮ আগষ্ট ঃ** চৰাইদেউ জিলাৰ সদৰ সোণাৰি নগৰত যোৱা নিশা দুজন ব্যক্তিয়ে আত্মহত্যা কৰে। সোণাৰি নগৰৰ ব্যৱসায়ী তথা হিন্দু জাগৰণ মঞ্চৰ নেতা মৃণাল চাংমাইৰ পুত্ৰ মৃগাংক মৃণাল চাংমাই (৩৩) যোৱা নিশা ৯.১৫ বজাত নিজৰ ঘৰতে চিপজৰী লৈ আত্মহত্যা কৰে। পাছত পৰিয়ালৰ লোকে যুৱকজনৰ ওলমি থকা মৃতদেহটো উদ্ধাৰ কৰে। আত্মহত্যাৰ প্ৰকৃত কাৰণ এতিয়াও উদ্ধাৰ হোৱা নাই। চাংমায়ে পত্নীৰ উপৰি এটি সন্তানক এৰি যায়। ইফালে, যোৱা নিশাই নগৰখনৰ আঠ নম্বৰ ৱাৰ্ডৰ গেছ গুদামৰ সমীপত পিতি গগৈ (৬০) নামৰ লোক এজনেও ঘৰৰ সমীপতে এটা পৰিত্যক্ত ঘৰত চিপজৰী লৈ আত্মহত্যা কৰে। আজি পুৱা স্থানীয় লোকে লোকজনৰ মৃতদেহ প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়ে। লোকজনে পত্নীৰ উপৰি এজন পুত্ৰ আৰু তিনিগৰাকী বিবাহিতা কন্যাক এৰি যায়।

# নিৰ্দোষীক মুক্তি-দোষী ধৰ্ষণকাৰীক ফাঁচিৰ দাবীত উত্তাল বনগাঁও



## নাবালিকা ধৰ্ষণকাৰীক ফাঁচিৰ দাবীত ঘাইপথ অৱৰোধ

**অগ্ৰদূত বাৰ্তা**
**বকো, ২৮ আগষ্ট ঃ** নিৰ্দোষীক মুক্তি আৰু দোষী ধৰ্ষণকাৰীক ফাঁচিৰ দাবীত আজি উত্তাল হৈ পৰে কামৰূপ জিলাৰ ছয়গাঁও সমষ্টিৰ বকো আৰক্ষী থানাৰ অন্তৰ্গত বনগাঁৱৰ ১৭ নম্বৰ ৰাজপথ। 'আৰক্ষী হায় হায়, দ্বীপাংকৰ দালুক মুক্তি দিয়ক, ধৰ্ষণকাৰীক ফাঁচি দিয়ক' আদি শ্ল'গানেৰে উত্তাল হৈ পৰে বনগাঁৱৰ ৰাজপথ। একেদৰে প্ৰতিবাদী ৰাইজে বকো আৰক্ষী থানা ঘেৰাও কৰি আৰক্ষীক ঘটনা সংক্ৰান্তত কৈফিয়ৎ বিচাৰে। প্ৰকৃত ধৰ্ষণকাৰীক ফাঁচি দিয়াৰ প্ৰতিবাদ জনাই প্ৰতিবাদকাৰীসকলে ঘাইপথ অৱৰোধ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে যোৱা ২৪ আগষ্টত লামপাৰা নিবাসী এগৰাকী আঠ বছৰীয়া কণমানি ক'ভিড কেয়াৰ কেন্দ্ৰত ধৰ্ষণৰ বলি হৈছিল। বনগাঁওস্থিত বনগাঁও সমাজ কল্যাণ মধ্য ইংৰাজী বিদ্যালয়ত মাহীয়েকৰ প্ৰতিষেধকৰ বাবে পুৱা ৫-৩০ বজাতে শাৰী পাতিছিল শিশুটিয়ে। মাতৃয়ে থৈ যোৱা শিশুটিক কোনো নথকাৰ সুযোগ লৈ ফুচুলাই মুখত সোপা দি সমীপৰ জংঘলত ধৰ্ষণ কৰিছিল অচিনাক্ত ধৰ্ষণকাৰীয়ে। শিশুটিয়ে কান্দি কান্দি ওলাই আহি স্থানীয় ৰাইজক ঘটনা সন্দৰ্ভত অৱগত কৰে। পাছত পৰিয়ালৰ লোকে ঘটনাস্থলীত উপস্থিত হৈ ৰাভা ছাত্ৰ সন্থাৰ সহযোগত বকো আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল। ঘটনা সম্পৰ্কত কামৰূপ জিলাৰ আৰক্ষী অধীক্ষক, অতিৰিক্ত আৰক্ষী অধীক্ষক, উপ-আৰক্ষীৰ নেতৃত্বত এটা সঁজাতী দলে অনুসন্ধান চলাই ২৫ আগষ্টৰ নিশা পি এল হোম (চৌধুৰীপাৰা)ৰ পৰা দ্বীপাংকৰ দালু(২১)নামৰ যুৱকজনক ধৰ্ষণত জড়িত থকা বুলি সন্দেহ কৰি আটক কৰি জেললৈ প্ৰেৰণ কৰে। আনকি অসম আৰক্ষীৰ কেন্দ্ৰীয় মণ্ডলৰ উপ-মহাপৰিদৰ্শক ব্ৰজেনজিৎ সিনহাই দুৰ্ভগীয়া কণমানি গৰাকীৰ চিনাক্তকৰণৰ ভিত্তিত দ্বীপাংকৰক ধৰ্ষণকাৰী বুলি জানিবলৈ দিছিল। ইফালে, পৰিয়ালৰ লগতে গাঁওবাসীয়ে দ্বীপাংকৰক এই দুষ্কাৰ্যত জড়িত নহয় বুলি দাবী কৰি আৰক্ষীৰ অভিযোগক মানি ল'বলৈ অস্বীকাৰ কৰিছিল। যাৰ বাবে তেওঁলোকে নিজাববীয়াকৈ অনুসন্ধান্ত নামি পৰে। তদুপৰি ঘটনাৰ দিনা পুৱা ৮-২৪ বজালৈ দ্বীপাংকৰ গুৱাহাটীত থকাৰ চিচি টিভিৰ তথ্য লাভ কৰা হয়। ঘটনা সন্দৰ্ভত দ্বীপাংকৰৰ মাতৃ গীতা দালু আৰু ভগ্নী মৌচুমী দালুৱে একমাত্ৰ আৰক্ষীৰ ভুলৰ বাবে নিৰ্দোষীক ধৰ্ষণকাৰী সজাই কোনো ধৰণৰ অনুসন্ধান নকৰাকৈয়ে বিনাদোষত জেললৈ প্ৰেৰণ কৰা বুলি অভিযোগ কৰে। অথচ প্ৰকৃত ধৰ্ষণকাৰী ২৪ ৰ পৰা ২৭ আগষ্টৰ নিশাৰ ভাগলৈ মুকলি আকাশৰ তলত ঘূৰি ফুৰিছিল বুলি দাবী কৰে। ইফালে, পি এল হোম (চৌধুৰীপাৰা)ৰ যুৱক ৰাজদ্বীপ পাল, হীৰকজ্যোতি কলিতা, ৰাকেশ দালু আৰু সুৰজিৎ পালে প্ৰকৃত ধৰ্ষণকাৰীৰ সন্ধানত অভিযান চলায়। জংঘলত লুকাই থকা অৱস্থাৰ পৰা আজি এজন ১৬ বছৰীয়া কিশোৰক আটক কৰি আৰক্ষীক গতাই দিয়ে। বিভিন্ন ঠাইত আত্মগোপন কৰি থকা ১৬ বছৰীয়া কিশোৰজন ধৰ্ষণকাৰীয়ে নহয়, চুৰি কাৰ্যতো জড়িত। ২৫ আগষ্টত কিশোৰজনে দুই নম্বৰ ছাটাবাৰীৰ অনিল পাঠকৰ এ এছ-০১ বিজি-৭৭৭৬ নম্বৰৰ মটৰ চাইকেলখন চুৰি কৰি নিছিল। পাছত আৰক্ষীয়ে চুৰি বাহনখন উদ্ধাৰ কৰিবলৈ সক্ষম হয়। এই কিশোৰজনে ঘটনাৰ দিনা নাবালিকাগৰাকীক ধৰ্ষণ কৰা বুলিও তেওঁলোকে দাবী কৰিছে। নাবালিকাগৰাকীয়ে ভুলবশতহে দ্বীপাংকৰক ধৰ্ষণ কাৰ্যত চিনাক্ত কৰিছিল। সেয়েহে ধৰ্ষণকাৰীক গ্ৰেপ্তাৰ কৰি উপযুক্ত শাস্তিৰ দাবী জনায় ৰাইজে।

# বৰপেটা জিলা পৰিবহণ পৰিদৰ্শকৰ বিৰুদ্ধে সৰৱ বলেৰ' পিকআপ মালিক-চালক সন্থা

**কলগাছিয়া, ২৮ আগষ্ট ঃ** বৰপেটা জিলাৰ কলগাছিয়াৰ বামুনটাৰীত আজি বৰপেটা জিলা মটৰ পৰিবহণ পৰিদৰ্শকৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে বলেৰ' পিক আপৰ মালিক আৰু চালক সন্থাই। প্ৰতিবাদকাৰীসকলে পৰিবহণ বিভাগে অতিৰিক্ত বোজাইৰ নামত অযথা হাৰাশাস্তি কৰি অহা বুলি অভিযোগ কৰে। প্ৰতিবাদকাৰীসকলে 'পৰিবহণ বিভাগ মুৰ্দাবাদ, চালক, হেণ্ডিমেনক হাৰাশাস্তি কৰা নচলিব, অযথা জৰিমনা লোৱা বন্ধ কৰক, চালক-হেণ্ডিমেনক মৰ্যাদা প্ৰদান কৰক' আদি শ্ল'গানেৰে উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। ১১দফীয়া দাবীৰ ভিত্তিত বামুনটাৰীত ৰাজ্যিক বিকল্প ঘাইপথত এইদৰে টায়াৰ জ্বলাই প্ৰতিবাদ সাব্যস্ত কৰে। লগতে যোৱা ২৫ৰ পৰা ৩১ আগষ্টলৈ চলি থকা বলেৰ' পিকআপ বন্ধৰ কাৰ্যসূচী সফল কৰি তুলিবলৈ চালক আৰু মালিকসকলক আহ্বান জনায়।

# অসমৰ ৰাজনীতি কলুষিত কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ঃ বৰা



তামলুপুৰত প্ৰদেশ কংগ্ৰেছৰ সভাপতি

**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ২৮ আগষ্ট ঃ** 'অসমৰ ৰাজনীতি কলুষিত কৰিছে বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। সংবিধানক হত্যা কৰি মুখ্যমন্ত্ৰীয়ে অশুভ ৰাজনীতি কৰিছে।' এই ভাষ্য প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ। আজি বাগ্‌সা জিলাৰ তামুলপুৰৰ ৰাজীৱ ভৱনত সংবাদ মাধ্যমৰ আগত এইদৰে কয় সভাপতিজনে। তামুলপুৰ বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে সমষ্টিটোত দলৰ সাংগঠনিক ভেটি বুজ লোৱাৰ লগতে জিলা কংগ্ৰেছৰ এখন জৰুৰী কৰ্মীসভাত অংশ লয় সভাপতিজনে। সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে সৰৱ হৈ পৰা সভাপতি বৰাই কয়, 'বিগত বিধানসভা নিৰ্বাচনৰ সময়ত তামুলপুৰৰ ৰাইজৰ ওপৰত বৰ্তমানৰ মুখ্যমন্ত্ৰীৰ কোনো আস্থা আৰু বিশ্বাস নাছিল। যাৰ ফলত ৰাইজৰ কণ্ঠ চেপি ধৰিবলৈ মহাজোঁটৰ প্ৰাৰ্থীগৰাকীক বিভিন্ন কৌশল অৱলম্বন কৰি নিৰ্বাচনী প্ৰতিদ্বন্দ্বিতাৰ পৰা আঁতৰাই নি বিজেপিত যোগদান কৰাইছিল। সেয়ে সমৱেত উপ-নিৰ্বাচনৰ জৰিয়তে তামুলপুৰৰ ৰাইজে বিজেপিক উচিত প্ৰত্যুত্তৰ দিব।' ইপিনে, উপ-নিৰ্বাচন সন্দৰ্ভত তেওঁ কয়, 'পাঁচটা সমষ্টিৰ উপ-নিৰ্বাচনে ৰাজ্যৰ চৰকাৰ ভাঙিব নোৱাৰে। আমি উপ-নিৰ্বাচনত মিত্ৰতা কৰাক লৈ বিশেষ চিন্তিত নহয়। আমি এইবাৰ নিজাববীয়াকৈ নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ কথা ভাবিছো। আমাৰ দলৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত তৰুণ গগৈয়ে হু ইজ বদৰুদ্দিন বুলি কৈ ৰাজ্যত চৰকাৰ গঠন কৰিছিল। ৰাহুল গান্ধী আৰু ছোনিয়া গান্ধীয়ে আমাক কৰ্তৃত্ব দিছে। সেয়ে তৃণমূল পৰ্যায়ৰ কৰ্মীৰ স'তে আলোচনা কৰি উপ-নিৰ্বাচন সংক্ৰান্তীয় সিদ্ধান্ত গ্ৰহণ কৰা হ'ব।' বিপিএফ মহাজোঁটৰ পৰা ওলাই যোৱা সন্দৰ্ভত কংগ্ৰেছৰ সভাপতিজনে কয়, 'বিপিএফ যদি মহাজোঁটৰ পৰা আঁতৰি যায় ই আমাৰ কাৰণে হ'ব সুৱৰ্ণ সুযোগ। আমাৰ লক্ষ্য অসমৰ ১২৬ টা সমষ্টিত কংগ্ৰেছৰ ভেটি মজবুত কৰা।' আনহাতে, আজিৰ এই দলীয় সভাত সাংসদ গৌৰৱ গগৈয়ে অংশগ্ৰহণ কৰি কয় যে অসমৰ ৰাইজৰ সমস্যা সমাধান হোৱাটো তেওঁ বিচাৰে। কিন্তু আজি মূল্যবৃদ্ধি, খহনীয়া, এন আৰ চিৰ সমস্যাকে ধৰি কোনো এটা সমস্যাই সমাধান হোৱা দেখা নগ'ল।জনতাৰ সমস্যা সমাধান কৰিব নোৱাৰা বিজেপিয়ে আশীৰ্বাদ যাত্ৰাৰ পৰিৱৰ্তে অসমৰ জনসাধাৰণৰ ওচৰত ক্ষমা যাত্ৰাহে আৰম্ভ কৰা উচিত বুলি তেওঁ তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। আনহাতে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক কটাক্ষ কৰি কয় যে বিগত বিধানসভা নিৰ্বাচনত সৰ্বানন্দ সোণোৱালক মুখ্যমন্ত্ৰী পাতিব বুলি ভোট ভিক্ষা কৰি নিজে মুখ্যমন্ত্ৰী হৈ ৰাইজক প্ৰৱঞ্চনা কৰিলে। সভাত উপস্থিত থকা কংগ্ৰেছ বিধায়ক দেৱব্ৰত শইকীয়ায়ো মিত্ৰতা সম্পৰ্কত কংগ্ৰেছৰ দুৱাৰ মুকলি থাকিব বুলি উল্লেখ কৰে।

# ড্ৰাগছ মাফিয়াৰ আক্ৰমণত আহত পাঁচ

## উত্তেজিত ৰাইজৰ আৰক্ষী চকী ঘেৰাও

**বিশেষ সংবাদদাতা**
**কৰিমগঞ্জ, ২৮ আগষ্ট ঃ** ড্ৰাগছৰ বিৰুদ্ধে অসম আৰক্ষীয়ে অভিযান তীব্ৰতৰ কৰি তোলাৰ সময়তে বৰাক উপত্যকাৰ কাটিগড়াত ড্ৰাগছ মাফিয়াৰে সংঘাতৰ সৃষ্টি হৈছে ৰাইজৰ। আনকি ড্ৰাগছ মাফিয়াৰ চোকা অস্ত্ৰৰ আঘাতত আহত হৈছে পাঁচজনকৈ লোক। আৰক্ষীয়ে এই ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ নকৰাৰ অভিযোগ তুলি আৰক্ষী চকী ঘেৰাও কৰে উত্তেজিত ৰাইজে। তথ্য মতে আজি দিনৰ ভাগত কুখ্যাত ড্ৰাগছ মাফিয়া জামিদ হুছেইন ওৰফে টিয়ামনিয়ে নিজৰ দল লৈ কাটিগড়াৰ সেউটিগাঁৱত ড্ৰাগছ বিক্ৰী কৰিবলৈ আহে। ৰাইজে এই দৃশ্য প্ৰত্যক্ষ কৰি হাতে-লোটে আটক কৰে যদিও কুখ্যাত ড্ৰাগছ মাফিয়াজনে তেওঁৰ সংগীসকলৰ স'তে লগ হৈ উপস্থিত ৰাইজক চোকা অস্ত্ৰৰে আক্ৰমণ চলায়। আক্ৰমণৰ ঘটনা সংঘটিত কৰিয়েই পলায়ন কৰে দলটোৱে। আনহাতে, ড্ৰাগছ মাফিয়াজনৰ আক্ৰমণত আহত হয় ক্ৰমে ছাবিৰ আহমেদ, কবিৰ আহমেদ, আফজাল হুছেইন, এনামূল হক আৰু হুছেইন আহমেদ। আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ ১৭টাকৈ ড্ৰাগছ ভৰ্তি কন্টেইনাৰ উদ্ধাৰ কৰে। ইপিনে, এই ঘটনাৰ পাছতে উত্তেজিত ৰাইজে ড্ৰাগছ মাফিয়াজনক গ্ৰেপ্তাৰৰ দাবীত বিহাৰা আৰক্ষী চকী ঘেৰাও কৰি প্ৰতিবাদ সাব্যস্ত কৰে।

# সোণাপুৰত বৃহৎ পৰিমাণৰ ড্ৰাগছসহ গ্ৰেপ্তাৰ তিনি



**অগ্ৰদূত বাৰ্তা**
**সোণাপুৰ, ২৮ আগষ্ট ঃ** আজি সন্ধিয়া সোণাপুৰৰ নাজিৰাখাটস্থিত টোলগেটত মহানগৰ আৰক্ষীয়ে অভিযান চলাই বৃহৎ পৰিমাণৰ ড্ৰাগছ জব্দ কৰে। এম এন-০৭ ডি-৩২৫৭ নম্বৰৰ এখন ব'লেৰ লাইট, চিটৰ লগতে বিভিন্ন ঠাইত কৌশলেৰে ড্ৰাগছ সৰবৰাহকাৰীয়ে লুকুৱাই অনাৰ সময়তে মহানগৰ আৰক্ষীৰ যুটীয়া আয়ুক্ত পাৰ্থ সাৰথি মহন্তৰ নেতৃত্বত এটা অভিযানকাৰী দলে সোণাপুৰৰ টোলগেটত ড্ৰাগছখিনি জব্দ কৰে। আৰক্ষীয়ে তিনিজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিছে যদিও তেওঁলোকৰ পৰিচয় প্ৰকাশ কৰা নাই। জব্দকৃত ড্ৰাগছখিনিৰ মূল্য কে'বা কোটি টকা হ'ব বুলি আৰক্ষীয়ে সদৰী কৰিছে।

# নামভৰ্তিৰ পৰা বঞ্চিত ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদ



**অগ্ৰদূত বাৰ্তা**
**সোণাপুৰ, ২৮ আগষ্ট ঃ** বৃহত্তৰ ডিমৰীয়াত উন্নত উচ্চ শিক্ষানুষ্ঠান সোণাপুৰ মহাবিদ্যালয়ত স্নাতক পৰ্যায়ত নামভৰ্তিৰ পৰা বঞ্চিত একাংশ শিক্ষাৰ্থীয়ে আজি মহাবিদ্যালয়ৰ প্ৰৱেশ পথত প্ৰতিবাদ সাব্যস্ত কৰে। মহাবিদ্যালয় কৰ্তৃপক্ষই এইবেলি স্নাতক পৰ্যায়ৰ সাধাৰণ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ বাবে কাট অৰ মাৰ্ক ৫৭ নিৰ্ধাৰণ কৰিছে। আনহাতে, অন্যান্য পিছপৰা আৰু অনুসূচিত জাতি-জনজাতিৰ শিক্ষাৰ্থীৰ বাবে সুকীয়াকৈ নীতি-নিৰ্ধাৰণ কৰিছে। মহাবিদ্যালয় কৰ্তৃপক্ষৰ এনে নীতিৰ ফলত এইবেলি উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত মহাবিদ্যালয়খনৰ পৰাই উত্তীৰ্ণ প্ৰায় শতাধিক শিক্ষাৰ্থী নামভৰ্তিৰ পৰা বঞ্চিত হোৱাৰ উপক্ৰম হৈছে। নিজে অধ্যয়ন কৰা মহাবিদ্যালয়খনত নামভৰ্তিৰ পৰা বঞ্চিত হ'বলগা হোৱা ঘটনাত ক্ষোভিত হৈ পৰিছে সাধাৰণ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে।

নিজৰ শৈক্ষিক ভৱিষ্যতক লৈ উদ্বিগ্ন হৈ পৰা ছাত্ৰ-ছাত্ৰীসকলে আজি একত্ৰিত হৈ পৰেশ দ্বাৰত 'আমাক বঞ্চিত কৰা নচলিব, আমাক এডমিছন দিবই লাগিব' আদি শ্ল'গানেৰে উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। ইফালে, মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° দেৱব্ৰত খনিকৰে নামভৰ্তিৰ ক্ষেত্ৰত চৰকাৰী শৈক্ষিক নীতি-নিয়ম সম্পূৰ্ণৰূপে অনুসৰণ কৰা বুলি প্ৰকাশ কৰি তেওঁ কয় যে মহাবিদ্যালয়খনৰ শৈক্ষিক উত্তৰণৰ স্বাৰ্থত অন্য প্ৰান্তৰ কৃতি তথা ৭০-৮০ শতাংশ নম্বৰ প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক অগ্ৰাধিকাৰ দিয়াৰ কথা উল্লেখ কৰে।

মহাবিদ্যালয়খনত পঢ়া বুলিয়ে ৩০ শতাংশ নম্বৰ প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক নামভৰ্তিৰ সুযোগ দি মহাবিদ্যালয়ৰ সুনাম নষ্ট কৰিব নোৱাৰে বুলিও তেওঁ মন্তব্য কৰে।

# ক'লা পতাকা উৰুৱাই আক্ৰাছুৰ প্ৰতাৰণা দিৱস

**অগ্ৰদূত ব্যুৰ'/বাৰ্তা**
**বঙাইগাঁও/কাজলগাঁও/দোতমা-ফকিৰাগ্ৰাম/গোসাইগাঁও/শালবাৰী, ২৮ আগষ্ট ঃ** চুক্তি অনুযায়ী ভাৰত চৰকাৰে পৃথক কোচবিহাৰ ৰাজ্য গঠনক মৰ্যাদা নিদিয়াৰ প্ৰতিবাদত আজি আক্ৰাছুৱে ৰাজ্যজুৰি ক'লা পতাকা উৰুৱাই প্ৰতাৰণা দিৱস পালন কৰে। আক্ৰাছুৰ জিলা, আঞ্চলিক আৰু শাখা সমিতিসমূহে প্ৰস্তাৱিত কমতাপুৰৰ বিভিন্ন ৰাজহুৱা স্থানত ক'লা পতাকা উৰুৱাই প্ৰতিবাদ সাব্যস্ত কৰে। বঙাইগাঁও, অভয়াপুৰী বিজনী, চিৰাং, কাজলগাঁও, কোকৰাঝাৰ, তুলসীবিল, গোসাইগাঁও, ছেৰফাংগুৰি আদি স্থানত সংগঠনটোৱে ক'লা পতাকা উৰুৱাই এই কাৰ্যসূচী ৰূপায়ণ কৰে। আক্ৰাছুৰ কৰ্মী-সমৰ্থকসকলে 'কমতাপুৰ আমাক লাগিবই, কোচবিহাৰ চুক্তি ৰূপায়ণ কৰক, আক্ৰাছু জিন্দাবাদ' আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। এক বিবৃতিত আক্ৰাছুৰ ভাৰপ্ৰাপ্ত সভাপতি দ্বীপেন ৰায় আৰু ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক কেশৱ ৰায়ে কয় যে ১৯৪৯ৰ ২৮ আগষ্টত ভাৰত চৰকাৰ আৰু কোচবিহাৰ ৰাজ্যৰ মাজত হোৱা চুক্তিত স্পষ্টভাৱে উল্লেখ আছিল যে কোচবিহাৰ ৰাজ্য ভাৰতৰ স'তে চামিল হ'লেও কোচবিহাৰ ভাৰতৰ ভিতৰতে এখন সুকীয়া ৰাজ্য হিচাপে মৰ্যাদা পাব। কিন্তু ভাৰত চৰকাৰে ঐতিহাসিক চুক্তিক অমান্য কৰি কোচবিহাৰক সুকীয়া ৰাজ্যৰ মৰ্যাদা নিদিলে। বৰঞ্চ ব্ৰিটিছসকলে কৰি যোৱা ভাগ ভাগ বিভাজন নীতি অনুকৰণ কৰি কোচৰাজবংশীসকলৰ একতাবদ্ধ শক্তিক বিভক্ত কৰি প্ৰথমে পশ্চিমবংগ আৰু অসমত বিভাজন কৰাৰ পাছত পৰৱৰ্তী সময়ত বাংলাদেশ আৰু মেঘালয় ৰাজ্যত বিভক্ত কৰিলে। আনকি, কেন্দ্ৰীয় চৰকাৰে অতি কৌশলৰে পশ্চিমবংগৰ কোচৰাজবংশীসকলক অনুসূচিত জাতি, অসমৰ কোচৰাজবংশীসকলক অন্যান্য পিছ পৰা শ্ৰেণী আৰু মেঘালয়ৰ কোচৰাজবংশীসকলক অনুসূচিত জনজাতি ৰূপে অন্তৰ্ভুক্ত কৰি জনগোষ্ঠীটোৰ ভাষা-সংস্কৃতি বিলুপ্ত কৰাৰ ষড়যন্ত্ৰ কৰিলে। বিবৃতিটোত আক্ৰাছুৰ নেতাদ্বয়ে কয় যে যেতিয়ালৈকে কমতাপুৰ পুনৰ গঠন নহ'ব তেতিয়ালৈকে আক্ৰাছুৱে জঙ্গি আন্দোলন কৰি যাব বুলি হুংকাৰ দিয়ে। ইপিনে, আক্ৰাছুৰ পুৰেন ৰায় গোটেও বিভিন্ন স্থানত ঐতিহাসিক ভাৰত-কোচবিহাৰ চুক্তিৰ দিনটোত ক'লা পতাকা উৰুৱাই প্ৰতাৰণা দিৱসৰূপে পালন কৰে। উল্লেখ্য যে স্বাধীন কোচবিহাৰে ভাৰতে স্বাধীনতা পোৱাৰ দুবছৰ পাছত ১৯৪৯ৰ আজিৰ দিনটোতে তদানীন্তন ভাৰতৰ গৃহমন্ত্ৰী চৰ্দাৰ বল্লভভাই পেটেল আৰু কোচবিহাৰৰ শেষ ৰজা ছাৰ জগদ্বীপেন্দ্ৰ নাৰায়ণ ভূপ বাহাদুৰৰ মাজত ঐতিহাসিক তথা ক্ৰান্তিকাৰী চুক্তিৰ জৰিয়তে কোচবিহাৰ ৰাজ্য ভাৰতৰ স'তে চামিল হৈছিল। কিন্তু ভাৰত চৰকাৰে চুক্তিত উল্লিখিত চৰ্তসমূহ কাৰ্যকৰী নকৰি কোচ-কমতাপুৰবাসীক অসম আৰু পশ্চিমবংগত বিভক্ত কৰিছিল। ইফালে, কোকৰাঝাৰ জিলাৰ তুলসীবিলৰ জয়পুৰত আক্ৰাছুৱে ৰূপায়ণ কৰা কাৰ্যসূচীত উপস্থিত থাকে সংগঠনটোৰ কেন্দ্ৰীয় সভাপতি দ্বীপেন ৰায়, মুখ্য সাংগঠনিক সম্পাদক পুলকেশ ৰায় প্ৰমুখ্যে সংগঠনটোৰ নেতাসকল। বিভিন্ন শ্ল'গানৰে উত্তাল পৰিৱেশৰ সৃষ্টি কৰে অংশগ্ৰহণকাৰীসকলে। একেদৰে কোকৰাঝাৰ জিলাৰ ছেৰফাংগুৰীত দ্য গ্ৰেটাৰ কোচবিহাৰ পিপুলছ এছ'চিয়েছন চমুকৈ জিছিপিএ-আজি ভাৰত চুক্তি দিৱস পালন কৰে। অনুষ্ঠানত উপস্থিত থাকে সংগঠনটোৰ কোকৰাঝাৰ জিলাৰ সম্পাদক প্ৰদীপ বৰ্মন প্ৰমুখ্যে নেতাসকলে। এই কাৰ্যসূচীত উপস্থিত থকাসকলে ভাৰত চুক্তি দিৱস অনুযায়ী সমস্যাসমূহ সমাধান কৰিবলৈ আহ্বান জনায়।



# ইন্ধনজাত সামগ্ৰীৰ মূল্য বৃদ্ধিৰ প্ৰতিবাদত নলবাৰীত ছাত্ৰ সন্থাৰ বিক্ষোভ

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২৮ আগষ্ট ঃ** সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ আহ্বানত কালি আল্লিয়া, পশ্চিম উপৰ বৰভাগ, বৰভাগ আৰু উত্তৰ ধৰ্মপুৰ আঞ্চলিক ছাত্ৰ সন্থাই অত্যাৱশ্যকীয় সামগ্ৰী আৰু ইন্ধনজাত সামগ্ৰীৰ দাম বৃদ্ধি ৰোধৰ ক্ষেত্ৰত চৰকাৰ আৰু যোগান বিভাগৰ চূড়ান্ত ব্যৰ্থতাৰ প্ৰতিবাদত ছাত্ৰকৰ্মীসকলে হাতে হাতে বেনাৰ-ফেষ্টুন লৈ বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে কেন্দ্ৰীয় চৰকাৰ হায় হায়, অসম চৰকাৰ হায় হায়, যোগান মন্ত্ৰী হায় হায়, অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধ কৰক, সদৌ অসম ছাত্ৰ সন্থা জিন্দাবাদ, ইন্ধনজাত সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধ কৰক, যোগন বিভাগ হায় হায়' আদি শ্ল'গানেৰে কৈঠালকুছি বজাৰ উত্তাল কৰে। বিক্ষোভ কাৰ্যসূচীত উত্তৰ ধৰ্মপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়া, মোহন বজাৰ শাখা ছাত্ৰ সন্থাৰ বিষয়ববীয়া, সনোৰা-বৰবৰা-মাজকুছি শাখা ছাত্ৰ সন্থাৰ বিষয়ববীয়া, সন্ধেলী-মাক্ৰাপাৰা শাখা ছাত্ৰ সন্থাৰ বিষয়ববীয়া, সাহপুৰ-গামৰিমূৰী শাখা ছাত্ৰ সন্থাৰ বিষয়ববীয়া, কৈঠালকুছি শাখা ছাত্ৰ সন্থাৰ বিষয়ববীয়া, কামপীঠ মহাবিদ্যালয় আছু গোটৰ বিষয়ববীয়াৰ লগতে সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক চন্দন বেজবৰুৱা, সাংগঠনিক সম্পাদক হেমেন বৰ্মন, উত্তৰ ধৰ্মপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উপ-সভাপতি উদ্ধৱ বৰ্মন, কূলদ্বীপ হালৈ, কৌশিক বৰ্মন, সাধাৰণ সম্পাদক তন্ময় কুমাৰ শৰ্মা, সহঃ সাধাৰণ সম্পাদক বুবুল বৰ্মন আৰু একাংশ ছাত্ৰ-কৰ্মীসকল উপস্থিত থাকে।

# গোসাঁইগাঁৱৰ চৰাইবিলত ক'ভিড-১৯ প্ৰতিষেধক টিকাকৰণ সম্পৰ্কীয় সজাগতা সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**গোসাঁইগাঁও, ২৮ আগষ্ট ঃ** কোকৰাঝাৰ জিলাৰ প্ৰশাসনৰ উদ্যোগত তথা এবছুৰ কোকৰাঝাৰ জিলা সমিতিৰ সহযোগত যোৱা ২৭ আগষ্টত গোসাঁইগাঁও মহকুমাৰ চৰাইবিলস্থিত বশগাঁও হাইস্কুলৰ প্ৰেক্ষাগৃহত ক'ভিড-১৯ প্ৰতিষেধক টিকাকৰণ সন্দৰ্ভত এখন সজাগতা সভা অনুষ্ঠিত হয়। কোকৰাঝাৰ জিলাৰ অন্তৰ্গত কেতবোৰ পিছপৰা তথা প্ৰত্যন্ত অঞ্চলৰ ৰাইজক কাল কৰ'না সন্দৰ্ভত সজাগতা সৃষ্টিৰ লগতে প্ৰতিগৰাকী ব্যক্তিক ক'ভিড প্ৰতিষেধক গ্ৰহণ কৰাৰ বাবে উৎসাহিত তথা অভয় প্ৰদানৰ উদ্দেশ্যে আয়োজন কৰা এই ক'ভিড-১৯ প্ৰতিষেধক টিকাকৰণ সজাগতা সভাত কোকৰাঝাৰ জিলা উপায়ুক্ত বৰ্ণালী ডেকা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। সভাখনত অতিৰিক্ত উপায়ুক্তদ্বয় ৰঞ্জিত কোঁৱৰ আৰু পি কে গুপ্তা, স্বাস্থ্য বিভাগৰ জিলা চাৰ্ভিলেন্স বিষয়া আৰ চি দেৱনাথ, জিলা প্ৰ'গ্ৰাম বিষয়া জাহাংগীৰ আলম, ডি পি এম উত্তম কুমাৰ ব্ৰহ্ম, কচুগাঁৱৰ মহকুমা স্বাস্থ্য বিষয়া প্ৰদীপ মুছাহাৰী তথা বিদ্যালয়খনৰ প্ৰধান শিক্ষক অজিত কুমাৰ বৰ্মনৰ লগতে গোসাঁইগাঁও মহকুমাৰ অতিৰিক্ত আয়ুক্ত শান্তা কাৰ্কী ছেত্ৰী প্ৰমুখ্যে বিদ্যালয়খনৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী, অবছু'ৰ কৰ্মীসহ দুই শতাধিক স্থানীয় ৰাইজ উপস্থিত থাকে। সজাগতা সভাখনত ক'ভিড-১৯ প্ৰতিষেধক টিকাকৰণ সম্পৰ্কে আমন্ত্ৰিত ব্যক্তিসকলৰ লগতে ৰাইজৰ ফালৰ পৰাও কে'বাগৰাকী বক্তাই নিজ নিজ মতামত দাঙি ধৰে। জিলাখনৰ নৱনিযুক্ত উপায়ুক্ত বৰ্ণালী ডেকাই 'দৈনিক অগ্ৰদূত'ক কয় যে, চৰকাৰে সম্পূৰ্ণ বিনামূলীয়াকৈ পৰ্যায় ক্ৰমে প্ৰদান কৰি অহা ক'ভিড প্ৰতিষেধক চিটাকৰণ গোসাঁইগাঁও মহকুমাৰ কিছুমান ভিতৰুৱা অঞ্চলত কম হোৱাৰ প্ৰতি লক্ষ্য ৰাখি উক্ত অঞ্চলসমূহৰ ৰাইজক সজাগ তথা সচেতন কৰাৰ অৰ্থে ৰাইজৰ লগত মত বিনিময়ৰ মাধ্যমেৰে এই অভিযান সম্পূৰ্ণ কৰাৰ বাবে উক্ত এই সজাগতা কাৰ্যসূচী গ্ৰহণ কৰা হৈছে বুলি উল্লেখ কৰে।

# বঙাইগাঁৱৰ বৃক্ষবন্ধু উত্তম কুমাৰ দাসক সাক্ষাৎ পৰিৱেশ কৰ্মী জিতু কলিতাৰ

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ২৮ আগষ্ট ঃ** বঙাইগাঁৱৰ বৃক্ষবন্ধু হিচাপে খ্যাত উত্তম কুমাৰ দাসক উৎসাহ দিয়াৰ উদ্দেশ্যে যোৱা ২৭ আগষ্টত তেওঁক সাক্ষাৎ কৰিলে আন্তঃৰাষ্ট্ৰীয় পৰিৱেশ কৰ্মী যাদৱ পায়েং তথা ফৰেষ্ট মেন অৱ দ্যা ইনয়াৰ আৱিষ্কাৰক জিতু কলিতাই। উল্লেখ্য যে বঙাইগাঁৱৰ বৃক্ষবন্ধু হিচাপে খ্যাত উত্তম কুমাৰ দাসৰ পৰিৱেশ সচেতনতাৰ ওপৰত সন্তুষ্টি হৈ পৰিৱেশ কৰ্মী জিতু কলিতাই বঙাইগাঁৱত উপস্থিত হৈ তেওঁৰ কাম-কাজৰ শলাগ লয়। মন কৰিবলগীয়া বিষয় যে উত্তম কুমাৰ দাসে বিগত কে'বাবছৰ ধৰি বঙাইগাঁৱত বৃক্ষৰোপণ কৰি আহিছে। ৰেল বিভাগৰ কৰ্মচাৰী বৃক্ষবন্ধুয়ে কোনো চৰকাৰী আঁচনিৰ প্ৰতি মোহ নকৰি নিজৰ গাঁঠিৰ খন খৰচ কৰি তেওঁ পৰিৱেশ ৰক্ষাৰ হকে এই বৃক্ষৰোপণ কৰি আহিছে। নিজ কৰ্মত যোগদানৰ পূৰ্বেই পুৱা প্ৰতিদিনে বৃক্ষৰোপণ কৰি আহিছে তেওঁ। তদুপৰি যিকোনো অৱসৰ সময়তে বঙাইগাঁৱৰ চুকে-কোণে বৃক্ষৰোপণ কৰি অহাটো এতিয়া তেওঁৰ নিয়মত পৰিণত হৈছে। আটাইতকৈ উল্লেখনীয় বিষয় যে আমি সাধাৰণতে গছপুলিহে ৰোপণ কৰো। কিন্তু উত্তম কুমাৰ দাসে গছপুলি ৰোপণ নকৰে। তেওঁ ৰোপণ কৰে বৃক্ষ। তেওঁৰ মতে গছপুলি ৰাজহুৱা স্থানত ৰোপণ কৰিলে ইয়াৰ সঠিকভাৱে লালন-পালন নকৰিলে অধিক ক্ষেত্ৰত এই গছপুলি মৃত্যুমুখত পৰে। কিন্তু গছপুলিক কিছু দীঘল কৰি ৰোপণ কৰিলে ই বৃক্ষৰ ৰূপ ধাৰণ কৰে। যাৰ ফলস্বৰূপে লালন-পালন অবিহনেই বৃক্ষই নিজেই বৃদ্ধি পাবলৈ সক্ষম হয়। য'ত গছৰ মৃত্যুমুখত পৰাৰ সম্ভাৱনা খুবেই কম থাকে। উল্লেখ্য যে পৰিৱেশ সেউজীয়াকৰণ কৰাৰ উদ্দেশ্যেই এই প্ৰয়াস চলোৱা বুলি তেওঁ জনায়। ইপিনে, পুলিৰ পৰা গছ ডাঙৰ-দীঘল কৰাৰ উদ্দেশ্যে নিজাববীয়াকৈ এখন নাৰ্ছাৰীয়ো খুলিছে তেওঁ। কোনো ব্যৱসায়িক ভিত্তিত নহয় তেওঁৰ উদ্দেশ্য কেৱল পৰিৱেশ সেউজীয়াকৰণ কৰা। উল্লেখ্য যে তেওঁৰ এই পৰিৱেশৰ প্ৰতি চিন্তাধাৰা নিশ্চয় উদাহৰণৰ সংখ্যা কম বুলিয়েই ক'ব পাৰি। তেওঁক বিগত ১৫ আগষ্টত বঙাইগাঁও জিলা প্ৰশাসনে গান্ধী ময়দানত আয়োজন কৰা ৭৫ সংখ্যক স্বাধীনতা দিৱসৰ কাৰ্যসূচীত সম্বৰ্ধনাও জ্ঞাপন কৰে।

# তামুলপুৰত বিশেষভাৱে সক্ষম ব্যক্তিলৈ হুইল চেয়াৰ, হিয়াৰিং এইড বিতৰণ

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ২৮ আগষ্ট ঃ** তামুলপুৰ সংহত শিশু বিকাশ প্ৰকল্প কাৰ্যালয়ত যোৱা ২৪ আগষ্টত তামুলপুৰ মহকুমাৰ বিভিন্ন প্ৰান্তৰ ৮১গৰাকী বিশেষভাৱে সক্ষম জ্যেষ্ঠ নাগৰিকৰ মাজত হিয়াৰিং এইড, হুইল চেয়াৰ আৰু ৱাকিং ষ্টিক আদি বিতৰণ কৰা হয়। উল্লেখ্য যে ভাৰত চৰকাৰৰ অৰ্থ সাহায্যত স্থানীয় মিলিজুলি এনজিঅ'ৰ সহযোগত তামুলপুৰ সংহত শিশু বিকাশ প্ৰকল্পৰ উদ্যোগত দিব্যাংগ আৰু জ্যেষ্ঠ নাগৰিকসকলৰ মাজত সামগ্ৰী বিতৰণ কৰে বিটিচি পৰিষদীয় চৰকাৰৰ অধ্যক্ষ কাতিৰাম বড়োৱে। সামগ্ৰীসমূহ বিতৰণ কৰি বিটিচি চৰকাৰৰ অধ্যক্ষজনে কয় যে প্ৰমোদ বড়ো নেতৃত্বাধীন বিটিচি চৰকাৰে বিটিচিৰ জনসাধাৰণৰ বাবে বহুতো জনকল্যাণমূলক আঁচনি গ্ৰহণ কৰিছে। যিসকল লোকে এই আঁচনিৰ দ্বাৰা উপকৃত হোৱা নাই তেওঁলোকক বিটিচিৰ আঁচনিত অন্তৰ্ভুক্ত কৰি সাহায্য প্ৰদান কৰা হ'ব। তামুলপুৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক চণ্ডী বসুমতাৰী, তামুলপুৰ উন্নয়ন খণ্ডৰ টিচিএল চিচিৰ অধ্যক্ষ পৱিত্ৰ নাৰ্জাৰী, তামুলপুৰ জিলা ইউপিপিএলৰ সভাপতি বিপুল বসুমতাৰী, সাধাৰণ সম্পাদক ফণীন্দ্ৰ নাৰ্জাৰী, তামুলপুৰ ব্লক ইউপিপিএলৰ সভাপতি নিৰঞ্জন ডেকা আৰু সাধাৰণ সম্পাদক কবিন চন্দ্ৰ বসুমতাৰী প্ৰমুখ্যে হিতাধিকাৰী আৰু তামুলপুৰ সংহত শিশু বিকাশ প্ৰকল্পৰ বিষয়া-কৰ্মচাৰীসকল।

# শিলঘাটৰ কন্যাক আশ্ৰম বিদ্যালয়ত চুৰি

বিশেষ সংবাদদাতা

**নগাঁও, ২৮ আগষ্ট ঃ** নগাঁও জিলাৰ শিলঘাটস্থিত কন্যাক আশ্ৰম বিদ্যালয়ত যোৱা নিশা চুৰিৰ ঘটনা সংঘটিত হোৱাত অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। নিশা বিদ্যালয়খনৰ অধ্যক্ষৰ কাৰ্যালয়ৰ দুৱাৰৰ তলা ভাঙি কাৰ্যালয়টোত প্ৰৱেশ কৰি চোৰৰ দৰে কাৰ্যালয়ৰ প্ৰয়োজনীয় আচবাব চুৰি কৰাৰ লগতে বিভিন্ন নথি-পত্ৰ ফালি পেলায়। এই সন্দৰ্ভত বিদ্যালয়খনৰ কৰ্তৃপক্ষই শিলঘাট আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে যদিও বাতৰি লিখা সময়লৈকে চোৰৰ দলক কৰায়ত্ত কৰিবলৈ আৰক্ষী সক্ষম হোৱা নাই। ইতিপূৰ্বে, বিদ্যালয়খনত চুৰি কাৰ্য সংঘটিত হৈছে।

# কোকৰাঝাৰত স্বৰ্ণিম বিজয় বৰ্ষ উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ২৮ আগষ্ট ঃ** ১৯৭১ ভাৰত-পাক যুদ্ধত ভাৰতৰ বিজয়ৰ সোণালী জয়ন্তী বৰ্ষ হিচাপে স্বৰ্ণিম বিজয় বৰ্ষ যোৱা ২৭ আগষ্টত কোকৰাঝাৰতো উদ্‌যাপন কৰা হয়। কোকৰাঝাৰত থকা ৰেড হৰ্ণ ডিভিজনৰ ভাৰতীয় সেনা বাহিনীয়ে স্বৰ্ণিম বিজয় উৎসৱৰ মশাল মেঘালয়ৰ তুৰাৰ পৰা কঢ়িয়াই আনি কোকৰাঝাৰত প্ৰৱেশ কৰে। কোকৰাঝাৰৰ চৰকাৰী উচ্চতৰ আৰু বহুমুখী খেলপথাৰত পেৰেড কৰি স-সন্মানেৰে মশালটোক আদৰি অনা হয় আৰু ৰাজহুৱাভাৱে সন্মান জনোৱা হয়। উক্ত অনুষ্ঠানতে সেই সময়তে পাকিস্তানৰ বিৰুদ্ধে যুদ্ধ কৰা কোকৰাঝাৰৰ কে'বাগৰাকী যোদ্ধাক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত সেনা বাহিনীৰ কে'বাগৰাকী উচ্চ পদস্থ বিষয়াবৰ্গ উপস্থিত থাকে।

# দেশ-বিদেশৰ গৱেষক শিক্ষাৰ্থীয়ে গ্ৰহণ কৰিব পাৰিব শিক্ষা ঃ বড়ো

## চিৰাঙৰ ৰৌমাৰীত ফৰেষ্ট স্কুল আৰু বতৰ পৰিৱৰ্তনৰ গৱেষণা কেন্দ্ৰৰ আধাৰশিলা স্থাপন

অগ্ৰদূত ব্যুৰ'/বাৰ্তা

**বঙাইগাঁও/কাজলগাঁও, ২৮ আগষ্ট ঃ** চিৰাং জিলাৰ ৰৌমাৰীত কালি বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োই বন বিভাগৰ দ্বাৰা ৰূপায়ণ হ'বলগীয়া প্ৰস্তাৱিত ফৰেষ্ট স্কুল আৰু বতৰ পৰিৱৰ্তনৰ গৱেষণা কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে। অনুষ্ঠানত বিটিআৰ বিশেষ কৰ্তব্যৰত বিষয়া তথা অসমৰ মুখ্য বন সংৰক্ষক অনুৰাগ সিঙে উদ্দেশ্য ব্যাখ্যা কৰি ৰৌমাৰীত স্থাপন হ'বলগীয়া ফৰেষ্ট স্কুল আৰু বতৰ পৰিবৰ্তনৰ গৱেষণা কেন্দ্ৰৰ বাবদ দুশ বিঘা মাটি আৱণ্টন লাভ কৰিছে। এই দুই অনুষ্ঠানৰ জৰিয়তে বন বিভাগৰ কৌশলী কেন্দ্ৰ স্থাপন কৰা হ'ব পৰিৱৰ্তনৰ গৱেষণা কেন্দ্ৰত দেশ-বিদেশৰ গৱেষণা কৰা ছাত্ৰ-ছাত্ৰীসকলে সন্মান লাভ কৰিব পাৰিব। বন বিভাগৰ মাটি সংৰক্ষণ, বিটিআৰৰ বন্যপ্ৰাণীৰ ওপৰত গৱেষণা কৰা হ'ব। উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰত প্ৰথমটো প্ৰতিষ্ঠান হিচাপে বতৰ পৰিবৰ্তনৰ গৱেষণা কেন্দ্ৰটোৱে বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োই আশা ব্যক্ত কৰে। এই বতৰ পৰিবৰ্তনৰ গৱেষণা কেন্দ্ৰত বিশ্বত উদ্যোগীকৰণৰ বাবে পাৰিপাশ্বিক অৱস্থাৰ কাৰ্বনৰ ওপৰত গৱেষণা আৰু প্ৰয়োগ সম্পৰ্কে গৱেষণা হ'ব। বড়োই বিগত ২০২০ৰ ২৭ জানুৱাৰীত শান্তি বড়ো চুক্তিৰ জৰিয়তে বিটিচিত শান্তি ঘূৰি অহাৰ কথা সদৰী কৰি এতিয়া বিটিচিয়ে উন্নয়নমূলক কাম-কাজ আৰম্ভ কৰিছে বুলি কয়। চিৰাং জিলাৰ অতি সুবিধাজনক স্থান ৰৌমাৰীত স্থাপন হ'বলগীয়া ফৰেষ্ট স্কুল আৰু বতৰ পৰিবৰ্তনৰ গৱেষণা কেন্দ্ৰৰ জৰিয়তে পৰ্যটন উন্নয়ন, পানী সংৰক্ষণ, বিটিচি নতুন ৰূপত আগুৱাই অহা বুলি ব্যক্ত কৰি বড়োই পৰ্যটন আৰু বন বিভাগত গুৰুত্ব প্ৰদান কৰা বুলি উল্লেখ কৰি বিটিচিৰ ৰাইমনা ৰাষ্ট্ৰীয় উদ্যানখনৰ নথিপত্ৰ চাই অসম চৰকাৰে মাথোঁ ১২ ঘণ্টাৰ ভিতৰতে স্বীকৃতি প্ৰদান কৰা বুলি উল্লেখ কৰে। বিটিচিত থকা ১০টা পৰ্যটন স্থানত বিশেষ উন্নয়ন কৰাৰ চিন্তা কৰাৰ কথাও তেওঁ প্ৰকাশ কৰে। বিটিচি প্ৰশাসনে বাঁহ উদ্যোগ আৰু নাৰ্ছাৰী, ঔষধি উদ্যোগ গঢ়ি তোলাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। একেদৰে আগন্তুক ছেপ্টেম্বৰত গৰীৱ লোকৰ স'তে মত বিনিময়, অক্টোবৰত কৃষকসকলৰ সমস্যাক লৈ মত বিনিময়, নৱেম্বৰত মহিলাসকলৰ সমস্যাৰ মত বিনিময়, ডিচেম্বৰত শিক্ষা সমস্যাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। অনুষ্ঠানত বিটিচিৰ বন বিভাগৰ কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰী, পৰিষদীয় সদস্য মাধৱ চন্দ্ৰ ছেত্ৰী, চাইখং বসুমতাৰী, আৰক্ষী অধীক্ষক প্ৰাণজিৎ বৰা, চিৰাং ডি এফ অ' ব্ৰহ্মানন্দ পাতিৰি, কাজলগাঁও পৌৰসভাৰ সভাপতি ৰণগৌৰা নাৰ্জাৰীৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকে।

# পিপলিবাৰীত মাধৱদেৱৰ তিৰোভাৱ তিথি উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**চামতা, ২৮ আগষ্ট ঃ** পশ্চিম নলবাৰীৰ পিপলীবাৰী ভকত সমাজৰ উদ্যোগত কালি সম্পূৰ্ণ ক'ভিড প্ৰট'কল মানি মহাপুৰুষ মাধৱদেৱৰ মৃত্যু তিথি পালন কৰা হয়। পুৱা নাম-প্ৰসংগৰ পাছত ভকত সমাজৰ সম্পাদক হিতেশ ডেকাই আঁত ধৰা অনুষ্ঠানত সভাপতি ব্ৰজ বৈশ্যই নামঘোষাৰে ধৰ্মীয় অনুষ্ঠানৰ আৰম্ভ কৰে। নাম-প্ৰসংগৰ মাজতে মাধৱদেৱৰ দাৰ্শনিক আদৰ্শ ব্যক্ত কৰে। গুৰুজনাৰ অংকীয়া নাট আৰু বৰগীতত প্ৰকাশ পোৱা বাৎসল্য চৰিত্ৰত লুকাই থকা ঐশী শক্তি প্ৰকাশ কৰে। সন্ধিয়া গুৰুজনাৰ স্মৃতিত বন্তি প্ৰজ্বলন কৰে উমেশ হালৈয়ে। অনুষ্ঠানত হেমন্ত হালৈ, কালিচৰণ দাস, উমেশ দাস, উমেশ হালৈ, ৰমেশ হালৈ, লোহিত বৈশ্য, গণেশ তালুকদাৰ, নৰেন্দ্ৰ বৰ্মন উপস্থিত থাকে। সন্ধিয়া বন্তি প্ৰজ্বলন কৰে উমেশ হালৈয়ে।

# খৈৰাবাৰী নৱমিলন সংঘ-পুথিভঁৰালৰ বিনামূলীয়া এম্বুলেন্স সেৱা মুকলি

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২৮ আগষ্ট ঃ** বাগ্‌সা-বৰপেটাৰ সমীপৱৰ্তী তথা বৰপেটাৰোড-মানাহ সংযোগী পথৰ খৈৰাবাৰীত খৈৰাবাৰী নৱমিলন সংঘ আৰু পুথিভঁৰালৰ তৰফৰ পৰা যোৱা ২৭ আগষ্টত এক বিনামূলীয়া এম্বুলেন্স সেৱা মুকলি কৰা হয়। এই উপলক্ষে নৱমিলন সংঘৰ প্ৰেক্ষাগৃহ প্ৰাংগণত সংঘৰ সভাপতি নিজামুদ্দিনৰ সভাপতিত্বত তথা সেৱা কেন্দ্ৰৰ তত্ত্বাৱধায়কৰ দায়িত্বত থকা বিনয় মজুমদাৰৰ উদ্দেশ্য ব্যাখ্যাৰে এখন মৃত্যুঞ্জয় ১০৮ সেৱা মুকলিৰ উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হয়। স্থানীয় সৰভোগ সমষ্টিৰ বিধায়ক মনোৰঞ্জন তালুকদাৰে অনুষ্ঠানত উপস্থিত থাকি ৰঙা ফিটা কাটি ৰাইজৰ বাবে বিনামূলীয়া এম্বুলেন্স সেৱা উদ্বোধন কৰি এয়া বৰপেটা ৰোডৰ উত্তৰ অঞ্চলৰ ৰাইজৰ বাবে ভাল খবৰ বুলি মন্তব্য কৰে। বিশেষকৈ বৰপেটাৰোডৰ উত্তৰ অঞ্চলৰ খৈৰাবাৰী, কাটাঝাৰ, ছাপাকামাৰ, গোৱৰ্ধনা আদি কৰি বহু অঞ্চলৰ বাবে মুকলি কৰা এম্বুলেঞ্চ সেৱা ৰাইজৰ বাবে সহায়ক হ'ব। অনুষ্ঠানত সংগ দিয়ে বৰনগৰ কলেজৰ অৱসৰপ্ৰাপ্ত প্ৰাক্তন অধ্যাপক বিজয় কুণ্ডু, দক্ষিণ সমবায় সমিতিৰ সম্পাদক নৰহৰি বসাককে আদি কৰি নৱমিলন সংঘৰ কাৰ্যকৰ্তা প্ৰমুখ্যে স্থানীয় বহুকেইগৰাকী সমাজ সচেতন ব্যক্তি।



চেঙাৰ কাশিমপুৰত ব্ৰহ্মপুত্ৰৰ ভয়াবহ খহনীয়া, শনিবাৰে।

# বিশ্বনাথত চাৰিমহীয়া শিশু জটিল ৰোগত আক্ৰান্ত

## চৰকাৰলৈ আহ্বান পৰিয়াল-ৰাইজৰ

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৮ আগষ্ট ঃ** জটিৰ ৰোগত আক্ৰান্ত বিশ্বনাথৰ এটি চাৰিমহীয়া কণমানি। জন্মৰ পৰা জীৱনৰ প্ৰতিটো মুহূৰ্তক প্ৰত্যাহ্বান জনাই তিল তিল কটাইছে আপুৰুগীয়া জীৱনটি। ক'ব নোৱাৰে যদিও পিতৃ-মাতৃৰ কোলাত থাকি জটিল পৰিস্থিতিৰ ক্ষণ গণিছে শিশুটিৰে। নাম লুৰিণজ্যোতি দাস। ঘৰ গুপ্তকাশী বিশ্বনাথ ঘাটৰ নতুন গাঁৱত। উপায়হীন হৈ পৰিছে পিতৃ নিপেন দাস আৰু মাতৃ পূৰ্ণিমা দাস। কাৰণ জন্মৰ পৰা জটিল ৰোগত (উশাহ নলীৰ ওচৰত টিউমাৰ) আক্ৰান্ত কণমানি দেৱ শিশুটি চিকিৎসা কৰি সৰ্বস্বান্ত হৈ পৰিছে। জন্মৰ পৰা বৰ্তমান সময়লৈকে চাৰি মাহ ধৰি শিশুটিৰ চিকিৎসাৰ বাবে বিশ্বনাথ চাৰিআলিকে আদি কৰি গুৱাহাটী পৰ্যন্ত গৈ আছে পিতৃ-মাতৃ। উন্নত চিকিৎসা তথা বিশেষ অস্ত্ৰোপচাৰৰ বাবে জি এম ছি এইছৰ পৰা দিল্লীলৈ প্ৰেৰণ কৰাৰ বাবে পৰামৰ্শ দিছে পৰিয়ালবৰ্গক। কিন্তু থমকি ৰৈছে পিতৃ-মাতৃ। দিন হাজিৰা, মাছ বিক্ৰী কৰি খোৱা পৰিয়ালটোৰ হাতত নাই ধন। কাৰণ ইতিমধ্যে প্ৰতিটো ক্ষেত্ৰত জন্মৰ পৰা চিকিৎসাৰ বাবে খৰচ কৰি আৰু ওচৰ-চুবুৰীয়াৰ পৰা ধাৰ লৈ দিনতে যেন অন্ধকাৰ নামি আহিছে পৰিয়ালটোৰ ওপৰত। নাই কোনো ৰাস্তা, নাই কোনো ধৰণৰ সহায়। ফলত তিল তিল কৈ জটিল সময়ৰ ফালে গতি কৰিছে কণমানি দেৱ শিশুটিয়ে। উপায়ান্তৰ হৈ কৰযোৰে অনুৰোধ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক, অনুৰোধ কৰিছে অসমৰ ৰাইজক। শেষ ভৰসা অসমৰ ৰাইজ আৰু মুখ্যমন্ত্ৰীৰ ওচৰত অনুৰোধ কৰি উচুপি উঠিল পিতৃ নিপেন দাস। একাউণ্টৰ নাম ঃ পূৰ্ণিমা দাস, একাউণ্ট নম্বৰ ঃ ৩৩৬৩৭৯৪১৫০৯, আই এফ চি : এছ বি আই এন ০০০৯১৪১, ধন জমা দিয়াৰ বাবে ৭৮৯৬১-৭১০৫৪ নম্বৰত যোগাযোগ কৰিব পাৰিব।

# বিশ্বনাথত পাঁচবছৰীয়া শিশু সন্ধানহীন

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৮ আগষ্ট ঃ** বিশ্বনাথ চাৰিআলি আৰক্ষী থানাৰ অন্তৰ্গত খৰাশিমলুৰ বকুল বৰাৰ পাঁচবছৰীয়া পুত্ৰ সন্তানটো কালি দুপৰীয়া সন্ধানহীন হৈ আছে। তথ্য মতে, দুপৰীয়া শিশুটো ঘৰৰ পৰা খেলিবলৈ ওলাই গৈছিল। কিন্তু ঘৰলৈ ঘুৰি নহাত হৈ-চৈ লাগে। পাছত বিশ্বনাথ চাৰিআলি আৰক্ষী থানাৰ অভিযোগ দিয়ে যদিও শিশুটোৰ সন্ধান লাভ কৰা নাই। হঠাৎ এনেদৰে এটি শিশু নোহোৱা হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে।

# প্ৰাতঃভ্ৰমণলৈ গৈ বাগ্‌সাৰ পূব খাগ্ৰাবাৰীৰ মহিলা নিৰুদ্দেশ

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২৮ আগষ্ট ঃ** বাগ্‌সা জিলাৰ জালাহ ৰাজহ চক্ৰৰ অন্তৰ্গত পূব খাগ্ৰাবাৰী গাঁও নিবাসী কামেশ্বৰ নাথৰ পত্নী ভবানী নাথ কালি পুৱা প্ৰায় চাৰি বজাৰ পৰা নিৰুদ্দেশ হৈ আছে। পৰিয়ালৰ লোকে জনোৱা অনুসৰি, আন দিনাৰ দৰে কালি পুৱা প্ৰাতঃভ্ৰমণৰ বাবে স্বামীক লগ ধৰে মহিলাগৰাকীয়ে। কিন্তু কিনকিনিয়াকৈ বৰষুণ দি থকাৰ বাবে স্বামী যাবলৈ অমান্তি হোৱাত পত্নী ভৱানীয়ে অকলেই প্ৰাতঃভ্ৰমণৰ বাবে ওলাই যোৱাৰ পাছৰে পৰা ঘৰলৈ উভতি অহা নেদেখি স্বামীয়ে বিচাৰ-খোচাৰ আৰম্ভ কৰি আত্মীয় কুটুমৰ ওচৰতো খবৰ কৰে। লগতে বিভিন্ন স্থানত অনুসন্ধান চলায় যদিও বাতৰি যুগুতোৱাৰ পৰলৈ কোনো ধৰণৰ শুং-সুত্ৰ পোৱা নাই। পৰৱৰ্তী সময়ত পৰিয়ালৰ লোকে স্থানীয় আৰক্ষীৰ লগতে কাষ চাপে স্থানীয় সংবাদ মাধ্যমৰ। কোনো সদাশয় ব্যক্তিয়ে মহিলাগৰাকীৰ সম্ভেদ পালে ওচৰৰ আৰক্ষী চকীৰ লগতে পৰিয়ালৰ ৭৮৯৬১৬৮৯৮৪ নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে।

# খহনীয়াত জাহ যাব লোঙা-গোংগীয়া নদীৰ পাৰৰ ২৫ খনৰো অধিক গাঁও

অগ্ৰদূত বাৰ্তা

**ফকিৰাগ্ৰাম, ২৮ আগষ্ট ঃ** খহনীয়া আৰু বানত জাহ যোৱাৰ উপক্ৰম কোকৰাঝাৰৰ পশ্চিম সমষ্টিৰ লোঙা নদী আৰু গোংগিয়া নদীৰ পাৰৰ মাওৰীয়া গাঁও, বেতানী, শিমলাগুড়ী, বোৰাগুৰী, তেতলিগুৰী ঢেপঢেপী, নামাপাৰা গাঁৱৰ লগতে কে'বাখনো গাঁও। কে'বা শতাধিক বিঘা মাটি নদীত জাহ যোৱাৰ পাছতো কোনো কাণষাৰ নাই স্থানীয় জনপ্ৰতিনিধিৰ লগতে বিভাগীয় বিষয়াৰ। উল্লেখ্য যে বিটিচিক ফকিৰাগ্ৰাম পৰিষদীয় সমষ্টিৰ চিথিলা ভিচিডিচিৰ পানীয়ে নিদ্ৰাহৰণ কৰিছে। ইতিমধ্যে শতাধিক বিঘা খেতি কৰা কৃষি ভূমি নদীত জাহ গৈছে। নিৰ্বাচনৰ পূৰ্বে বৰ্তমানৰ ফকিৰাগ্ৰাম পৰিষদীয় সদস্যগৰাকী উক্ত স্থানত ভোট বিচাৰি আহিছিল যদিও জয়ী হোৱা পাছত কোনো ধৰণৰ খা-খবৰ লোৱা নাই বুলি স্থানীয় ৰাইজে অভিযোগ কৰিছে। ইতিমধ্যে স্থানীয় ই এমজনক গাঁওবোৰৰ সমস্যাসমূহৰ কথা অৱগত কৰা হৈছে যদিও এতিয়ালৈকে কোনো ধৰণৰ গুৰুত্ব আৰোপ হোৱা পৰিলক্ষিত হোৱা নাই।

# পাখামাৰাত চোৰে নিলে মেধাৱী ছাত্ৰীৰ শৈক্ষিক জীৱনৰ সকলো নথিপত্ৰ

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ২৮ আগষ্ট ঃ** বাগ্‌সা জিলাৰ বৰবৰী আৰক্ষী থানাৰ অন্তৰ্গত পাখামাৰা গাঁৱৰ এগৰাকী মেধাৱী ছাত্ৰীৰ শৈক্ষিক জীৱনৰ সকলো নথিপত্ৰ চুৰি হোৱা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। নলবাৰী মহেন্দ্ৰ মোহন চৌধুৰী বালিকা মহাবিদ্যালয়ৰ প্ৰথম ষাণ্মাসিকৰ ছাত্ৰী মমী বৰ্মনৰ উচ্চ মাধ্যমিক তথা উচ্চতৰ মাধ্যমিকৰ সকলো নথি-পত্ৰ ঘৰৰ পৰা কোনো দুষ্ট লোকে চুৰি কৰি লৈ যায়। পৰহি সকলো তথ্য নোহোৱাটো গম পায়। যাৰ ফলত ছাত্ৰীগৰাকী হতাশ হৈ পৰিছে। মমী বৰ্মনে জানিব দিয়া মতে নিজ ঘৰৰ খিৰিকীৰ কাঠত ওলোমাই থোৱা অৱস্থাৰ পৰা তেওঁৰ শৈক্ষিক জীৱনৰ সকলো নথিপত্ৰ থোৱা বেগটো চোৰে লৈ যায়। তেওঁ জানিব দিয়া মতে, উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ এডমিট, মাৰ্কচিট, ৰেজিষ্ট্ৰেচন কাৰ্ড, বেংক একাউণ্ট, এটিএম কাৰ্ড, জাতিৰ প্ৰমাণপত্ৰ, পেন কাৰ্ডকে ধৰি কে'বাখনো গুৰুত্বপূৰ্ণ নথিপত্ৰ আছিল। ইতিমধ্যে ছাত্ৰীগৰাকীয়ে কালি বৰবৰী আৰক্ষী থানাত ঘটনা সন্দৰ্ভত এখন এজাহাৰ প্ৰদান কৰিছে। ইফালে, এগৰাকী মেধাৱী ছাত্ৰীৰ শৈক্ষিক জীৱনৰ সকলো নথিপত্ৰ চুৰি কৰি ছাত্ৰীগৰাকীৰ জীৱনলৈ অন্ধকাৰ নমাই অনা কাৰ্যক সচেতন মহলে একেমুখে গৰিহণা দিছে।

# সকলোৱে জাতিৰ নেতা হ'ব নোৱাৰে

## কুমাৰীকাটাত সদৌ বিটিচি ধৰ্মীয় সংখ্যালঘু পৰিষদৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ২৮ আগষ্ট ঃ** সদৌ বিটিচি ধৰ্মীয় সংখ্যালঘু পৰিষদৰ ২৮ সংখ্যক প্ৰতিষ্ঠা দিৱস কালি দিনজোৰা কাৰ্যসূচীৰে কুমাৰীকাটাৰ বাঁহবাৰী আদৰ্শ বিদ্যা নিকেতনৰ খেলপথাৰত অনুষ্ঠিত হয়। তামুলপুৰ জিলা সমিতিৰ সহযোগত আৰু দৰংগাজুলি আঞ্চলিক সমিতিৰ উদ্যোগত আয়োজিত প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলনেৰে সদৌ বিটিচি ধৰ্মীয় সংখ্যালঘু পৰিষদৰ সভাপতি আব্দুল আৱাল মণ্ডলে কাযসূচীৰ পাতনি মেলে। ছহিদ তৰ্পণ কৰে ধৰ্মীয় সংখ্যালঘু পৰিষদৰ কাৰ্যকৰী সভাপতি ফজৰ আলী আহমেদে। আবেলি আব্দুল আৱাল মণ্ডলৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা। কেন্দ্ৰীয় ইউপিপিএলৰ নেতা মুজিব আলী আহমেদে আঁত ধৰা সভা উদ্বোধন কৰে কোকৰাঝাৰ ছোৱালী মহবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° আজিজুৰ ৰহমানে। তেওঁ কয় যে ধৰ্মীয় সংখ্যালঘু পৰিষদ অৰাজনৈতিক সংগঠন হিচাপে জন্মলাভ কৰিছিল। এই সংগঠনটোৰ উদ্দেশ্যে আছিল বিটিচি অঞ্চলত বসবাস কৰা ধৰ্মীয় সংখ্যালঘু জনসাধাৰণৰ সৰ্বস্তৰৰ উত্তৰণ ঘটোৱা। তেওঁ পুনৰ কয় যে শিক্ষাৰ ক্ষেত্তত ধৰ্মীয় সংখ্যালঘু লোকসকল যথেষ্ট পিছ পৰা। সেয়েহে সংখ্যালঘু পৰিষদে শিক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব। বিটিআৰ অঞ্চলৰ সংখ্যালঘু লোকসকলৰ শৈক্ষিত উত্তৰণ হ'বই লাগিব। সংখ্যালঘু লোকসকলৰ আৰ্ধাংশৰো যদি শৈক্ষিক উন্নয়ন হয় তেতিয়াহ'লে আৰ এম চিৰ উদ্দেশ্য কিছু সমল হোৱা বুলি গণ্য হ'ব। সভাত অংশগ্ৰহণ কৰি বিটিচিৰ কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰীয়ে কয়, 'বিটিআৰ পৰিষদে সংখ্যালঘুসকলৰ উন্নয়নৰ বাবে কাম কৰিবলৈ এটা সুকীয়া বিভাগ আনিছে। বিগত দিনত বিটিচি প্ৰশাসনে সংখ্যালঘু লোকসকলৰ উন্নয়নৰ বাবে কোনো কাম নকৰিলে। সম্প্ৰতি প্ৰমোদ বড়ো নেতৃত্বাধীন বিটিআৰ প্ৰশাসনে প্ৰতিটো জাতি-জনগোষ্ঠীৰ উন্নয়নৰ বাবে কাম কৰি যাবলৈ অহোপুৰুষাৰ্থ অব্যাহত ৰাখিছে।' প্ৰসংগ ক্ৰমে তেওঁ কয় যে সকলোৱে জাতিৰ নেতা হ'ব নোৱাৰে। নেতাই জাতিৰ বাবে কাম কৰিলেহে জাতিৰ নেতা হ'ব পাৰে। ধৰ্ম কৰি স্বৰ্গত বাস কৰিব পাৰে, কিন্তু ধৰ্মক লৈ কোনেও ৰাজনীতি কৰিব নালাগে। সভাত তামুলপুৰৰ প্ৰাক্তন বিধায়ক চণ্ডী বসুমতাৰী, সমাজকৰ্মী মইনুল হক চৌধুৰী, তামুলপুৰ জিলা ইউপিপিএলৰ সাধাৰণ সম্পাদক ফণীন্দ্ৰ নাৰ্জাৰী, প্ৰাক্তন এবছু নেতা জলেন দৈমাৰী আদিকে ধৰি কে'বাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাৃ। এই সভাতে ছৰিফ আলীক সভাপতি আৰু আলাউদ্দিন আহমেদক সাধাৰণ সম্পাদক হিচাপে লৈ ৩১ জনীয়া তামুলপুৰ জিলা ধৰ্মীয় সংখ্যালঘু পৰিষদৰ নতুন কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়।

# জিনকাটা সত্ৰত মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ তিৰোভাৱ তিথি উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**আগমনী, ২৮ আগষ্ট ঃ** মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ তিৰোভাৱ তিথি উপলক্ষে যোৱা ২৭ আগষ্টত হৰিনামৰে মুখৰিত ৰাজ্যখনৰ সত্ৰ নামঘৰৰ লগতে পশ্চিম অসমৰ ধুবুৰী জিলাৰ গোলকগঞ্জৰ ভাৰত-বাংলাদেশ আৰু পশ্চিমবংগৰ ত্ৰি-সীমান্তত অৱস্থিত জিনকাটা ৰাজহুৱা সত্ৰত। সত্ৰখনত পুৱাৰ পৰাই চলে গুৰু বন্দনা। ভকত-ভকতনীসকলে ডবা, নাগাৰা, খোল, তাল, দেৱবাদ্য বজাই হৰিনামেৰে আকাশ-বতাহ কঁপাই তোলে। কৰ'না প্ৰট'কল মানি শ্ৰীশ্ৰীমহাপুৰুষ মাধৱদেৱৰ ৪২৫ সংখ্যক তিৰোভাৱ তিথি ধুমধামেৰে পালন কৰা হয়। গোলকগঞ্জ জিনকাটা ৰাজহুৱা সত্ৰত।

# সাংবাদিক উপেন চন্দ্ৰ ডেকাৰ গ্ৰন্থ 'শংকৰদেৱৰ ৰহস্যময় জন্মবৃত্তান্ত আৰু অলৌকিক মাহাত্ম্য' উন্মোচন

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ২৮ আগষ্ট ঃ** 'অসমীয়া জাতিৰ বৰভেটিৰ অন্যতম প্ৰতিষ্ঠাতা মহাপুৰুষ শংকৰদেৱৰ আধ্যাত্মিক সাম্যবাদ সাম্প্ৰতিক সময়ত অধিক প্ৰাসংগিক হৈ পৰিছে। এখন সুস্থিৰ আৰু সুশৃংখলাবদ্ধ সমাজ গঢ়াৰ বাবে গুৰুজনাৰ আদৰ্শ, কৰ্মৰাজি হৃদয়ংগম কৰি আগবাঢ়ি যোৱাটো এক উৎকৃষ্ট পন্থা।' এই মন্তব্য মৰিগাঁও জিলা উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়াৰ। অলপতে মৰিগাঁৱৰ জ্যেষ্ঠ সাংবাদিক উপেন চন্দ্ৰ ডেকাৰ নৱতম গ্ৰন্থ 'শংকৰদেৱৰ জন্মবৃত্তান্ত আৰু অলৌকিক মাহাত্ম্য' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰি এই মন্তব্য কৰে উপায়ুক্তই। মৰিগাঁও জিলা সাংবাদিক সন্থাৰ সভাগৃহত ক'ভিড বিধি পালন কৰি সীমিত সংখ্যক গ্ৰন্থপ্ৰেমীৰ উপস্থিতিত বৰ অসম কাকতৰ স্বত্বাধিকাৰ বিৰিঞ্চি কুমাৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত শিক্ষাবিদ পোনাৰম নাথ, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক বাবুল বৰা, সাংবাদিক ডালিম ফুকন আদিয়ে ভাষণ প্ৰদান কৰে। মৰিগাঁও জিলা সংবাদিক সন্থাৰ সম্পাদক জিতুমনি নাথে আঁত ধৰা আৰু ক'ভিড বিধি মানি অনুষ্ঠিত কৰা গ্ৰন্থ উন্মোচনী সভাত মৰিগাঁও চহৰৰ একাংশ সাহিত্যিক-সাংবাদিক আৰু সাহিত্যপ্ৰেমী উপস্থিত থাকে।

# দল-সংগঠনক ‘ফ্ৰীলাঞ্চাৰ’ আন্দোলনকাৰী আখ্যা বিধায়ক জিতু গোস্বামীৰ

**বিশেষ সংবাদদাতা**
**নগাঁও, ২৮ আগষ্ট ঃ** ‘বঢ়মপুৰ সমষ্টিৰ পৰিৱেশ বিনষ্ট কৰিবলৈ কাকো দিয়া নহ’ব। ইয়াত কেৱল উন্নয়নৰ ৰাজনীতি চলিব।’ আজি নগাঁৱত আয়োজন কৰা এক সংবাদমেলত এইদৰে মন্তব্য কৰে বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে। উল্লেখ্য যে কালিৰ দিনটোত বঢ়মপুৰ বিধানসভা সমষ্টিত জাতীয় দল-সংগঠন আৰু বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীৰ সমৰ্থকৰ পৰস্পৰ বিৰোধী উত্তাল প্ৰতিবাদ হৈছিল। ইয়াৰ পাছতে এই সন্দৰ্ভত এক সংবাদমেল আয়োজন কৰি বিধায়কজনে জাতীয় দল-সংগঠনকেইটাক উভতি ধৰে। বিধায়কজনে সংবাদমেল সম্বোধন কৰি কয়, ‘মই হৈ যোৱা অসম বিধানসভাৰ অধিবেশনত দিয়া ভাষণটোক একাংশই আচৰিতভাৱে বিকৃত কৰি জনসাধাৰণক বিপথে

## ‘বঢ়মপুৰৰ পৰিৱেশ বিনষ্ট কৰিবলৈ দিয়া নহ’ব’

পৰিচালিত কৰিছে। মোৰ ঘৰত প্ৰতিবাদ কৰিবলৈ অহা প্ৰতিবাদকাৰীসকলে মই বিধানসভা অধিবেশনত কোৱা ভাষণটো ভালদৰে শুনিলে গম পাব যে তাত মই স্পষ্টকৈ কৈছো যে যিখিনি কৃষিভূমি আমাৰ বন্যহস্তীৰ উপদ্ৰৱত খেতিৰ অনুপযোগী হয়, য’ত বিগত ১৭-২০ বছৰ ধৰি খেতি কৰা নাই, তেনে মাটিত চৰকাৰক সৌৰশক্তি উৎপাদনৰ বাবে অনুৰোধ জনাইছিলোঁ। মই বিধায়ক হোৱা তিনি মাহ হৈছে আৰু আজুৰ পাৱাৰ কোম্পানী সেই ঠাইত বহা আজি দুবছৰ হ’ল। কৃষিভূমি যদি কোনোবাই অবৈধভাৱে লৈছে, সেইটো ন্যায়ালয়ৰ বিষয়। এই সন্দৰ্ভত ন্যায়ালয়ত গোচৰ চলি আছে। মই আজুৰ পাৱাৰ কোম্পানীৰ স’তে জড়িত বিষয়ববীয়াক সোধোতে তেওঁলোকে কোনো অবৈধভাৱে মাটি লোৱা নাই বুলি জনাইছে। তেওঁলোকে ন্যায়ালয়ৰ ৰায় দেখুৱাইছে, তাত পট্টাদাৰৰ মাটি বিক্ৰী কৰিছে। তেনে স্থলত যিসমূহে এই আন্দোলন কৰি আছে, সেই সংগঠন তথা আন্দোলনকাৰীবোৰ ‘ফ্ৰীলেঞ্চাৰ আন্দোলনকাৰী।’

# ককলাবাৰী সমষ্টিত গাঁওবুঢ়াৰ মাজত ম’বাইল ফোন বিতৰণ

**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ২৮ আগষ্ট ঃ** বাগ্‌সা জিলাৰ জালাহস্থিত বি বি কিষাণ মহাবিদ্যালয়ত আজি মুছলপুৰ জিলা ইউপিপিএল সমিতিৰ উদ্যোগত চাপাগুৰি বিধানসভা সমষ্টিৰ বাগ্‌সা আৰু শালবাৰীৰ জালাহ ৰাজহ চক্ৰৰ গাঁওবুঢ়াসকলৰ মাজত বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে ম’বাইল ফোন বিতৰণ কৰে। ৰাজ্যৰ হস্ততাঁত বিভাগৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মাই অংশগ্ৰহণ কৰা সভাত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য বড়োই সাংবাদিকৰ আগত কয় যে গাঁওবুঢ়াসকলক গাঁৱৰ প্ৰতিগৰাকী ব্যক্তিৰ ৰেজিষ্ট্ৰচন ৰাখি গাঁওসমূহক অপৰাধমুক্ত কৰাৰ প্ৰয়াসেৰে এই ম’বাইল ফোন বিতৰণ কৰা হৈছে। ইয়াৰ জৰিয়তে গাঁওবুঢ়াসকলে বহিঃৰাজ্যত কাম কৰিব যোৱা সকলৰো তথ্য ৰাখিব পাৰিব। উপ-নিৰ্বাচনৰ কথা দোহাৰি মুখ্য কাৰ্যবাহী সদস্য বড়োৱে কয় যে উপ-নিৰ্বাচনৰ বাবে ইউপিপিএলৰ মাজতো কুচকাৱাজ চলিছে। দলৰ মাজত নিৰ্বাচনৰ কাম-কাজ চলি আছে। লগতে মিত্ৰজোঁট বিজেপিৰ স’তেও উপ-নিৰ্বাচনৰ কাম-কাজ চলাই থকা হৈছে। তেওঁ কয় যে বিটিএডিৰ প্ৰতিটো সমষ্টিতে মিত্ৰজোঁটৰ বিজয় নিশ্চিত। ম’বাইল ফোন বিতৰণ অনুষ্ঠানত বিটিচিৰ অধ্যক্ষ কাতিৰাম বড়ো, বিটিচিৰ কাৰ্যবাহী সদ্যস ঘনশ্যাম দাসকে আদি কৰি কে’বাজন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

## মৃত্যু জীৱনৰ শেষ পৰিণতি নহয় ঃ শৰ্মা

# শিক্ষক, নাট্যশিল্পী তাৰিণীকান্ত বৰ্মনৰ সোঁৱৰণী গ্ৰন্থ ‘পদাংক’ উন্মোচন



**অগ্ৰদূত বাৰ্তা**
**চামতা, ২৮ আগষ্ট ঃ** পশ্চিম নলবাৰী অঞ্চলৰ ককয়াত আজি নাট্যকৰ্মী, নাগাৰা নামৰ শিল্পী তথা শিক্ষাব্ৰতী তাৰিণীকান্ত বৰ্মনৰ সোঁৱৰণী গ্ৰন্থ ‘পদাংক’ উন্মোচন কৰে নাট্যকাৰ তথা নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মাই। সাহিত্যিক, সাংবাদিক যাদৱ সেন ডেকাৰ পৌৰোহিত্যত অনুষ্ঠিত আৰু অলকেশ ঠাকুৰীয়াই আঁত ধৰা সভাত শৰ্মাই কয় যে মৃত্যু জীৱনৰ শেষ পৰিণতি নহয়। জীৱনৰ পৰিণতি কৰ্মৰ চানেকিত। ভাল মানুহৰ মৃত্যু নহয়। তেওঁৰ খোজৰ চিন ৰৈ যায় সময়ৰ বলুকাৰাশিত। জীৱন এক অন্তহীন অন্বেষণ, এক মহাজাগতিক প্ৰক্ৰিয়া। লোককলাৰ সাধক তাৰিণীকান্ত বৰ্মনৰ জীৱন এক মহাকাব্যিক যাত্ৰা বুলিও তেওঁ উল্লেখ কৰে। ড° প্ৰতুল ডেকা আৰু দিগন্ত দাসে সম্পাদনা কৰা সোঁৱৰণী গ্ৰন্থ উন্মোচনী সভাত সমাজকৰ্মী হিৰণ্য বৰ্মন, লক্ষী পাটোৱাৰী আৰু ডাঃ হিতেন্দ্ৰ চন্দ্ৰ চক্ৰৱৰ্তীয়ে আমন্ত্ৰিত অতিথিৰূপে অংশগ্ৰহণ কৰে। উক্ত সভাত সমাজসেৱী লক্ষী পাটোৱাৰী, বিজেপিৰ মধুপুৰ মণ্ডল সমিতিৰ সভাপতি হিৰণ্য বৰ্মন, ককয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ সুশীল মজুমদাৰ, বেলশৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জয়ন্ত বৰ্মন, প্ৰাক্তন অধ্যক্ষ বিপুল ডেকা, নাট্যকাৰ প্ৰশান্ত মেনা, পশ্চিম নলবাৰী খণ্ড প্ৰাথমিক শিক্ষা বিষয়া সমীন বৈশ্য, লেখক-ওজাশিল্পী প্ৰভাত হালৈ আৰু ভকত হেমন্ত বৰ্মনে বক্তব্য আগবঢ়াই কৃতী শিক্ষক, লোকশিল্পী তাৰিণীকান্ত বৰ্মনৰ বৰ্ণাঢ্য জীৱন তথা অনবদ্য বৰঙণিৰ স্মৃতিচাৰণ কৰে। উক্ত অনুষ্ঠানত পশ্চিম নলবাৰী প্ৰেছ ক্লাবৰ কাৰ্যকৰী সভাপতি ৰাজেন বৈশ্য, উপ-সভাপতি দ্বীপেন মেনা, বৃক্ষবন্ধু গংগাধৰ বৰ্মন, প্ৰকৃতিপ্ৰেমী ভূপেন কুমাৰ দাস, সাংবাদিক অৰূপৰঞ্জন বৰ্মন, পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক পৰাগমণি দাস, ককয়াৰ প্ৰগতি সংঘৰ সভাপতি বিজু তালুকদাৰ, সহকাৰী সম্পাদক মৃগেন ঠাকুৰীয়া, কাউন্সিলৰ প্ৰমোদ কলিতা, বেলশৰ কেন্দ্ৰীয় হাইস্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষক উদয় বৰ্মন, অভিনেতা চবিন বৰ্মন, শিক্ষক নৰজ্যোতি মিশ্ৰ প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ইয়াৰ পূৰ্বে সহধৰ্মিণী জয়মতী বৰ্মনে স্বামীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰাৰ পাছতে ককয়া সামূহিক চিকিৎসালয়ৰ স্বাস্থ্য বিষয়া ডাঃ চক্ৰৱৰ্তীয়ে পুষ্পাঞ্জলি অৰ্পণ কৰে। ককয়া কমাৰপাৰা নিবাসী বৰ্মনৰ যোৱা ১৩ আগষ্টত বাৰ্ধক্যজনিত কাৰণত নিজ গৃহতে মৃত্যু হৈছিল।

# সোণকোষ নৈৰ খহনীয়া পৰিদৰ্শন বিটিচিৰ কাৰ্যবাহী সদস্যৰ



**অগ্ৰদূত বাৰ্তা**
**দোতমা, ২৮ আগষ্ট ঃ** গোসাইগাঁও মহকুমাৰ অসম বংগ সীমান্তৰ মাজেৰে বৈ যোৱা সোণকোষ নৈৰ গৰাখহনীয়াৰ কবলত পৰি অঞ্চলটোৰ দাঁতি কাষৰীয়া গাঁৱৰ ৰাইজৰ জীৱন বিপন্ন হৈছে। খহনীয়াই বিগত কে’বা বছৰৰ পৰা প্ৰভাৱিত কৰিছে এক নম্বৰ জাৰাগুৰী পিজিয়াৰ গাঁৱৰ লগতে এক নম্বৰ মাজাডাবৰী, দুই নম্বৰ মাজাডাবৰীৰ খেতি কৰি জীৱিকা নিৰ্বাহ কৰা কৃষক সমাজক। এনে খহনীয়াৰ ফলত গাঁওখনৰ জাৰাগুৰী পিজিয়াৰ এল পি বিদ্যালয়ৰো ক্ষতিসাধন হোৱাৰ উপক্ৰম হৈছে। ফলত আশংকাত ভুগিছে ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ লগতে গাঁওবাসী। এই জ্বলন্ত সমস্যাৰ ৰোধ কৰিবলৈ বিটিচিৰ কাৰ্যবাহী সদস্য ৰেওৰেওৱা নাৰ্জীহাৰীয়ে আজি অঞ্চলটো পৰিদৰ্শন কৰি ৰাইজৰ স’তে মত বিনিময় কৰে। ইতিমধ্যে কাৰ্যবাহী সদস্যজনৰ প্ৰচেষ্টাত অস্থায়ী খহনীয়া ৰোধ কৰিবলৈ পাৰ্কুপাইন দি কিছু সকাহ দিবলৈ সক্ষম হৈছে। ইফালে, কচুগাঁও উন্নয়ন খণ্ডৰ আন এখন বিদ্যালয়তো খহনীয়াৰ কবলত পৰাৰ উপক্ৰম হৈছে।

## অতি শীঘ্ৰে পাৰ্কুপাইন ব্যৱস্থা গ্ৰহণ কৰাৰ আশ্বাস

# পানেৰী সমষ্টিৰ গৰাখহনীয়া অঞ্চল পৰিদৰ্শন মন্ত্ৰী পীযুষৰ



**অগ্ৰদূত বাৰ্তা**
**টংলা, ২৮ আগষ্ট ঃ** ওদালগুৰি জিলাৰ ৬৪ নম্বৰ পানেৰী সমষ্টিৰ অন্তৰ্গত কুলশী, ভোলানদীয়ে যুগ যুগ ধৰি খহনীয়াৰ সৃষ্টি কৰাৰ ফলত নদী কাষৰীয়া অঞ্চলত বসবাস কৰা লোকসকলৰ ভীষণ সমস্যাৰ উদ্ভৱ হৈছে। বানপানী আৰু খহনীয়াৰ কৱলত পৰা বাবে ঘৰ-বাৰী, খেতিমাটি, বাট-পথ আদি নিশ্চিহ্ন হৈছে। কোনো এখন চৰকাৰে বা মন্ত্ৰী-বিধায়কে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা নাছিল যদিও বিভিন্ন সংবাদ মাধ্যমত ধাৰাবাহিক প্ৰচাৰৰ ফলত আজি বিজেপি নেতৃত্বাধীন চৰকাৰৰ জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই পানেৰী বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম বিধানসভাত অধ্যক্ষৰ আসন অলংকৃত কৰা বিশ্বজিৎ দৈমাৰীৰ স’তে মাজগাঁও চাতিয়াপাৰা, ছৈবাৰী অঞ্চলৰ খহনীয়া অঞ্চল পৰিদৰ্শন কৰি গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰি জলসম্পদ বিভাগৰ বিষয়াসকলক নদী কাষৰীয়া অঞ্চলত পাৰ্কুপাইনৰ বান্ধৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়ে। মাজগাঁও চাতিয়াপাৰা গাঁৱৰ কাষেৰে বৈ যোৱা কুলশী নদীয়ে বাট-পথ, ঘৰৰ ভেটি, মাটি-বাৰী নিশ্চিহ্ন কৰি তুলিছে। সেই ঠাই প্ৰথমে পৰিদৰ্শন কৰি মন্ত্ৰীজনে ৰাইজক ছমাহৰ ভিতৰত সমস্যা সমাধানৰ আশ্বাস প্ৰদান কৰে। আনহাতে, ডিমাকুছি শুক্লাই চামৰাং অঞ্চলতো তেওঁ নদী কাষৰীয়া গাঁওসমূহ পৰিদৰ্শন কৰে।

# তামুলপুৰত বিজেপিয়ে প্ৰাৰ্থী দিলে মিত্ৰজোঁটৰ সহায় নোহোৱাকৈ বিজয়ী হ’ব ঃ ইমানুৱেল

## পাটকীজুলিত বাগ্‌সা জিলা বিজেপিৰ গুৰুত্বপূৰ্ণ সভা

**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ২৮ আগষ্ট ঃ** তামুলপুৰ মহকুমাৰ ভাৰত-ভূটান সীমান্তৰ পাটকীজুলিত পৰহি আবেলি বাগ্‌সা জিলা বিজেপিৰ এক গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। তামুলপুৰ বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা ৰাজ্যিক বিজেপিৰ কাৰ্যনিৰ্বাহক সদস্য ইমানুৱেল ম’ছাহাৰীৰ বিশেষ উদ্যোগত জিলা বিজেপিৰ উপ-সভাপতি দ্বীপেন কলিতাৰ সভাপতিত্বত পাটকীজুলি গ্ৰাম্য পুথিভঁৰালৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত বিজেপিৰ গুৰুত্বপূৰ্ণ সভাত সমাগত তামুলপুৰ উপ-নিৰ্বাচনক লৈ আলোচনা কৰা হয়। সভাত তামুলপুৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা অসম চৰকাৰৰ ক্ষুদ্ৰ উদ্যোগ আৰু উন্নয়ন নিগমৰ অধ্যক্ষ ম’ছাহাৰীয়ে কয়, ‘তামুলপুৰ সমষ্টিৰ উপ-নিৰ্বাচনত প্ৰাৰ্থিত্ব প্ৰদান কৰা বিষয়টো বিজেপিৰ ৰাজ্যিক নেতৃত্বই পুনৰ বিবেচনা কৰিব লাগে। কিয়নো সমাগত উপ-নিৰ্বাচনত বিজেপিৰ ৰাজ্যিক নেতৃত্বই তামুলপুৰ বিধানসভা সমষ্টিটো মিত্ৰজোঁটৰ ইউপিপিএলক এৰি দিয়াৰ পোষকতা কৰিছে।’ প্ৰাক্তন বিধায়কজনে কয় যে তামুলপুৰ সমষ্টিত বিজেপিয়ে প্ৰাৰ্থিত্ব প্ৰদান কৰিলে মিত্ৰজোঁটৰ সহায় নোহোৱাকৈয়ে আমি জিকিব পাৰিম। মিত্ৰজোঁটে সহায় কৰিলে অভিলেখহে গঢ়িব পাৰিম বুলি তেওঁ সভাত মন্তব্য কৰে। তেওঁ কয় যে আমাক অভিলেখ গঢ়িবৰ বাবেহে মিত্ৰতা লাগে, জিকিবৰ বাবে নহয়।’ আনহাতে, উপ-নিৰ্বাচনত জয়ৰ সম্ভাৱনা এশ শতাংশ নিশ্চিত থকা উপ নিৰ্বাচনত তামুলপুৰ সমষ্টিত যদি বিজেপিয়ে প্ৰাৰ্থিত্বই নিদিয়ে তেতিয়া হ’লে বিটিচিত আমাক কিয় বিজেপি কৰিব দিছে বুলি অসন্তুষ্টি ব্যক্ত কৰি প্ৰাক্তন বিধায়কজনে কয় যে বিটিচিত ভৱিষ্যতে বেলেগ ৰাজনৈতিক দলে সুযোগ গ্ৰহণ কৰিব। সভাত বাগ্‌সা জিলা বিজেপিৰ সভাপতি ৰাম দাহাল, বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য দেবেন বড়ো, প্ৰাক্তন এমচিএলএ বাসুদেৱ উপাধ্যায়, ৰাজ্যিক বিজেপিৰ কাৰ্যনিৰ্বাহক সদস্য হৰেন ৰাভাকে আদি কৰি তামুলপুৰ সমষ্টিৰ অন্তৰ্গত চাৰিটা মণ্ডল বিজেপিৰ সভাপতি-সম্পাদক তথা কে’বাটাও মৰ্চাৰ সভাপতি সম্পাদকসকলে তামুলপুৰ সমষ্টিৰ উপ-নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থিত্বৰ বিষয়টো পুনৰ বিবেচনা কৰিবলৈ বিজেপিৰ ৰাজ্যিক নেতৃত্বক অনুৰোধ জনায়।

# নগাঁৱৰ কাতিমাৰি গ্ৰান্টত এজনৰ মৃত্যু

**বিশেষ সংবাদদাতা**
**নগাঁও, ২৮ আগষ্ট ঃ** নগাঁৱৰ হয়বৰগাওঁ আৰক্ষী চকীৰ অন্তৰ্গত কাতিমাৰি গ্ৰান্টৰ এজন লোকৰ কালি ৰহস্যজনকভাৱে মৃত্যু হয়। অঞ্চলটোৰ শুকুৰ আলীৰ পুত্ৰ গোলাম মুস্তফা ওৰফে জুলহাশ নামৰ যুৱকজনৰ নিজা বাসগৃহতে হঠাৎ মৃত্যু হয়। সৰ্প দংশনৰ ফলত গোলাম মুস্তফাৰ মৃত্যু হোৱা বুলি সন্দেহ কৰিছে পৰিয়ালৰ লগতে স্থানীয় লোকে। যুৱকজনৰ মুখেৰে ফেন ওলাই থকা অৱস্থাত প্ৰত্যক্ষ কৰি পৰিয়ালৰ লোকৰ লগতে স্থানীয় লোকে লগে লগে নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ লৈ যায় যদিও চিকিৎসকে যুৱকজনক মৃত বুলি ঘোষণা কৰে। পাছত যুৱকজনক কালি সন্ধিয়া জাগীৰোডত বেজ এজনৰ ওচৰত লৈ যায় যদিও বেজৰ বেজালিয়েও ৰক্ষা কৰিব নোৱাৰিলে যুৱকজনক। যুৱকজনৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ বিৰাজ কৰিছে।

# প্ৰেছ ক্লাব, বেবেজীয়াৰ প্ৰতিষ্ঠা দিৱস

**অগ্ৰদূত বাৰ্তা**
**বেবেজীয়া, ২৮ আগষ্ট ঃ** নগাঁও জিলাৰ প্ৰেছ ক্লাব, বেবেজীয়াৰ আজি ২৮ সংখ্যক প্ৰতিষ্ঠা দিৱস ক’ভিড বিধি ৰক্ষা কৰি দিনজোৱা কাৰ্যসূচীৰে পালন কৰা হয়। এই উপলক্ষে বেবেজীয়া চাৰিআলিত অৱস্থিত স্থায়ী কাৰ্যালয় মুৰুলী শৰ্মা ভৱন প্ৰাংগণত পুৱা ন বজাত ক্লাবৰ সভাপতি সমীৰ হাজৰিকাই পতাকা উত্তোলনৰে কাৰ্যসূচী আৰম্ভ কৰাৰ পাছত স্মৃতি তৰ্পণ কৰে সমাজসেৱিকা তথা শিক্ষয়িত্ৰী নীলিমা দেৱীয়ে। স্মৃতিচাৰণ অনুষ্ঠানত প্ৰেছ ক্লাব, বেবেজীয়াৰ অতিথি সদস্য তথা ক্ৰীড়া সংগঠক সদ্যপ্ৰয়াত ৰাজু বৰদলৈক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। ইয়াৰ পাছত প্ৰেছ ক্লাবৰ সম্পাদক প্ৰাঞ্জল বৰদলৈৰ পৰিচালনাত অনুষ্ঠিত অন্তৰংগ অনুষ্ঠানত বেবেজীয়া কনিষ্ঠ মহাবিদ্যালয়ৰ প্ৰৱক্তা অভিজিত শৰ্মাই অভ্যাগতসকলক আদৰণি জনায়। আন্তঃৰাষ্ট্ৰীয় যোগ ৰেফাৰী তথা শাৰীৰিক শিক্ষাৰ নিৰ্দেশক প্ৰভাত চন্দ্ৰ বৰাই আৰম্ভ কৰা অন্তৰংগ অনুষ্ঠানটোত প্ৰবীণ অনাতাঁৰ শিল্পী গম্ভীৰ নাথ, ঘাঁহী আঞ্চলিক শাখা সাহিত্য সভাৰ সম্পাদক ৰেৱকান্ত দাস, গায়ক কুকিল হাজৰিকা, কৃতী শিক্ষক নৃপেন চন্দ্ৰ ডেকা, বিশিষ্ট বোলছবি পৰিচালক-প্ৰযোজক বুন বৰা, জনপ্ৰিয় কুইজ পৰিচালক চন্দ্ৰজিৎ দাস, সমাজকৰ্মী দুৰ্গেশ্বৰ বৰদলৈ, কবি কমলা ডেকাই গীত-মাত পৰিবেশন কৰে।

# মঙলদৈৰ নেৰিম চেলেঞ্জ একাডেমীৰ চৌহদত বৃক্ষৰোপণ



**মঙলদৈ, ২৮ আগষ্ট ঃ** মঙলদৈৰ প্ৰফুল্ল নগৰত অৱস্থিত নেৰিম চেলেঞ্জ একাডেমী চৌহদত সশস্ত্ৰ সীমা সুৰক্ষা বাহিনীৰ বেজপাৰাত থকা মুখ্য কাৰ্যালয়ে যোৱা ২৭ আগষ্টত বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে। এই কাৰ্যসূচীৰ মূল লক্ষ্য হ’ল বৃক্ষৰোপণৰ প্ৰতি গণ সচেতনতাৰ প্ৰচাৰ আৰু প্ৰসাৰ ঘটোৱা। উক্ত কাৰ্যসূচীত মুখ্য অতিথি হিচাপে এছএছবিৰ চি কেইচিঙক নেৰিম চেলেঞ্জ একাডেমী কৰ্তৃপক্ষৰ হৈ অধ্যক্ষা ড° কে খাৰক্ৰাঙে অসমীয়াৰ স্বাভিমান স্বৰূপাৰ্থত এখনি ফুলাম গামোচাৰে আদৰণি জনায়।

উক্ত অনুষ্ঠানত বৃক্ষৰোপণ কাৰ্যৰ প্ৰয়োজনীয়তা সম্পৰ্কে কেইচিঙে বক্তব্য প্ৰদান কৰি মানৱ জাতিয়ে কি দৰে পৃথিৱীক নিৰ্ভাৰ কৰি জীয়াই থাকে আৰু নিজৰ জীৱনৰ চাহিদাবোৰৰ ক্ষেত্ৰত প্ৰকৃতি নিৰ্ভৰ এই ক্ষেত্ৰত উল্লেখ কৰে। এই কাৰণেই মানৱ জাতিয়ে পৃথিৱীৰ যত্ন ল’ব লাগে। বিশেষকৈ পৃথিৱীখনক বৃক্ষৰোপণৰ দ্বাৰা সুন্দৰ কৰি গঢ়ি তুলিব লাগে। তেওঁ কয় যে মানৱ জাতিৰ ক্ষেত্ৰত বন ধ্বংস, বনৰীয়া জন্তু আৰু মানৱৰ সংঘাত, বন জুই, বৰ্ধিত গোলকীয় উষ্ণতা, বানপানীৰ ক্ষতি, বৰফৰ দেশত হোৱা বৰফ গলা কাৰ্যৰ দ্বাৰা হোৱা সাগৰ বৰ্ধিত জলস্তৰ আদি পৰিঘটনাই বিৰাট বিৰূপ প্ৰভাৱ পেলাব। এই ক্ষেত্ৰত সকলোৰে সচেতনতাৰে প্ৰকৃতিৰ ভাৰসাম্যতা বজাই ৰাখিবলৈ বিশেষভাৱে উদ্যোগ লৈ বৃক্ষৰোপণৰ দৰে প্ৰয়োজনীয় কাৰ্যসূচী ৰূপায়ণ কৰাত আগভাগ ল’ব লাগিব। এই উদ্দেশ্য পুৰণৰ বাবেই সশস্ত্ৰ সীমা সুৰক্ষা বাহিনীৰ বেজপাৰা মুখ্য কাৰ্যালয়ৰ কৰ্তৃপক্ষই নেৰিম চেলেঞ্জ একাডেমীৰ দৰেই বৃক্ষৰোপণৰ কাৰ্যসূচী দৰং জিলাৰ আন আন ঠাইৰ লগতে মঙলদৈ মহৰ্ষি বিদ্যা মন্দিৰতো ৰূপায়ণ কৰিছে বুলি কেইচিঙে বক্তব্যত উল্লেখ কৰে।

শিক্ষানুষ্ঠানখিনিৰ অধ্যক্ষাই পৃথিৱীখন সেউজীয়া কৰি প্ৰাকৃতিক ভাৰসাম্যতা ৰক্ষা কৰিবলৈ বৃক্ষৰোপণৰ দৰে মহামূল্যবান কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ আহ্বান জনায়।

# প্ৰাক্তন ছাত্ৰ নেতা তথা টংলাৰ শিক্ষক বাবুল চন্দ্ৰ ডেকাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**টংলা, ২৮ আগষ্ট ঃ** ওদালগুৰি জিলাৰ টংলা থানাৰ মাজগাঁও নিবাসী প্ৰাক্তন ছাত্ৰ নেতা তথা শিত্ৰক বাবুল চন্দ্ৰ ডেকা (৫৫)ৰ মধুমেহ ৰোগত আক্ৰান্ত হৈ আজি পুৱতি নিশা নিজ গৃহত মৃত্যু হয়। উল্লেখ্য যে টংলা আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰাক্তন কাৰ্যনিৰ্বাহক সদস্য তথা মংগলদৈ মহকুমা ছাত্ৰ সন্থাৰ প্ৰাক্তন সাংগঠনিক সম্পাদক, যোৰপুখুৰী মধ্য ইংৰাজী বিদ্যালয়ৰ সহকাৰী শিক্ষক, সমাজ সেৱক ডেকাই মৃত্যুৰ সময়ত পত্নীসহ এজন পুত্ৰ আৰু এগৰাকী কন্যা সহিতে বহু গুণমুগ্ধক এৰি যায়। তেওঁৰ মৃত্যুত সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি জয়ন্ত কুমাৰ ভট্টাচাৰ্য, টংলা আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি ৰুদ্ৰকমল দাস, সাধাৰণ সম্পাদক ৰিংকু ডেকা, সদৌ ওদালগুৰি জিলা ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক চাইফুল হক, ওদালগুৰি জিলা বিজেপিৰ উপ সভাপতি জয়কান্ত শৰ্মাৰ লগতে টংলা প্ৰেছ ক্লাব, টংলা সাহিত্য সভা আদি অনুষ্ঠানে-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে।

# ঠিকাদাৰৰ হেমাহিত দুৰ্ভোগ ভুগিছে ৰাইজে

## কাম আবণ্টনৰ চাৰি বছৰৰ পাছতো আৰম্ভ নহ’ল পকী দলঙৰ নিৰ্মাণ কাৰ্য

**বিশেষ সংবাদদাতা**
**নগাঁও, ২৮ আগষ্ট ঃ** গড়কাপ্তানী (লোক নিৰ্মাণ) বিভাগৰ দুৰ্বলতাৰ সুযোগ গ্ৰহণ কৰি বিভাগটোৰ একাংশ ঠিকাদাৰে চৰম মইমতালি প্ৰদৰ্শন কৰা পৰিলক্ষিত হৈছে। বিভাগটোৰ তেনে এজন মদগৰ্বী ঠিকাদাৰৰ চূড়ান্ত মইমতালিৰ দুৰ্ভোগ ভুগিব লগা হৈছে নগাঁও জিলাৰ ধিং সমষ্টিৰ ৰাইজে। স্মৰ্তব্য যে গড়কাপ্তানী বিভাগে বিগত ২০১৭-১৮তে ধিং সমষ্টিৰ অন্তৰ্গত লালীবিলত বহলমুখ-বৰবৰী পথত থকা কাঠৰ দলংখন (পেকেজ নম্বৰ বি আৰ-১০০০/এলএচি-৮৩/০৯৮) পকীকৰণৰ বাবে বিভাগীয়ভাৱে অনুমোদন জনাই সেই কামৰ ঠিকা গুৱাহাটীৰ মেছাৰ্ছ নৰ্থ-ইষ্ট প্লেনটেচন এণ্ড কমাৰ্চিয়েল প্ৰাইভেট লিমিটেড নামৰ ঠিকাদাৰ প্ৰতিষ্ঠানটোক আবণ্টন দিছিল। ঠিকাদাৰ গোষ্ঠীক কামৰ আবণ্টন দিয়া হয় যদিও বিভিন্ন অজুহাতত আজি পৰ্যন্ত দলংখনৰ পকীকৰণৰ কাম আৰম্ভ কৰা নহ’ল। ফলত যাতায়াতৰ ক্ষেত্ৰত ৰাইজে দুৰ্ভোগ ভুগিব লগা হৈছে। অৱশ্যে এই সন্দৰ্ভত স্থানীয় বিধায়ক আমিনুল ইছলামৰ ভূমিকাও সম্পূৰ্ণ নেতিবাচক বুলি স্থানীয় লোকে অভিযোগ কৰিছে। বিগত ২০১৭-১৮তে দলংখনৰ নিৰ্মাণৰ কাম ঠিকাদাৰ গোষ্ঠীক আবণ্টন দিয়াৰ পাছতো কোনো কামেই আৰম্ভ নকৰাত শেহতীয়াকৈ স্থানীয় একাংশ লোকে মন্ত্ৰী পীযুষ হাজৰিকাক সাক্ষাৎ কৰি এই বিষয়ে অভিযোগ দাখিল কৰি দলংখনৰ নিৰ্মাণ কাৰ্য সোনকালে আৰম্ভ কৰাৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰিবলৈকো দাবী জনায়। ইয়াৰ পাছতেই গড়কাপ্তানী বিভাগৰ বটদ্ৰৱা, ধিং আৰু ৰহা টেৰিটৰিয়েল ৰ’ড ডিভিজনৰ কাৰ্যবাহী অভিযন্তা গোবিন্দ সিঙে যোৱা ২৩ জুলাইত মেমো নম্বৰ এমআইএছচি/৭৩৬/১১/২০১৮-২০ ১৯/৬৯০-এ চিঠি মৰ্মে মেছাৰ্ছ নৰ্থ-ইষ্ট প্লেনটেচন এণ্ড কমাৰ্চিয়েল প্ৰাইভেট লিমিটেড নামৰ ঠিকাদাৰ প্ৰতিষ্ঠানটোক অতি শীঘ্ৰে দলংখনৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰিবলৈ অনুৰোধ জনায়। কাম আবণ্টনৰ প্ৰায় চাৰি বছৰৰ পাছতো চৰম ঊৰ্দ্ধতালিৰে ঠিকাদাৰ গোষ্ঠীটোৱে দলংখনৰ কোনো কামেই আজি পৰ্যন্ত আৰম্ভ নকৰাৰ পাছতো বিভাগটোৱে ঠিকাদাৰী প্ৰতিষ্ঠানটোৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰাৰ বিপৰীতে কাম আৰম্ভ কৰিবলৈহে অনুৰোধ জনাই পত্ৰ প্ৰেৰণ কৰা কাৰ্যক স্থানীয় ৰাইজে কটু সমালোচনা কৰিছে।

# কৰ্মসংস্থাপনৰ বাবে বাংগালুৰুলৈ যোৱাৰ পথত বাগ্‌সাৰ দুজন শ্ৰমিক সন্ধানহীন

**অগ্ৰদূত বাৰ্তা**
**মুছলপুৰ, ২৮ আগষ্ট ঃ** কৰ’না পৰিৱেশৰ মাজতে কৰ্ম সংস্থাপনৰ বাবে বাংগালুৰুলৈ যোৱাৰ পথত বাগ্‌সাৰ দুজন শ্ৰমিক নিৰুদ্দেশ হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। বাগ্‌সা জিলাৰ বৰবৰী আৰক্ষী থানাৰ অন্তৰ্গত আল্লিয়াৰ জিতু বৈশ্য আৰু শিমলা আৰক্ষী থানাৰ অন্তৰ্গত ককলাবাৰী গাঁৱৰ চিজয় বসুমতাৰীয়ে চালিজন বন্ধুৰ স’তে বিগত ২২ আগষ্টত বাংগালুৰুলৈ কৰ্মসংস্থাপনৰ বাবে ৰাওনা হৈছিল। প্ৰথমে ৰঙিয়াৰ পৰা হাওৰালৈ গৈ পাছত আটাই কেইজনে বাংগালুৰুলৈ বুলি আন এখন ৰেলেৰে যাত্ৰা কৰিছিল। কিন্তু গন্তব্য স্থান পোৱাৰ পূৰ্বে জিতু বৈশ্য আৰু চিজয় বসুমতাৰী ৰেলৰ পৰা নিৰুদ্দেশ হয়। পৰিয়ালে জানিব দিয়া মতে নিৰুদ্দিষ্ট লোক দুজনৰ বন্ধু কেইজনে বাংগালুৰু পোৱাৰ পাছতে জিতু আৰু চিজয়ৰ নিৰুদ্দেশ সন্দৰ্ভত কোনো খবৰ জনোৱা নাছিল। পৰিয়ালৰ লোকে জিতু বৈশ্যক ফোন কৰাত ৰেলৱে আৰক্ষীয়ে ফোন ৰিচিভ কৰাত সকলো ঘটনা পোহৰলৈ আহে। এই সন্দৰ্ভত পৰিয়ালে বন্ধু কেইজনক ফোন কৰিও কোনো সদুত্তৰ নোপোৱাত অৱশেষত বৰবৰী আৰু শিমলা আৰক্ষী থানাত পৃথকে একোখনকৈ এজাহাৰ প্ৰদান কৰে। উল্লেখ্য যে বৰবৰী আৰু বিষ্ণুপুৰৰ প্ৰবীন হালৈ, আনন্দ বড়ো আৰু খায়াৰ তত্ত্বাৱধানত জিতু আৰু চিজয়ে কৰ্মসংস্থাপনৰ বাবে বাংগালুৰুলৈ গৈছিল। জিতু বৈশ্যৰ পৰিয়ালে অভিযোগ কৰি কয় যে লগৰ দুজনকৈ ব্যক্তি নিৰুদ্দেশ হোৱাৰ পাছতো বন্ধু কেইজনে সঠিক উত্তৰ দিয়াৰ পৰিৱৰ্তে কথাটো এৰাই চলিব বিচাৰিছে। আনহাতে, জিতু বৈশ্যৰ মানিবেগটো বন্ধু কেইজনৰ লগত থকাত ঘটনাটো অধিক ৰহস্যজনক হৈ পৰিছে। দৰিদ্ৰতাৰ বাবে বহিঃৰাজ্যলৈ গৈ নিৰুদ্দেশ হোৱা জিতুৰ পৰিয়ালত এতিয়া হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। একমাত্ৰ উপাৰ্জনক্ষম ব্যক্তিজন নিৰুদ্দেশ হোৱাত পত্নী আৰু তিনি সন্তানে কি কৰিব এই লৈ চিন্তাত পৰিছে। সেইদৰে কোকলাবাৰীৰ চিজয় বসুমতাৰীৰ ঘৰতো একে পৰিৱেশে বিৰাজ কৰিছে। দুয়োটা পৰিয়ালে এতিয়া আৰক্ষীৰ সহায় বিচাৰিছে। আনহাতে, কোনো সদাশয় লোকে যদি ব্যক্তি দুজনক দেখে তেন্তে এই ৮৬৩৮৯৪০৪৫৫ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

# পৰীক্ষাৰ নম্বৰেৰে জীৱন জুখিব নোৱাৰি ঃ শৰ্মা

## অভীপ্সাৰ বিদ্যাৰ্থী সম্ভাষণ অনুষ্ঠান



**অগ্ৰদূত বাৰ্তা**
**বৰভাগ, ২৮ আগষ্ট ঃ** ‘পৰীক্ষাৰ নম্বৰ কেন্দ্ৰিক ব্যৱস্থাৰে জীৱনৰ মান জুখিব নোৱাৰি। লক্ষ্যত উপনীত হ’বলৈ আত্মবিশ্বাস লাগিব আৰু লাগিব সাধনা।’ এই মন্তব্য নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি, নাট্যকাৰ ধ্ৰুৱজ্যোতি শৰ্মাৰ। নলবাৰী জিলাৰ বৰভাগৰ আদৰ্শ গাঁও সোণকানিত আজি এক অনুষ্ঠানত একাংশ ছাত্ৰ-ছাত্ৰীক সাদৰ অভিনন্দন জনাই অভীপ্সা নামৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠানটোৱে। উক্ত অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকি শৰ্মাই পুনৰ কয় যে পিতৃ-মাতৃ আৰু গুৰুক শ্ৰদ্ধা কৰা বিদ্যাৰ্থীয়ে সদায় সফলতা অৰ্জন কৰে। অৱসৰী শিক্ষক বিষ্ণু জ্যোতি কলিতাৰ সভাপতিত্বত আৰু শাৰীৰিক শিক্ষা নিৰ্দেশক জ্যোতি মোহন কলিতাই আঁত ধৰা সম্বৰ্ধনা অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে অংশ গ্ৰহণ কৰে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য ডাঃ বিপিন চন্দ্ৰ কলিতাই। অনুষ্ঠানত ভাষণ আগবঢ়ায় বশিষ্ঠ তালুকদাৰ, নৃপেন কলিতা আদিয়ে। সম্বৰ্ধিত বিদ্যাৰ্থীসকল হ’ল নীতাশ্ৰী কলিতা, শুভম কলিতা, জয়শ্ৰী কলিতা, গীতাৰ্থ দাস, হিতাস্মিতা কলিতা আৰু জ্যোতি স্মিতা ডেকা। অভীপ্সাৰ পৰিচালনা সঞ্চালক পৰেশ চন্দ্ৰ কলিতাই শলাগৰ শৰাই আগবঢ়াই আৰ্থিকভাৱে দুৰ্বল ছাত্ৰ-ছাত্ৰীসকলক প্ৰয়োজন সাপেক্ষে আৰ্থিক সহায় আগবঢ়াব বুলি ঘোষণা কৰে।

# বিজেপিত যোগদান কৰিব বৰছলাৰ অজাপ নেতা-কৰ্মীয়ে

**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ২৮ আগষ্ট ঃ** অসম জাতীয় পৰিষদৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদকসহ অজাপৰ শোণিতপুৰৰ আঠজন নেতা-কৰ্মীয়ে বিজেপিত যোগদান কৰাৰ বাবে সাজু হৈছে। বিজেপিৰ এক সূত্ৰই উল্লেখ কৰা মতে, অহা পহিলা ছেপ্টেম্বৰত তেজপুৰৰ মাজগাঁওস্থিত শ্ৰীশ্ৰী শংকৰ মন্দিৰত অনুষ্ঠিতব্য বিজেপিৰ এক কাৰ্যসূচীত অজাপৰ নেতা-কৰ্মীসকলে যোগদানৰ সম্ভাৱনা আছে। বিজেপিৰ সূত্ৰটোৱে সদৰী কৰা মতে, অজাপৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক তথা যোৱা বিধানসভা নিৰ্বাচনত বৰছলা বিধানসভা সমষ্টিৰ পৰা আঞ্চলিক দলটোৰ হৈ প্ৰতিদ্বন্দ্বিতা কৰা উপেন ৰাজ নাথে সমষ্টিটোৰ আৰু সাতজন সহযোগীৰ স’তে বিজেপিত যোগদানৰ বাবে সাজু হৈছে। উল্লেখ্য যে এইসকলৰ স’তে শোণিতপুৰ জিলা বিজেপিৰ সভাপতি তুলসী বৰঠাকুৰৰে যোগাযোগ চলিছে। অজাপৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক নাথ দলটোৰ মুখপাত্ৰ আৰু চিৰাং জিলাৰ পৰ্যবেক্ষকৰ দায়িত্বতো আছে। ইপিনে, বিজেপিৰ সূত্ৰই এই যোগদান নিশ্চিত হোৱা বুলি প্ৰকাশ কৰাৰ বিপৰীতে অজাপৰ সাংগঠনিক সম্পাদক নাথে এই সন্দৰ্ভত কয় যে তেওঁ আৰু সতীৰ্থসকলে বিজেপিত যোগদান কৰাক লৈ দলটোৰে যোগাযোগ চলাটো সত্য যদিও এই বিষয়ে অহা দুদিনৰ ভিতৰত সকলো নিশ্চিত হ’ব। বৰ্তমান বিষয়টোক লৈ দুয়োপক্ষৰ আলোচনা চলি থকা বুলিও উল্লেখ কৰি নাথে এই বিষয়ে দুদিনৰ পাছত সকলো কথা ৰাজহুৱা কৰা হ’ব বুলিও মন্তব্য কৰে।

# ব্ৰেইন টিউমাৰত আক্ৰান্ত বাতৰি কাকত বিতৰক চৈতন্য বৰ্মনৰ মৃত্যু



**বিশেষ সংবাবাদদাতা**
**নলবাৰী, ২৮ আগষ্ট ঃ** প্ৰায় ১৫ বছৰ ধৰি বৰক্ষেত্ৰীৰ ভিন্ন প্ৰান্তত বাতৰি কাকত বিতৰণ কৰি সেৱা আগবঢ়াই অহা মুকালমুৱাৰ নিকটৱৰ্তী বৰতলা গাঁৱৰ অমায়িক যুৱক চৈতন্য বৰ্মন (৩৯)ৰ আজি মৃত্যু হয়। উল্লেখ্য যে দীৰ্ঘদিন ধৰি পৰিশ্ৰমী যুৱকজন ব্ৰেইন টিউমাৰত আক্ৰান্ত হৈ জি এম চি এইচত চিকিৎসাধীন হৈ আছিল যদিও পৰৱৰ্তী সময়ত যুৱকজনৰ অৱস্থা অতি সংকটজনক হোৱাত চিকিৎসকে নিজ গৃহতে ৰাখিবলৈ পৰামৰ্শ দিয়ে। প্ৰায় এমাহ ধৰি নিজ গৃহতে শয্যাগত হৈ থকা চৈতন্যৰ আজি দিনৰ ১২.২০ বজাত মৃত্যু ঘটে। চৈতন্যৰ ব্ৰেইন টিউমাৰে অন্তিম পৰ্যায় পোৱা বুলি চিকিৎসালয় সূত্ৰত প্ৰকাশ। সৰবৰহী যুৱকজনৰ মৃত্যুত স্বাভাৱিক কাৰণতেই অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে। সদা হাস্যমুখৰ চৈতন্যৰ মৃত্যুত বৰক্ষেত্ৰী প্ৰেছ ক্লাব, বৰতলা গাঁও উন্নয়ন সমিতি, বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মন, প্ৰাক্তন বিধায়ক নাৰায়ণ ডেকাসহ বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰাৰ লগতে মৃতকৰ পৰিয়ালৰ প্ৰতি সমবেদনা জনায়। মৃত্যুৰ সময়ত বাতৰি কাকত বিতৰক চৈতন্যই পত্নীসহ কণমানি পুত্ৰৰ লগতে আৰু বহু আত্মীয়ক ইহ সংসাৰত এৰি যায়।

অসম দাপোণ

দেওবৰীয়া দৈনিক অগ্ৰদূত

গুৱাহাটী, ২৯ আগষ্ট ২০২১, দেওবাৰ পৃষ্ঠা ১৩


### ৰাজ্য চৰকাৰে মাজুলীৰ অনুসূচিত জাতিক প্ৰতাৰণাৰ অভিযোগ

# উপ-নিৰ্বাচনৰ পূৰ্বে সমস্যা সমাধান নকৰিলে মাজুলীৰ ৩০ হেজাৰ ভোট হেৰুৱাব লাগিব



অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ২৮ আগষ্ট ঃ** মাজুলীৰ অনুসূচিত জাতি ছাত্ৰ সন্থা, অনুসূচিত জাতি যুৱ-ছাত্ৰ পৰিষদ আৰু সমতা সৈনিক দলৰ একত্ৰিত সংবাদমেলত চৰকাৰে অনুসূচিত জাতিক প্ৰতাৰণা কৰি আহিছে বুলি অভিযোগ। আজি এক সংবাদমেলযোগে নেতৃবৃন্দই কৰা অভিযোগ অনুসৰি, অন্যান্য জনগোষ্ঠীৰ দৰেই অনুসূচিত জাতি স্বায়ত্তশাসিত পৰিষদ গঠন কৰাৰ বহুদিনীয়া দাবী অদ্যপৰিমিত পূৰণ নকৰিলে। চৰকাৰে বিগত পাঁচ বছৰৰ আগতে জিলা অনুসূচিত উন্নয়ন পৰিষদ গঠন কৰিব বুলি ঘোষণা কৰি এতিয়াও গঠন নকৰি জাতিটোক প্ৰতাৰণা কৰিছে। সৰ্বানন্দ সোণোৱালৰ নেতৃত্বাধীন চৰকাৰে কৈৱৰ্ত জাতিৰ মহীয়সী নাৰী সতী ৰাধিকাৰ সমন্বয় ক্ষেত্ৰৰ বাবে ডেৰ হেজাৰ কোটি টকা এক আঁচনিত অনুমোদন জনায়। ইতিমধ্যে বালিচাপৰি চিলাকলাত ৫০ বিঘা মাটি অধিগ্ৰহণ কৰিলে। কিন্তু আজিলৈকে এচপৰা মাটিও নপৰিল। চৰকাৰে এই ক্ষেত্ৰত এগৰাকী মহীয়সী নাৰীক অপমান কৰাৰ অধিকাৰ নাই বুলি নেতৃবৃন্দই অভিযোগ উত্থাপন কৰে। তেওঁলোকে কয় যে অনুসূচিত জাতিৰ বাবে অনুমোদিত আম্বেদকাৰ ভৱন নিৰ্মাণত ঠিকাদাৰ আৰু বিভাগীয় লোকে লুণ্ঠনহে চলাই কেৱল প্ৰতাৰণা কৰিছে। অৰ্ধনিৰ্মিত গৃহটোৱে জাতিটোক প্ৰৰোচিত কৰাই নহয়, চৰকাৰৰ উন্নয়নৰ ফোঁপোলা স্বৰূপ উদঙাই দিছে। আনহাতে, বহুমুখী প্ৰকল্পৰ বাবে ২০ বিঘা মাটি আবণ্টন দিলে যদিও চৰকাৰে নিবিদা কৰাৰ অৱকাশ নোপোৱাটো প্ৰতাৰণাৰ আন এক নিদৰ্শন। ইফালে, অনুসূচিত জাতিৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অহা জলপানি ছাত্ৰ-ছাত্ৰীসকলক নিদি বন্ধ কৰি ৰাখি কাৰ উপকাৰ সাধিছে তাকে লৈ ৰহস্যৰ সৃষ্টি হৈছে। তদুপৰি সমাজ কল্যাণ বিভাগৰ কাৰ্যালয়ত অনুসূচিত জাতিৰ দৰিদ্ৰ লোকলৈ অহা সামগ্ৰী দীৰ্ঘদিন ধৰি বন্ধ কৰি ৰখাত নষ্ট হ'বলৈ ধৰিছে। এয়া দৰিদ্ৰসকলক প্ৰতাৰণা কৰাৰ লগতে জাতিটোৰ বাবে অৱহেলাৰ আন এক উদাহৰণ। বিভাগীয় লোকৰ অৱহেলা জিলা প্ৰশাসনে দেখিও নেদেখাৰ ভাও জুৰি আহিছে। এই বিষয়বিলাক সৰ্বানন্দ সোণোৱাল চৰকাৰখনে অৱহেলা কৰিলেও বৰ্তমানৰ মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাৰ দৃষ্টিগোচৰ কৰি সমাধানৰ দাবী জনায়। সংগঠনকেইটাই উপ-নিৰ্বাচনৰ আগতে আঁচনিৰ কাম আৰম্ভ নকৰে তেতিয়াহ'লে উপ-নিৰ্বাচনত মাজুলীৰ অনুসূচিত জাতিৰ ৩০ হেজাৰ ভোট শাসকীয় দলে হেৰুৱাবলগীয়া হ'ব বুলি সকীয়াই দিয়ে।

## মাজুলীৰ নিতুল বৰুৱাৰ আকস্মিক বিয়োগ

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ২৮ আগষ্ট ঃ** মাজুলী কমলাবাৰী দৰিয়া গাঁও নিবাসী দেবেন বৰুৱাৰ একমাত্ৰ পুত্ৰ নিতুল বৰুৱা (৩৮)ৰ আকস্মিক মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে দৰিয়াগাঁও, কমলাবাৰী অঞ্চলৰ লগতে মাজুলীৰ বিভিন্ন প্ৰান্তত শোকৰ ছাঁ পৰিছে। গুৱাহাটীৰ এটা ব্যক্তিগত কোম্পানীত কৰ্মৰত নিতুল যোৱা নিশা হঠাৎ অসুস্থ হৈ পৰাত ততাতৈয়াকৈ জিএমচি হাস্পতাললৈ চিকিৎসাৰ বাবে নিয়া হয় যদিও পুৱা ৫-৩০ বজাত মৃত্যুক আঁকোৱালি লয়। নিতুল যকৃতৰ ৰোগত আক্ৰান্ত হৈছিল। পত্নীসহ পিতৃ-মাতৃক এৰি যোৱা নিতুলৰ মৃত্যুত বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰিছে। ইতিমধ্যে যুৱকজনৰ নশ্বৰদেহ মাজুলীলৈ আনিছে।

### তথ্যচিত্ৰ 'এন্ধাৰৰ ভেটা ভাঙি...'

## জ্ঞান বিকাশ একাডেমীৰ বৰ্ষপূৰ্তি অনুষ্ঠান



অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ২৮ আগষ্ট ঃ** 'শিক্ষানুষ্ঠান এখন প্ৰতিষ্ঠা কৰি, ধাৰাবাহিকভাৱে ফলাফল উন্নত কৰাৰ লগতে সকলোবোৰ দিশ সমানে আগবঢ়াই নি ১০ টা বছৰ বৰ্তি থকাটো বৰ সহজ কাম নহয়। জ্ঞানৰ পোহৰ বিলোৱাৰ লগতে সাংস্কৃতিক পৰিৱেশ এটি গঢ় দিব পৰাটো শিক্ষানুষ্ঠান এখনৰ বাবে আদৰণীয় পদক্ষেপ।' এই মন্তব্য দৰঙৰ আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মাৰ। যোৱা ২৭ আগষ্টত মঙলদৈৰ জ্ঞান বিকাশ একাডেমীৰ বিগত বছৰবোৰৰ শৈক্ষিক পৰিৱেশ, সফলতা আদিৰ ওপৰত নিৰ্মাণ হ'বলগীয়া তথ্য চিত্ৰ 'এন্ধাৰৰ ভেটা ভাঙি...'ৰ শুভ মহুৰৎ কৰি এইদৰে কয় শৰ্মাই। একাডেমীৰ প্ৰেক্ষাগৃহত আয়োজিত আৰু অধ্যক্ষ কুশল কলিতাই আঁত ধৰা অনুষ্ঠানত উপস্থিত থাকে অসম গৌৰৱ বিশিষ্ট নাট্যকাৰ, পৰিচালক, গীতিকাৰ, অভিনেতা হেমন্ত দত্ত। শিক্ষানুষ্ঠানখনে লোৱা পদক্ষেপক প্ৰশংসা কৰি তেওঁ কয় যে এনে ধৰণৰ প্ৰচেষ্টা আদৰ্শ স্বৰূপ আৰু ইয়াৰ বাবে তেওঁ হিয়া ভৰা আশীৰ্বাদৰ লগতে সম্পূৰ্ণ সহযোগিতা আগবঢ়াব। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ-পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি ভৱেশ কাকতি আৰু জ্যেষ্ঠ মদন চন্দ্ৰ বৰুৱাই জ্ঞান বিকাশ একাডেমীয়ে বিগত ১০ টা বছৰত শতাধিক ছাত্ৰ-ছাত্ৰীক বিনামূলীয়াকৈ নামভৰ্তি কৰাই শিক্ষা প্ৰদান কৰি আৰু কৰ'না কালত পাঁচ শতাধিক পৰিয়ালক খাদ্য সামগ্ৰী প্ৰদান কৰি সমাজৰ প্ৰতি দায়বদ্ধতাৰ উৎকৃষ্ট উদাহৰণ দাঙি ধৰিছে। অনুষ্ঠানত ৰাজতিলক থিয়েটাৰৰ সম্পাদক দীপক কলিতা, আন্তঃমঙলদৈ ছাত্ৰ সন্থাৰ সভাপতি আৰু সম্পাদক ক্ৰমে অজয় ডেকা, ভাস্কৰজ্যোতি ডেকা, বিশিষ্ট পৰিচালক, অভিনেতা অনিৰ্বাণ দত্ত আদি উপস্থিত থাকে। উল্লেখ্য যে জ্ঞান বিকাশ একাডেমীয়ে দশম বৰ্ষপূৰ্তি উপলক্ষে অহা জুলাইলৈকে অবিভক্ত দৰং জিলাত বিভিন্ন শৈক্ষিক আৰু সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে।

## ঘৰত কোনো নথকাৰ সুযোগ লৈ শিশুক যৌন নিৰ্যাতন চলোৱাৰ চেষ্টা ঃ এজনক গ্ৰেপ্তাৰ

**বৰপথাৰ, ২৮ আগষ্ট ঃ** শিশুক যৌন নিৰ্যাতন চলোৱাৰ ঘটনাই বিভিন্ন সময়ত সংবাদ মাধ্যমৰ শিৰোনাম দখল কৰি থকাৰ সময়তে বৰপথাৰৰ টেঙানীতো সংঘটিত হৈছে এক অনুৰূপ ঘটনা। তথ্য অনুসৰি বৰপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত টেঙানী নাহৰ খনাত ঘৰত কোনো নথকাৰ সুযোগ গ্ৰহণ কৰি এগৰাকী ৯ বছৰীয়া কন্যা শিশুক যৌন নিৰ্যাতন চলোৱাৰ অভিযোগ উঠিছে টেঙানীৰ এজন বিবাহিত যুৱকৰ বিৰুদ্ধে। উত্থাপিত অভিযোগ অনুসৰি কালি শিশুগৰাকীক ককায়েকৰ লগত থৈ বাগানলৈ পাত ছিঙিবলৈ গৈছিল পিতৃ-মাতৃ। প্ৰণিধানযোগ্য যে ভনীয়েকৰ লগত কিছু সময় থকাৰ পাছতে ককায়েকে ঘৰৰ পিছফালৰ বাৰীলৈ ওলাই গৈছিল। ককায়েক বাৰীলৈ ওলাই যোৱাৰ পাছত দিনৰ প্ৰায় দুই বজাত টেঙানীৰে দীঘলী মাজগাঁৱৰ বিশ্ব দাস নামৰ বিবাহিত যুৱকজনে প্ৰৱেশ কৰে শিশুটিৰ ঘৰত। ঘৰত আৰু কোনো নথকাৰ উমান পাই বিশ্বই শিশুটিক সাবটি ধৰি যৌন নিৰ্যাতন চলোৱাৰ চেষ্টা চলায়। বিশ্বৰ এনে কাৰ্যত হতচকিত হৈ শিশুটিয়ে চিঞৰ-বাখৰ কৰে। ভনীয়েকৰ চিৎকাৰ শুনি বাৰীৰ পৰা ককায়েক ঘৰৰ ভিতৰলৈ আহোঁতেই বিশ্বই পলাই যাবলৈ সক্ষম হয় বুলি জানিবলৈ দিছে পৰিয়ালৰ লোকে। ইতিমধ্যে ঘটনা সম্পৰ্কে বৰপথাৰ আৰক্ষী থানাত বিশ্বৰ বিৰুদ্ধে শিশুটিৰ মাতৃয়ে গোচৰ দিছে। শিশুটিৰ মাতৃৰ গোচৰৰ ভিত্তিত ১২৩-২০২১ নম্বৰত পস্ক আইনৰ অধীনত এটা গোচৰ ৰুজু কৰি বিশ্বক আটক কৰিছে বৰপথাৰ আৰক্ষীয়ে। আনহাতে স্বাস্থ্য পৰীক্ষাৰ বাবে কন্যা শিশুটিক গোলাঘাটলৈ প্ৰেৰণ কৰিছে আৰক্ষীয়ে।

## অৱসৰপ্ৰাপ্ত অধ্যক্ষ ইন্দ্ৰসেন বড়োৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**জালাহ, ২৮ আগষ্ট ঃ** বজালীৰ বাঘমাৰাৰ সমীপৰ গড়গাঁও নিবাসী তথা বাঘমাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ইন্দ্ৰসেন বড়ো (৮০)ৰ আজি পুৱতি নিশা নিজ বাসভৱনত মৃত্যু হয়। ২০০২ত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পাছত অঞ্চলটোৰ বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত জড়িত হৈ আছিল। তেওঁৰ মৃত্যুৰ বাতৰি পাই গড় বজাৰ কমিটী, বাঘমাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী সন্থা, জয়হিন্দ সংঘ, বাঘমাৰা আঞ্চলিক ক্ৰীড়া সন্থা, বাঘমাৰা আঞ্চলিক ছাত্ৰ সন্থা, বাঘমাৰা আঞ্চলিক উন্নতি সভা, গড় চ'কৰ ব্যৱসায়ী সন্থা আদিয়ে প্ৰয়াত বড়োৰ মৃতদেহত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী, এজন পুত্ৰ সহিতে দুগৰাকী কন্যা আৰু গুণমুগ্ধক ইহ সংসাৰত এৰি যায়। বড়োই দীৰ্ঘদিন ধৰি উচ্চ ৰক্তচাপ আৰু মধুমেহ ৰোগত ভুগি আছিল।

## ৰঙাপৰাত অৰ্ধ-শতাধিকৰ অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদত যোগদান



বিশেষ সংবাদদাতা

**ৰঙাপৰা, ২৮ আগষ্ট ঃ** শোণিতপুৰ জিলাৰ অগ্ৰণী শৈক্ষিক অনুষ্ঠান ৰঙাপৰা মহাবিদ্যালয়ত আজি অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ উদ্যোগত অনুষ্ঠিত বিনামূলীয়া নামভৰ্তিকৰণ কাৰ্যসূচীৰ সমাপন অনুষ্ঠানত প্ৰায় অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰীয়ে ছাত্ৰ সংগঠনটোৰ নীতি-আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ ছাত্ৰ সংগঠনটিত যোগদান কৰে। ছাত্ৰ সংগঠনটিৰ ৰঙাপৰা শাখাৰ সক্ৰিয় সদস্য সৌৰভ দাসে আঁত ধৰা সভাত সভাপতিত্ব কৰে সংগঠনটিৰ ৰঙাপৰা শাখাৰ সভাপতি হৃষিকেশ দেই। সভাত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ শোণিতপুৰ জিলা সামাজিক মাধ্যম প্ৰমুখ ভাস্কৰ সৰকাৰে ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনায় আৰু সংগঠনৰ নীতি-আদৰ্শক সাৰোগত কৰি শৈক্ষিক, সামাজিক সেৱাসমূহ নিষ্ঠাৰ কৰি যাব বুলি আশা প্ৰকাশ কৰে। সভাত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ৰঙাপৰা শাখাৰ সম্পাদক অভিষেক সিং উপস্থিত থাকে।

## কলাইগাঁও প্ৰগতিশীল জনমঞ্চৰ ৰূপালী জয়ন্তী স্মাৰক তোৰণ উদ্বোধন

অগ্ৰদূত বাৰ্তা

**কলাইগাঁও, ২৮ আগষ্ট ঃ** কলাইগাঁও প্ৰগতিশীল জনমঞ্চৰ ৰূপালী জয়ন্তী স্মাৰক তোৰণ যোৱা ২৭ আগষ্টত উদ্বোধন কৰা হয়। বিধায়ক উন্নয়ন পুঁজিৰে আটকধুনীয়াকৈ নিৰ্মাণ কৰা তোৰণ উদ্বোধন কৰে কলাইগাঁও সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা উদ্‌যাপন সমিতিৰ সভাপতি মহেশ্বৰ বড়োৱে। অনুষ্ঠানত অৱসৰপ্ৰাপ্ত অধ্যাপক, লেখক, গৱেষক ডাঃ বিজয় শৰ্মা, জ্যেষ্ঠ অভিযন্তা ৰাজু শৰ্মা প্ৰমুখ্যে বিশিষ্ট তথা নেতৃস্থানীয় লোকসকল উপস্থিত থাকে। এই উপলক্ষে কলাইগাঁও প্ৰগতিশীল জনমঞ্চৰ সভাপতি তৰুণ আজাদ ডেকাৰ সঞ্চালনাত গীত-মাত-কথাৰে অনুষ্ঠিত সম্বৰ্ধনা আৰু মুকলি সভাত বিটিচিৰ কাৰ্যবাহী সদস্য দিগন্ত বৰুৱাই ভাষণ প্ৰদান কৰে। প্ৰগতিশীল জনমঞ্চৰ সম্পাদক দেবেন চন্দ্ৰ হাজৰিকাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত সমাজসেৱী মধুৰাম ডেকা, বাবুল চন্দ্ৰ বড়ো, ওদালগুৰি জিলা সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি গৌৰীশংকৰ দাস, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক জীৱন চন্দ্ৰ ডেকা আৰু শিল্পী, লেখক নৱজিৎ দাসে ভাষণ প্ৰদান কৰে। সভাত শিল্পী পুষ্প হাজৰিকা, খনিন্দ্ৰ বড়া আৰু মল্লিকা চহৰীয়াৰ গীত আৰু ব্যাসৰ ওজা তীৰ্থনাথ ওজাই পৰিৱেশন কৰা ব্যাস সংগীত (ওজাপালি)-এ সকলোকে আপ্লুত কৰে।

## কোকৰাঝাৰ চহৰৰ পৰা যক্ষ্মামুক্ত অভিযান আৰম্ভ



অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ২৮ আগষ্ট ঃ** 'এখন যক্ষ্মা মুক্ত ভাৰত' গঢ়ি তোলাৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা আঁচনি কোকৰাঝাৰতো আৰম্ভ কৰা হয়। কোকৰাঝাৰ চহৰৰ শান্তিনগৰৰ এক নম্বৰ ৱাৰ্ডত 'যক্ষ্মামুক্ত ভাৰত' আঁচনিৰ পতাকা জোঁকাৰি আৰম্ভ কৰে পৌৰসভাৰ সভানেত্ৰী প্ৰতিভা ব্ৰহ্মই। ভাষণ প্ৰসংগত তেওঁ জিলা যক্ষ্মা বিভাগে গ্ৰহণ কৰা এনে পদক্ষেপক আদৰণি জনাই সকলোকে সহায়-সহযোগিতা কৰিবলৈ আহ্বান জনায়। কোকৰাঝাৰ জিলা যক্ষ্মা বিভাগৰ উদ্যোগত আয়োজিত উক্ত অভিযানত জিলা যক্ষ্মা বিষয়া ডাঃ কৌশিক দাসে প্ৰথমতে সমগ্ৰ চহৰখনকে সামৰি লোৱা হ'ব বুলি কয়। যিসকলে বহুদিনৰ পৰা কাঁহ, চৰ্দি, জ্বৰত ভুগি আছে অথচ চিকিৎসালয়লৈ যোৱা নাই তেওঁলোকক চিনাক্ত কৰি কফৰ নমুনা সংগ্ৰহ কৰি পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হ'ব। যদিহে কোনোবা যক্ষ্মা ৰোগী চিনাক্ত হয় তেন্তে তেওঁলোকক তাৎক্ষণিকভাৱে চিকিৎসাৰ যাৱতীয় ব্যৱস্থা কৰা হ'ব। আজিকালি যক্ষ্মাক ইমান চিন্তনীয় বিষয় নহয় বুলি উল্লেখ কৰি এয়া খাদ্যৰ অভাৱত হোৱা এটা ৰোগ বুলি কয়। তেওঁ পুনৰ কয় যে ঔষধ সেৱন কৰি ভালদৰে খোৱা বোৱা কৰিলে শীঘ্ৰে আৰোগ্য লাভ কৰে। মাথোঁ অলপ সজাগতাৰ প্ৰয়োজন। উক্ত কাৰ্যসূচীত সহায় কৰে চহৰখনৰ 'আইডেল' নামৰ বেচৰকাৰী সংস্থাটোৱে।

## বিশ্বনাথ ঘাটত বন গাহৰিক লৈ আতংক

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৮ আগষ্ট ঃ** বিশ্বনাথ ঘাটৰ ছোৱাগুৰীৰ শ্লুইচগেট এক নম্বৰ মথাউৰিত বন গাহৰিয়ে আতংকৰ সৃষ্টি কৰিছে। বন গাহৰিটোৰ দুপৰীয়া ব্ৰহ্মপুত্ৰ পাৰ হৈ জনাঞ্চলত প্ৰৱেশ কৰে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা গাহৰিটোৱে বানপানীত উটি আহি বিশ্বনাথ ঘাটৰ ছোৱাগুৰিৰ মথাউৰিত প্ৰৱেশ কৰাত ৰাইজৰ মাজত আতংকৰ সৃষ্টি হয়। বন গাহৰিটোৰ আক্ৰমণত কথমপি প্ৰাণ ৰক্ষা পৰে ছাহজাহান আলী নামৰ এজন যুৱকৰ। আনহাতে, কৰিফুল নেছা নামৰ এগৰাকী মহিলা সামান্য পৰিমাণে আহত হয়। পাছত বন বিভাগৰ দল উপস্থিত হৈ বন গাহৰিটো খেদি পঠিয়াবলৈ চেষ্টা চলায়।

## কচুৱাত ধৰ্ষণকাৰীক জেললৈ প্ৰেৰণ

অগ্ৰদূত বাৰ্তা

**কচুৱা, ২৮ আগষ্ট ঃ** যোৱা ২৬ আগষ্টৰ নিশা কচুৱা আৰক্ষী থানাই অভিযান চলাই জুৰিৰপাৰৰ পলাতক ধৰ্ষণকাৰী আলাল উদ্দিন(৫৫)ক গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে কিছুদিন পূৰ্বে ধৃত আলাল উদ্দিনে নাবালিকাক ধৰ্ষণ কৰি অন্তঃসত্বা কৰিছিল। নাবালিকাৰ মাতৃৰ লগতো অবৈধ সম্পৰ্ক গঢ়ি তুলি কৌশলেৰে অন্তঃসত্বা হোৱা নাবালিকাক গৰ্ভপাত কৰাত ঘটনাটো পোহৰলৈ আহিছিল। নাবালিকাৰ পিতৃয়ে কচুৱা থানাত গোচৰ ৰুজু কৰাৰ পাছৰ পৰাই পলাতক হৈ আছিল আলাল উদ্দিন। মানৰ সমাজক লজ্জানত কৰা এই ঘটনাত জড়িতক কঠোৰ শাস্তি প্ৰদান কৰিবলৈ স্থানীয় ৰাইজে দাবী জনাইছে।



*নিৰাপদ স্থানৰ সন্ত্ৰাসত বানাক্ৰান্তৰ নাৱেৰে যাত্ৰা, শনিবাৰে কলিয়াবৰত।*

## ছিপাঝাৰত বৈষ্ণৱ মহেন্দ্ৰ বৰুৱাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**ছিপাঝাৰ, ২৮ আগষ্ট ঃ** ছিপাঝাৰৰ বিশিষ্ট শিক্ষাবিদ, বৈষ্ণৱ তথা অৱসৰপ্ৰাপ্ত শিক্ষক মাৰৈ গাঁৱৰ দুৱাহাটী নিবাসী মহেন্দ্ৰ চন্দ্ৰ বৰুৱা (৭৯)ৰ বাৰ্ধক্যজনিত কাৰণত যোৱা নিশা নিজ বাসগৃহত মৃত্যু হয়। ছিপাঝাৰ শ্ৰীমন্ত শংকৰদেৱ সেৱাশ্ৰমৰ প্ৰতিষ্ঠাপক সম্পাদক তথা মহাপুৰুষীয়া সমাজৰ একান্ত সেৱক বৰুৱাৰ মৃত্যুত গভীৰ শোকৰ ছাঁ পৰিছে। বৈষ্ণৱ বৰুৱাৰ মৃত্যুত মহাপুৰুষীয়া সমাজৰ দৰং জিলা সমিতি, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ছিপাঝাৰ আঞ্চলিক শাখা, বিশিষ্ট সমাজকৰ্মী কুলদীপ বৰুৱা, মাৰৈ সেৱক প্ৰাথমিক বিদ্যালয়, যুৱ-ছাত্ৰ পৰিষদৰ দৰং জিলা সমিতিৰ নেতা তৰুণ চহৰীয়াই গভীৰ শোক প্ৰকাশ কৰিছে।

## বিশ্বনাথত শংকৰদেৱ শিশু নিকেতন স্কুল স্থাপন

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৮ আগষ্ট ঃ** বালিচাং সমূহীয়া ভৱনত আজি বৃহত্তৰ বালিচাং অঞ্চলত শংকৰদেৱ শিশু নিকেতন স্কুল স্থাপন কৰাৰ এক বিশেষ সভা অনুষ্ঠিত হয়। অৱসৰপ্ৰাপ্ত শিক্ষক ৰত্নেশ্বৰ মহন্তই সভাপতিত্ব কৰা সভাখনত উপস্থিত থাকে বিশ্বনাথ বিধানসভা সমষ্টিৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ, শিশু শিক্ষা সমিতি (অসম প্ৰদেশ)ৰ সম্পাদক আৰু বিশ্বনাথ চাৰিআলি শিশু বিদ্যা নিকেতনৰ প্ৰধান আচাৰ্য জিতেন্দ্ৰ প্ৰসাদ গোস্বামী, বালিচাং উচ্চ ইংৰাজী বিদ্যালয়ৰ লগতে দলংগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক ক্ৰমে হৰিপ্ৰসাদ শৰ্মা, বগীৰাম ক্ৰ', নন্দলাল উপাধ্যায়, মুৰুলীধৰ চাহু, ৰাজেন্দ্ৰ গুপ্তই, অৱসৰপ্ৰাপ্ত শিক্ষক ক্ষেমৰাজ ছেত্ৰীৰ লগতে ধূলী আৰু বালিচাং গাঁও পঞ্চায়তৰ সভাপতিদ্বয় হেমন্ত নাথ আৰু দীপালী দেৱী।

## আহোম জাতীয় গণমঞ্চৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতিক অব্যাহতি

অগ্ৰদূত বাৰ্তা

**মৰাণ, ২৮ আগষ্ট ঃ** আহোম জাতীয় গণমঞ্চৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি বুলেন গগৈক সভাপতি পদৰ পৰা অব্যাহতি দিয়া হৈছে বুলি আহোম জাতীয় গণমঞ্চৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মহেন্দ্ৰ দিহিংগীয়া আৰু সহকাৰী সম্পাদক অৰুণ ভূএগ্রাই এক বিবৃতিত উল্লেখ কৰিছে। আজি মৰাণত অনুষ্ঠিত সংগঠনৰ এখন জৰুৰী সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। উক্ত সভাই বলেন গগৈৰ ঠাইত বিকাশ কোঁৱৰক ভাৰপ্ৰাপ্ত সভাপতি আৰু পল্লৱ দুৱৰাক সম্পাদকৰ দায়িত্ব অৰ্পণ কৰে। সভাৰ আৰম্ভণিতে মৰিধল মহাবিদ্যালয়ৰ ছাত্ৰী নন্দিতা শইকীয়াৰ মৃত্যুত প্ৰাৰ্থনা জনাই দোষীক কঠোৰ শাস্তি প্ৰদান কৰিবলৈ চৰকাৰক দাবী জনাইছে।

### যোগানমন্ত্ৰীৰ প্ৰতিকৃতি দাহ

## অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদত আছুৰ পথ অৱৰোধ



অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ২৮ আগষ্ট ঃ** সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ আহ্বানত বাহাৰঘাট আঞ্চলিক ছাত্ৰ সন্থাই আজি দিনৰ এক বজাত সানেকুছি চকত মৰোৱা-কমলপুৰ গড়কাপ্তানী পথ অৱৰোধ কৰি 'অসম চৰকাৰ হায় হায়, যোগান বিভাগ হায় হায়, অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধ কৰক' শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলে। কাৰ্যসূচীত সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক বিকি শৰ্মা, বাহাৰঘাট আঞ্চলিকৰ সভাপতি আকাশ বৰুৱা, সম্পাদক মইনুল হককে ধৰি ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকল উপস্থিত থাকে। সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক বিকি শৰ্মাই পৰিৱৰ্তনৰ শ্ল'গান দিয়া অসম চৰকাৰৰ যোগান বিভাগক কঠোৰ সমালোচনা কৰি কয় যে অতি শীঘ্ৰে চৰকাৰখনে দৰিদ্ৰ জনসাধাৰণৰ সুবিধাৰ্থে মূল্যবৃদ্ধি হ্ৰাস কৰিব লাগে, অন্যথা পৰৱৰ্তী সময়ত ৰাইজৰ সহযোগত গণতান্ত্ৰিক আন্দোলন কৰিব বুলি হুংকাৰ দিয়ে।

# বিশুদ্ধ খোৱাপানীৰ অভাৱত জ্বলা-কলা খাইছে ৰাইজে

### চৰকাৰৰ জলজীৱন আঁচনিয়ে ঢুকি নাপালে বহলপুৰৰ পাতালপুৰ বজাৰবাসীক

অগ্ৰদূত বাৰ্তা

**বহলপুৰ, ২৮ আগষ্ট ঃ** ধুবুৰী জিলাৰ বহলপুৰৰ ৰজাদিনীয়া ঐতিহ্যমণ্ডিত পাতালপুৰ বজাৰৰ বাসিন্দাসকল সম্প্ৰতি বিভিন্ন সমস্যাৰ লগতে বিশুদ্ধ খোৱাপানীৰ অভাৱত বৰকৈ দুৰ্যোগ ভুগিবলগীয়া অৱস্থা হৈছে। বৃহত্তৰ বহলপুৰ আৰু বইটামাৰী ৰাইজৰ প্ৰচেষ্টাত প্ৰাক-স্বাধীনতা কালতে স্থাপিত এই পাতালপুৰ বজাৰখন বৰ্তমানে চৰকাৰী সা-সুবিধাৰ অভাৱত বহু পৰিমাণে পূৰ্বৰ স্থিতি হেৰুৱাই পেলাইছে যদিও অঞ্চলটোৰ ৰাইজৰ তামোল-পাণৰ খেতিয়কৰ বাবে বজাৰখনত আজিও পূৰ্বৰ দৰে অপৰিহাৰ্য হৈয়ে আছে। কিন্তু বহলপুৰ ষ্টেছন তিনিআলিৰ পৰা বজাৰখনলৈ যোৱা ৰাস্তাৰ দুৰৱস্থা আৰু বজাৰখনত দেখা দিয়া খোৱাপানীৰ অভাৱে ক্ৰেতা-বিক্ৰেতাক জুৰুলা কৰাৰ লগতে বজাৰবাসী ৰাইজে অশেষ দুৰ্গতি ভোগ কৰিবলগীয়া হয়। উল্লেখনীয় যে পাতালপুৰ বজাৰখন বহলপুৰ পাহাৰ, পাদদেশত অৱস্থিত বাবে অঞ্চলটোৰ ভূভাগ শিলাময় আৰু ইয়াত দমকল, নলীনাদ, কুঁৱা আদি খান্দিব নোৱাৰে তথা দমকল, নলীনাদ খান্দিলেও পানীৰ স্তৰ পোৱা নাযায়। ফলত বিশুদ্ধ খোৱ-পানীৰ বাবে স্থানীয় ৰাইজে দুশ-তিনিশ মিটাৰ আঁতৰৰ পৰা দমকল বহুৱাই পানীৰ ব্যৱস্থা কৰিবলগীয়া হয়। এই ক্ষেত্ৰত আৰ্থিকভাৱে সচ্ছল বাসিন্দাসকলেহে এনে সা-সুবিধাবোৰ নিজে কৰি ল'ব পাৰে যদিও দুখীয়া বাসিন্দাসকলে অশেষ কষ্ট ভোগ কৰিবলগীয়া হয়। পাতালপুৰ বজাৰবাসী ৰাইজে দীৰ্ঘদিনৰ পৰা বিশুদ্ধ খোৱাপানীৰ বাবে সাংসদ-বিধায়ক আদিক আবেদন-নিবেদন কৰিও সুফল লাভ কৰিব পৰা নাই। চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগেও বহলপুৰ অঞ্চলৰ বিশুদ্ধ খোৱাপানীৰ অভাৱত জুৰুলা হোৱা এই বজাৰখনত আজিলৈকে কোনো ব্যৱস্থা নকৰাত ৰাইজে উপায়হীন হৈ ওচৰৰ চম্পাৱতী নৈৰ পানীকে সেৱন কৰি নানা বেমাৰ- আজাৰত ভুগিবলগীয়া অৱস্থা হৈছে। শেহতীয়াকৈ চৰকাৰে জনসাধাৰণৰ বিশুদ্ধ খোৱাপানী যোগানৰ নিশ্চিতকৰণৰ বাবে জলজীৱন আঁচনিৰ আৰম্ভ কৰিছে যদিও এই অভিলাষী আঁচনিয়ে পাতালপুৰ বজাৰবাসীক ঢুকি নাপালে। বহলপুৰৰ এই পাতালপুৰ বজাৰত বিভিন্ন সম্প্ৰদায়ৰ লোকসকল বসবাস কৰাৰ লগতে ইয়াত ঐতিহ্যমণ্ডিত মহামায়া মন্দিৰ, দুৰ্গা মন্দিৰ, অশোকাষ্টমী আৰু অন্নপূৰ্ণা দেৱীৰ মন্দিৰ, ডাকঘৰ, নাতিদূৰত নৰনাৰায়ণ তীৰ্থদেৱৰ যোগাশ্ৰম আদি অৱস্থিত বাবে এই বজাৰ অঞ্চলত চৰকাৰীভাৱে বিশুদ্ধ খোৱাপানীৰ যোগান ধৰাটো অতিশয় আৱশ্যক হৈ পৰিছে। পাতালপুৰ বজাৰবাসী ৰাইজে দাবী জনাইছে অতি শীঘ্ৰে চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনত হওক বা অন্য চৰকাৰী আঁচনিৰ অধীনতে হওক ইয়াত বিশুদ্ধ খোৱপানীৰ ব্যৱস্থা কৰি দিব লাগে।

## কলাইগাঁৱত অবৈধ বিলাতী সুৰা জব্দ



অগ্ৰদূত বাৰ্তা

**কলাইগাঁও, ২৮ আগষ্ট ঃ** সমগ্ৰ অসমতে মদ আৰু ড্ৰাগছৰ অবৈধ বেহাই ছানি ধৰাৰ সময়তে আজি কলাইগাঁও আৰক্ষীয়ে জব্দ কৰে অবৈধ বিদেশী সুৰা। কলাইগাঁও আৰক্ষী সূত্ৰৰ পৰা জানিব পৰা অনুসৰি এক বিশেষ সূত্ৰৰ পম খেদি কলাইগাঁও আৰক্ষীৰ এটি দলে ভোলাবাৰী, বনগাঁও আৰু হীৰাপাৰাৰ পৰা এই মদখিনি জব্দ কৰে। কলাইগাঁও আৰক্ষী বিষয়া খৰ্গেশ্বৰ বৰদলৈৰ নেতৃত্বত যোৱা দলটোৱে ৭০ বটল মদ আৰু কিছু আনুষংগিক সামগ্ৰী জব্দ কৰিবলৈ সক্ষম হয়। কলাইগাঁওত অবৈধভাৱে চলি থকা মদ আৰু ড্ৰাগছৰ কাৰবাৰৰ বিৰুদ্ধে ব্যাপক অভিযান চলাই থকা হৈছে বুলি কলাইগাঁও আৰক্ষীয়ে জানিব দিয়ে। আনহাতে, আজি জব্দ কৰা সুৰাৰ স'তে কোনো এজন ব্যক্তিকো কৰায়ত্ত কৰিব পৰা নাই।



শ্বাহৰুখ খান আহিছিল বলিউদৰ বাহিৰৰ পৰা। পত্নী গৌৰীৰ স'তে তেওঁৰ কলেজীয়া দিনৰ পৰাই প্ৰেম আছিল। বলিউদৰ বাদশ্বাহত পৰিণত হোৱা সত্ত্বেও শ্বাহৰুখ কিন্তু বৈবাহিক জীৱনত যথেষ্ট সুখী। মাজতে প্ৰিয়ংকা চোপ্ৰাৰ স'তে নাম যুক্ত হ'লেও শ্বাহৰুখে অৱশ্যে কোনো সময়তে গৌৰীৰ স'তে প্ৰতাৰণা নকৰিলে। এতিয়া অৱশ্যে গৌৰীও প্ৰযোজনাৰ জৰিয়তে বলিউদৰ স'তে জড়িত হৈ পৰিছে। ইফালে, প্ৰিয়ংকায়ো বলিউদৰ পৰিৱৰ্তে পছন্দ কৰিলে হলিউদক আৰু গায়ক নিক জ'নাছৰ স'তে বিবাহপাশত আবদ্ধ হ'ল।

# বলিউদৰ বাহিৰত বিয়া

**অতীজৰ** পৰাই হিন্দী ছবিৰ উদ্যোগ বলিউদ এক পৰিয়ালৰ দৰে আছে। অৰ্থাৎ এই বলিউদ একপ্ৰকাৰে পৰিয়ালকেন্দ্ৰিক। অধিকাংশ ক্ষেত্ৰতে বলিউদত থকা পৰিয়ালসমূহৰ আধিপত্য দেখা যায়। ইয়াক লৈ মাজতে বিতৰ্কৰো সূচনা হৈছিল। আচলতে বলিউদত অভিনয় শিল্পীৰ পৰা আৰম্ভ কৰি পৰিচালক-প্ৰযোজক বা আন বিভাগৰ শিল্পীসকলৰ মাজতে সততে প্ৰেম-বিবাহ আদি দেখা যায়। কোনোবা যদি বাহিৰৰ পৰা আহি বলিউদত প্ৰতিষ্ঠিত হয়, তেন্তে তেওঁকো দেখা যায় ছবিৰ উদ্যোগটোৰ স'তে জড়িত কাৰোবাৰ স'তেই বৈবাহিক সম্পৰ্ক স্থাপন কৰিছে। উদাহৰণস্বৰূপে ক'ব পাৰি প্ৰাক্তন বিশ্বসুন্দৰী ঐশ্বৰ্য ৰাই বচ্চনৰ কথা। বাহিৰৰ পৰা আহি বলিউদত প্ৰতিষ্ঠা লাভৰ পাছতে ঐশ্বৰ্যৰ ছলমান খান আৰু বিবেক অ'বেৰয়ৰ লগত প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠাৰ পাছত পৰৱৰ্তী সময়ত তেওঁ অভিষেক বচ্চনৰ স'তে বিয়াত বহে। বলিউদৰ তাৰকা বা অন্যান্য কলা-কুশলীৰ স'তে বিবাহ হোৱাটো উদ্যোগটোত একেবাৰে স্বাভাৱিক কথা। এই ক্ষেত্ৰত কোনো বলিউদৰ তাৰকাই উদ্যোগটোৰ বাহিৰৰ কাৰোবাৰ স'তে বিবাহপাশত আবদ্ধ হোৱাটোহে এক অস্বাভাৱিক কথা বুলি পৰিগণিত হৈ আহিছে।

এসময়ত তাৰকা অভিনেত্ৰী শৰ্মিলা ঠাকুৰে বলিউদৰ নায়ক বা পৰিচালকৰ পৰিৱৰ্তে জীৱনসংগীৰূপে নিৰ্বাচন কৰিছিল বলিউদৰ বাহিৰৰ এজন তাৰকাক। তেওঁ হৈছে ভাৰতীয় ক্ৰিকেট দলৰ প্ৰাক্তন অধিনায়ক প্ৰয়াত নবাব মনছুৰ আলী খান পটৌদি জুনিয়ৰ। অৱশ্যে শৰ্মিলাৰ সন্তান অভিনেতা ছঈফ আলী খান আৰু অভিনেত্ৰী ছোহা আলী খানে ব্যক্তিগত জীৱনৰ ক্ষেত্ৰতো বলিউদকো নিৰ্বাচন কৰিলে। ছঈফে প্ৰথমে অভিনেত্ৰী অমৃতা সিং আৰু পাছত কৰীণা কাপুৰৰ বিয়া কৰায়। সেইদৰে ছোহা বিয়া হয় অভিনেতা কুনাল খেমুৰ স'তে। শৰ্মিলাৰ সময়ত আন অভিনেত্ৰীসকলে সচৰাচৰ বলিউদৰ নায়ক বা পৰিচালক-প্ৰযোজককে পছন্দ কৰিছিল। অৱশ্যে বহু নায়ক এই ক্ষেত্ৰত ব্যতিক্ৰম আছিল। পৰৱৰ্তী প্ৰজন্মৰ নায়িকাসকলৰো অধিকাংশই এক পন্থাই অনুসৰণ কৰিছিল। শ্ৰীদেৱী, জয়া প্ৰদা, পদ্মিনী কোলহাপুৰী, পুনম ধীলন, ৰতি অগ্নিহোত্ৰী, ফাৰহা আদিৰ স্বামীৰ যোগ বলিউদতে আছে। সেই প্ৰজন্মৰ আগশাৰীৰ নায়িকাসকলৰ ভিতৰত একমাত্ৰ মীনাক্ষি শেষাদ্ৰীয়ে প্ৰবাসী ব্যৱসায়ীক বিয়া কৰাই আমেৰিকাত নিগাজিকৈ থাকিবলৈ লয়। কাজল, ৰাণী মুখাৰ্জী, বিদ্যা বালান, টুইংকল খান্না আদিয়েও বলিউদৰ স'তেই সম্পৰ্ক ৰাখিলে। সেইদৰে অক্ষয় খান্না, অজয় দেৱগণ, হৃত্বিক ৰোছন, আমিৰ খান আদিয়েও বলিউদকে অগ্ৰাধিকাৰ দিছিল জীৱনসংগী নিৰ্বাচনৰ ক্ষেত্ৰত।

ইয়াৰ বিপৰীতে চিৰসেউজ অভিনেতা অনিল কাপুৰে অৱশ্যে বলিউদত ভৰি দিয়াৰ পূৰ্বেই বিবাহপাশত আবদ্ধ হৈছিল আৰু তেওঁৰ বৈবাহিক জীৱন আজিও অটুট আছে। তেওঁৰ কন্যা সোনম কাপুৰে অৱশ্যে অভিনয় কেৰিয়াৰৰ আৰম্ভণিতে অভিনেতা ৰণবীৰ







কাপুৰৰ স'তে প্ৰেমৰ সম্পৰ্কত জড়িত হৈছিল। অৱশ্যে সেই প্ৰেমকাহিনী বেছি দিন স্থায়ী নহ'ল। তাৰ পাছত সোনমৰ নাম আন কোনো নায়কৰ স'তে জড়িত নহ'ল আৰু অৱশেষত তেওঁ দিল্লীৰ ব্যৱসায়ী আনন্দ আহুজাৰ স'তে বিবাহপাশত আবদ্ধ হয়। অৱশ্যে প্ৰেমৰ পৰিণতিতে সেই বিয়া হৈছিল। শেহতীয়াকৈ স্বামীৰ বাবেই বিতৰ্কৰ আৱৰ্তত সোমাই পৰিছে অভিনেত্ৰী শিল্পা ছেট্টী। অথচ অক্ষয় কুমাৰৰ স'তে শিল্পাৰ এসময়ৰ প্ৰেমৰ কথা বলিউদৰ খবৰ ৰখা কোনে নাজানে? দুয়োৰে বিচ্ছেদৰ পাছতে অক্ষয়ে লৰালৰি কৰি টুইংকলক বিয়া কৰাইছিল। শিল্পাই অৱশ্যে পৰৱৰ্তী সময়ত কোনো নায়কক পছন্দ নকৰিলে আৰু দীৰ্ঘদিন অপেক্ষা কৰাৰ পাছত প্ৰবাসী ব্যৱসায়ী ৰাজ কুন্দ্ৰাক বিয়া কৰালে। সেই ৰাজৰ পৰ্ণ ছবি কাণ্ডই এতিয়া শিল্পাক অস্বস্তিত ৰাখিছে। এসময়ৰ জনপ্ৰিয় অভিনেত্ৰী কৰিশ্মা কাপুৰৰ স'তে অভিষেক বচ্চনৰ হ'বলগীয়া বিয়াখন হঠাৎ ভাঙিছিল। ইয়াৰ পাছতে অভিষেকে ঐশ্বৰ্যক বিয়া কৰায়। আনহাতে, কৰিশ্মাই বলিউদৰ নায়কৰ সলনি দিল্লীৰ ব্যৱসায়ী সঞ্জয় কাপুৰৰ পত্নী হয়। অৱশ্যে তেওঁলোকৰ ইতিমধ্যে বিচ্ছেদ ঘটিছে আৰু তেতিয়াৰ পৰা কৰিশ্মাই সন্তানৰ স'তেই দিন কটাইছে। কৰিশ্মাৰ ভগ্নী কৰীণা এটা সময়ত শ্বাহিদ কাপুৰৰ প্ৰেমত মতলীয়া হৈ আছিল। অৱশ্যে হঠাৎ দুয়োৰে বিচ্ছেদ ঘটে। ইয়াৰ কাৰণ অৱশ্যে ছঈফ আলী খান বুলিয়ে বহুতে ক'ব বিচাৰে। কিয়নো কৰিশ্মাৰ পথ অনুসৰণ নকৰি কৰীণাই ছঈফৰ স'তেই বিবাহপাশত আবদ্ধ হয়। ইফালে, কৰীণাই প্ৰতাৰণা কৰাৰ পাছত শ্বাহিদে অৱশ্যে বলিউদ নায়িকাৰ ওপৰত আস্থা নাৰাখিলে। কিয়নো কৰীণাৰ পূৰ্বেও তেওঁৰ অমৃতা ৰাওসহ একাধিক নায়িকাৰ স'তে প্ৰেমৰ সম্পৰ্ক স্থাপন হৈছিল। কৰীণাৰ পাছত শ্বাহিদে বলিউদৰ বাহিৰৰ যুৱতীৰ পাণিগ্ৰহণৰে সিদ্ধান্ত লয়। নিজতকৈ প্ৰায় ১০ বছৰৰ সৰু মীৰা ৰাজপুতক বিয়া কৰাই বিতৰ্কৰ মুখতো পৰিছিল শ্বাহিদ। অৱশ্যে কিছুদিনৰ পাছতে তেওঁলোকৰ ৰসায়ন স্পষ্ট হৈ পৰে। প্ৰেমত যে বয়সে বিশেষ প্ৰভাৱ পেলাব নোৱাৰে, সেই প্ৰমাণকে কৰে শ্বাহিদ-মীৰাই। অলপতে দীৰ্ঘদিনৰ প্ৰেমৰ অন্তত অভিনেতা বৰুণ ধৱনে পাৰিবাৰিক পৰম্পৰা ভাঙি বিয়া কৰালে নাটাশা দালালক। বলিউদৰ স'তে সম্পৰ্ক নথকা নাটাশা এগৰাকী ফেশ্বন ডিজাইনাৰ।

উল্লেখ্য যে শ্বাহৰুখ খান আহিছিল বলিউদৰ বাহিৰৰ পৰা। পত্নী গৌৰীৰ স'তে তেওঁৰ কলেজীয়া দিনৰ পৰাই প্ৰেম আছিল। বলিউদৰ বাদশ্বাহত পৰিণত হোৱা সত্ত্বেও শ্বাহৰুখ কিন্তু বৈবাহিক জীৱনত যথেষ্ট সুখী। মাজতে প্ৰিয়ংকা চোপ্ৰাৰ স'তে নাম যুক্ত হ'লেও শ্বাহৰুখে অৱশ্যে কোনো সময়তে গৌৰীৰ স'তে প্ৰতাৰণা নকৰিলে। এতিয়া অৱশ্যে গৌৰীও প্ৰযোজনাৰ জৰিয়তে বলিউদৰ স'তে জড়িত হৈ পৰিছে। ইফালে, প্ৰিয়ংকায়ো বলিউদৰ পৰিৱৰ্তে পছন্দ কৰিলে হলিউদক আৰু গায়ক নিক জ'নাছৰ স'তে বিবাহপাশত আবদ্ধ হ'ল। শ্বাহৰুখৰ প্ৰথম ফালৰ নায়িকা মাধুৰী দীক্ষিতেও প্ৰিয়ংকাৰ দৰেই দেশৰ বাহিৰতে নিজৰ প্ৰেম বিচাৰি পাইছিল। আমেৰিকাৰ নাগৰিক ডাঃ শ্ৰীৰাম মাধৱ নেনেৰ স'তে মাধুৰীৰ বৈবাহিক সম্পৰ্ক এতিয়াও মধুৰ। অৱশ্যে এসময়ত সঞ্জয় দত্তৰ স'তে মাধুৰীৰ সম্পৰ্কৰ কথা বহুতেই জানে। আনকি সঞ্জয়ৰ বিবাহ বিচ্ছেদৰ কাৰণ মাধুৰী বুলিয়েই বহুতে ক'ব বিচাৰে। মাধুৰীৰ সমসাময়িক নায়িকা জুহি চাওলায়ো অৱশ্যে বলিউদৰ বাহিৰতে বিয়া কৰালে। ব্যৱসায়ী জয় মেহতাৰ স'তে জুহিৰ সংসাৰ সুখৰ বুলিয়ে সকলোৱে জানে। সেইদৰে প্ৰাক্তন বিশ্বসুন্দৰী লাৰা



দত্তই বিয়া কাৰে প্ৰাক্তন টেনিছ তাৰকা মহেশ ভূপতিক। বৰ্তমানৰ নায়িকাসকলৰ অন্যতম অনুষ্কা শৰ্মাও কিন্তু বলিউদৰ নায়ক বা পৰিচালকৰ পৰা বহু দূৰতে থাকিল। তেওঁ বিৰাট কোহলিক বিয়া কৰাই তিয়া ভাৰতীয় ক্ৰিকেটৰ 'ফাৰ্ষ্ট লেডী'।



# ছলমানৰ বাবেই ছবিৰ উদ্যোগ ত্যাগ পৰিচালকৰ

'বিবি হো তো এইচি' নামৰ এখন পাৰিবাৰিক ছবিৰ যোগেদি বলিউদত আত্মপ্ৰকাশ কৰিছিল ছলমানে। অৱশ্যে তেওঁ ছবিৰ নায়ক নাছিল। এটা পাৰ্শ্ব চৰিত্ৰতহে অভিনয় কৰিছিল। প্ৰধান চৰিত্ৰত অভিনয় কৰিছিল ৰেখা আৰু ফাৰুক শ্বেইখে। শাহু-বোৱাৰীৰ সংঘাতক কেন্দ্ৰ কৰি নিৰ্মিত পাৰিবাৰিক ছবিখনৰ বাণিজ্যিক সফলতাৰ মূলতে আছিল ৰেখাৰ দুৰ্দান্ত অভিনয়।

**৩৩** বছৰৰ পূৰ্বে বলিউদত ভৰি দিছিল ছলমান খানে। এই তিনিটা দশকত তেওঁ বলিউদৰ সৰ্বকালৰ অন্যতম জনপ্ৰিয় নায়কত পৰিগণিত হৈ পৰিছে। বিগত বহু বছৰ ধৰি বলিউদত এটা কথা সকলোৱে বিশ্বাস কৰি আহিছে যে ছলমানে অভিনয় কৰা মানেই ছবিখন বাণিজ্যিকভাৱে সফল হ'ব। অথচ মহাতাৰকাজনৰ এই সফলতাৰ বাবেই বলিউদ ত্যাগ কৰিবলৈ বাধ্য হৈছিল এজন পৰিচালকে।

'বিবি হো তো এইচি' নামৰ এখন পাৰিবাৰিক ছবিৰ যোগেদি বলিউদত আত্মপ্ৰকাশ কৰিছিল ছলমানে। অৱশ্যে তেওঁ ছবিৰ নায়ক নাছিল। এটা পাৰ্শ্ব চৰিত্ৰতহে অভিনয় কৰিছিল। প্ৰধান চৰিত্ৰত অভিনয় কৰিছিল ৰেখা আৰু ফাৰুক শ্বেইখে। শাহু-বোৱাৰীৰ সংঘাতক কেন্দ্ৰ কৰি নিৰ্মিত পাৰিবাৰিক ছবিখনৰ বাণিজ্যিক সফলতাৰ মূলতে আছিল ৰেখাৰ দুৰ্দান্ত অভিনয়। ইয়াৰ উপৰি ফাৰুক, কাদেৰ খান আৰু বিন্দুৰ অভিনয়েও দৰ্শকৰ মনত ছাপ ৰাখিছিল। তথাপি এজন উৎপতীয়া তথা স্পষ্টবাদী যুৱকৰ চৰিত্ৰত নৱাগত ছলমানেও দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। অথচ বহুতেই নাজানে যে ছলমানে ছবিখনত সুযোগ পোৱাৰে কথা নাছিল। সম্প্ৰতি এক ৰিয়েলিটী শ্ব'ত ছলমানে নিজেই এই কথা সদৰী কৰিছে। ছলমানে কয় যে 'বিবি হো তো এইচি' ছবিৰ পৰিচালক জেকে বিহাৰীয়ে তেওঁক অকণো পছন্দ কৰা নাছিল।

ছলমানে ৰিয়েলিটী শ্ব'ত কয় যে ছবিখন মুক্তিৰ বহু বছৰৰ পাছত পৰিচালক বিহাৰীক প্ৰশ্ন কৰিছিল ছবিখনৰ বাবে তেওঁক কিয় নিৰ্বাচন কৰিছিল বুলি। তেতিয়াই পৰিচালকে জনাইছিল যে বহু ডাঙৰ তাৰকাই সেই পাৰ্শ্ব চৰিত্ৰত অভিনয় কৰিবলৈ অমান্তি হোৱাৰ বাবেই তেওঁ বাধ্য হৈ ছলমানক নিৰ্বাচন কৰিছিল। পৰিচালকজনে লগতে জনাইছিল যে বাধ্য হৈ ছলমানক নিজৰ ছবিত ল'লেও তেওঁ ভৰসা কৰিব পৰা নাছিল।

উল্লেখ্য যে পূৰ্বে 'বিবি হো তো এইচি'ৰ প্ৰযোজক সুৰেশ ভগতেও এক সাক্ষাৎকাৰত এই কথা সদৰী কৰিছিল। প্ৰযোজক ভগতে জনাইছিল যে তেওঁৰ হস্তক্ষেপতে ছবিখনৰ ছলমানক সুযোগ দিয়া হৈছিল। কথাটো পছন্দ কৰা নাছিল পৰিচালক বিহাৰীয়ে। আনকি পৰিচালকজনে প্ৰযোজক ভগতক কৈছিল যে ছলমান কেতিয়াবা ডাঙৰ তাৰকাত পৰিণত হ'লে তেওঁ ছবিৰ উদ্যোগটোৱেই ত্যাগ কৰিব। এই কথা সদৰী কৰি প্ৰযোজক ভগতে কয়, 'সেই পৰিচালকে সঁচাকৈয়ে এতিয়া উদ্যোগটো ত্যাগ কৰিছে।'



# অভিনয়ত মন নাই জুহি-কন্যাৰ

**শ্ৰীদেৱীৰ** কন্যা জাহ্নৱী কাপুৰ ইতিমধ্যে অভিনেত্ৰীৰূপে দৰ্শকৰ মাজত পৰিচিত হৈ পৰিছে। বিগত কিছু বছৰত ছঈফ আলী খানৰ কন্যা ছাৰা আলী খান, সুনীল ছেট্টীৰ কন্যা আঠিয়া ছেট্টীয়েও বলিউদত আত্মপ্ৰকাশ কৰিছে। শুনা মতে শ্বাহৰুখ খানৰ কন্যা সুহানা খানেও বলিউদত আত্মপ্ৰকাশৰ প্ৰস্তুতি চলাইছে। অৱশ্যে এই ক্ষেত্ৰত বিশেষ আগ্ৰহ নাই আন এগৰাকী তাৰকা কন্যাৰ। তেওঁ হৈছে জুহি চাওলাৰ কন্যা জাহ্নৱী মেহতা। সবাতোকৈ ডাঙৰ কথা হ'ল, জাহ্নৱী কাপুৰ, ছাৰা আলী খান, সুহানা খান, আলিয়া ছেট্টী আদিয়ে অভিনয়ৰ উপৰি আন বহু কাৰণতে সংবাদ মাধ্যমৰ দৃষ্টি আকৰ্ষণ কৰি আহিছে। সামাজিক মাধ্যম যোগেও তেওঁলোক চৰ্চাত আছে। তাৰকাৰ কন্যা বুলিয়ে তেওঁলোকৰ প্ৰতি আকৰ্ষণ বেছি। অথচ এই সকলোবোৰৰ পৰা নিজক সন্তৰ্পণে আঁতৰাই ৰাখিবলৈ সক্ষম হৈছে জনপ্ৰিয় অভিনেত্ৰী জুহিৰ কন্যা জাহ্নৱীয়ে। অৱশ্যে সংবাদ মাধ্যমত তেওঁৰ বিষয়ে চৰ্চা নোহোৱা নহয়। কিন্তু সেই চৰ্চা বাকী তাৰকা-কন্যাসকলৰ দৰে পোছাক-পৰিচ্ছদ, প্ৰেম বা কোনো বিতৰ্কৰ কাৰণে নহয়; বৰঞ্চ কম বয়সতে পৰিপক্কতাৰ উদাহৰণ দাঙি ধৰিয়েই জাহ্নৱীয়ে সকলোৱে দৃষ্টি আকৰ্ষণ কৰিছে।

কিছু মাহৰ পূৰ্বে আইপিএলৰ বাবে নিলাম হৈছিল। সেই নিলামতে কলকাতা নাইট ৰাইডাৰ্ছৰ হৈ নিলামৰ টেবুলত বহিছিল জাহ্নৱী আৰু শ্বাহৰুখৰ পুত্ৰ আৰিয়ান খান। আইপিএলৰ নিলামৰ টেবুলত বহা জাহ্নৱীয়ে হৈছে কনিষ্ঠতম সদস্য। উল্লেখ্য যে শ্বাহৰুখৰ দল নাইট ৰাইডাৰ্ছত জুহিৰো অংশীদাৰিত্ব আছে। নিলামৰ টেবুলত একেলগে বহি থকা আৰিয়ান আৰু জাহ্নৱীৰ ফটো ভাইৰেল হৈ পৰিছিল। খেলুৱৈ নিৰ্বাচনতো বুদ্ধিমত্তাৰ পৰিচয় দি জাহ্নৱীয়ে সকলোকে মুগ্ধ কৰিছিল। এই সন্দৰ্ভত জুহিয়ে কয়, 'ল'ৰা-ছোৱালীহঁতে আমাৰ দলক লৈ আগ্ৰহ দেখুৱাইছে, তাতেই মই আনন্দ পাইছো। ইয়াৰ বাবে তেওঁলোকক জোৰ কৰা হোৱা নাছিল, তেওঁলোকে নিজৰ ইচ্ছাতেই নিলামত যোগ দিছিল। তেওঁলোক দুয়োজন খেলৰ প্ৰতি আগ্ৰহী। জাহ্নৱীয়েতো মাজনিশা অদ্ভুত সময়ত শোৱাৰ পৰা উঠে, বিশ্বৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত ক্ৰিকেট মেচ চাবলৈ।

উল্লেখ্য যে জাহ্নৱী এগৰাকী অতি মেধাৱী ছাত্ৰী। তেওঁ ধীৰুভাই আম্বানী ইণ্টাৰনেচনেল স্কুলৰ শ্ৰেষ্ঠ ১০ ছাত্ৰ-ছাত্ৰীৰ মাজত স্থান পাইছিল। পাছত তেওঁ লণ্ডনৰ এখন মহাবিদ্যালয়ৰ পৰা স্নাতক হয়। জনপ্ৰিয় অভিনেত্ৰীৰ কন্যা ৰূপে শৈশৱৰ পৰাই বলিউদৰ পৰিৱেশত ডাঙৰ হ'লেও জাহ্নৱীৰ অৱশ্যে অভিনয়ৰ প্ৰতি কোনো আগ্ৰহ নাই। ইয়াৰ পৰিৱৰ্তে তেওঁ এগৰাকী লেখিকা হ'ব বিচাৰে। সেয়ে মাতৃ জুহিয়েও তেওঁক অভিনয়ৰ বাবে জোৰ দিয়া নাই। অভিনয়ৰ প্ৰতি আগ্ৰহী নহ'লেও জাহ্নৱীৰ প্ৰিয় অভিনেতা হৈছে বৰুণ ধৱন।



# এখন সফল পৰীক্ষামূলক তথ্যচিত্ৰ 'এনাদাৰ ৰে'

**আজি** অলপ দিনৰ ভিতৰতে নতুন তৰুণ প্ৰজন্মৰ ৰাজ্য টেৰণ নামৰ ডিফুৰ যুৱক এজনে পৰিচালনা কৰা 'এনাদাৰ ৰে' চুটি ছবিখনে অসমলৈ সুনাম কঢ়িয়াই অনাটো আনন্দৰ বিষয়। ১২ মিনিট ৫৭ ছেকেণ্ডৰ এই পৰীক্ষামূলক তথ্যচিত্ৰখনত দেখুওৱা হৈছে এটা বন্ধ কোঠাত অকলশৰে থকা কলেজীয়া যুৱক এজনৰ মানসিক অৱসাদত ভুগি নিজৰ পঢ়া-শুনাক বিসৰ্জন দি কেৱল নিজে আনন্দ পাবলৈ কৰা এক বদ অভ্যাস। ঘৰৰ পৰা দূৰলৈ আহি মহানগৰীৰ কলেজত পঢ়ি থকা যুৱক এজনৰ মনত মাথোঁ যৌনতাৰ ফেণ্টাচি। গিটাৰ এখনক অত্যন্ত ভাল পোৱা যুৱকজনৰ স্খলন দেখি তেওঁৰ দুই শুভাকাংক্ষী বন্ধুৱে এদিন বন্ধ কোঠাৰ পৰা উলিয়াই আনি প্ৰকৃতি জগতৰ ৰূপ দেখুৱাৰ ফলত গিটাৰত আধা কৰি ৰখা সুৰটো অসম্পূৰ্ণ কৰি যুৱকজনে যেন এক নতুন অন্য পথৰ সন্ধান পায়। খুব সুন্দৰভাৱে পৰিচালনা কৰা 'এনাদাৰ ৰে' নামৰ ছবিখনে ইতিমধ্যে শ্ৰেষ্ঠ পৰীক্ষামূলক চুটি ছবিৰ সন্মান লাভ কৰিছে ক্ৰমে পণ্ডিচেৰীত অনুষ্ঠিত 'ইণ্ডো-ফ্ৰেন্স ইণ্টাৰনেচনেল ফিল্ম ফেষ্টিভেল' আৰু জাৰ্মানীৰ 'ব্ৰেঙেনবাৰ্গ আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ'ত। গুৱাহাটী চিনে ক্লাবৰ 'ইণ্টাৰনেচনেল গুৱাহাটী ফিল্ম ফেষ্টিভেল' আৰু তামিলনাডুৰ 'ৰামেশ্বৰম আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱতো 'এনাদাৰ ৰে' প্ৰদৰ্শিত হৈ সুনাম অৰ্জন কৰে।

'মাৰ্লিন ফিল্মছ এণ্ড মিউজিক'ৰ বেনাৰত কাজলদেৱ প্ৰযোজিত চুটি ছবি এনাদাৰ ৰে'ৰ কাহিনী আৰু চিত্ৰনাট্য পৰিচালক ৰাজ্য টেৰণৰ। চিত্ৰনাট্যৰ সহযোগী হিমাংশু ৰাজখোৱা। কেমেৰাৰ কাম ৰাজ্য টেৰণৰ। সহায় কৰিছে অভিষেক বৰঠাকুৰে। শব্দগ্ৰহণ কৰাৰ উপৰি সহকাৰী পৰিচালকৰূপে আছে দীপজ্যোতি ডেকা, প'ষ্টাৰ ডিজাইনো তেওঁৰে। চুটি ছবিখনৰ যুৱকজন হৈছে হিমাংশু ৰাজখোৱা। দুই বন্ধুৰ ৰূপত আছে অভিষেক বৰঠাকুৰ আৰু দীপজ্যোতি ডেকা। পিতৃৰ ৰূপত ক্ষন্তেকৰ বাবে ওলাইছে প্ৰযোজক কাজল দেৱ। ৰাজ্য টেৰণ এতিয়া ব্যস্ত পূৰ্ণদৈৰ্ঘ্যৰ কাৰ্বি ভাষাৰ ছবি এখনৰ নিৰ্মাণত।

**লাইমলাইট**



# সমস্যাত পৰিছে ৰণবীৰৰ নতুন ছবি

**স্বত্বৰ** বিপাকত পৰিছে ৰণবীৰ সিঙৰ নতুন ছবি 'আন্নিয়ান'। ২০০৫ত নিৰ্মিত তামিল ছবি 'আন্নিয়ান'ৰ ৰিমেকৰূপে নিৰ্মাণ কৰা হৈছিল ছবিখন। তামিল ছবিখনৰ প্ৰযোজক আছিল আছকাৰ ৰবিচন্দ্ৰন আৰু পৰিচালক আছিল শংকৰ। সেই পৰিচালক শংকৰেই হিন্দী ৰিমেক নিৰ্মাণৰ সিদ্ধান্ত লৈছিল। ইয়াতে প্ৰযোজক ৰবিচন্দ্ৰনৰ স'তে তেওঁৰ সংঘাত আৰম্ভ হৈছে।

এই সন্দৰ্ভত ৰবিচন্দ্ৰনে কয় যে তেওঁ ছবিখনৰ প্ৰযোজক। গতিকে সকলো স্বত্ব তেওঁৰ হাতত আছে। সেয়ে তেওঁ শংকৰৰ বিৰুদ্ধে মামলাও কৰিছে। ৰবিচন্দ্ৰনৰ অভিযোগ, তেওঁৰ প্ৰযোজিত তামিল ছবিৰ ৰিমেকৰ বাবে তেওঁৰ পৰা সঠিকভাৱে আইনী অনুমতি লোৱা হোৱা নাই। আনহাতে, শংকৰে দাবী কৰিছে তেওঁ যিহেতু ছবিখনৰ কাহিনী আৰু চিত্ৰনাট্য লিখিছে, সেয়ে স্বত্ব তেওঁৰ হাততে আছে। প্ৰযোজক ৰবিচন্দ্ৰন ইতিমধ্যে ছাউথ ইণ্ডিয়ান ফিল্ম চেম্বাৰ অৱ কমাৰ্চৰ দ্বাৰস্থ হৈছে। লগতে তেওঁ প্ৰয়োজনত আদালতৰো দ্বাৰস্থ হোৱাৰ হুংকাৰ দিছে। ৰবিচন্দ্ৰনৰ স'তে আলোচনা নকৰাকৈ শংকৰে ছবিখনৰ ৰিমেক কৰাৰ বাবেই তেওঁ অধিক খৰ্গহস্ত হৈ পৰিছে। ইয়াৰ ফলত ৰণবীৰৰ ছবিখনৰ মুক্তিৰ দিনো অনিশ্চিত হৈ পৰিছে।





# ভুল কৰি নিজক ক্ষমা কৰিব শিল্পাই

**জীৱনে** তেওঁক শিক্ষা দিছে। তেওঁ শিক্ষা লৈছে। থমকি ৰৈছে, আকৌ আগবাঢ়ি গৈছে। পৰ্ণ-কাণ্ডত স্বামী ৰাজ কুন্দ্ৰাৰ নাম জড়িত হোৱা, গ্ৰেপ্তাৰ হোৱা; একোৱেই তেওঁৰ পথ ৰুদ্ধ কৰিব নোৱাৰিলে। ভুলৰ পৰা শিকি শিকিয়েই আগবাঢ়ি গৈছে শিল্পা ছেট্টী। সেই বাৰ্তাই আকৌ এবাৰ প্ৰকাশ পালে শিল্পাৰ ইনষ্টাগ্ৰামত।

সম্প্ৰতি 'ইনষ্টাগ্ৰাম ষ্ট'ৰী'ত এখন গ্ৰন্থৰ কিছুমান পংক্তি তুলি ধৰিছে অভিনেত্ৰীগৰাকীয়ে। সেই পংক্তিত লিখা আছে, 'সৰু সৰু ভুল নকৰিলে আমি কেতিয়াও ঘটনাবহুল জীৱন নাপাম। কিন্তু সেই ভুলবোৰ যাতে বৰ বিপজ্জনক নহয় বা আনৰ ক্ষতি নকৰে, তাৰ প্ৰতি আমি দৃষ্টি ৰাখিব লাগিব। কিন্তু ভুল আমাৰ হ'বই।' লগতে সেই গ্ৰন্থত নিজৰ ভুল দুই ধৰণেৰে চোৱাৰ কথাও কৈছে। ভুল কৰি বহুতেই সেই ভুলক পাহৰি যাব পাৰে। আকৌ একোটা ভুলক জীৱনৰ এক কঠিন অথচ কৌতূহলোদ্দীপক অভিজ্ঞতা হিচাপেও চোৱা যাব পাৰে। কাৰণ সেই ভুলবোৰেই বহু শিক্ষা দি যাব পাৰে।

বিগত এমাহৰো অধিক সময় ধৰি চলা বিতৰ্কক বাৰু শিল্পাই এক ধৰণৰ শিক্ষা বুলিয়ে গ্ৰহণ কৰিছে নেকি? এইদৰেই বাৰু কঠিন পৰিস্থিতিক আঁতৰাই তেওঁ ঘূৰি থিয় দিয়াৰ শিক্ষা লৈছে? কিয়নো 'ইনষ্টাগ্ৰাম ষ্ট'ৰী'ত প'ষ্ট কৰা লেখাটোৱে তেনে ইংগিতেই দিছে। যাৰ শেষত লিখা আছে, 'মই ভুল কৰিম। আকৌ নিজকে ক্ষমা কৰিম আৰু সেই ভুলবোৰৰ পৰা শিক্ষা ল'ম।'

জীৱনটোত ধুমুহা বলাৰ পাছতো শিক্ষাই এতিয়া নিজক স্থিৰ কৰিছে। হাঁহিমুখেৰে কেমেৰাৰ সন্মুখত থিয় দিছে তেওঁ। নিয়ম মানিয়েই কাম কৰিছে। সংগ্ৰাম কৰিবলৈ, সংগ্ৰাম কৰি জয়ী হ'বলৈ সংকল্পবদ্ধ ৰাজ কুন্দ্ৰাৰ পত্নী।

# পেৰালিম্পিকত ভাৰতৰ ভাৱিনাবেন পেটেলৰ ইতিহাস

### অইল আইটা ছুপাৰ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ

## গুৱাহাটীৰ চচল টেনিছ প্ৰকল্পত কোৱালিফায়িং ৰাউণ্ডৰ মেচ আৰম্ভ

**গুৱাহাটী, ২৮ আগষ্ট ঃ** অসম টেনিছ সন্থাই চচল টেনিছ প্ৰকল্পত আয়োজন কৰা অইল আইটা ছুপাৰ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতাত আজিৰে পৰা আৰম্ভ হৈছে কোৱালিফায়িং ৰাউণ্ডৰ মেচ। উল্লেখ্য যে দুদিন ধৰি চলিব এই কোৱালিফায়িং ৰাউণ্ডৰ মেচ। অহা 30 আগষ্টৰ পৰা চচল টেনিছ প্ৰকল্পত অনুষ্ঠিত হ'ব 16 বছৰ অনূৰ্ধ অইল আইটা ছুপাৰ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতা। আনহাতে, অহা তিনি ছেপ্টেম্বৰত ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতাখন সামৰনি পৰিব। উল্লেখ্য যে সৰ্বভাৰতীয় টেনিছ সন্থাই অসম টেনিছ সন্থাক এইবাৰ দুখন আইটা ছুপাৰ ছিৰিজ টেনিছ প্ৰতিযোগিতা আয়োজন কৰাৰ বাবে অনুমতি প্ৰদান কৰিছে। সেই অনুসৰি 30 আগষ্টৰ পৰা 16 বছৰ অনূৰ্ধ অইল আইটা ছুপাৰ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতাখন অনুষ্ঠিত হোৱাৰ পাছতে অসম টেনিছ সন্থাই চচল টেনিছ প্ৰকল্পত আয়োজন কৰিব আন এখন আইটা ছুপাৰ ছিৰিজ টেনিছ প্ৰতিযোগিতা। অহা ছয় ছেপ্টেম্বৰৰ পৰা অসম টেনিছ সন্থাৰ চচল টেনিছ প্ৰকল্পত অনুষ্ঠিত হ'ব 14 বছৰ অনূৰ্ধ অইল আইটা ছুপাৰ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতা। প্ৰতিযোগিতাখন সামৰণি পৰিব 10 ছেপ্টেম্বৰত। উল্লেখ্য যে দুয়োখন আইটা ছুপাৰ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতাত দেশৰ ল'ৰা-ছোৱালীয়ে অংশ ল'ব। আনহাতে, দুয়োখন আইটা ছুপাৰ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতাৰ মূখ্য স্পনচৰ হ'ল অইল ইণ্ডিয়া লিমিটেড। উল্লেখ্য যে কৰ'নাৰ বাবে অসমত ৰাষ্ট্ৰীয় পৰ্যায়ৰ সকলো ক্ৰীড়া প্ৰতিযোগিতা বন্ধ হৈ আছে যদিও এতিয়া পৰিৱেশ কিছু উন্নত হোৱাত প্ৰথমবাৰৰ বাবে ৰাজ্যত অনুষ্ঠিত হ'ব ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতা।



## আজি টকিঅ'ত সোণৰ পদক জয়ৰ লক্ষ্যৰে খেলিব মহিলাৰ টেবুল টেনিছৰ ফাইনেল মেচ

**টকিঅ', ২৮ আগষ্ট ঃ** ইতিহাস গঢ়ি চমকপ্ৰদ প্ৰদৰ্শনৰে চলিত টকিঅ' পেৰালিম্পিকৰ টেবুল টেনিছৰ ফাইনেলত প্ৰৱেশ কৰিছে ভাৰতৰ ভাৱিনাবেন পেটেল। উল্লেখ্য যে আজি অনুষ্ঠিত হোৱা ছেমিফাইনেলত ভাৰতৰ ভাৱিনাবেন পেটেল মুখামুখি হয় চীনৰ ঝাং মিয়াওৰ বিৰুদ্ধে। পাঁচটা ছেটৰ মেচখনত পেটেল জয়ী হয় 3-2 ৰ ব্যৱধানত। পইণ্ট ব্যৱধান হ'ল 7-11, 11-7, 11-4, 9-11, 11-8¼ এতিয়া কাইলৈ হ'বলগা ফাইনেলত ভাৱিনাবেন মুখামুখি হ'ব য়িং ঝুৰ বিৰুদ্ধে। উল্লেখ্য যে ফাইনেলত প্ৰৱেশ কৰি ৰূপৰ পদক নিশ্চিত কৰা ভাৱিনাবেনৰ লক্ষ্য সোণ অৰ্জন কৰা। উল্লেখ্য যে চলিত টকিঅ' পেৰালিম্পিকত ভাৱিনাবেনৰ জড়িয়তে ভাৰতে কালিয়েই প্ৰথমটো পদক জয় নিশ্চিত কৰিছিল। উল্লেখ্য যে টেবুল টেনিছৰ মহিলাৰ একক শাখাত ভাৱিনাবেন পেটেলে ছেমিফাইনেলত প্ৰৱেশ কৰি পদক জয় নিশ্চিত কৰে। কোৱাৰ্টাৰ ফাইনেলত পেটেলে পৰাস্ত কৰে ছাৰ্বিয়াৰ ৰানক'ভিকক। ব্যৱধান হ'ল 11-3, 11-6, 11-7¼ আজি ছেমিফাইনেলত পেটেলে চীনৰ ঝাং মিয়াওৰ বিৰুদ্ধে পৰাস্ত হ'লেও ব্ৰঞ্জ লাভ কৰাটো নিশ্চিত আছিল। কিন্তু চমকপ্ৰদ প্ৰদৰ্শনৰে পদকৰ ৰং সলনি কৰিলে 34 বছৰীয়া ভাৱিনাবেনে। উল্লেখ্য যে ইতিহাস গঢ়ি টকিঅ' পেৰালিম্পিকত পদক জয় কৰিলে ভাৰতৰ ভাৱিনাবেন পেটেলে। পেৰালিম্পিকত টেবুল টেনিছত পদক লাভ কৰা ভাৱিনাবেন প্ৰথম ভাৰতীয়। ইয়াৰপূৰ্বে তেওঁ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিয়েই অভিলেখ গঢ়িছিল। উল্লেখ্য যে ব্ৰাজিলৰ অলিভিয়েৰাক হৰুৱাই



কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল ভাৰতৰ ভাৱিনাবেন পেটেল। ব্যৱধান হ'ল 12-10, 13-11, 11-6¼ উল্লেখ্য যে এইবাৰৰ পেৰালিম্পিকত ভাৰতৰ মুঠ 54 জনীয়া এটা দলে অংশ লৈছে। মুঠ নবিধ খেল খেলিছে ভাৰতে। বিগত ৰিঅ' পেৰালিম্পিকত ভাৰতে দুটা সোণ, এটা ৰূপ আৰু এটা ব্ৰঞ্জ লাভ কৰিছিল। এইবাৰ ভাৰতৰ পদকৰ সংখ্যা বৃদ্ধি পাব বুলি আশাব্যক্ত কৰে চিফ দ্য মিছন গুৰুচৰন সিঙে।

### তৃতীয় টেষ্টত এক ইনিংছ ৭৬ ৰাণত পৰাস্ত ভাৰত ঃ মেচৰ শ্ৰেষ্ঠ ৰবিনছন

## বৃহৎ জয়ৰে শৃংখলাত ১-১ ত সমতা ইংলণ্ডৰ



**লীডছ, ২৮ আগষ্ট ঃ** ভাৰতে ইংলণ্ডৰ বিৰুদ্ধে খেলা পাঁচখনীয়া টেষ্ট শৃংখলাৰ তৃতীয়খন টেষ্টত এক ইনিংছ আৰু 76 ৰাণত পৰাজয়বৰণ কৰিছে। উল্লেখ্য যে আজি চতুৰ্থ দিনা ভাৰতে 278 ৰাণত দ্বিতীয় ইনিংছ সামৰে আৰু পৰাজয় স্বীকাৰ কৰে। ইফালে, এই জয়ৰে ইংলণ্ডে পাঁচখনীয়া টেষ্ট শৃংখলাত 1-1 ত সমতা স্থাপন কৰিছে। উল্লেখ্য যে ভাৰতে ইংলণ্ডৰ বিৰুদ্ধে খেলা দ্বিতীয়খন টেষ্টত 151 ৰাণত জয়লাভ কৰি পাঁচখনীয়া শৃংখলাত 1-0 ৰ অগ্ৰগতি লৈছিল। আনহাতে, প্ৰথমখন টেষ্ট ড্ৰ হৈছিল অন্তিম দিনা বৰষুণ দিয়াৰ বাবে। চলিত তৃতীয় টেষ্টৰ কালি তৃতীয় দিনা ভাৰতে ৰোহিত শৰ্মা [59], চেতেশ্বৰ পূজাৰা [91] আৰু বিৰাট কোহলিৰ (55) বেটিঙৰে দ্বিতীয় ইনিংছত দৃঢ়তা প্ৰদৰ্শন কৰি যুঁজ দিছিল যদিও পুনৰ আত্মসমৰ্পন কৰে। দুই অপৰাজিত বেটছমেন বিৰাট আৰু পূজাৰা আউট হোৱাৰ লগতে ব্যৰ্থ হয় অজিংক্য ৰাহানে (10] আৰু উইকেটৰক্ষক বেটছমেন ঋষভ পণ্ট (1]¼ ৰবীন্দ্ৰ জাডেজাই 30 কৰাৰ বিপৰীতে এইবাৰ ভাৰতীয় বলাৰে বেটিঙত দৃঢ়তা প্ৰদৰ্শন কৰি ইনিংছ পৰাজয়ৰ লজ্জাৰ পৰা দলক উদ্ধাৰ কৰিব নোৱাৰিলে। ইংলণ্ডৰ হৈ ৰবীনছনে পাঁচটা উইকেট পায় আৰু মেচৰ শ্ৰেষ্ঠ হয়। আনহাতে, অভাৰটনে তিনিটা



উইকেট দখল কৰে। উল্লেখ্য যে লীডছত হোৱা তৃতীয় টেষ্টৰ প্ৰথম দিনা ভাৰতে ভোজন বিৰতিৰ পাছতেই মাত্ৰ 78 ৰাণত প্ৰথম ইনিংছ সামৰিছিল। প্ৰত্যুত্তৰত ইংলণ্ডে বেটিং কৰি 432 ৰাণ কৰি প্ৰথম ইনিংছ সামৰে। উল্লেখ্য যে ইংলণ্ডৰ দুই অপেনাৰ বাৰ্ণছ (61 ৰাণ) আৰু হামীদে (68 ৰাণ) শতকীয় যুটী বান্ধে। উভয় বেটছমেনৰ বিদায়ৰ পাছত পুনৰ শতকীয় যুটী বান্ধে অধিনায়ক জ'ৰুট (121 ৰাণ) আৰু মালানে (70 ৰাণ)। উল্লেখ্য যে চলিত শৃংখলাত ক্ৰমাগত তৃতীয়টো শতক অৰ্জন কৰিছে ৰুটে। ভাৰতৰ হৈ ছামিয়ে চাৰিটা তথা জাদেজা, বুমৰাহ আৰু ছিৰাজে দুটাকৈ উইকেট পায়। উল্লেখ্য যে ভাৰতে ইংলণ্ডৰ বিৰুদ্ধে খেলা দ্বিতীয়খন টেষ্টত 151 ৰাণত জয়লাভ কৰি পাঁচখনীয়া শৃংখলাত 1-0 ৰ অগ্ৰগতি লৈছিল যদিও তৃতীয় টেষ্টত ঘৰুৱা দলে শক্তিশালী প্ৰত্যাৱৰ্তন কৰি উভতি ধৰিছে টীম ইণ্ডিয়াক। টেষ্টখনত টছত জয়ী হৈ ভাৰতৰ অধিনায়ক বিৰাট কোহলিয়ে প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লয় যদিও সকলো বেটছমেনে আত্মসমৰ্পন কৰে ইংলণ্ডৰ বলাৰৰ সন্মুখত। মাত্ৰ 40.4 অভাৰ খেলিবলৈ সক্ষম হয় ভাৰতে। প্ৰথম অভাৰতে উইকেট হেৰুওৱা ভাৰতে কোনো ধৰণৰ প্ৰত্যাহ্বানে আগবঢ়াব নোৱাৰিলে। ফলত মাত্ৰ 78 ৰাণতে প্ৰথম ইনিংছ সামৰিলে ভাৰতে।



## জাৰ্মান লীগত ব'ৰুছিয়া ডৰ্টমুণ্ডৰ প্ৰথম বিজয়

**ডৰ্টমুণ্ড, ২৮ আগষ্ট ঃ** ক্ৰমাগত ব্যৰ্থতাৰ পাছত ব'ৰুছিয়া ডৰ্টমুণ্ডে যোৱানিশা জয়ৰ সফলতা লাভ কৰিছে। উল্লেখ্য যে জাৰ্মান লীগৰ যোৱানিশা অনুষ্ঠিত হোৱা মেচত ব'ৰুছিয়া ডৰ্টমুণ্ডে 3-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে হ'ফেনহিমক। এয়া চলিত ছিজনত বৰ'ছিয়া ডৰ্টমুণ্ডৰ প্ৰথম জয়ৰ সফলতা। উল্লেখ্য যে ইয়াৰপূৰ্বে যোৱা সপ্তাহত হোৱা জাৰ্মান ছুপাৰ কাপৰ ফাইনেলত বেয়াৰ্ণ মিউনিখে 3-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল ব'ৰুছিয়া ডৰ্টমুণ্ডক। বেয়াৰ্ণ মিউনিখৰ এই বিজয়ৰ নায়ক হ'ল পোলেণ্ডৰ ষ্ট্ৰাইকাৰ ৰবাৰ্ট লেৱানড'স্কি। উল্লেখ্য যে ৰবাৰ্টে বিজয়সুচক গ'লসহ মেচত দুটা গ'ল কৰে। ইফালে, গ'লৰক্ষক মানুৱেল নেৱাৰে দুটা চমকপ্ৰদ গ'ল ৰক্ষা কৰি দলৰ খিতাপ দখলত অন্যতম ভূমিকা লয়। সেই পৰাজয়ৰ পাছত জাৰ্মান লীগতো যোৱা মেচত পৰাজয়ৰ সন্মুখীন হৈছিল ব'ৰুছিয়া ডৰ্টমুণ্ড। এছ চি ফ্লিবাৰ্গে 2-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ব'ৰুছিয়া ডৰ্টমুণ্ডক। উল্লেখ্য যে সেয়া ব'ৰুছিয়া ডৰ্টমুণ্ডৰ ক্ৰমাগত দ্বিতীয় পৰাজয়। ইফালে, ব'ৰুছিয়া ডৰ্টমুণ্ডৰ ব্যৰ্থতাৰ বিপৰীতে বেয়াৰ্ণ মিউনিখে সফলতা লাভ কৰিছে। পূৰ্ব চেম্পিয়ন বেয়াৰ্ণ মিউনিখে জাৰ্মান কাপৰ প্ৰথম ৰাউণ্ডৰ এখন মেচত 12-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছে ব্ৰেমাৰক। দলৰ হৈ চাৰিটা গ'ল কৰি হেট্ৰিক অৰ্জন কৰে ম'টিঙে (8, 28, 35, 82 মিনিট)। আনহাতে, মুছিলাই (16, 48 মিনিট) গ'ল কৰে। স্মৰ্তব্য যে চলিত ছিজনৰ জাৰ্মান ছুপাৰ কাপৰ চেম্পিয়ন বেয়াৰ্ণ মিউনিখে জাৰ্মান লীগৰ প্ৰথম মেচত ড্ৰ খেলি অভিযান আৰম্ভ কৰাৰ পাছত দ্বিতীয় মেচত সফল প্ৰত্যাৱৰ্তন কৰি প্ৰথম জয়ৰ সফলতা লাভ কৰে। দলে 3-2 গ'লৰ ব্যৱধানত পৰাস্ত কৰে এফ চি ক'লনক। গনাব্ৰিয়ে দুটা আৰু ৰবাৰ্ট লেৱানড'স্কিয়ে এটা গ'ল কৰে বেয়াৰ্ণৰ হৈ। ইফালে, অন্য এখন মেচত লেইপজিগে 4-0 গ'লৰ ব্যৱধানত জয়লাভ কৰি সম্পূৰ্ণ পইণ্ট লাভ কৰে।

## ১২ বছৰ পাছত ইউনাইটেডলৈ আহিল ক্ৰিষ্টিয়ানো ৰোণাল্ডো

**লণ্ডন, ২৮ আগষ্ট ঃ** যিটো ক্লাবৰ পৰাই পৰ্তুগীজ ফুটবল তাৰকা ক্ৰিষ্টিয়ানো ৰোণাল্ডোই বিশ্বজয় যাত্ৰা আৰম্ভ কৰিছিল পুনৰ সেই দললৈ প্ৰত্যাৱৰ্তন কৰিলে চি আৰ ছেভেনে। উল্লেখ্য যে মানচেষ্টাৰ ইউনাইটেডৰ লগত নতুন চুক্তি সম্পাদন কৰিব ৰোণাল্ডোই। ইতিমধ্যে ইংলণ্ডৰ ক্লাবটোৱে এই বিষয়ে আনুষ্ঠানিক ঘোষণা কৰিছে। ৰোণাল্ডো বৰ্তমান ইটালীৰ জুভেণ্টাছত আছে যদিও মানচেষ্টাৰ ইউনাইটেডে সকলো প্ৰক্ৰিয়া সম্পাদন কৰি পৰ্তুগীজ ফুটবল তাৰকাজনক ক্লাবলৈ অনাৰ বাবে সাজু হৈছে। উল্লেখ্য যে 12 বছৰ পাছত মানচেষ্টাৰ ইউনাইটেডৰ প্ৰত্যাৱৰ্তন কৰিব ৰোণাল্ডোই। 2003 ত স্পৰ্টিং লিছবনৰ পৰা ৰোণাল্ডো আহিছিল মানচেষ্টাৰ ইউনাইটেডলৈ। এলেক্স ফাৰ্গুছনে লৈ আনিছিল ৰোণাল্ডোক। 2003 ৰ পৰা 2009 লৈ ৰোণাল্ডো মানচেষ্টাৰ ইউনাইটেডত থাকে। দলক এবাৰ চেম্পিয়নছ লীগ, তিনিবাৰ প্ৰিমিয়াৰ লীগ, এবাৰ এফ এ কাপ আৰু দুবাৰ লীগ কাপৰ খিতাপ দিছে চি আৰ ছেভেনে। আনহাতে, নিজে লাভ কৰিছিল শ্ৰেষ্ঠ ফুটবলাৰ সন্মান। মানচেষ্টাৰ ইউনাইটেডৰ হৈ ৰোণাল্ডোই 292 খন মেচ খেলি 118 টা গ'ল কৰিছে। 2009 ত ৰোণাল্ডোই যোগ দিয়ে স্পেইনৰ ক্লাব ৰিয়াল মাদ্ৰিদত। আনহাতে, তিনি বছৰ পূৰ্বে যোগ দিছিল জুভেণ্টাছত।



## ইটালীয়ান লীগত ইণ্টাৰ মিলানৰ জয়

**ৰোম, ২৮ আগষ্ট ঃ** ইটালীয়ান ফুটবল লীগত যোৱানিশা অনুষ্ঠিত হোৱা মেচত ইণ্টাৰ মিলানে 3-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ভেৰ'নাক। উল্লেখ্য যে ইণ্টাৰ মিলানে যোৱা ছিজনৰ দমনীয় প্ৰদৰ্শন এইবাৰো একেই ৰূপতে ৰাখিছে। ডিফেণ্ডিং লীগ চেম্পিয়ন ইণ্টাৰ মিলানে নিজৰ প্ৰথম মেচত 4-0 গ'লৰ ব্যৱধানত জয়লাভ কৰি সম্পূৰ্ণ পইণ্ট লাভ কৰিছিল। এখন একপক্ষীয় মেচত ইণ্টাৰ মিলানে পৰাস্ত কৰে গেনোৱাক। ক্ৰমাগত দ্বিতীয় বিজয় অৰ্জন কৰিছে ইণ্টাৰে। ইফালে, লীগত এ চি মিলানে একমাত্ৰ গ'লত পৰাস্ত কৰে ছাম্পড'ৰিয়াক। দলৰ হৈ বিজয়সুচক গ'লটো কৰে ব্ৰাহিম ডিয়াজে। উল্লেখ্য যে জুভেণ্টাছে ইটালীয়ান ফুটবল লীগত ড্ৰ খেলি নতুন ছিজন আৰম্ভ কৰিছে। প্ৰথম মেচত জুভাণ্টাছ মুখামুখি হয় উদিনেছৰ। মেচখন 2-2 গ'লৰ ব্যৱধানত ড্ৰ হয় আৰু উভয় দলে পইণ্ট ভগাই লয়। ইফালে, ইটালীয়ান ফুটবল লীগৰ অন্য এখন মেচত জয়লাভ অৰ্জন কৰে আটলাণ্টাই। ট'ৰিনোৰ বিৰুদ্ধে 2-1 গ'লৰ ব্যৱধানত জয়লাভ কৰি সম্পূৰ্ণ পইণ্ট লাভ কৰে আটলাণ্টাই। ইফালে, অন্য মেচত নেপ'লিয়ে 2-0 গ'লৰ ব্যৱধানত বেনেজিয়াক পৰাস্ত কৰাৰ বিপৰীতে ৰ'মাই 3-1 গ'লৰ ব্যৱধানত ফিয়'ৰেণ্টিনাৰ বিৰুদ্ধে জয়লাভ কৰি সম্পূৰ্ণ পইণ্ট লাভ কৰে।

## ভাৰতৰ বিৰুদ্ধে টেষ্ট শৃংখলা জয়ৰ হুংকাৰ ইংলণ্ডৰ অধিনায়ক ৰুটৰ



**লণ্ডন, ২৮ আগষ্ট ঃ** ইংলণ্ডে ভাৰতৰ বিৰুদ্ধে খেলা পাঁচখনীয়া টেষ্ট শৃংখলাৰ তৃতীয়খন টেষ্টত এক ইনিংছ আৰু 76 ৰাণত জয়লাভ কৰিছে। উল্লেখ্য যে আজি চতুৰ্থ দিনা ভাৰতে 278 ৰাণত দ্বিতীয় ইনিংছ সামৰে আৰু পৰাজয় স্বীকাৰ কৰে। ইফালে, এই জয়ৰে ইংলণ্ডে পাঁচখনীয়া টেষ্ট শৃংখলাত 1-1 ত সমতা স্থাপন কৰিছে। উল্লেখ্য যে ভাৰতে ইংলণ্ডৰ বিৰুদ্ধে খেলা দ্বিতীয়খন টেষ্টত 151 ৰাণত জয়লাভ কৰি পাঁচখনীয়া শৃংখলাত 1-0 ৰ অগ্ৰগতি লৈছিল। আনহাতে, প্ৰথমখন টেষ্ট ড্ৰ হৈছিল অন্তিম দিনা বৰষুণ দিয়াৰ বাবে। আজি টেষ্ট জয়ৰ পাছত ইংলণ্ডৰ অধিনায়ক জ' ৰুটে দৃঢ়তাৰে শৃংখলা জয় কৰাৰ কথা ব্যক্ত কৰে। উল্লেখ্য যে চলিত তৃতীয় টেষ্টতে ইংলণ্ডে বেটিং আৰু বলিঙত হেৰুওৱা ফৰ্ম ঘুৰাই পাইছে। ইফালে, এই টেষ্টতে ইংলণ্ডৰ অধিনায়ক জ' ৰুটে টেষ্ট ক্ৰিকেটত এক অনন্য অভিলেখ গঢ়িছে। ক্ৰমাগত দুটা টেষ্ট শৃংখলাত তিনিটাকৈ শতক অৰ্জন কৰাৰ সফলতা লাভ কৰিছে ৰুটে। উল্লেখ্য যে ভাৰতৰ বিৰুদ্ধে খেলা চলিত তৃতীয় টেষ্টৰ প্ৰথম ইনিংছত শতক অৰ্জন কৰিছে ইংলণ্ডৰ অধিনায়ক জ' ৰুটে। 121 ৰাণৰ অনবদ্য ইনিংছ খেলে ৰুটে। এয়া চলিত শৃংখলাত ভাৰতৰ বিৰুদ্ধে ৰুটৰ তৃতীয়টো শতক। উল্লেখ্য যে ভাৰত আৰু ইংলণ্ডৰ মাজৰ পাঁচখনীয়া টেষ্ট শৃংখলাৰ প্ৰথম দুখন টেষ্টত ইংলণ্ডৰ বেটিং বিভাগ ভাৰতৰ পেচ বলিঙৰ সন্মুখত বিধ্বস্ত হয় যদিও ৰুটে অকলেই যুঁজ দি দলক উদ্ধাৰৰ চেষ্টা কৰিছিল। ইতিমধ্যে হৈ যোৱা দুখন টেষ্টৰ চাৰিটা ইনিংছত ৰুটৰ মুঠ ৰাণ হ'ল 386¼ প্ৰথম টেষ্টত ৰুটে 64 আৰু 109 ৰাণ কৰাৰ বিপৰীতে দ্বিতীয় টেষ্টত অপৰাজিত 180 আৰু 33 ৰাণ কৰে। উল্লেখ্য যে প্ৰথম দুখন টেষ্টত ৰুটৰ বাদে ইংলণ্ডৰ কোনো এজন বেটছমেনে দৃঢ়তা প্ৰদৰ্শন কৰিব পৰা নাছিল। চলিত শৃংখলাত ক্ৰমাগত তিনিটা শতক অৰ্জন কৰি ৰুটে মুঠ 507 ৰাণ কৰিছে। উল্লেখ্য যে ভাৰতৰ বিৰুদ্ধে পাঁচখনীয়া টেষ্ট শৃংখলা খেলাৰ পূৰ্বে ইংলণ্ডে শ্ৰীলংকাৰ বিৰুদ্ধে তিনিখন টেষ্টৰ এক শৃংখলাত অংশ লৈছিল। উক্ত শৃংখলাত ইংলণ্ডৰ অধিনায়ক জ' ৰুটে তিনিটা শতক অৰ্জন কৰিবলৈ সক্ষম হৈছিল।

## আই পি এল ঃ ডুবাইত অনুশীলন কেপিটেলছৰ

**ডুবাই, ২৮ আগষ্ট ঃ** আই পি এলৰ বাবে ডুবাইত উপস্থিত হোৱা দিল্লী কেপিটেলছ দলে আজিৰে পৰা অনুশীলন আৰম্ভ কৰিছে। দলৰ শ্ৰেয়াছ আয়াৰ, অমিত মিশ্ৰসহ সদস্যসকলে আজি জিমত অনুশীলন কৰে। উল্লেখ্য যে বিশ্ব ক্ৰিকেটৰ নতুন ঠিকনা এতিয়া ডুবাই। অহা 19 ছেপ্টেম্বৰৰ পৰা ডুবাইত অনুষ্ঠিত হ'ব চলিত বৰ্ষৰ আই পি এলৰ বাকী থকা মেচসমূহ। আনহাতে, আই পি এল সামৰনি কৰিব 15 অক্টোবৰত। আবু ঢাবি, ডুবাই আৰু শ্বাহজাহত হ'ব মেচ। ডুবাইত আই পি এলৰ বাকী থকা মেচ অনুষ্ঠিত হোৱাৰ লগতে এইবছৰ ভাৰতত হ'বলগা আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাখনো এতিয়া ডুবাইত অনুষ্ঠিত হ'ব। সেয়ে ডুবাইত লাহে লাহে ভৰি পৰিছে ভাৰতীয় তথা বিদেশী ক্ৰিকেটাৰ। ইফালে, নিউজিলেণ্ডৰ পেচ বলাৰ টিম ছাউথিক আই পি এল দল কলকাতা নাইট ৰাইডাৰ্ছে দলত অন্তৰ্ভুক্ত কৰিছে।



উল্লেখ্য যে অষ্ট্ৰেলিয়াৰ পাট কামিনছৰ স্থানত কে কে আৰে নিউজিলেণ্ডৰ পেচ বলাৰ টিম ছাউথিক দলত লৈছে। কামিনছে আই পি এলৰ বাকী থকা মেচ নেখেলাৰ সিদ্ধান্ত লৈছে। ছিজনৰ মাজতে আই পি এল ত্যাগ কৰা কামিনছ দ্বিতীয়জন বিদেশী ক্ৰিকেটাৰ। উল্লেখ্য যে ইংলণ্ডৰ উইকেটৰক্ষক বেটছমেন জ'ছ বাটলাৰেও আই পি এলৰ বাকী থকা মেচত খেলিব নোৱাৰে। ইতিমধ্যে ৰাজস্থান ৰয়েলছ দলে সেয়া আনুষ্ঠানিকভাবে অবগত কৰিছে। উল্লেখ্য যে বাটলাৰৰ পত্নীয়ে দ্বিতীয় সন্তান জন্ম দিব। সেয়ে ডুবাইত হ'বলগা আই পি এলৰ বাকী থকা মেচত খেলিব নোৱাৰে ইংলণ্ডৰ উইকেটৰক্ষক বেটছমেনে। ইংলণ্ডৰ উইকেটৰক্ষক বেটছমেনৰ অনুপস্থিতিত ৰাজস্থান ৰয়েলছ দলে অন্তভূক্ত কৰিছে নিউজিলেণ্ডৰ গ্লেন ফিলিপক।

## ইউ এছ অপেনলৈ সাজু অষ্ট্ৰেলিয়াৰ বাৰ্টি

**নিউয়ৰ্ক ২৮ আগষ্ট ঃ** বিশ্ব ৰেংকিঙৰ শীৰ্ষস্থানত উপনীত হোৱাৰ পাছত অষ্ট্ৰেলিয়াৰ টেনিছ তাৰকা বাৰ্টিৰ এতিয়া লক্ষ্য গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ইউ এছ অপেনৰ খিতাপ জয় কৰা। উল্লেখ্য যে কৰ'নাৰ বাবে বিগত বৰ্ষৰ ইউ এছ অপেনত খেলা নাছিল বাৰ্টিয়ে। কিন্তু উইম্বলডনৰ খিতাপ লাভ কৰি সফল প্ৰত্যাৱৰ্তন কৰে। অৱশ্যে টকিঅ' অলিম্পিকত দেশক পদক দিব নোৱাৰিলে বাৰ্টিয়ে। উল্লেখ্য যে সদ্য সমাপ্ত চিনচিনাটি অপেন টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ একক শাখাৰ খিতাপ লাভ কৰি পুনৰ বিশ্ব ৰেংকিঙৰ শীৰ্ষস্থান অধিকাৰ কৰিছে বাৰ্টিয়ে। বিশ্ব টেনিছৰ ৰেংকিঙত মহিলাৰ একক শাখাৰ শীৰ্ষস্থান অধিকাৰ কৰে অষ্ট্ৰেলিয়াৰ টেনিছ তাৰকা বাৰ্টিয়ে। জাপানৰ অ'ছাকাক চেৰ পেলাই প্ৰথম স্থানত উপনীত হয় বাৰ্টি। উল্লেখ্য যে টকিঅ' অলিম্পিকত ব্যৰ্থতাৰ সন্মুখীন হ'লেও আসন্ন ইউ এছ অপেনৰ পূৰ্বে ফৰ্ম ঘুৰাই পাইছে অষ্ট্ৰেলিয়াৰ টেনিছ তাৰকা বাৰ্টিয়ে। চিনচিনাটি অপেন টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ একক শাখাৰ খিতাপ লাভ কৰিছে বাৰ্টিয়ে। ফাইনেল মেচখনত বাৰ্টি মুখামুখি হয় ৱাইল্ড কাৰ্ড পোৱা টেইচমানৰ। মেচখনত 6-3, 6-1 ৰ পোনপটীয়া ব্যৱধানত জয়লাভ কৰি খিতাপ লাভ কৰে বাৰ্টিয়ে। উল্লেখ্য যে ইয়াৰপূৰ্বে প্ৰথমখন ছেমিফাইনেলত অষ্ট্ৰেলিয়াৰ বাৰ্টিয়ে খেলিছিল জাৰ্মানীৰ এঞ্জেলিক কাৰ্বাৰৰ বিৰুদ্ধে। মেচখনত বাৰ্টিয়ে 6-2, 7-5 ৰ ব্যৱধানত জয়লাভ কৰি ফাইনেলত প্ৰৱেশ কৰিছিল। আনহাতে, কোৱাৰ্টাৰ ফাইনেলত বাৰ্টিয়ে পৰাস্ত কৰিছিল চেক গণৰাজ্যৰ বাব'ৰাক। ব্যৱধান হ'ল 6-2, 6-4¼ ইয়াৰপূৰ্বে অনুষ্ঠিত হোৱা তৃতীয় ৰাউণ্ডৰ মেচত বাৰ্টিয়ে 6-0, 6-2 ৰ ব্যৱধানত পৰাস্ত কৰিছিল ভিক্টোৰিয়া আজাৰেনকাক। উল্লেখ্য যে বাৰ্টিয়ে টকিঅ' অলিম্পিকৰ ব্যৰ্থতাৰ পাছত আত্মবিশ্বাসৰে খেলিছে চিনচিনাটি অপেন টেনিছ প্ৰতিযোগিতাত। এতিয়া লক্ষ্য ইউ এছ অপেন দখল কৰা।



## শেষ পৃষ্ঠাৰ প্ৰথম
### দৈনন্দিন

# কৰ'না থাকিলেও নালাগে কৰুণা পৰিস্থিতিৰ স'তে নিজক খাপ খুৱাবই লাগিব



**পুৱা** সদায় এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত পাহাৰৰ বহু ওপৰৰ পৰা নামি আহিব লাগে। যাতে পুৱা ন বজাৰ আগতে আহি সৰু দোকানখন খুলিব পাৰে। কিয়নো সেই সময়তে স্কুল-কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ পৰা আৰম্ভ কৰি চাকৰিয়ালসকলে ঘৰৰ পৰা ওলাই আহে। গন্তব্যস্থললৈ ৰাওনা হোৱাৰ পূৰ্বে ইয়াৰে বহুতেই চিগাৰেট-তামোল, গুটখাৰ পৰা আৰম্ভ কৰি ললীপপ, মৰ্টন, চিপছ্ আদি ক্ৰয় কৰে। সৰু দোকানখনত তেনে সামগ্ৰী ক্ৰয় কৰা গ্ৰাহকৰ সংখ্যাই বেছি। আকৌ নিশা আঠ বজাৰ পৰা ন বজাৰ ভিতৰত দোকান বন্ধ কৰাৰ পাছত আৰম্ভ হয় কষ্টকৰ উভতনি যাত্ৰা। কিয়নো পাহাৰৰ খলা-বমা কেঁচা পথেৰে নিশাৰ অন্ধকাৰত উঠি যাব লাগে। উঠি যাওঁতে কমেও ৩০ মিনিটৰ বেছি সময় লাগে। তাতে এতিয়া শৰীৰত আগৰ দৰে শক্তি নাই। সেয়ে কেতিয়াবা ভাগৰত পৰিশ্ৰান্ত হৈ ঘৰ পাওঁতে নিশা ১০ বাজি পাৰ হয়। বিশেষকৈ গ্ৰীষ্মৰ দিনবোৰত পাহাৰীয়া কেঁচা পথেৰে উঠি যোৱাটো কিমান কষ্টকৰ, সেয়া ভুক্তভোগীয়েহে জানে। কেতিয়াবা প্ৰচণ্ড উত্তাপত প্ৰাণ যাওঁ যাওঁ অৱস্থা, আকৌ কেতিয়াবা বৰষুণৰ মাজত পাহাৰৰ পিছল মাটিত বিপদৰ আশংকাকো নেওচি উঠি যাবলগীয়া হয়। ঘৰত উপস্থিত হয়গৈ মানে শৰীৰে সংগ নিদিয়াৰ দৰে অৱস্থা হৈ পৰে। তাৰ পাছত আকৌ থাকে নিশাৰ আহাৰ প্ৰস্তুত কৰাৰ প্ৰক্ৰিয়া। কাৰণ কামলৈ যোৱা ল'ৰা দুজন কেতিয়া আহি ঘৰ সোমায়, তাৰ ঠিকনা নাই। নিশা ভাত খাই কোনোমতে শৰীৰটো বিছনাত এৰি দিয়ে। কিয়নো সোনকালে উঠি পুৱাৰ আহাৰ তৈয়াৰ কৰাৰ পৰাই আৰম্ভ হয় পাছদিনাৰ ব্যস্ততা। তথাপি মুখত কোনো ধৰণৰ অসন্তুষ্টি বা জীৱন যুদ্ধত ভাৰাক্ৰান্ত হৈ পৰাৰ ছাপ নাই, ইয়াৰ বিপৰীতে আদহীয়া মহিলাগৰাকীৰ মুখমণ্ডলত অনবৰতে লাগি থাকে হাঁহি বা সন্তুষ্টিৰ ভাব।

নলবাৰী জিলাৰ ধমধমা নিবাসী প্ৰয়াত বিচিত্ৰ দাসৰ পত্নী নিৰু দাসে কাৰো প্ৰতি কোনো ধৰণৰ আক্ষেপ নৰখাকৈ চলাই আছে নিজৰ তিনিজনীয়া সদস্যৰ সংসাৰখন। প্ৰায় ন বছৰৰ পূৰ্বে স্বামীৰ মৃত্যু হোৱাৰ পাছত অবৰ্ণনীয় জটিলতাৰ সন্মুখীন হোৱা সত্ত্বেও মহিলাগৰাকীয়ে দুই পুত্ৰক লৈ এই সৰু দোকানখনেৰেই নিজৰ জীৱন যুদ্ধ অব্যাহত ৰাখিছে। সামান্য উপাৰ্জনেৰেই জ্যেষ্ঠ পুত্ৰক নানা ঘাত-প্ৰতিঘাত আঁতৰাই উচ্চ শিক্ষা দিবলৈ সক্ষম হৈছে। যোৱা বছৰ স্নাতক হোৱাৰ পাছত তেওঁৰ জ্যেষ্ঠ পুত্ৰই এতিয়া কোনোমতে এখন স্কুটী যোগাৰ কৰি ছুইগীৰ ডেলিভাৰী বয় কাম কৰি আছে। কনিষ্ঠ পুত্ৰই অৱশ্যে মেট্ৰিক পাছ কৰি নোৱাৰি এতিয়া এখন সৰু সামগ্ৰী পৰিবাহী গাড়ী ক্ৰয় কৰি ব্যৱসায় আৰম্ভ কৰিছে। অৱশ্যে দুই পুত্ৰৰ উপাৰ্জন এতিয়াও সকাহজনক নয়। তলাবন্ধৰ পৰিপ্ৰেক্ষিতত সৰু পুত্ৰৰ ব্যৱসায় বেয়া হোৱাত গাড়ীৰ কিস্তি দিব নোৱৰাত এক অতিৰিক্ত চিন্তাই গ্ৰাস কৰিছে পৰিয়ালটোক। প্ৰায় ২৫ বছৰৰ পূৰ্বে ধমধমাৰ পৰা নিৰু দাসক লগত লৈ মহানগৰীলৈ আহিছিল তেওঁৰ স্বামী। পাঞ্জাবাৰী বতাহঘূলিৰ পাহাৰৰ ওপৰত সৰুকৈ ঘৰ এটি সজাই আৰম্ভ কৰিছিল নতুন জীৱন। স্বামীয়ে এটা উদ্যোগত সৰু চাকৰি কৰিছিল। উদ্যোগটো হঠাৎ বন্ধ হৈ পৰাত তেওঁ বহু ধন পাবলৈ থাকিল। সৌভাগ্যক্ৰমে তাৰ পূৰ্বেই বিচিত্ৰ দাসে পত্নীৰ স'তে মিলি সৰু দোকানখন আৰম্ভ কৰিছিল। পৰৱৰ্তী সময়ত বহু স্থান সলনি কৰাৰ পাছত যেনিবা এতিয়া দোকানখনৰ বাবে এক স্থায়ী ঠাই পাইছে। দুবাৰকৈ তেওঁলোকৰ বাসগৃহ উচ্ছেদ হৈছিল। স্বামীয়ে চিৰকাললৈ বিদায় ল'লে। তথাপি জীৱন যুদ্ধত পৰাজয় স্বীকাৰ কৰা নাই নিৰু দাসে।এই সন্দৰ্ভত মহিলাগৰাকীয়ে কয়, 'কৰ'না অহাৰ আগলৈকে দিনটোত আঠশৰ পৰা এজেহাৰ টকা পৰ্যন্ত বিক্ৰী কৰিছিলো। তলাবন্ধ হোৱাত আমাৰ পৰিয়ালটোৰ হাহাকাৰ অৱস্থা হৈছিল। তথাপি যেনিবা আনৰ হাতত বেছি হাত পাতিবলগীয়া নহ'ল। ইটো-সিটো আমি আমি তিনিও পেটৰ ভাতমুঠি যোগাৰ কৰিছিলো।' আচলতে কৰ'নাই কাহিল কৰিলেও চৰকাৰৰ বাহিৰে আনৰ কৰুণাৰ পাত্ৰ হ'ব নিবিচাৰে নিৰু দাসে। পাকে-প্ৰকাৰে তেওঁ সেই কথাই বুজাব খুজিলে। এতিয়া দোকান-বজাৰ খোলাৰ সময় বৃদ্ধি পালেও তেওঁৰ দোকানৰ বিক্ৰী আগৰ দৰে নাই। যাৰ বাবে ঘৰুৱা আৰ্থিক অৱস্থা এতিয়াও সুচল হোৱা নাই। সংগ্ৰাম অব্যাহত আছে। নিৰু দাসে জনায় যে অৰুণোদয় আঁচনিৰ বাহিৰে তেওঁ এই পৰ্যন্ত আন কোনো চৰকাৰী আঁচনি লাভ কৰা নাই। অৱশ্যে ইয়াৰ বাবে তেওঁ বেছিকৈ দৌৰি ফুৰাও নাই। কিয়নো দোকানখন এদিন এৰি গ'লেও বহু সমস্যা হয়। মহিলাগৰাকীয়ে কয় যে প্ৰথম তিনি-চাৰি মাহমান অৰুণোদয়ৰ ধন ঠিকেই পাইছিল যদিও তাৰ পাছত ধন একাউণ্টত সোমোৱা নাই। এই সন্দৰ্ভত মানুহবোৰে সোনকালেই পাব বুলি কয় যদিও কেতিয়া পাব সেই বিষয়ত নিশ্চিত নহয় বুলি তেওঁ মন্তব্য কৰে।

ক'ভিড-১৯ পৰিস্থিতিয়ে অৱস্থা একেবাৰে জটিল কৰি তুলিলে। তৎসত্ত্বেও আন বহুতৰ দৰে চৰকাৰে তলাবন্ধ বা সান্ধ্য আইন দিয়া কাৰ্যক লৈ কোনো ধৰণৰ ক্ষোভ নাই নিৰু দাসৰ। তেওঁ কয়, 'বেমাৰটো যিহেতু আহিছেই, গতিকে তলাবন্ধ দিবই লাগিব। নিদিলেও নহ'ব, অথচ দিলেও আমি চলিব নোৱাৰো। তেনে স্থলত পৰিস্থিতি অনুসৰিয়ে আমি আগবাঢ়ি যাব লাগিব। সেয়া ভগৱানৰ ইচ্ছা, আমিনো কি কৰিব পাৰো!' ইতিমধ্যে মহিলাগৰাকীয়ে প্ৰতিষেধকৰ প্ৰথম পালি গ্ৰহণ কৰিছে। ছেপ্টেম্বৰৰ প্ৰথম সপ্তাহতে দ্বিতীয় পালি গ্ৰহণ কৰিব। নিৰু দাসে কয়, 'প্ৰথমে বেজি ল'বলৈ ভয় লাগিছিল। অৱশ্যে এতিয়া বুজি পাইছো যে বৰ ভাল কাম কৰিলো। কাৰণ দোকানলৈ হৰেক ৰকমৰ মানুহ আহে। কাৰ গাত বেমাৰটো লাগি আছে, কেনেকৈ গম পাম? সকলো মানুহেই এই কৰ'নাৰ বেজিটো ল'ব লাগে।'

■ প্ৰশান্ত বৰা

ADMISSION GIT
৩ বছৰীয়া ডিপ্ল'মা পৰ্য্যায়ৰ পাঠ্যক্ৰম
• চিভিল • মেকানিকেল • ইলেক্ট্ৰনিকচ
• কম্পিউটাৰ চাইন্স • ইলেক্ট্ৰিকেলচ
• ইলেক্ট্ৰিকেল ইলেক্ট্ৰনিকচ • অট'মবাইল
১ বছৰীয়া ডিপ্লমা পৰ্য্যায়ৰ পাঠ্যক্ৰম
• জাৰ্নেলিজম • হোটেল মেনেজমেন্ট
• গ্ৰাফিক্স ডিজাইনিং • ৱেব ডিজাইনিং
• হাৰ্ডৱেৰ নেটৱৰ্কিং • কোডিং এণ্ড প্ৰগ্ৰামিং
GIT Guwahati GIT Nagaon
9954532009 - - 8403093900 - - 7002589485
www.gitassam.edu.in

অসম চৰকাৰ
সকলো বিদ্যালয়/ মহাবিদ্যালয়/ বিশ্ববিদ্যালয়ৰ (চৰকাৰী আৰু ব্যক্তিগত) শিক্ষকসকলৰ বাবে বিশেষ ক'ভিড টীকাকৰণ কেন্দ্ৰ

ছেপ্টেম্বৰ মাহৰ প্ৰথম সপ্তাহৰ পৰা সকলো উচ্চতৰ মাধ্যমিক, স্নাতক তথা স্নাতকোত্তৰ শিক্ষানুষ্ঠান খুলিবলৈ লোৱাৰ বাবে আমি সকলো শিক্ষক আৰু কৰ্মচাৰীক (চৰকাৰী আৰু ব্যক্তিগত) ক'ভিড-১৯ ভেকছিনৰ প্ৰথম আৰু দ্বিতীয় পালি গ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছো। ২৭ আগষ্টৰ পৰা ৫ ছেপ্টেম্বৰ, ২০২১ লৈকে ক'ভিড-১৯ ভেকছিন প্ৰদান কৰা হ'ব। নিম্নোক্ত ঠিকনাসমূহত জিলা ভিত্তিত এই বিশেষ ক'ভিড টীকাকৰণ কেন্দ্ৰ উপলব্ধ কৰা হৈছে।



টীকাকৰণ কেন্দ্ৰ
সকলো জিলাৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয় (বিইঅ')
সকলো জিলাৰ জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয় (ডিইঅ')
সকলো জিলাৰ বিদ্যালয় পৰিদৰ্শকৰ কাৰ্যালয়
সকলো বিশ্ববিদ্যালয় চৌহদ

বিঃ দ্ৰঃ শ্ৰেণীত উপস্থিত থকাৰ বাবে প্ৰথম পালি টীকাকৰণ আৰু হোষ্টেলত থকাসকলৰ বাবে দুয়োটা পালি টীকাকৰণ বাধ্যতামূলক।

জনসংযোগ/ছি/৪৮৫৮/২১



জনতাৰ চৰকাৰ | myGOV মেৰী সৰকাৰ | সত্যমেৱ জয়তে | অসম চৰকাৰ



## ৰেচন কাৰ্ড পৰিহাৰ কৰি মেলি দিওঁ আহক কৰুণাৰ এখনি হাত

খাদ্য আৰু অসামৰিক যোগান বিভাগে জাৰি কৰা ৰেচন কাৰ্ডসমূহৰ আধাৰত অসমৰ লাখ লাখ দৰিদ্ৰজনে কেতবোৰ অত্যাৱশ্যকীয় সামগ্ৰী সুলভ মূল্যত লাভ কৰে। পূৰ্বে ৰেচন কাৰ্ড লাভ কৰা বহু পৰিয়ালে পৰৱৰ্তী পৰ্যায়ত আৰ্থিক স্বচ্ছলতাৰ মুখ দেখিছে। আৰ্থিকভাৱে স্বচ্ছল লোকসকলে নিজৰ ৰেচন কাৰ্ডসমূহ পৰিহাৰ কৰিলে একো একোজন দৰিদ্ৰ নাৰায়ণৰ বাবে আমি সুলভ মূল্যৰ সামগ্ৰীৰ যোগান বৃদ্ধি কৰিব পাৰো।

ইতিমধ্যে ৰাজ্য চৰকাৰৰ আহ্বানত আৰ্থিকভাৱে স্বচ্ছল আৰু হৃদয়বান বহু লোকে নিঃস্ব আৰু দুৰ্বলজনৰ স্বাৰ্থত ৰেচন কাৰ্ড পৰিহাৰ কৰিছে। তেওঁলোকলৈ আন্তৰিক কৃতজ্ঞতা জনাইছো।

ৰেচন কাৰ্ড পৰিহাৰৰ এই প্ৰয়াসক এক মহৎ আন্দোলনলৈ ৰূপান্তৰ কৰি দৰিদ্ৰ নাৰায়ণক সহায় কৰোঁ আহক।

ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম





তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসম

জনসংযোগ/ডি/৪৮৫৫/২১